
৩৩ তম্ মিছিং বাঃ নী- কৌবাঙৰ
মুখপত্ৰ
(Lusar Potin)
সম্পাদক
শ্ৰীপূৰ্ণ কুমাৰ চিন্তে

# সুচীপত্ৰ


মিৰি গীতি সাহিত্যৰ স্বৰূপঃ... টাবুৰাম টাইদ/ ১

মিচিং জাতিৰ উৎপত্তি চক্ৰেশ্বৰ টায়ুং/ ৬

"সংহতি, সংস্কৃতি .. নুমল পেগু/ ১৫

অভিযন্তা- তৰুণ চন্দ্ৰ পামেগাম /১৭

আমাৰ সোৱণশিৰি...... বক্সিৰাম মৰাং/ ২০

বাঃনী কীবাঙে ৰিঙিয়াই - গনেশ পেগু / ২৩

বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি ... তোষেশ্বৰ চেতিয়া/ ২৫

উৎপাদনমুখী মিচিং .... ডিৰাম কুম্বাং/২৯

বীৰ পুৰুষ কমলা মিৰি........ পুষ্প চন্দ্ৰ লইং /৩১

শিক্ষা আৰ.......... যতীন মিপুন/৩৪

মিচিং সকল কোন......... গোলেশ্বৰ দলে /৪১

মিচিং মান্য ........বসন্ত কুমাৰ দলে/৮৫

সংকটত মিচিং.... দুৰ্গেশ্বৰ দলে / ৪৮

বুৰঞ্জীবিদ সোনাৰাম ... মনেশ্বৰ পাঞাং কটকী/৫১

ভাৰত স্বাধীনতা........ বাসন্তী মৰাং/৫৩

মিচিঙৰ উমৈহতীয়া ...... ভৃগুমুনি কাগয়ুং/৫৭

পঃৰাগ'ৰ এটি চমু ... ভানু দলে /৬০

ষষ্ঠ অনুসুচীয়ে .............. কেশৰ পাইট /৬৩

কি কি বিশেষ কাৰণত ..... মালচন্দ্ৰ পেগু /৬৬

বিজ্ঞানী দ্বিজেন

মেদকৰ চমু .. ...........সংগ্ৰাহক সম্পাদক / ৬৯

MURONG OKUM-

Médog ao Ramesor/৭১

মিচিং বাঃনী কীবাঙৰ .বন্ধুৰাম পাৰেগাম/৭৪

MISING AGOM .... Bhobo Dole / 80

টি. এম. পি. কে........ পৰমানন্দ চায়েঙীয়া/৮২

TMMK ৰ.......... মৃণালী কাগয়ুং /৯২

মিছিং দূৰকৃ...............একলব্য গাম /৯৫

মিচিং মিমাগ........ সংগ্ৰাহক-সম্পাদক / ৯৬

মিচিং যুৱ মহোৎসৱ.....পৰমানন্দ চায়েঙীয়া/৯৭ |

মচিং বাঃনী কীবাঙৰ

যাৱতীয় নথি পত্ৰ সমুহ- পৰমানন্দ চায়েঙীয়া | ১০০

মাঃত ..... খেমতা মিলি / ১২৬

চিকাৰ - চেঙাৰম মৰাং/১২৬

ডালিমীৰ প্ৰতি আৰতি পায়েং/১২৭

ক্ষনিক যতীন্দ্ৰ চিন্তে/১২৭

নিনাদকাল- মুহিৰাম পেগু/১২৮

Ngeke - Purondar Mili / ১২৮

Nérka:minsula - Juwel Pegu, Nebing/১২৯

ANU NI:TOM – Ronju Mili | ১২৯

TANIAGOM - Talom Rugbo / ১৩০

Rotneswar Perme - Roghunath Pe:gu/132

বিপ্লৱী শিল্পী

সূৰ্য কুমাৰ চিন্তে পুৰন্দৰ মিলি/১৩৫

দিচাং মুখৰ নিশা - ভুপেন হাজৰিকা/১৩৭

Mogur Ni:tom--- Purna Kr. Chintey / ১৩৮

Mé:pa Ni:tom- Purna Kr. Chintey/১৩৮

আলি - লৃগাঃ

লক্ নিঃতম্ - নাহেন্দ্ৰ পাদুম/১৩৯

| Mimag Ni:tom - Surjo Kr. Sinte/১৪১

Le:tom Tigsar Ni:tom

Torun Ch. Pa:me:gam/১৪১

মিচিং বাঃনী কীবাঙৰ

সভাপতি, স্থান, তাৰিখৰ তালিকা/১৪২

# সম্পাদকীয়

অতীত সোঁৱৰণ আৰু সংৰক্ষনৰ ভিত্তিত নতুনৰো সংযোজনাৰে বৰ্তমানৰ লগত খোজ মিলাই ভৱিষ্যতলৈ আগুৱাই যোৱাৰ পথ প্ৰশস্ত কৰি ৰখাৰ মানসেৰেই অবনৰিৰ আলিমুৰ বেবেজীয়াত ইং ২৪, ২৫, ২৬ আৰু ২৭ মাৰ্চ ২০০৫ তাৰিখে অনুষ্ঠিত হব লগা ৩৩ তম্ মিচিং বাঃনী কীবাঙৰ মূখপত্ৰখনি সজাই পৰাই তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। ইয়াৰ বাবে বহু কেইজন গুণী-জ্ঞানী, অভিজ্ঞ ব্যক্তিৰ পৰা দিহা-পৰামৰ্শ বিচৰা হৈছে। বিশেষভাৱে ভাষা সাহিত্যৰ গৱেষক মিচিঙৰ অগ্ৰণী ব্যক্তি, বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱি টাবু টাইদ দেৱৰ পৰাও প্ৰয়োজনীয় পৰামৰ্শ লোৱা হৈছে। যোৱা ২৭ ফ্ৰেব্ৰুৱাৰী তাৰিখে গোগামুখ মুৰংঘৰত অনুষ্ঠিত বাঃনী কীবাঙৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভাটো টাবু টাইদ দেৱৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা মিচিং সমাজৰ প্ৰথম আলোচনী 'মিৰ মিগল'  ৰ বেটুপাতৰ চানেকিৰে ৩৩ তম্ বাঃনী কীবাঙৰ অধিবেশনৰ মূখপত্ৰখনিৰ বেটুপাত সজোৱাৰ বাবে সিদ্ধান্ত লোৱা হয়। ইয়াত সন্নিবিষ্ট মিচিং সমাজৰ মৃত বা জীৱিত বহু কেইজন পুৰুধা ব্যক্তিৰ পুৰণি লেখা প্ৰকাশৰ বাবে সন্মতি লোৱা হৈছে। মিচিং আগম কৌবাং, মিচিং দূৰ কৌবাং, তাকাম মিচিং পৰিণ কৌবাং, তাকাম মিচিং মিমী কৌবাং, মিচিং মিমাগ কীবাং আদি সকলোবোৰ সংগঠনৰ ভিতৰত মিচিং জাতিৰ সৰ্বোত্তম পিতৃ সংগঠন বাঃনী কীবাং ১৯২৪ চনতে গড়মূৰীয়া সত্ৰাধিকাৰ পিতাম্বৰ দেৱ গোস্বামীৰ সভাপতিত্বত আৰু মিচিঙৰ প্ৰথম বি. এ. স্বৰ্গীয় চাৰু চন্দ্ৰ দলে আৰু প্ৰথম বি.এচ. চি. মুই চন্দ্ৰ মিৰিৰ প্ৰচেষ্টাত সংগঠিত হয়। তেতিয়াৰ পৰাই মিচিং সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলৰ উপৰিও অনা মিচিং লোক বাগ্মীবৰ নীলমণি ফুকনকে ধৰি মহম্মদ চাৰ চাদুল্লা আদি বিশিষ্ট ব্যক্তি সকলৰ সভাপতিত্বত বিভিন্ন সমস্যা আৰু ঘাত প্ৰতিঘাতৰ মাজেদি বাঃনী কৌবাং অনুষ্ঠিত হৈ আহিছে।মিচিং জাতিৰ পিতৃ সংগঠনৰ মুৰব্বী পদত অমিচিং লোকক অধিষ্ঠিত কৰাটো এক বিৰল উদাহৰণ আৰু এই

উদাহৰণে মিচিং সমাজৰ মহানুভৱতাৰ পৰিচয় দাঙি ধৰে। ১৯৯৫ চনৰ ২১, ২২, ২৩ এপ্ৰিল তাৰিখে অৰনৰী বিলমুখত অনুষ্ঠিত অতি বিতৰ্কিত বাঃনী কৌবাং অধিবেশনৰ বিফলতাৰ পিচতেই দীৰ্ঘদিন ধৰি বাঃনী কৌবাং নিষ্ক্ৰিয় হৈ আছিল। ইয়াৰ পিচতে ২২-০৭-২০০১ তাৰিখে গোগামুখ মিচিং কৃষ্টি কেন্দ্ৰৰ প্ৰাঙ্গনত অনুষ্ঠিত বাঃনী কীবাঙৰ প্ৰতিনিধিত্বমূলক সভাত অভাজনক মধ্যস্থতাকাৰী হিচাবে নিয়োগ কৰে । এই মতে অভাজনৰ মধ্যস্থতা আৰু বহু কেইজন উদ্যোগী লোকৰ প্ৰচেষ্টাত বিভাজন হোৱা দুয়োপক্ষৰ মাজত আলোচনা হয় । ২০০২ চনৰ ২৭,২৮ এপ্ৰিল তাৰিখে দুয়োপক্ষৰ সমিল মিলৰ মাজেদি গোগামুখত ললিত দলে ক্ষেত্ৰত বিশেষ অভিবৰ্ত্তন পাতি বাঃনী কীবাং পুনৰ উজ্জীৱিত কৰে। এতিয়া যুৱ নেতা ডাঃ ৰণোজ পেগুৰ প্ৰচেষ্টাত যুৱ চামৰ তৎপৰতাত বাঃনী কীবাঙে পুৰ্ব্বতকৈ দুগুন উৎসাহেৰে মিচিং জাতিক অগ্ৰগতিৰ দিশত আগবঢ়াই নিয়া পৰিলক্ষিত হৈছে। আৰ্থ সামাজিক সংগঠন হিচাবে বাঃনী কীবাঙে মিচিং জাতিৰ আচাৰ-আচৰণ, ধৰণ-কৰণ, ঘূৰণ-ফুৰণ, পিন্ধন-উৰণ, খোৱন-পিয়ন আদি প্ৰতিটো দিশ নিৰীক্ষন কৰিব লাগিব । মিচিং সমাজৰ আৰ্থিক, শৈক্ষিক পৰিবেশ, সামাজিক নীতি আনকি ৰাজনীতিৰ ক্ষেত্ৰতো বাঃনী কীবাঙে গুৰুত্বপূৰ্ণ দায়িত্ব লব লাগিব। গতিকে বাঃনী কীবাঙক এক সুস্থ সবল আৰু মিচিং জাতিৰ অগ্ৰনী সংগঠনৰূপে গঢ় দিবলৈ প্ৰত্যেকজন মিচিঙৰ দায়িত্ব অপৰিসীম। আলিমূৰ বেবেজীয়াত অনুষ্ঠিত অধিবেশনত সাধাৰণ সম্পাদক পৰমানন্দ চায়েঙীয়াৰ উদ্যোগত এইবাৰ অহা ২০২৪ চনত বাঃনী কীবাঙ শতবৰ্ষ পুৰ্তিৰ এক উল্লেখনীয় আচঁনিৰ দলিল প্ৰস্তুত কৰি উলিয়াব। ই এক লেখত লবলগীয়া পদক্ষেপ। ইয়াত সকলো শ্ৰেণীৰ লোকৰ সহায় সহোযোগিতা নিশ্চয় লাগিব। বাঃনী কীবাঙৰ সভাপতি দেবেশ্বৰ পেগু, উপ-সভাপতি বন্ধুৰাম পাৰেগাম সাধাৰণ সম্পাদক পৰমানন্দ চায়েঙীয়া বিশিষ্ট কবি সাহিত্যিক খগেশ্বৰ পেগুৰ দিহা পৰামৰ্শৰ লগতে মুখপত্ৰৰ সহকাৰী সম্পাদকদ্বয় কেশৱ পাইট, ভৱ দলেলৈ তেওঁলোকৰ দিনে ৰাতিয়ে কৰা পৰিশ্ৰমৰ ফলত মুখপত্ৰখনি সজাই পৰাই তুলিব পৰা হোৱাত আৰু কম সময়ৰ ভিতৰত সুগন্ধি পখিলা অচেটৰ স্বত্তাধিকাৰী অনিৰ্বাণ বি. গোঁহাই, ডি. টি. পি. অপাৰ্টৰ গনেশ নেৱাৰ হেমকান্ত ব্ৰহ্ম আৰু অচেট অপাৰ্টৰ জয়ন্ত বৰাই প্ৰকাশ কৰি উলিয়াই দিয়াত সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ যাঁচিলো। অজানিতে থাকি যোৱা ভুলত্ৰুতি, অজ্ঞাতে থাকি যোৱা পৰামৰ্শ দাতা আৰু শুভাকাঙ্খী সকলোলৈ ক্ষমা প্ৰাৰ্থনা মাগিলো ।

**Mising Bane Kebang irroi**

**Mising Rengam irroi**

পূৰ্ণ কুমাৰ চিন্তে

সম্পাদক, মুখপত্ৰ

৩৩ তম্ মিচিং বাঃনী কৌবাং

অৰনৰী বেবেজীয়া

# মিৰি গীতি সাহিত্যৰ স্বৰূপঃ ঐনিতমৰ পটভূমি।

শ্ৰী টাবুৰাম টাইদ

(লিখক ১৯৫৭ চনত উঃ লক্ষীমপুৰ চৰকাৰী হাইস্কুলত দশম শ্ৰেণীত পঢ়ি আছিল আৰু মিছিং সকলৰ প্ৰথম আলোচনী মিৰ' মিগলৰ প্ৰথম সম্পাদক আছিল।)

ভাৰতীয় উপজাতি বিলাকৰ মাজত থকা তথাকথিত অনুন্নত সম্প্ৰদায় বিলাকৰ মাজত যদি জন সাহিত্যৰ প্ৰাচুৰ্য্য ষোলকলাই বৰ্তমান বুলি কোৱা হয়, তেতিয়া হলে অসমৰ উত্তৰ পূৱ কোণত বাস কৰা মিৰি সম্প্ৰদায়ৰ নামো তেনে এখন তালিকাত অন্তৰ্ভু ক্ত হ'ব বুলি নদি ক'ব পৰা যায়। বিভিন্ন জাতি উপজাতি সকলোৰে "মনৰ পৰিচয়" "বুৰঞ্জী আৰু ভূগোলেও" দিব নোৱাৰিলে "জাতিৰ মাজত প্ৰচলিত গীত পদ সাধুৱেহে " দিবলৈ সমৰ্থ হয়, মিৰি জাতিৰ ক্ষেত্ৰতো এই কথাষাৰ খাটে। কিয়নো মিৰি জাতিৰ মনৰ পৰিচয় দিব পৰা বুৰঞ্জী (ভূগোলৰতো কোনো প্ৰশ্নই নুঠে) বা তেনে ধৰণৰ আন প্ৰনিধানযোগ্য পুথি নাই। অনুমানিক অ-নিখুত আৰু অপৰিপক্ক তুলিকাৰ যি কেইখন মান অংশ বিশিষ্ট পুথি বিচাৰি খুচৰি পোৱাযায় সেইবোৰত প্ৰকৃত পক্ষে মিৰি মনৰ পৰিচয় পাবলৈ সহজ নহয়। উদাহৰণ স্বৰূপে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ দেৱৰ "মিৰি জীয়াৰি" ত যদিও মিৰি সমাজৰ এটা ৰূপ ফুটি উঠিছে সেই ৰূপ একেবাৰে অসম্পূৰ্ণ। এইটো অন্ততঃ প্ৰমাণ যোগ্য যে, 'মিৰি জীয়াৰি" মিৰি সমাজ ব্যৱস্থাৰ কেৱল এটা ছুঁয়াময়া ৰূপ, কেতিয়াবা সেই ৰূপ একেবাৰে অদৃশ্য হয়। কিন্তু মিৰি সমাজৰ জন সাহিত্য যদি পুঙ্খানুপুঙ্খ ভাৱে গৱেষণা কৰি চোৱা হয়, তেন্তে আমি পাম যে সেই জন-সাহিত্যৰ গৰ্ভত গোটেই জাতিৰ অন্তৰ লুকাই আছে। সেই অৱহেলিত সাহিত্যৰ পৰাই হয়তো পোৱা যাব সাহিত্যৰ ৰত্ন টুকুৰা (শামুকৰ পেটত মুকুটাৰ জন্ম নহয় বুলিবলৈ জানো কাৰোবাৰ দাঁত আছে ?) মিৰি সাহিত্য জন লৌকিক। ইয়াৰ প্ৰধান দুটা ভাগ দেখা যায়, এভাগ গীতিব্যঞ্জক আৰু আন ভাগ কথিত, বিহুগীত, ধাইনাম আদি আৰু নানা সাধু কথাৰ চিত্ৰ বিচিত্ৰ সমাবেশত মিৰি জন সাহিত্যৰ সৃষ্টি। মিৰি গীত সাহিত্যৰ বিষয়ে কবলৈ যাওঁতে প্ৰথমতে প্ৰশ্ন হয় যে " মিৰি গীতি সাহিত্য স্বতন্ত্ৰ হয়নে নহয়?" এই প্ৰশ্নৰ উত্তৰ মোটা মোটি হিচাপে এনেদৰে দিব পাৰি, হয় মিৰি গীত সাহিত্য স্বতন্ত্ৰ। বৰ্ত্তমান এই সমাজত যিবিলাক সংস্কৃত বা মৰ্জ্জিত গীতিৰ প্ৰচলন আছে সেই

বিলাক গীতি লাখুটিত ভেজা দি ঠিয় হ'বলগীয়া নহয় । ইহঁতৰ ভাৱ প্ৰকাশ ভঙ্গী লয় আৰু স্বৰ সকলো নিজস্বঃ । সকলো নি আকৌ যদি কোনোৱে সোধে যে “মিৰি জন গীতিবোৰৰ উদ্দেশ্যও স্বতন্ত্ৰনে কি? তেনেহলে সেইজনৰ বিষয়ে আমি ইয়াকে মন্তব্য কৰিম যে এই বিষয়ে তেৰাৰ জ্ঞান একেবাৰে সীমাবদ্ধ -কাৰণ উদ্দেশ্য একে হোৱাটো একেবাৰে স্বাভাৱিক। একে নোহোৱাটোহে বৰং আশ্চৰ্য্যসভুত। ডেকা গাভৰুৰ প্ৰণয় আজিৰ কথা নহয় বা অকল এটা নিৰ্দ্দিষ্ট সমাজৰ আচাৰ নহয় । ই সৃষ্টিৰ আদিৰে পৰাই চলি আহিছে আৰু ৰঙা, বগা, ক'লা সকলো সমাজতে প্ৰেমাভিনয়ৰ ৰমক্ জমক্ চিত্ৰ দেখিবলৈ পোৱা যায়। (অৱশ্যে প্ৰেমৰ কেতিয়াও একেটা ৰূপ নহয়; ই বহুতক বহুতো ৰূপত দেখা দিয়ে। প্ৰেমত তাজমহল সাঁজিলে, “ডিভাইন কমেডি” ৰচিলে আৰু লগে লগে ট্ৰয় নগৰ ধ্বংসও কৰিলে। ট্ৰই নগৰ ধ্বংসৰ পটভূমিত প্ৰেমৰ ৰূপ কি? প্ৰেমান্ধ ডেকাই মিলনৰ আৱেগত নতুবা “বনৰীয়া কবি” লৈ (ডাঃ নেওগৰ ভাষাৰে) ৰূপান্তৰিত হয় । আমোদ প্ৰিয়বাদী মানৱে তেনে দৰেই বিহুগীত, বিয়ানাম আদি সৃষ্টি কৰি সেইবোৰক বহুযুগৰ আগৰে পৰাই প্ৰচলন কৰি আহিছে। প্ৰাকৃতিক বৰ্ণনা কিছুমান অসমীয়া জন-গীতিৰ লগত মিৰি জনগীতিৰ সামঞ্জস্য দেখা যায়। একে ব্ৰহ্মপুত্ৰৰ আবহাৱাত ওপজি, একে ধৰণৰ কিছুমান পাহাৰৰ নীলিম শাৰীবোৰ দেখি, কেতেকী ময়না আদি একেধৰণৰ চৰাইৰ মাতকে শুনি আৰু একে আঘোনী শস্যৰ স্বৰ্ণবৰ্ণ দেখাই হয়তো এনে সামঞ্জস্যৰ কাৰণ

“সাহিত্য” শব্দটোৰ প্ৰতিশব্দ মিৰি দোৱানত এতিয়ালৈকে ওলোৱা নাই । গতিকে “মিৰি জন সাহিত্য” ৰ প্ৰতিশব্দ দোৱানত কৰিব পৰা নাযায় । ইয়াৰ অৰ্থানুবাদ কৰিবলৈ গৈ “মিছিং ৰেগাম দয়িং” আৰু মিছিং ৰেগাম্ আগম্ আদি খণ্ডবাক্যৰে যদি সৃষ্টি কৰা হয় তথাপিও ইবোৰ মনণীয় নহয় । এনেবোৰ কামৰ ভাৰ এতিয়া উদীয়মান মিৰি লিখকৰ হাতত। “গীতি” শব্দৰ প্ৰতিশব্দ দোৱানত “নিঃতম” । এতেকে “মিৰি জনগীতি” এই খণ্ড বাক্যটোৰ অৰ্থানুবাদ হব। “মিছিং ৰেগাম নিতম” । “ ৰেগাম” শব্দই “সমাজ” বুজাই; কিন্তু “জন” শব্দটোৰ অৰ্থও ই প্ৰকাশ কৰিব পাৰে ।

“মিছিং ৰেগাম নিতম্-অৰ প্ৰধান ভাগটো হ'ল “ ঐনিতম” । “ঐ” শব্দৰ অৰ্থ “চেনাই” “সোন” , “বাপু” , “মইনা” আদি অন্তৰ পৰশা “মৰমৰ বোকোচা” বব নোৱাৰি সৰি পৰা শব্দ। কাজেই ‘ঐনিতম্’ ৰ অৰ্থ “চেনাইৰ গীত” , “সোনটিৰ গীত” , “বাপুৰ গীতচ, মইনাৰ গীত” , , আদি হব লাগিছিল কিন্তু ই নহয় সাধাৰণতে “ঐনিতম” মানে বুজায় প্ৰিয়তমালৈ অতবা প্ৰিয়তমাই প্ৰিয়তমক কেন্দ্ৰ কৰি বা উদ্দেশ্য কৰি গোৱা গীত আৰু হব পাৰে প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা। থোৰতে তুলনামুলক ভাবে কবলৈ গলে বনগীতে অসমীয়া জনগীতিত যি ভাবৰ হিল্লোল তোলে “ঐনিতম্ওে” তেনে এটি ভাবৰেই তৰঙ্গ জন্মায়। “মিছিং ৰেগাম্ নিতম” অত। “ঐনিতমৰ” পটভুমি মৌলিকতাপুৰ্ণ। এই পটভুমিবোৰৰে পটভুমিৰ উদাহৰণ দিয়া হ'ল।

ধলপুৱাতে “লেদেঙ্” (মৰমী) পথাৰলৈ ওলাল “চেনে” (চেনাইৰ) গাত তৰণি নোহোৱা হৈ পৰিল । তাৰ সৰ্ব্বাঙ্গ শৰীৰত কিবা এটা অস্বাভাবিক কঁপনি উঠিল । অজানিত ভাবৰ উন্মেষ হোৱাত। “চেনেঙৰ” “ আচিনাং ৰেকপ্ ৰেকপ্ জিন্দুবং” (কুমলীয়া কলিজাত ধৰফৰণি উঠিছে। তেতিয়া সি পুনৰ স্থিৰ হ'ল আৰু গালে, “দগ্ৰিবি চাদুনে লিজিগই লিজিলা,মেনামইবি লেন্দুনে গেজুবই গেকালা” ।

(সূৰুযে ৰঙীন বোল সানি উদয়াচলত দৃষ্টি হৈছে । মোৰ মন মৰমীও সুন্দৰ হৈ ওলাইছে নানা বুলিয়া সাজপিন্ধি প্ৰেয়সিনীক চকু আৰু মনেৰে প্ৰথমে দৰ্শন কৰোঁতে কিজানি সকলো চহা-কবিৰে এটি অস্বাভাৱিক কঁপনি উঠে। সেই কঁপনি নিশ্চয় “ৰুদ্ধ হিয়াৰ মুৰ্ত্ত প্ৰকাশ” হোৱাৰ পুৰ্ব্বলক্ষণ; বসুমতীয়ে যেনেকৈ কঁপি উঠাৰ আগতে ৰহস্য হাঁহিৰ নিচিনা এটা কপট গোজৰনি মাৰে

.....গাত জুই পানী ঘটত দেখি” আৰু “তোমাৰ দাঁত দুপাৰি এনেনো ধুনীয়া

যেন ডালিমৰে গুটি......"
এই দুফাঁকি অসমীয়া গীততো প্ৰথম পলকৰ কঁপনি আৰু পিছ মুহুৰ্ত্তৰ তৃপ্তিৰ ভাৱ প্ৰকাশ কৰিছে। "লেদে" গৈ পথাৰ পালেগৈ। এবুকু পানীত নামি ধাননি পথাৰত তাই ধান কাটিবলৈ লাগিল । বক্ষবস্ত্ৰাভৰণহীন তাইৰ দেহ "চেনে" চকুত পৰিল । তেৰাৰ চিত্ৰপটৰ সমাবেশত সি দেখিলে।
"আমই গাদ্‌য়োমা মুটিয়ে তুয়োমা।
আংকেলগনে আচিদ দাগ্‌য়োম দাগ্‌য়োমা ঐ ।।
"হে প্ৰণয়িণী ! তোমাৰ ধান গছত ৰেপ্ দিয়া ভঙ্গী, ধানৰ মুঠি থোৱা ভঙ্গিমা আৰু উঠন বুকু পৰ্য্যন্ত জলনিমগ্ন দেহ -এই বিলাক কেনে মনোৰম" । এইটো ওলাই থকা কথা যে, "মন আৰু কল্পনাৰ যাদু পৰশত সাধাৰণ কামনাতো অনুপম সৌন্দৰ্য্যৰ জেউতি ফুটি ওলায়।" মৈথিলীৰ কাষ চাপি "বিশালে বিমলে নেত্ৰ ৰক্তান্তে কৃষ্ণতাৰকে" আদি সম্বোধনেৰে ৰাৱণে তেওঁৰ (সীতাৰ) ৰূপৰ বৰ্ণনা কৰি "মনো হৰসিমে ৰামে নদীকূলমিবান্তস্য" বুলি হিয়াৰ ি আৱেগ প্ৰকাশ কৰিছিল এই ফাঁকিতো তেনে এটি আৱেগৰে ইঙ্গিত দিছে। (সেইবুলি "চেনেঙে" ৰাৱণৰ ভূমিকা ৰূপায়ণ কৰিবলৈ উদ্যত হোৱা নাই) তাৰ পিছত "লেদে' দৃশ্যপটৰ পৰা অন্তৰ্দ্ধান হ'ল । সি তেতিয়া ভাবিলে,

"গৰু আলেম লাগিমা
মেঞ্জাগ্ আলেম্ লাগিমা ।
মীনাম ঐনম পামিল'
কোয়াপ্ তালা দবপে।।"

"খেতি কৰি খাবলৈ মোক গৰুও নালাগে ম'হৰো কোনো প্ৰয়োজন নাই। কিন্তু মোৰ মৰমীৰ যদি মোৰ সৈতে মিলন হয় তেন্তে কোৰেৰেই খেতি কৰি খাম" কষ্টসহিষ্ণু ও পৰিশ্ৰমী অভং মিৰি ডেকাৰ এয়াই হ'ল পোন পটীয়া উক্তি । সাধাৰণতে এনেবিলাক কষ্টসহিষ্ণুতাৰ ইঙ্গিত নিৰ্দ্দেশক আৰু বহুতো বনগীত আছে।
এইবাৰ "লেদেঙ্" বা "মেনাম" (মানসৰাণী) আঁতৰিল। সি কব নোৱাৰে -তাই কিমান দুৰলৈ গ'ল । নজনা নুশুনা দুৰ দুৰনিত আশ্ৰয় ললেগৈ। "চেনেঙৰ" মনৰ চিন্তা মনতে গুজৰি গুমৰি থাকিল। কাৰণ "কবলৈ নেপালোঁ লগ" "লেদেঙৰ" ৰঙালী তৰুণ মুখখনি নেদেখি তাৰ অন্তৰ "ইমি উনাম্ ইছিপে ছানাওই দুবনে।" (জুয়ে পোৱা গছৰ দৰে মৰি যাব লাগিছে।) এনেবোৰ চকা মকা ভৰা সপোনৰ মাজতেই কপৌ চৰায়ে প্ৰেমৰ প্ৰতীক হৈ ওলালহি । তাৰ প্ৰেমৰ ভাগী হ'ল কপৌ চৰায়েই

"পেকি তমানে পেন্তা তমানে;
আলাবই তমানে লাৱলিক্ চুপেবং
ঐনম্ কালিদ' কাবেগ্ তমানে

"কপৌ চৰাই নহলো নাইবা আন চৰায়ো নহলোঁ । তেনে হোৱা হ'লে মোৰ উৰি যাবলৈ ডেউকা থাকিলহেঁতেন. হে মোৰ প্ৰিয়া ! তৃষ্ণাতুৰ নয়নে তোমাক যথা সময়ত দৰ্শন কৰিব নোৱাৰিলে।"
অ' হেড্ আই ডি উইঙ্গ্চ্ অব্ এ' ডভ হাও চোন্ আৰ টেষ্টয়ু এগেইন্"
এই কল্পনা প্ৰৱণ ভাবটি মনলৈ আনিবলৈ কাও পাৰব নিচিনা প্ৰথম শ্ৰেণীৰ কবিৰো বোধকৰোঁ সময় লাগিছিল। এনে সময়তে "চেনেঙৰ" মনত নানান অশান্তিৰ সৃষ্টি হ'ব ধৰে। সি যতে তাঁতে "লেদেঙৰ" চিত্ৰ দেখে। সি আনকি নিজকে বিশ্বাস কৰিব নোৱাৰা হৈ পৰে তাৰ মৰম ভ্ৰম নে চকুৰ ?.......
"অৱনৰি কেদে আচি তিলিল পূমচাদম্ । লাক্কে পঙ্কেপ্ পঙ্কেপ্ল অইনক্ য়াল্লম্ কাপাদুং।।" "তৃষ্ণাতুৰ মুহুৰ্ত্তত সোৱনশিৰিৰ পাৰত ঠিয় হৈ পানী খাবলৈ পানীত হাত জুবুৰিয়াওঁতে আঙুলিৰ ফাঁকে ফাঁকে তোমাৰ প্ৰতিচ্ছবি মই দেখিব লাগিছোঁ। বন্ধুৰ বিৰহত ৱাৰ্ডসৱৰ্থে হাবি বনকে বন্ধুৰ ৰূপত কল্পনা কৰিছিল, ৱাচিচাচে নিজৰ ৰূপহে পানীত প্ৰতিফলিত হোৱা দেখিছিল; কিন্তু মিৰি ডেকাই কি দেখিলে? "আঙুলিৰ ফাঁকে ফাঁকে তোমাৰ প্ৰতিচ্ছবি মই দেখিব লাগিছোঁ।" এনেকুৱাবিলাকেই হৈছে মিৰি চহা কবিৰ প্ৰশংসনীয় বিৰহৰ উক্তি য'ত তপত চকুলো কেঁচা ঘাম হৈ বয়। এই সুযোগতে এষাৰ কথা কোৱা যুগুত যে,

সোৱনশিৰিৰ বুকুত মিৰি জাতিৰ বহুতো সম্বন্ধ জড়িত আছে। তাত (সোৱনশিৰিৰ বুকুত) বুঢ়া বুঢ়ীয়ে ভক্তিৰ, ডেকা গাভৰুৱে প্ৰেমৰ আৰু সৰু সৰু লৰাছোৱালীয়ে আনন্দৰ উদ্ৰেক বিচাৰি পায়। “চেনেঙ” যেতিয়া চেতনা বিহীন চেতনা প্ৰাপ্ত হয়, তেতিয়া তাৰ ভাৱৰ প্লট' আৰু প্ৰকাশভঙ্গী বেলেগ হৈ পৰে।

“চিকাং এম্না মে’ পেচিন্ আগ’ দেমই কাব্যোং। সৰু বৈ আছে সেই নিজৰা শুকাব পাৰে কিন্তু সি চকুৰ পানীৰে যি নিজৰাৰ সৃষ্টি কৰিলে সেই নিজৰা কেতিয়াও নুশুকায়। তথাপিও যে সি “য়ালপ্ গেনেনম্ কাৰ লাতমাং” (নীলিম দেহৰ ছাও নীলিম যাৰ তাইক মৃত্যুৰ হাতৰ পৰা কাঢ়ি আনিব নোৱাৰিলে।) ইয়াত “মৃত্যু” স্বৰূপ বেলেগ। যেতিয়া বিচ্ছেদৰ জুই “চেনেঙৰ” অন্তৰত দপদপ্‌কৈ জ্বলি উঠে তেতিয়া সুশীতল পানীয়েও সেই বিচ্ছেদাগ্নি নিৰ্ব্বাপিত কৰিব নোৱাৰে। প্ৰেম পটভূমিক শৰীৰ সংযোগ নহয় সঁচা; কিন্তু এইটোও সত্য যে, চহা প্ৰেমিকে শৰীৰৰ সংযোগক প্ৰেমাভিনয়ৰ এটা বিশিষ্ট ভূমিকাত নমায় । জীৱন গীতিৰ আটাইতকৈ শুৱলা আৰু মোহলগা সুৰটোৱেই যে প্ৰেম সেই কথা সম্যক জনা হলে হয়তো আমাৰ “চেনেঙে” ভাবিলেহেঁতেন, তথাপিও সিহঁতৰ প্ৰেম অকৃত্ৰিম । সেই কাৰণেই হবলা বিচ্ছেদক মৃত্যুৰূপ কল্পনা কৰিছে। এনেক্ষেত্ৰতেই চহা কবিৰ সাৰ্থকতা।

যেতিয়া সিহঁতৰ প্ৰেম নিষ্কন্টক নহয় নতুবা সিহঁতৰ প্ৰেমত “ভিবজিয়ৰৰ” আটাইকেইটা ৰঙৰ সমাবিষ্ট নহয় ি তেতিয়া সি গায় -

আচি চিপু জোমা ৰামকঙই জোৰমা ।

আক্কঙই দেয়ামা পীৰিতিয়েম্ মণ্ডমা ।।

(হে প্ৰিয়া) পানীৰ ফেনত থকা একে জলকণা নহলোঁ । আৰু এযোৰি চাকৈ চাকোৱাও নহলোঁ। একোটি শৰীৰ হোৱাহলেহে তুমি আৰু মই একেলগে পীৰিতি ৰান্ধিব পাৰিলোহেঁতেন।” এইয়া অতীন্দ্ৰিয়বাদৰ পটভূমিকা।

“ঐ নিতম্” বোৰ উপমাব্যঞ্জক্ । সাধাৰণ উপমা কিছুমানেৰে মিৰি ডেকাই অতি ধুনীয়া বনঘোষাৰ সৃষ্টি কৰে ।প্ৰত্যেক উপমাই প্ৰকৃতি মাথোন। প্ৰকৃতিৰ সন্তান মিৰিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনা কৰাত সিদ্ধ হস্ত নোহোৱাটো নিজৰ খুঁটিত গাখীৰৰ উজান পৰিলে গাখীৰ খোৱাত ৰাপ নথকাৰ নিচিনা কথা। “পাহৰিব নোৱৰা সৌন্দৰ্য্যবিভৱ লৈ অৰুণৰ উদয় হ'ল।” এনেদৰে আৰম্ভ কৰি হাঁহি থকা সাগৰ আৰু ওচৰৰ আলোকত উজ্জল ডাৱৰৰ দৰে স্থিৰ পৰ্ব্বত শাৰীৰ ” বৰ্ণনা ৱৰ্ডসৱৰ্থৰ দৰে মিৰিয়ে কিয় বহুতেইদিব নোৱাৰে কিন্তু অনালঙ্‌কৃত ভাষাৰে হলেও মিৰিয়েও প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰাৰ চেষ্টা সকলোৱে মুক্ত কণ্ঠে স্বীকাৰ কৰিব লাগিব । যেনে,

‘এলে’ পল লিচাদুং বে’ লে: দঞে অৱাদুং।
চয়ং (কু-উ) পাক্কম্ কাপ্‌দুম আচিনাঙে অদুবং।।

“সুদুৰ পুব দিগন্তত জোনাটিয়ে ৰঙচুৱা বোল সানিছে, পশ্চিম দিগন্তত সুৰুয অস্তমিত হৈছে, কুলি আৰু কেতেকীয়ে বিনাব লাগিছে আৰু সেই বিননিয়ে কোনোবাজনৰ অন্তৰত মিলন বাঞ্চনা উদ্ৰেক কৰিছে”

এইয়া এটা নিৰ্জ্জন বাসন্তী পূৰ্ণিমাৰ সন্তৱপৰ সাৰাংশ। পুনিমাৰ নিশাহে সুৰুয অন্তগামী হোৱাৰ লগে লগে জোনো উদয়াচলত দৃষ্ট হয়, আৰু বসন্ত কালতহে কুলী আৰু কেতেকীৰ দ্বৈত সঙ্গীত শ্ৰুত হয়। সেই বাসন্তী পুৰ্ণিমাৰ নিশা কুলি বা কেতেকীৰ মাত শুনিলে কোনোবা জনৰ মানত ব্যক্তিবিশেষে বিৰহৰ হুমুনিয়াহ বা আনন্দৰ হিল্লোল ওলোৱাটোও সেই মধু জ্যোৎস্নাৰে পৃথক অঙ্গ । এনে এটি পুৰ্নিমা নেশাতেই হয়তো মোপাছাঁৰ “ইন দি মুন লাইট” (ইংৰাজী ভাওনি) ডেকা যাজক জনৰ জীৱনৰ আটাইতকৈ ডাঙৰ ভুলটো ভাগি হৈছিল। প্ৰেমাগ্নি বিৰহাগ্নি হৈ বেদনাক্লিষ্ট অন্তৰ যেতিয়া “ঐ নিতমৰ” ৰূপত প্ৰকাশ পায় তেতিয়া তাৰ নাম “ঐ নিতম্” নহৈ “ঐ কাৰ্ নাম” বা “দ-ব” হয়। এই “দ-ব” বা ঐ কাব্ নাম্ সকলো মানুহে ইয়াৰ প্ৰকৃত বিৰহ সুচক সুৰ উলিয়াই গাব নোৱাৰে। কাৰণ ইয়াৰ মাতত প্ৰকাশ কৰাটো সহজসাধ্য নহয়।

(পটভূমিৰ অৰ্থ আগত কেইটিমান "ঐ নিতমৰ" উদাহৰণ দি অহা হৈছে। অসংখ্য অপ্ৰকাশিত লৌকিক "ঐ নিতম্‌বোৰৰ" কথা বাদ দিও ইয়াত (এই প্ৰৱন্ধত) দিয়া "ঐ নিতম্ বিলাক" বিশ্লেষণ কৰি চালেও প্ৰথমে আমাৰ চকুত এটা কথা ধৰা দিয়ে যে সিয়েই হৈছে ছন্দৰ প্ৰতি "ঐ নিতম্ব" অমনোযোগীতা। বনৰীয়া কবি আৰু গায়কৰ মনত কেতিয়া কি ভাৱৰ উদয় হয় তাৰ কোনো সীমাৱদ্ধ পৰিসীমা নাই। গতিকে চন্দই তেনে সময়ত সুন্দৰ পোন দৃষ্টি নিক্ষেপ নকৰি সহানুভুতিশীল কোনি চাৱনিৰে 'ঐনিতম্‌ক' সম্বৰ্দ্ধনা জনোৱাটো অতি স্বাভাবিক। ব্যাসে গাই যোৱা শ্লোকবোৰ ধুনীয়াকৈ ছন্দ মিলাই গনেশৰ দৰে লিখি যাবলৈতো সিদ্ধাহত লিখাৰু নাই। "আধুনিক কবিতা" সৃষ্টিৰ অন্তৰালতো এনে এটি কাৰণ অন্তনিহিত আছে। ইলিয়াটৰ দৰে টুৰ্গেনিভেও এই কথাটোৰ গুৰুত্ব বুজিব পাৰিছিল। প্ৰকৃতপক্ষে কবলৈ গলে ছন্দ স্বভাৱ সম্পুৰ্ণ সাহিত্যত গভীৰ ভাৱ প্ৰকাশৰ এটা অন্তৰায়। এইটো দৃষ্টিভঙ্গীয়ে আমাক সোঁৱৰাই দিয়ে যে, " তাৰ কাৰণে" "ঐনিতম " জগৰীয়া নহয় ।

মিৰি গীতি-সাহিত্যৰ স্বৰূপেই মিৰি "জাতিৰ স্বৰূপ" আৰু ঐনিতম্" অন্তৰালৰ পট ভুমিয়েই হৈছে মিৰি ডেকাৰ "প্ৰেমিক মনৰ পৰিচায়ক কিন্তু বৰ দুখৰ বিষয় যে, এই জাতিৰ স্বৰূপ" আৰু প্ৰেমিক মনৰ পৰিচায়ক" গীতবোৰ সময়ৰ ক্ৰমত বিভিন্ন ৰূপ লৈছে। পুৰণিকলীয়া গীতবোৰৰ ৰূপ সলনি হৈ নানা বিকৃত ৰূপ দেখা গৈছে। "আৰ্মনিয়েম্ লাগিমা, কল্লায়নেম্ লাগিমা,

ঐনক্‌লিংগুং (লিপং) গমুকদে অচিনাঙেম্ দয়ুদুং"

"(হে প্ৰিয়া,) হাৰ্মনিয়াম্ নতুবা গ্ৰামফ' নৰ কোনো আৱশ্যক নাই। তোমাৰ কণ্ঠস্বৰেই মোৰ হিয়া দহিব লাগিছে" এয়া সৰল সাহিত্যৰ শৰীৰত বৈজ্ঞানিক প্ৰভাৱৰ শীতল পৰশ। এই পৰশ সাহিত্যৰ উপকাৰী নহয়। বৰঞ্চ এনেবোৰ পৰশেই সাহিত্যৰ ক্ৰমবিকাশৰ অধঃপতনৰ অধ্যায় সৃষ্টি কৰিব। (ইয়াত সাহিত্য শব্দটো মিৰি গীতি সাহিত্যৰ ওপৰত জোৰ দিহে কোৱা হৈছে।) এনেকুৱাবিলাক অধঃপতনৰ কাৰণে গাৱলীয়া কবি সাৱধান হলেহে বিজ্ঞানৰ শীতল পৰশৰ প্ৰভাৱমুক্ত হব পাৰিব )

**মিৰ' মিগল' আলোচনীৰ প্ৰথম সংখ্যাৰ পৰা পুনঃ মুদ্ৰিত।**

# মিচিং জাতিৰ উৎপত্তি

**চক্ৰেশ্বৰ টায়ুং**

পঢ়াত সংকেত :-
বানে কেবাং = বা ন্যে ক্যেবাং
তাইদ অপিন = তাইদ অপ্যিন

## পাতনি ঃ

"দেৱতাৰ উৎপত্তি ক'লে ৰং,
মানুহৰ উৎপত্তি ক'লে খং।

গতিকে কোনো জাতিৰ উৎপত্তিৰ কথা ক'বলৈ যোৱা মানেই "ৰিস্ক" ! তাহানি অসমীয়া অভিধান ৰচক "হেমচন্দ্ৰ বৰুৱাই কনৌজৰ কায়স্থ জাতীয় লোক সকল অসমলৈ আহি কালক্ৰমত নিজৰ পৰিচয় হেৰুৱাই কুল লুপ্ত হোৱাৰ কাৰণে কলিতা মানে জনাজাত হ'ল বুলি লেখি বিপদত পৰিছিল বুলি শুনিছিলো । গতিকে মিচিং জাতিৰ উৎপত্তিৰ কথা লেখিবলৈ গৈ একে বিপদত যে নপৰিম মানে নাই। তথাপি "কথিলে মথিলেহে ঘিউ" , এই আশাতে লেখিবলৈ আগবাঢ়িলো। সদাশয় ৰাইজক আগতিয়াকৈ কৈ থওঁ যে ইয়াত অৱতাৰণা কৰা আৰু কথা কাহিনী বিলাকৰ শুদ্ধতাৰ (authenticity) সম্পৰ্কত কোনো "গেৰান্টি' নাই।

## ভূগোলঃ

আগৰ চামৰ লোকসকলৰ নিশ্চয় মনত আছে যে অসমৰ উত্তৰে অঁকা, দফলা, মিৰি, আবৰ পাহাৰ বুলি (আজি কালি অসমৰ উত্তৰে অৰুণাচল প্ৰদেশ বুলিলেই লেঠা -চিগিল) আৰু নিশ্চয় মনত আছে – সোৱণশিৰি নদী আৰু ৰঙা নদীৰ মাজৰচোৱা পৰ্বত মালাকেই মিৰি পাহাৰ বুলি কোৱা হৈছিল। সেই সময়ত সাধাৰণতে ধাৰণা হৈছিল যে ভৈয়ামৰ মিৰি বা মিচিং সকল উক্ত পাহাৰৰ পৰাই নামি আহিছিল। সদ্যহতে অৰুণাচল প্ৰদেশৰ প্ৰশাসনে, পৰ্বতীয়া মিৰি বুলি চাৰিটা ট্ৰাইবচক ধৰিছে। তেওঁলোক হ'ল এৰি বা পেৰি, এয়ি বা পেয়ি, তেলে তদুম আৰু পাট। এই চাৰিটা খেলৰ ভিতৰত প্ৰায় আশীটামান উপজাতি আছে। এই আশীটা উপজাতিৰ কোনো এটায়ো মিচিং উপজাতিৰ লগত মিল নাই। এই মানুহখিনিৰ বাসস্থান প্ৰধানকৈ সোৱণশিৰি নদীৰ শাখা কমলা নদীৰ মালভূমিত। এই মানুহখিনিক নামাকৰণ কৰিবলৈ অন্য নাম বিচাৰি নোপোৱাৰ কাৰণে Hill Miri (পৰ্বতীয়া মিৰি) বুলি কোৱা হৈছে বুলি অৰুণাচল প্ৰদেশৰ প্ৰশাসনে যুক্তি দিছে। আমি সাধাৰণতে তেওঁলোকক ঘাচি, চাৰক, তাৰাক বুলি কওঁ। দেখা গৈছে ঘাচি বা চাৰকৰ লগত ভৈয়ামৰ মিৰি মানুহৰ কোনো সম্বন্ধ নাই । আনকি দন্দাই (মিবু) আ০ বাং আদিতো

সেই ঠাইৰ আৰু সেই ঠাইৰ পূৰ্ব পুৰুষৰ কোনো উল্লেখ কৰা দেখা নাযায় । মাত্ৰ আদিম পুৰুষ আৱ' টানিৰ সন্তান বুলি কোৱাৰ বাহিৰে কোনো প্ৰকাৰৰ (Racial affinity) বা মিচিঙৰ বৈশিষ্টতাৰ (Characterstics) ৰ লগত মিল দেখা নাযায়। অৱশ্যে ওচৰ চুবুৰীয়া হিচাপে কিছু কোৱা কথা (Words /Speech/Term) মিলা দেখা গৈছে। তেওঁলোকৰ পূবত আছে গালং আদি । গালঙৰ পৰাও সেই বিলাক শব্দ তেওঁলোকৰ গালৈ বাগৰিব পাৰে। তেওঁলোকে কাপোৰ সমূলি বব নেজানে, কপাহ খেতি নকৰে যিটো মিচিঙৰ বিপৰীত বৈশিষ্ট। মিচিঙৰ জাকৰুৱা পৰিচয় থকাটো বৈশিষ্টতা, কিন্তু চাৰক, ঘাচি আদিৰ তেনে System নাই। বিয়া কৰোৱাৰ লগে লগে বাপেক মাকৰ পৰা বেলেগ হ'ব লাগিব, এয়ে নিয়ম। অৱশ্যে মিচিং অঞ্চল মিংমাঙৰ গাতে লাগি থকা ঘাচি গাওঁৰ লোক সকলে এতিয়া মিচিঙৰ দৰে সকাম নিকাম আৰু কথা বতৰা ক'বলৈ লৈছে। তাত অৱশ্যে গুৰুত্ব দিবলৈ বিশেষ একো নাই। গতিকে সাতে পাচে চালি জাৰি চাই দেখা গৈছে অসমৰ মিৰি বা মিচিং সকল মিৰি পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছিল বুলি কৰা ধাৰণা ভুল। অৱশ্যে এই বিষয়ত ভৱিষ্যত অনুসন্ধান আৰু গৱেষণাৰ যথেষ্ট থল আছে।

## মঙ্গোলীয়া গোষ্ঠী ঃ

নৃতত্ব বিদসকলৰ গাৰ গঠন আদি লক্ষ কৰি মিচিং সকলক মঙ্গোলীয়া গোষ্ঠীৰ লোক বুলি ঠাৱৰ কৰিছে। কিন্তু চীন দেশৰ ওপৰত থকা মঙ্গোল দেশৰ লগত কি সম্বন্ধ আছে আৰু তাৰপৰা কেতিয়ানো প্ৰবজন (Migration) হ'ল, ভাৰি ভাৰি পণ্ডিত, বুৰঞ্জীবিদেও ক'ব পৰা নাই ।

## তিব্বতঃ

বহুতৰ ধাৰণা, হয়তো আদি (আবৰ) আৰু মিচিং সকলৰ আদিম বাসস্থান তিব্বত দেশ হ'ব পাৰে। ভাৰতৰ উত্তৰ পূৱেদি মঙ্গোলীয়ান সকল ভাৰতত প্ৰৱেশ কৰিছিল বুলি কিছুমাণ বুৰঞ্জীবিদে কয় । ব্ৰহ্মপুত্ৰ নদী, মানস সৰোবৰৰ পৰা ওলাই পূব মোৱাকৈ বৈ গৈ ভাৰতবৰ্ষ পূব কোণত প্ৰৱেশ কৰি দক্ষিণ পশ্চিম হৈ অসমৰ মাজেদি গৈ বঙ্গ উপসাগৰত পৰিছে। মানস সৰোবৰৰ পৰা ভাৰতত পৰা আগলৈকে এই চোৱা ব্ৰহ্মপুত্ৰক চাংপু (Tsangpu) বা চিয়াংপু বুলি কোৱা হয়, তাৰ পাছৰ চোৱাক চিয়াং বোলে। মিচিং ভাষাত চিয়াংপু বা চিয়াং পুচাং (আচি পুচাং) বুলি ক'লে জলধাৰা পূবলৈ বৈ যোৱা বুজাব। গতিকে চিয়াংপু মিচিং তথা আদি শব্দ হ'ব পাৰে আৰু ইয়েই মিচিং মানুহৰ প্ৰবজনৰ পথ হ'ব পাৰে।

## কিংবদন্তিঃ

মিচিং সমাজত প্ৰচলিত কিং বদন্তি মতে মানস সৰোবৰৰ পৰা পূব দক্ষিণত "কজে পাতাং" নামে এটা হ্ৰদ আছিল। এই হ্ৰদ "ডুম্‌লিন আদি" আৰু "তাচিগ পোত্তাংশ নামৰ দুই পাহৰৰ মাজত অৱস্থিত। এই কজে পাতাং হ্ৰদ আশে পাশে মিচিং সকলে পূৰ্বত বাস কৰিছিল। উক্ত ঠাইত অসম্ভৱ ঠাণ্ডা আছিল। হাঁড় কঁপোৱা জাৰৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে কঁপাহৰ ঝোলাৰে গা ঢাকি ৰাখিছিল। হয়তো তেতিয়াৰ পৰা মিচিং সকলে কপাহৰ লগ এৰা • নাই। কালক্ৰমত আহাৰ বিচাৰি, আৰু সাৰুৱা ঠাইৰ সন্ধানত কজে পাতাংৰ পৰা প্ৰবজন আৰম্ভ কৰে। এই ঘটনা হয়তো বহু হেজাৰ বছৰৰ আগৰ কথা।

## লাচা :

তিব্বতৰ ৰাজধানী 'লাচা' অলপ দীঘলীয়াকৈ উচ্চাৰণ কৰিলে মিচিং শব্দ হৈ পৰে। লা-চা মানে মিচিং ভাষাত ওপৰলৈ তোলা বা ওপৰলৈ উঠা অৰ্থাৎ, মম্‌পা আদি জাতিৰ লগত মিচিং বা আদি (আবব)ৰ কোনো চাৰিত্ৰিক (Characterstics) সাদৃশ্য নাই । বৰং অমিলতাহে বেছি। কিন্তু তিব্বতৰ পৰা আহৰণ কৰা দগ্‌নে ← (মেনি), মিচিং আৰু আদি সকলৰ অতি মূল্যবান সম্পদ। ৰ আদিলোকৰ দাংকি (কাহৰ বাচন) আৰু য়ক্‌চাও তিব্বতৰ পৰা আনে।
মিৰু আ বাং (Aaleang) : মিৰু আৰু মিৰি (দন্দাই) ৰ আ বাং (শ্লোক বা

বানী) এই আমাৰ উৎস (Source)। মিবুৰ দৈবশক্তি জন্মগত আৰু মিৰিৰ কৰ্ম্মগত অৰ্থাৎ পাচত সাধনা কৰি পায়। দুয়ো শ্ৰেণীৰ আ০ বাঙেই সমানে অৰ্থপূৰ্ণ। আ বাঙত মনুষ্য জাতিৰ ভূত ভৱিষ্যত কয়, গোটেই সৃষ্টিৰ কথাও কয়। আ০ বাং বিলাক এতিয়াও সাধাৰণ মানুহৰ কাৰণে দুৰ্বোধ্য। আজি কালি সমাজত যদিও মিবু আৰু মিৰিৰ আৱশ্যকতা কমি গৈছে তথাপিও মিচিং জাতিৰ অতীত বুৰঞ্জীৰ কাৰণে এই অনুষ্ঠানৰ পুৰা আৱশ্যক হৈ আছে। এই সংক্ৰান্তত গৱেষণা আৰু আ● বাং সমূহৰ অৰ্থ ভঙা– decipher ৰ প্ৰয়োজন। কিন্তু কোনে কৰিব ?

মিচিং মিবু এ দন্দাই উঠা সময়ত আ০ বাং গায় –
"চিৰ্কি নানে চিকি বা বা, দঞিং ক পমানে লুমানে কায়ে"
..................................ইত্যাদি

অৰ্থাৎ হে, চিৰ্কিৰ পিতৃ পিতামহ সকল ! এই অভাজনক দৈব্য শক্তি দিয়া যাতে মনিষ্য সকলৰ ভূত ভৱিষ্যত ক' ব পাৰো। চিকি হৈছে চিয়াং নদীৰ প্ৰচণ্ড বেগত বৈ অহা জলধাৰা বা জলপ্ৰয়াত (Rapid)। ই পাচিঘাটৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ ওপৰত হ'ব। মিচিং সকল এই ঠাইত এসময়ত বাস কৰিছিল। সেয়ে পূৰ্ব পুৰুষৰ সোঁৱৰণ।

## ৰোগ ৰেগাম ঃ

মিচিং মিবু বা দন্দায়ে আৰু বুঢ়ালোকে কাহিনীকলৈ মিচিং সকল ৰেগি ৰেগামৰ পৰা নামি আহিছিল বুলি উল্লেখ কৰে। ৰেগি আছে বা পি সাহাৰত, ৰেগাম লে ল' পাহাৰত । ৰেগি ৰেগামত প্ৰবল বতাহ বলি থাকে। বৰ্তমান অৰুণাচল প্ৰদেশে যি ঠাইৰ নাম ৰিগা ৰাখিছে- সেই ৰেগি। ই পাচিঘাটৰ পৰা প্ৰায় ডেৰ শ কিলোমিটাৰ ওপৰত । বিগাত এতিয়া সাত শ ঘৰৰো অধিক আদি মানুহ আছে আৰু তাত অৰুণাচল প্ৰদেশৰ প্ৰশাসনিয় কেন্দ্ৰ খুলিছে।

## বৰি আৰু বকাৰ ঃ

এই দুই ঠাই চিয়াং নদীৰ উপনদী চিয়ম নদীৰ এলেকাত । ই পাছিঘাটৰ পৰা প্ৰায় দুশ কিলোমিটাৰ ওপৰত । বৰি সকলৰ ২৬ খন গাওঁ আছে। মিচিঙৰ বৰি আৰু আদিৰ ৰবি একে কুলৰ। কোনো কোনো লোকে বৰি মানে অসমীয়া বৰি লোৱা বা বস্যতা স্বীকাৰ কৰাৰ কাৰণে বৰি নাম হৈছে বুলি ক'ব খোজে। এই ধাৰণা মনে সজা যেন লাগে। বৰি নাম বৃটিছ বা ভৈয়ামৰ মানুহৰ সংস্পৰ্শলৈ অহাৰ হেজাৰ বছৰ আগৰ পৰাই আছে। ভৈয়ামৰ পৰা দুশ ■ কিলোমিটাৰ ওপৰত বাট পথ নোহোৱা পাহাৰত মানুহে অসমীয়া ভাষাৰ শব্দ এটা লৈ জাতৰ নামাকৰণ কৰাটো অলিক কল্পনাৰ বাহিৰে একো নহয়। মিচিঙৰ বৰিৰ কথা এই ক্ষেত্ৰত কেনেবাকৈ সংযোগ (Link) লগাব পাৰিলেও দুশ/তিনিশ কিলোমিটাৰ ওপৰ পাহাৰত থকা আদি বৰিৰ ক্ষেত্ৰত (Link) লগাব নোৱাৰি। অৰুণাচলৰ ওচৰৰ ডিমৌ নদীৰ কাষেদি বন্ধা পথালি আলি (পাহাৰ আৰু ভৈয়ামৰ বাউণ্ডাৰী (Boundary)) কাষৰ শান্তিবগড়া গাঁৱৰ শ্ৰীযুত কমল বৰিক এই বিষয়ে আমি শুধিছিলো। তেখেতে কিন্তু তেনে সূত্ৰ এটা সম্পূৰ্ণ অস্বীকাৰ কৰিলে অৱশ্যে তেখেতৰ ককা দেউতাক প' ৰাম বৰি বৃটিছৰ লগত চাকৰি কৰিছিল। তেখেতে আমাক এটা ডাঙৰ তামৰ পইচা পেৰাৰ পৰা উলিয়াই দেখুৱালে (ই আজি কালি তামৰ পত্ৰৰ দৰে এই তামৰ ফলিত ইফালে খোদিত আছে- Poram Miri (Bori) Boatman, Hind Corps, Geoge V অন্যফালে খোদিত আছে 1911-12, India.

মিচিং সকলৰ পেগু সকলে নিজৰ কন্দাৰ বুলি পৰিচয় দিয়ে। এই পেগু কন্দাৰ আদিৰ বকৰাৰ পাছৰ Generation বুলি ধাৰণা হয়।

# পেগু চিয়াং ঃ

চিয়াং নদী আৰু চিয়ম নদীৰ সংগম অলপ ওপৰত পেগু চিয়াং আছে। গতিকে কন্দাৰ অৰ্থাৎ পেগু সকলৰ প্ৰবজন এচোৱা পথ চিয়ম নদী আছিল ।

# প্যেক্যি ম৹ দিঃ

য়ানে নদী আৰু চিয়াং নদীৰ সংগম স্থলক প্যেক্যি মদি বোলো ইয়াৰ পানী লুনীয়া। মদি সকল ইয়াৰ আশে পাশে এসময়ত বাস কৰিছিল।

## ৰাংচাংঃ

লাইমেকুৰী ৰেল ষ্টেচনৰ পৰা ৩০ কিঃ মিঃ ওপৰত না০ৰি পাহাৰত ৰাংচাং নামে এডোখৰ ঠাই আছে। ইয়াত একালত টায়ুং সকল বসতি কৰিছিল। টায়ুং খেলে ৰোৱা কঠাল আৰু আম গছ এতিয়াও আছে।

## আদি তাক' :

লাইমেকুৰী ৰেল ষ্টেচনৰ পৰা পাঁচ কিঃ মিঃ ওপৰত আদি তাক' গালং গাওঁ। মিচিং তাকু আৰু সেই তাক' একে।

**চিয়াং আৰু চিকাংঃ** চিয়াং আৰু চিকাং মিচিং তথা আদিৰ ভাষা । ভৈয়ামৰ মানুহে ডিহাং ডিবং বুলি কয়। চিয়াং আৰু চিকাং আৰু উপনদী য়ামন্যে আৰু চিয়ম নদীক কেন্দ্ৰ কৰি এটা বিস্তৃত অঞ্চলত এসময়ত মিচিং সকলৰ বিভিন্ন খেলে বসতি কৰিছিল।

মিবু (দন্দাই) এ আ০ বাং গায়-
তাচিগ' চিগ' এম্মায়ায়,
চিগ' চিগি এম্মায়ায়,
প্যেচিন্যে পোটাঙে এম্মায়ায়,
চিয়াঙ্যে বেক' এম্মায়ায়;
..........................তাচিগ' চিগ' 1

ইয়াত চৰাই আৰু ভেকুলিৰ দৰে কেনেকৈ প্ৰবল সোঁতত চিয়াং নদী পাৰ হৈছিল সেই কাহিনীৰ সোঁৰণ কৰা হৈছে। (মহমৰা গাঁৱৰ শ্ৰীমান উমা পাইতৰ পৰা সংগ্ৰহ

ঐ নিতম !
নকক্যে দ০লুঙ কেকদ্যে
ঙকক্যে দ লুঙ কেকচ্যে,
চিয়াঙ আচি দুঙকনা,
গল্যি দাগ্গম কাপা মান্যে; কা
অই অইয়া ।
তোমাৰ ঘৰ চিয়াং নদীৰ সিপাৰে মোৰ ঘৰ এই পাৰে, হায়! মোৰ কপাল, তোমাক চাওঁ বুলি চাব নোৱাৰো ।
হায়! মোৰ কপাল, তোমাক চাওঁ বুলি চাব নোৱাৰো ।

## দ চিংঃ

চিয়াং জিলাৰ দ- চিং মিচিং সকলৰ **শেষ আস্থান** (Last Stoppage)। ই চিয়াং নদীৰ সমীপত পাচিঘাটৰ পৰা প্ৰায় এশ কিঃ মিঃ ৰ ওপৰত। সেই ঠাইৰ পৰাই মিচিং সকলে আদি সকলৰ পৰা ফালি আহে। দ0 চিঙত মিচিঙৰ অৱস্থান সম্পৰ্কে বংশাৱলীৰ বিৱৰণ উল্লেখ কৰা হ'ল।

চেদিকে আৱ' (চেদিৰ পুত্ৰ দেলুং ইত্যাদি)
।
দেলুং
।
লিটুং
।
টুয়ে
।
য়েপ্যে

|
প্যেদং
|
দাচিং
|
মিচিং

ইয়াৰ পৰাই দেখা যায় যে মিচিং নামে পাহাৰত থকা কালতে হৈছে ভৈয়ামৰ অহাৰ পাছত নহয়। গতিকে মিচিং শব্দৰ ব্যাখ্যা -- মি মানে মানুহ, চি মানে পানী পানীৰ ওপৰত বাস কৰা কাৰণে মিচিং নাম হ'ল এই কথা প্ৰতীয়মান নহ'ল কাৰণ পাহাৰত পানীৰ কথাই প্ৰধান্য পাব নোৱাৰে। দ0 চিঙৰ পুত্ৰ মিচিং সম্ভৱপৰ ওপৰত দিয়া Table ৰ পৰা দেখা যায় যে বংশাৱলী নেহেৰুৱাকৈ Tract অৰ্থাৎ সংযোগটো ৰাখিবৰ বাবে বাপেকৰ নামত

accent থকা আখৰ বা শব্দাংশ পুতেকৰ নামত লগাই লৈছিল। ভাৰতবৰ্ষত বহুতো ঠাইত নামৰ আগত গাঁৱৰ নাম আৰু বাপেকৰ নাম লগাই লৈ নিজৰ নামটো নামাকৰণ কৰে।
অৱশ্যে শব্দৰ অৰ্থ বিচাৰিলে - মি মানে মানুহ চি বা আ চি মানে পানী বুলি ক'ব লাগিব; যেনেকৈ 'মহেন্দ্ৰৰ ব্যাখ্যা হ'ব মহা + ইন্দ্ৰ = মহেন্দ্ৰ; ইয়াৰ অৰ্থ এইটো নহয় যে মানুহজন মহৎ ইন্দ্ৰ হোৱা কাৰণেহে মহেন্দ্ৰ নাম ৰাখিলে বা তাহানি দেৱতা ইন্দ্ৰতকৈ ডাঙৰ হোৱা কাৰণেহে এই নাম হ'ল।

## আদি সকলৰ লগত মিচিঙৰ সম্বন্ধ :

আগেয়ে যাক আবৰ, বৰ আবৰ বোলা হৈছিল তেওঁলোকক আজি কালি আদি বুলি কোৱা হয়। আদি মানে পাহাৰ । আদি জাতিৰ ভিতৰত পৰিছে প্ৰধানকৈ পাচি, পাদাম, মিয়ং (মিঞং), পাংঙ, গালং, বৰি, বকাৰ, ছিম, আচিং, পাইলিবো, তাঙ্গম, কাৰ্ক, মিলাং বা ইৰাং, তাগিন ইত্যাদি। এই বিলাকৰ অন্তৰ্গত প্ৰায় এশটামান উপজাতি আছে।

সন্দেহ নাই – পূৰ্বতে আদি আৰু মিচিং সকল একে গোষ্ঠীৰ লোক আছিল (Same Stock) Basic Characterstics অৰ্থাৎ মৌলিক চৰিত্ৰখিনি এতিয়াও বহুখিনি মিল আছে। সৰু কালত দেখা পাইছিলো- আবৰ সকলে মূল্যবান দগ্দে (মনি) বিচাৰি ভৈয়ামৰ মিচিং গাঁৱলৈ মাজে সময়ে আহিছিল। তেওঁলোক এনেকৈ অহাৰ কাৰণ হ'ল মিচিং সকলে ভৈয়ামলৈ নামি অহাৰ সময়ত অনেক মূল্যবান দগ্নে (মনি) লৈ আহিছিল। এই বিলাক গুৰিতো তিব্বত আৰু চীনৰ পৰা আহৰণ কৰা। গতিকে আচল দগ্নে বিচাৰি বিচাৰি আহিছিল আৰু জীয়া দগ্নে বা আচলি দগ্নে পালে বহু দাম দি কিনি লৈ গৈছিল। তেতিয়া এটা কথা লক্ষ্য কৰিছিলো যে ৰাতি থাকিব লগা হ'লে আবৰ সকলে নিজৰ কুলৰ মিচিং বিচাৰিহে চাং ঘৰত উঠিছিল। নিজৰ কুল (alignment) হয় নে নহয় বাংকুং অৰ্থাৎ হাউলা চাই নিৰ্দ্ধাৰণ কৰিছিল এনেকৈ বাংকুং চাই নিশ্চিত হোৱাৰ পাছত, কাকো নোসোধাকৈ বা সোধপোচ নকৰাকৈ সেই
ঘৰত ঘপাঘপ উঠিছিল যেন নিজৰ ঘৰহে আহি পালে। এই ঘটনাৰ পৰাই ধৰিব পাৰি আদি আৰু মিচিং একে গোষ্ঠীৰ ।

## ৰিজনিঃ

আদি আৰু মিচিং উপজাতিৰ এতিয়াও বহুত মিল আছে।

| **আদি** | **মিচিং** |
|---|---|
| প্যেৰতিন | প্যেৰতিন |
| প্যেৰমে | পোৰমে |
| পামে | পামে |
| পাঞা | পাঞা |
| পায়েং | পায়েং |
| পাচাৰ | পাচাৰ |
| পাচি | পাচুং |
| বৰি | বৰি |
| মেগু/ পেগু | পেগু |
| ময়ং | ময়িং |
| মিলাঙ | মিৰাঙ |
| দাৰাঙ/ মৰাঙ | মৰাঙ |
| লিতুম্/ লেডুম্ | লেতুম্ |
| তায়িং | তায়েং |
| মিজে/তায়ুং | তায়ু |
| ভাতে | ঙাতে |
| ডামবুক | ডামবুক |
| চিৰাম | চিৰাম |
| 'ডাক' | তাকু/তাক' |
| মিলি | মিলি |
| জিমে | জিমে |
| বাচাৰ | বাচাৰ |

| | |
|---|---|
| কয়ু | কাগয়ু |
| কমান | কমান |
| ইত্যাদি | ইত্যাদি। |

**পাচিঘাটৰ পথত থকা অয়ান গাঁৱৰ শ্ৰীযুত পৰ্চি**

বৰি “ কুমাৰ বৰি আৰু শ্ৰীমান তালাদ তায়ুঙক সোধাত ক'লে যে পাহাৰত মিজে বোলা কুল (Sub Caste) টোকে ভৈয়ামত তায়ুং বোলে। শ্ৰীমান তালাদ টায়ুং আচলতে পাহাৰৰ আদি মিজে হৈ ভৈয়ামলৈ অহাৰ পাচত গোটেই পৰিয়ালটোৱেই টায়ুং বুলি চিনাকি দিয়ে। সীমান্ত ব্ৰতী আদি গাওঁ ৰায়াং, ৰুক্চিং, ডেপি, ডেবিং গাঁৱৰ আদি (মিয়াং আৰু গালং) লোক সকলৰ বহুতে নিজকে পেগু পায়াং, তাক' পাচাৰ বৰি, তায়ুং জিমে বুলি চিনাকি দিয়ে।

# আদিৰ লগত মিচিঙৰ অমিলতাঃ

এটা অপ্ৰিয় কাহিনী ক'ব লগা হ'ল। প্ৰবাদ আছে যে এবাৰ আদি সকলৰ ৰণত মিচিং সকলক ৰণুৱা পাৰ কৰা কামত লগাব লগা হ'ল, কাৰণ মিচিং সকল আগৰ পৰাই নাও বোৱাত পাকৈত আছিল। এদিন আদি ৰণুৱা সকলক আন্ধাৰ ৰাতি পাৰ কৰি দিওঁতে নদীৰ বুকুত ঘন কুৱলী হোৱাত দিক হেৰাই গ'ল, ফল স্বৰূপে, ভুৰ শত্ৰুৰ পাৰত নালাগি ঘূৰি আহি নিজৰ ঘাটত লাগিল । আদি ৰণুৱা সকলে শত্ৰুৰ ঘাটত ভুৰ লাগিল বুলি ধুমধাম পাৰৰ শত্ৰু গাঁৱৰ মানুহ কাটিবলৈ লাগিল । ইতিমধ্যে পোহৰ হোৱাত দেখে যে সেইখন দেখোন শত্ৰু গাওঁ নহয়। নিজৰ গাওঁহে আৰু যাক কটা হ'ল নিজৰ মানুহ, নিজৰ ল'ৰা, তিৰোতাহে । এই ঘটনা হোৱাত আদি সকলে ধৰি ল'লে এইটো মিচিং সকলৰ ফন্দি, গতিকে এই বিশ্বাসঘাটতকাৰ ঘটনাৰ পৰা মিচিং সকলক আদিয়ে সেই দিন ধৰি বিশ্বাস নকৰা হ'ল আৰু এই লৈ বিবাদৰ সৃষ্টি হ'ল- ফলস্বৰূপে মিচিং সকলে পাহাৰ এৰি ভৈয়ামলৈ নামিবলৈ বাধ্য হ'ল।

মিচিং, আদিৰ Characterstics চাৰিত্ৰিক অমিল নাই যদিও বহুদিন বেলেগ হোৱাৰ পাছত কোনো ক্ষেত্ৰত অমিল হ'ব পাৰে। মিচিং মানুহে ওৰম পচুম, দবুৰ আদি ডাঙৰ সকামত নিজে বোৱা গ' উগন পিন্ধিব লাগে আৰু মিবু সকলেও গ' উগন (ফুল বচা ধুতি) পিন্ধি দন্দাই উঠিব লাগে। কিন্তু আদি সকলৰ সকাম নিকামত পূজাৰিয়েই হওঁক বা পূজা কৰা গৃহস্থই হওঁক উগন বা গ উগন নিপিন্ধে । তেওঁলোকে গ্যাপ (কপিং) পিন্ধিহে এইবিলাক কৰে। আজিলৈকে আদিলোকে কোনো কামতে ধুতি পিন্ধা চকুত পৰা নাই। মিচিঙে ধুতি বা গন্ উগন পিন্ধিহে পবিত্ৰ কাম সমাপন কৰে। অৱশ্যে পূৱ প্ৰান্তত থকা নামচিং গাডুমৰ পুৰনা চামৰ কিছু মিচিং লোকে এতিয়াও গন্ য়াপ পিন্ধে।

ঐ নিতম আৰু জাকৰুৱা পৰিয়াল (Joint family rather large family) মিচিং লোকৰ বৈশিষ্ট, কিন্তু আদিৰ সেই কথা নাই।

# বৰ্তমান মিচিং লোকৰ অৱস্থানঃ

ডেৰ গাঁৱৰ ওচৰত নেঘেৰিটিঙত দুখন পা চুং গাওঁ আছে। সৰুকালত “পা চুং অম্যে দেন্তালি ” ক কেন্দ্ৰ কৰি গোৱা ঐ নিতম শুনিছিলো। বদতিঘাটৰ অলপ পূৰ্বত দুখন মে০ দি গাওঁ আছে। মিৰাং আছে গোলাঘাটৰ মহুৰা মৌজাত। চামগুৰি, তামাৰ মিচিং আছে লক্ষীমপুৰ জিলাৰ ৰঙানদী আৰু নাৰায়ণপুৰ মৰা ডিব্ৰুঙ নদীৰ পাৰত। বঙকুৱাল, বিহিয়া আছে গোলাঘাটৰ মহুৰাত । চকিয়াল, চাংমাই, মিৰি সন্দিকৈ লক্ষীমপুৰ জিলাৰ সোৱণশিৰিব আশে পাশে। চকিয়াল সকলক বোধ কৰো আহোম ৰজা সকলে আৰক্ষী চকী Police out post পহৰা দিবলৈ নিয়োগ কৰিছিল। মিৰি সন্দিকৈ মিৰি চাংমাই, চকিয়াল মিচিং সকল, বোধকৰো আহোম আৰু মিচিং সংযোগত উদ্ভৱ হোৱা ।

বাকী খেলৰ মিচিং সকল ওপৰ অসমৰ সকলো জিলাতে বিয়পি আছে – প্ৰধানকৈ ভৰলী, বুৰৈ, মৰনৈ, চেচা, পিচলা, কাচিকতা. ডিব্ৰুং, লোহিত, টেকেলিফুটা, টুনী, পাভ, ৰঙানৈ, ঢল ঘাগৰ, মোহাইজান, কমে, বগীনদী, খাবলি, সোৱণশিৰি, মিংমাং, জীয়াঢল, কঢ়া, লাইপুলিয়া, চমটিল, গাই, চিচি, টঙানি, কুলাজান, অকাজান, দেবো, চিলি, বুঢ়ীসুতি, ডিমৌ, চিমেন, জাজি, ডেপি, ডিখাৰী, গালি, 1 ৰায়াং, জন্যে, কৰুং, জেলেম, জোনাই, লুইজান, গুইজান, লাইকা, ডিবুৰু, চাইনেকি, দিহি, দিখৌ, ভোগদৈ, দিচৈ, টুনি, পবা, তৰাজান, চিলে, লেকু, চিয়াং, চিকা , চিচিৰি, লালি, 7 কুন্দিল, ডিপা, ডেলু, দুসুতি, ধনশিৰি আৰু বৰনৈ (ব্ৰহ্মপুত্ৰ)

আদি নদী উপনদী আৰু জুৰিবিলাকৰ আশে পাশে আৰু চাপৰি বিলাকত। (প্ৰৱন্ধ দীঘলীয়া হোৱাৰ ভয়ত গাওঁবিলাকৰ নাম দিয়া নহ'ল)

নদী আৰু জুৰি বিলাক মিচিং মানুহৰ বুকুৰ কুতুম কিন্তু নদীৰ গৰাখহনীয়াত বিলুপ্ত হৈছে, ক'ত বান পানীৰ প্ৰকোপত হাবুডুবু খাইছে– অন্তনাই। অৱশ্যে বামৰুৱা গাওঁত চহৰীয়াৰ “উন্নত হাৱাত” টিকিব নোৱাৰি নাইকীয়া হৈছে। উঃ লক্ষীমপুৰত থকা চৰকাৰী ল'ৰাৰ হাইস্কুলৰ স্থানত বোলে এসময়ত মিচিং গাওঁ আছিল। উঃ লক্ষীমপুৰ নগৰৰ ষ্ট্ৰেট ট্ৰেন্ সপৰ্ত্তৰ সন্মূখত যি দুইজোপা বিৰাট বিৰাট আমগাছ আছে বোলে কোনোবা ঘূনাসূতিৰ মিৰি মানুহে ৰোৱা। কমলাবাৰী পথত উঃ লক্ষীমপুৰ চহৰৰ জাপিসজিয়া গাঁৱত লাগি থকা ঠাই ডোখৰৰ নাম মিৰিটোপ হয়তো এসময়ত তাত মিৰি গাওঁ আছিল। ধেমাজি চহৰৰ গাতে লাগি থকা কাঢ়িচুক মিচিং গাঁৱৰ এতিয়া জৰাজীৰ্ণ অৱস্থা হয়তো বিলুপ্তিৰ পথত (on way to extivetion ) । নগাৱঁৰ মায়াং অঞ্চলত কিছু মিৰি মানুহ থকা বুলি জনাযায়, কিন্তু তেওঁলোক তেনেই লঘু inority সংখ্যক হৈ থকা কাৰণে হয়তো পৰিচয় হেৰাই গৈছে।

# চুতীয়া মিৰি ঃ

বৃটিছ শাসন কালত লক্ষীমপুৰ পিনে বিশেষকৈ ঢকুৱাখনাৰ ফালে মিৰি মানুহে চুতীয়া মিৰি বুলি চিনাকি দিছিল আৰু পট্টা পৰনাতো চুতীয়া মিৰি বুলি লিখিছিল। কিয় কোনে লিখিছিল সঠিককৈ জনা নাযায়। জনশ্ৰুতি মতে আহোম ৰজাৰ আক্ৰমণত টিকিব নোৱাৰি কিছুমান চুতীয়া মানুহে মিৰি মানুহৰ ঘৰত আশ্ৰয় লৈছিল। সেই অনুক্ৰমে মিৰি চুতীয়া শব্দ আহিব পাৰে।

# বুৰুক চুতীয়া ঃ

কোনো লোকে মিচিঙৰ মেদক খেলক বুৰুক চুতীয়া বোলে। তেওঁলোকৰ বৈশিষ্ট হ'ল -- কোমোৰা আৰু ছাগলী মাংস নোখোৱা। অসমীয়া চুতীয়া সকলে তেওঁলোকৰ জাতত বুৰুক নামৰ এটা খেল থকাটো স্বীকাৰ কৰিব নোখোজে। অৱশ্যে চুতীয়া সকলে নিজৰ ভাষা- কৃষ্টি সম্পূৰ্ণ হেৰুৱাৰ পাছত গুৰি গোষ্ঠীৰ কথা মনত নাৰাখিবও পাৰে৷ ধেমাজিৰ কাউন্সিলাৰ শ্ৰীযুত মনিকান্ত চুতীয়াদেৱে কিন্তু মেদক বিলাক আমাৰ মানুহ বুলি কৈছিল। এই ক্ষেত্ৰত এটা কথা প্ৰাসঙ্গিক যেন লাগিছে যে চুতীয়াৰ পূজাৰী দেউৰীৰ গাঁৱত গ'লে কোনো দেউৰী লোকৰ চপৰিচয় বিচাৰিলে “এইজন পেগু বাহৰ” , “এইজন দলে বাহৰ” ,“সৌজন কুম্বাং বাহৰ” বা কুলি বুলি মিৰি মানুহৰ জাতেৰে পৰিচয় কৰি দিয়ে। অথচ দেউৰীৰ লগত মিৰিৰ কোনো জাতিগত সম্বন্ধ নাই। মিৰিলোকৰ খেলৰ নামেৰে দেউৰীলোকক পৰিচয় দিয়াৰ গুৰি তে হ'ব পাৰে যে চুতীয়া তথা দেউৰীলোকে আহোম ৰজাৰ আক্ৰমণৰ হাত সাৰিবলৈ মিৰিৰ ঘৰত আশ্ৰয় লৈছিল পাচলৈ সেই জাতেৰে চিনাকি দিয়া হ'ল। এই কথা যদি সত্য হয় তেতিয়া এইটো প্ৰমাণিত হ'ব যে মিৰি সকল, আহোম সকল অসমলৈ অহাৰ আগতেই অসমত বসবাস কৰিবলৈ লৈছিল। আহোম সকল কেতিয়া অসমলৈ আহিছিল বাৰু? চুকাফাৰ নেতৃত্বত ১২২৮ খৃষ্টাব্দত।

# দৈতিয়াল মিৰিঃ

পাগ্ৰ খেলৰ মিৰিক কোনো কোনোলোকে দৈতিয়াল মিৰি বুলি কয় আৰু দৈত্য কুলৰ পৰা অহা কাৰণে দৈতিয়াল বুলি ক'ব খোজে। দৈত্য বংশনো কোন বিলাক ? মহীৰঙ্গ দানৱ বা নৰকাসুৰ, বান, ভগদত্ত আদি। কিন্তু আমি এতিয়ালৈকে কোনো ফালৰ পৰাই তেওঁলোকৰ লগত মিচিঙৰ সংযোগ Link, বিচাৰি পোৱা নাই। দইত হৈছে মিচিং ভাষা মানে খোৱাত ওস্তাদ। মিচিং মানুহৰ মাজত এটা প্ৰবচন যে “দইত দকত, লুইত লুকত” মানে দইতৰ মানুহ খকুৱা, আনক ফুচলাই খাব পাৰে আৰু উফাইদাং মাৰি ফুৰে অৱশ্যে ধেমেলীয়া সুৰত এই কথা ক'ব পাৰে। দহত বুলি কলে লক্ষীমপুৰ জিলাৰ বদতিঘাট আৰু তাৰ আশে পাশে থকা এলেকাক বুজায়। এই বিষয়ে বদতিৰ শ্ৰীযুত মালাধৰ পেগুক সুধিলেই গম পাব।

# দহগাম বাৰগামঃ

কিছুমানে মিৰি সম্প্ৰদায়ক বহল দুটা ভাগত ভগাব

খোজে-- (Group), দহগাম আৰু বাৰগাম। প্ৰকৃতকে আহোম ৰজাই আহোম ৰাজ্যত সঘনে আক্ৰমণ হোৱাৰ পৰা ৰক্ষা পাবলৈ সীমান্তৱৰ্ত্তী ট্ৰাইবেল সকলৰ ওপৰত চকু দিবলৈ এটা অঞ্চলত দহজন গাম আৰু অন্য অঞ্চলত বাজন গাম স্থাপন কৰিছিল। ই এটা প্ৰশাসনীয় নিয়োগ কাৰ্য্যহে, ইয়াৰ দ্বাৰাই জাতি বা উপজাতি তৈয়াৰ নহয় । আহোম ৰজাই দিয়া উপাধি ফুকন, বৰুৱা, শইকীয়া, হাজৰিকা আদি উপাধিয়ে কোনো জাতি বা উপজাতিক নুবুজায় । গতিকে জাতি উপজাতি বিচাৰত দহগাম ব্যা বাৰামৰ কথা আহিব নোৱাৰে । দহগাম বা বাৰগাম বুলি কোনো জাত উপজাত (subcaste) মিৰি সম্প্ৰদায়ত নাই। কথিত আছে যে

# কপ্চান আবৰ গাওঁঃ

ঢকুৱাখনাৰ ওচৰত কপচান আবৰ গাওঁ নামৰ এখন পাদাম গাওঁ আছিল । সেই পাদাম সকল এতিয়া দলে হ'ল আৰু গাঁৱৰ নামো কিছু সলনি কৰিলে। চিচি আবৰ গাওঁৰ নাম সলনি কৰি এতিয়া চিচি বৰগাওঁ কৰিছে।

# মিচিং জাতিৰ উপজাতিবা কুল সমূহ (Subcaste) :

(বৰ্ণমালাৰ ক্ৰম অনুসাৰে– In alphabetical order)

১) কমান    ২) কাগয়ু
৩) কাৰ্দং    ৪) কাৰি
৫)কুম্বাং    ৬)কুতুম
৭) কুলি    ৮)গেজেৰা
৯) গুদাং    ১০) গুপিত
১১)ঙাতে    ১২) চকিয়াল    '
১৩) চন্দি    ১৪) চাৰ
১৫) চামগুৰিয়া X    ১৬) চায়াং X
১৭) চিন্তে    ১৮)চিৰাম
১৯) চুংক্ৰাং    ২০) জনগঞা X
২১) তাইদ্য    ২২) তাকু
২৩) তাদুনীয়া    ২৪)তামাৰ X
২৫) তাৰ    ২৬) তায়ুং
২৭) তায়ু তায়েং X    ২৮) তায়ে
২৯) তাঙ্    ৩০)তায়েং
৩১) দলে    ৩২) দইতিয়াল X
৩৩)দমদম    ৩৪) দামবুক X
৩৫) দাৰ    ৩৬)দাং
৩৭) দেলুং X    ৩৮) নিজৰা
৩৯)নৰ    ৪০)পলং
৪১) পাইত    ৪২)পাচাৰ
৪৩) পাচুং    ৪৪) পাঞাং
৪৫)পাটগিৰি    ৪৬)পাতিৰি
৪৭) পাদি    ৪৮) পাড়ুম
৪৯) পামে    ৫০) পাৰ
৫১) পায়ং    ৫২) পায়েং
৫৩) পাংগিং    ৫৪) পেগু X
৫৫) প্যেৰতিন    ৫৬) পোৰমে
৫৭)বৰি    ৫৮) বৰুৱাপেগু
৫৯) বংকুৱাল X    ৬০) বাচাৰ
৬১) বাচিং    ৬২) বিহিয়া X
৬৩) মদি    ৬৪)x ময়িং/মক্ৰি

৬৫) মোচাৰ (৬৬) মোদ
৬৭) মিঙ ৬৮) মিপুন
৬৯)মিৰাং X ৭০) মিলি
৭১) মিলাং ৭২) ৰেগন
৭৩) লয়িং ৭৪) লাগাচু
৭৫)Xলাচন ৭৬) লেতুম
৭৭) লেদাং ৭৮) য়ৰাগ্যং
৭৯) আন্দিকৈ ৮০) x অয়ান
(বা মিৰি সন্দিকৈ)

নামাকৰণঃ

X এই কেইটা নাম আচলতে কোনো এটা উপজাতি (Sub caste) ৰ নাম নহয়, একোটা গ্ৰুপৰ (Group) হে নাম। বৰুৱা পেগু কোনো উপজাতিৰ নাম

নহয়।

পাগ্র-চি পাক + আৰ’ কপাহ খেতিত আগ ৰণুৱা কাৰণে এই নাম ।

চায়াং- চাংগাতপ্যে চানেক্যিদ্যিদেম চা। য়াং বংশ পৰিয়াল বিচাৰি ভৈয়ামৰ পৰা উজাই যোৱা সকলে এই নাম পালে।X

ম। য়িং – আম' + ময়িন = আম' ময়িনকল' দুলা ময়িং= অৰ্থাৎ মুকলি কৰা মাটিত (Levelled) বাস কৰিছিল কাৰণে ময়িং।

অয়ান – আম্মে পি0 ৰাম্লা আমিকল’ অম্মাং অলিক গা০ লক অয়ান অৰ্থাৎ নিজৰ জাতত জনসংখ্যা কম হোৱা কাৰণে আনৰ বংশৰ ল'ৰা ছোৱালী জন্ম দি ফুৰা কাৰণে অয়ান নাম ।

মৰাং- আঙোিবিৰ’ মানিনান গ্যিদ্য’ দম আমং আৰাল’ লেচিলা দুগালক মৰাং অৰ্থাৎ পাহাৰৰ পৰা নামি আহোঁতে ভাই ককাইয়ে বিচাৰি খোৰুঙত লুকাই আছিল, গতিকে এই নাম ।

দেলু– দেলু আবু বা দেলুচিয়াং ৰুইল দুলা দেল্ল’ এত’ অৰ্থাৎ দেলু নৈৰ পাৰত থকা কাৰণে দেলু নাম পালে।

Xওপৰত উল্লেখ কৰা চায়াং শব্দৰ পৰা দেখা যায় যে মিচিং সকল ভৈয়ামত বসবাস কৰাৰ পাছত কিবা কাৰণত পুনৰ পাহাৰলৈ উভতি আহোতে (Reverre migration) প্ৰবজন কৰিছিল। হয়তো আৰ্য্য সকলৰ হেঁচাত দ্ৰাবিড়ি সকলে উত্তৰৰ পৰা দক্ষিণ ভাৰতলৈ যোৱা দৰে?

# “সংহতি, সংস্কৃতি আৰু আমি ”

**নুমল পেগু**

দেশত বহুতো নেতাই আজি কালি সংহতিৰ কথা কয় । ৰাজনীতিৰ কথা নকওঁ । পিছে, সংস্কৃতিৰ বাটকটীয়া সকলে ভালকৈ জানে- সংস্কৃতিৰ এনাজৰীয়ে সমাজক বান্ধিব নোৱাৰিলে, ৰাজনৈতিক সংহতি ক্ষণভঙ্গুৰ হ'বলৈ বাধ্য।

সংস্কৃতি কি বা কিয় লাগে -এই প্ৰসঙ্গ অবতাৰণা কৰা এই প্ৰবন্ধৰ লক্ষ্য নহয় । তথাপি মিছিং সমাজৰ মুখ্য সাংস্কৃতিক অনুস্থান এটিৰ থুল মুল বিবৰণ অপ্ৰাসঙ্গিক নহ'ব। শিমলু ফুল ফুলিলে, মদাৰ ফুল ফুলিলে, বাউলী বতাহজাকে তৃষ্ণাতুৰা ধৰণীৰ বুকু ধুসৰ কৰিলে – আলি আই লিগাঙৰো বতৰ আহে। আলি আই লিগাং চমুকৈ ‘আলি লিগাং ’ভৈয়ামৰ মিছিং সমাজৰ বসন্তোৎসৱ । কৃষিজীৱি মিছিংসকলৰ বাবে ধানেই প্ৰাণ । আহু ধানৰ খেতিয়েই এক সময়ত প্ৰধান খেতি আছিল। সেই আহুধানৰ কঠীয়া আনুষ্ঠানিক ভাবে যিদিনা পথাৰত সিঁচা হয়, সিদিনাই —আলি লিগাং’ উৎসৱ পতা হয়। ‘আলি’ মানে আলু অথবা মাটিৰ তলত হোৱা খাদ্য, ‘আই' মানে গছত হোৱা ফল, ‘লিগাং’ মানে সিঁচা।

শ্যামলা বসুন্ধৰাৰ উৎপাদিকা শক্তিক আৰু উৰ্বৰা কৰাৰ মানসে মিছিংসকলে তেওঁলোকৰ ইষ্ট দেৱতা – কাচিন কাৰ্টাং, দঃঞিপঃল, চেঃদি মেঃলৰ নামত সিদিনা ‘আপং’ উৎসৰ্গা কৰা হয়। লগতে থাকে নৃত্যগীত । এক বিশেষ সুৰত ঢোল বাজে, এক বিশেষ ভঙ্গীমাত নৃত্য হয়। সেই নৃত্যক ‘পাচং চঃনাম’ কোৱা হয়। ঢোলৰ চেও ধৰি ডেকা- বুঢ়া আটায়ে মিলি নাচোনত যোগ দি বছৰটোৰ দুখ-বেজাৰ, পৰস্পৰ হিংসা - খৰিয়াল পাহৰি নতুন বছৰক আদৰণি জনায়। ইষ্টদেৱতাৰ ওচৰত এই প্ৰাৰ্থনা জনোৱা হয়- বিনেধানে ভৰাল ভৰি পৰক, গঞা ৰাইজৰ মন আনন্দত উপচি পৰক ।”

মিছিং সকল পূৰ্ব্বতে বৰ্ত্তমানৰ চিয়াং সীমান্ত ভু ভাগৰ কোনোবা ওখ পাহাৰত বাস কৰিছিল। তেতিয়া তেওঁলোক নিৰক্ষৰ আছিল বাবে কোনো দিনপঞ্জীও নাছিল। সেইবাবে শিমলু ফুল ফুলিলে, মদাৰ ফুল ফুলিলে| - আলি লিগাঙৰো বতৰ পৰে বুলি মিছিংসকলে জানিছিল । ফাগুন মাহক সেয়ে মিছিঙে কয় - ‘গিন্‌মুৰপল’ অৰ্থাৎ শিমলু ফুলাৰ মাহ ।

পিছে, ভৈয়ামত বসবাস কৰিবৰ পৰা দিন বাৰ- তাৰিখৰ সংখ্যাজ্ঞান হোৱাত ফাগুনৰ প্ৰথম বুধবাৰটো আলি-লিগাঙৰ দিন ধাৰ্য্য কৰা হ'ল। যাতে সদৌ মিছিং সমাজে সেইদিনা একেটি উদ্দ্যেশ্যেৰে পৰম পিতাক সোঁৱৰে আৰু ৰং ৰহইছৰ মাজেদি সমাজৰ পুৰনি বান্ধোন নকৈ এবাৰ সাৰ পায়।

যিমান দূৰ জনা যায়, মিছিংসকলে ভৈয়ামলৈ নামিছিল আহোম স্বৰ্গদেউ চুহুংমুঙৰ দিনত । = বুৰঞ্জীয়ে ৰিঙিয়ায় :- এদল মিছিং ভৈয়াম নামি শিবসাগৰ জিলাৰ 1 চামগুৰিত বাস কৰিছিল আৰু সিবিলাকে চামুগুৰীয়া মিৰি নামে কালক্ৰমত জনাজাত হৈছিল। চামুগুৰীয়া মিৰিলৈ আহোম ৰজাই ছোৱালী দি তেওঁলোকক সম্পুৰ্ণৰূপে - অসমীয়া কৰিছিল। স্বৰ্গদেউ চুহুংমুঙে (১৪৯৭-১৫৬৯) - খৃঃ ল'ৰা ৰজাক যুদ্ধত ঘটোৱা তাও চুলুংণিক থাওমুংতাও নাম দি সকলোৰে আগত বহিবলৈ দিলে । জাতত এই ঘৰ মানুহ মিৰি। (দেউধাই অসম বুৰঞ্জী, ১৯ পৃষ্ঠা)

‘ আৰু বুঢ়া ৰজাদেৱৰ (চাও চুছেংফা ওৰফে প্ৰতাপ সিংহ, ১৬০৩-৪১ বা ৪৯ খৃঃ) দিনত বাৰুকৰ পৰা বৰগোঁহাঞি পৰীয়া ভোকোলা গোঁহাঞিক ঘৰ ফালি

দিহিঙত পাতিলে।তেঞো অপুত্রক আছিল । পাছে মিৰিৰ ল'ৰা এটি পোবধাকৈ তুলিলে, তাৰ নাম দিলে মিৰি সন্দিকৈ।' (পুৰনি অসম বুৰঞ্জী, ৪৪ পৃষ্ঠা)।

চুটিয়াসকলৰ লগতে মিছিংসকলৰ সম্বন্ধ ঘটিছিল। চুটিয়া ৰজাসকলে শদিয়া অঞ্চলত ৰাজত্ব কৰিছিল। যি সকল ফৈদৰ লোকৰ চুটিয়াৰ লগত ওচৰ সম্বন্ধ ঘটিছিল তেওঁলোকক আন ফৈদৰ লোকে 'পাক্র' বুলি মাতিবলৈ লৈছিল। 'পাকৰ' শব্দৰ উৎপত্তি সম্বন্ধে দুটা মত পোৱা যায়। কিছুমানে কয় যে চুটিয়া বা অনা মিছিঙৰ লগত হলিগলি কৰা বাবে 'জাতি যোৱা' অৰ্থত 'পাক্র' শব্দৰ উৎপতি হ' ল-যথা মিপাক্ পাক্‌লা-'পাকৰ'। আন হাতে পাকৰ ফৈদৰ লোকে দাবী কৰে যে বিশুদ্ধ দাবী কৰিবলৈকে 'পাকৰ' নামে পৰিচয় দিলে। যথা পানাম্ আৰ' 'পাকৰ' মিছিঙত 'পানাম্' আৰু পাক্‌মানাম্ বা শুচি আৰু অশুচি বুলি দুটা শব্দৰ প্ৰচলন আছে।

যি কি নহওক, কেইবা শতাব্দী বাগৰি যোৱাৰ পিছত ভৈয়ামৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ লগত মিছিঙৰ নিচেই ওচৰ সম্বন্ধ ঘটিল। তথাপি মিছিং সকলে আজিকোপতি নিজৰ ধৰ্ম্ম, আৰু ভাষা আৰু সংস্কৃতি ৰাখিছে, আলিয়াই লিগাং, পঃৰাগ, দবুৰ্ আদি উৎসৱৰ যোগেদি আনহাতে অসমীয়া সংস্কৃতিৰ লাইখুটা ৰঙালী বিহু মিছিঙৰ নিচেই আপোন হৈ পৰিল। শিমলু ফুলিলে, মদাৰ ফুল ফুলিলে যি দৰে মিছিঙৰ গা ৰাইজাই কৰে, কপৌ ফুল ফুলিলেও গাত বিহু বিহু লাগে। কুলি কেতেকীৰ মাতে মিছিং ডেকা – গাভৰুৰ মন বিহু বলিয়া কৰে। বতৰত খেতি চপাই যি নিষ্ঠাৰে পঃৰাগ উৎসৱ পতা হয়, সেই একে নিষ্ঠাৰে মাঘ বিহুত মেজি পোৰে, ৰঙালী বিহুত গৰুৰ গা ধুৱায়, দেৱশিশুটিৰ অস্ফুটমাতৰ দৰে শুৱলাকৈ হুচৰি গায়, বৈ বৈ চাই, পিন্ধোতা নাই, চম্পা নাহৰৰে কলি ঐ ৰাম । অসমীয়া সংস্কৃতিৰ প্ৰাণ এই বিহুৰে ভৈয়ামৰ মিচিংসকলক এৰাব নোৱাৰাকৈয়ে বান্ধি ৰাখিছে। লুইত- সোৱনশিৰিৰ বায়ু - পানী মাটিয়ে যি দৰে তেওলোকৰ ৰক্ত প্ৰবাহৰ লগত সোমাই পৰিল, সেইদৰে ৰঙালী বিহুৰ বলিয়া বা মিছিঙৰ স্বাস প্ৰস্বাসৰ লগতো সোমাই পৰিছে।

কাৰো অবিদিত নহয় যে কিছু দিনৰ পৰা অসমৰ ৰাজনৈতিক বায়ুমণ্ডল ভাঙোনমুখী, পূতিগন্ধৰে ভৰি পৰিছে। বিভিন্ন জাতি-উপজাতি সমুহে নিজ নিজ বৈশিষ্টৰ তথ্য পাতিৰে সুকীয়া ভাষা দাবী কৰিছে। নাগা গ'ল, খাচী, গাৰো গ'ল, নেফাও আমাৰ পৰা আঁতৰি গ'ল। এই ভাঙোনমুখী চিন্তাধাৰাৰ বাবে অকল দুই এজন উচ্চাভিলাষী ৰাজনৈতিক নেতাই দায়ীনে? নে আমাৰ দেশত বিদ্যমান সামাজিক বৈষম্য আৰু নীতি বাগীশসকলৰ আত্মচেতনাৰ অভাৱ ?

সামাজিক বিবৰ্ত্তনৰ চাৰিআলিত ঠিয় হৈ আমাৰ চিন্তাশীল লোকসকলে এবাৰ দকৈ ভাবি চাবৰ হ'ল। আমাৰ বহুতো শিক্ষিত মিছিং ডেকাই আক্ষেপ কৰা শুনো -'যোৱা চাৰি শতিকাও মাজুলীৰ চাৰি বৈষ্ণৱ সত্ৰৰ দুৱাৰ মিছিঙৰ বাবে মুকলি নহ'ল । আমি অসমীয়া বুলি চিঞৰি মৰিলে কি হব- তথাকথিত বৰ্ণ হিন্দুসকলৰ চোতালত মিছিঙৰ ছাঁ পৰিলেও চোৱা হয়। এয়া জানো সংহতিৰ অনুকুল পন্থা ?" এনে প্ৰশ্নৰ সহজে উত্তৰ পোৱা টান। এয়া যে নিভাঁজ সত্য ! মাজে মাজে ভাবি অবাক হওঁ, যদি মহা পুৰুষ শঙ্কদেৱৰ শিষ্য – গোবিন্দ আতা সঁচাই গাৰো আছিল, পৰমানন্দ সঁচাই মিৰি আছিল, নৰোত্তম আতা সঁচাই নগা আছিল- তেন্তে তেৰাৰ অনুগামী অসমীয়া সমাজৰ এই নৈতিক পতন হ' ল কেতিয়াৰ পৰা ?

যি কি নহওঁক ৰূঢ়বাস্তৱৰ সকিয়নি মতে মিছিং সকলেও নেতি বাচক সামাজিক দৃষ্টিভঙ্গিৰ পৰা মুক্ত হব লাগিব। লোকৰ কাৰুণ্যৰ বাবে আশা পালি বৈ নাথাকি নিজৰ যোগ্যতা প্ৰকাশৰ বাবে যত্নপৰ হোৱা উচিত । কিয়নো আজি বিজ্ঞানৰ যুগ, আজি প্ৰতিযোগিতাৰ যুগ।অসমীয়া সমাজেও যদি অসমৰ পিচপৰা সম্প্ৰদায় সমুহক সহোদৰ ভাই হিচাবে একে শাৰীত ঠাই দিব নোৱাৰে, তেন্তে ভাৰতীয় সমাজে দিল্লী দৰবাৰত তেওঁলোককো তেনে ব্যৱহাৰ আগবঢ়ালেও আক্ষেপ কৰাৰ থল নাথাকিব। আৰু দেশৰ সংহতি আৰু সংস্কৃতি ৰক্ষা পৰিব তেতিয়াহে, যেতিয়া দেশমাতৃকাৰ দ্ৰৱিদ্ৰতম সন্তানেও জন্মদায়িনী মাতৃৰ পৰা সমান স্নেহ পোৱাৰ অধিকাৰ পাব আৰু এই অধিকাৰ আদায় কৰি লবৰ দিন আহিছে। এই ক্ষেত্ৰত "মিছিং বানে কেৰাে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

**(মিচিং বানী কীবাঙৰ সোণালী জয়ন্তী অধিবেশনৰ স্মৃতি গ্ৰন্থৰ "ৰঙাণৈৰ ৰেঙনি" ৰ পৰা তুলি অনা হেছে। -সম্পাদক)**

# ॥ অভিযন্তা ॥

**শ্ৰী তৰুণ চন্দ্ৰ পামেগাম**

ঘৰৰ পৰা আঁতৰি থকা এটা যুগ পাৰ হৈ গৈছিল । ইমান দিনে ঘৰখনৰ বা গাওঁখনৰ কি পৰিবৰ্তন হৈছিল বা নহৈছিল দুই এটা কথা চিঠি পত্ৰৰ দ্বাৰা জনাৰ বাহিৰে পৰিবৰ্তন বা অপৰিবৰ্তনৰ দৃশ্য চকুৰে হ'লে দেখিবলৈ পোৱা নাছিল। বাহিৰৰ কথা প্ৰথম কেইবছৰমান ভিতৰত গাঁৱৰ কোন ছোৱালী কলৈ পলাই গ'ল কাৰ লগত কাৰ কেতিয়া বিয়া হয় সেইবোৰ খবৰকে প্ৰধানকৈ পাই আছিলো । পিছলৈ সেইবোৰ পুৰণা খবৰ হৈ গৈছিল। গাৱঁৰ আলি-পদুলি, পানী যোগান, লৰা-ছোৱালীৰ শিক্ষা, খেতি-বাতি, বানপানীৰ ক্ষতি-খতিয়ান আদিৰ খবৰহে পিছলৈ পেৱাৰ ইচ্ছা কৰিছিলো।

সুদীৰ্ঘ বাৰটা বছৰৰ ভিতৰত ভাই দুটাই, ভনী জনীয়ে বিশেষকৈ বিধবা মাই তিনিওজনে চাবলৈ ইচ্ছা কৰাৰ খবৰ কেইবাবাৰো পাইছিলোঁ। কিন্তু সময় আৰু সুবিধা কৰিব নোৱাৰি তেওঁলোকৰ সেই ইচ্ছা অতদিনে পুৰ কৰিব পৰা নাছিলো। ভনীজনীক সৰু অৱস্থাতে ঘৰত এৰি আহিছিলো । অতদিনে তাই যে যথেষ্ট ডাঙৰ হল কবই পৰা নাছিলোঁ। এদিন ঘৰৰ পৰা হঠাৎ চিঠি এখন পালো যে তাইৰ বিয়াৰ বন্দৱস্ত হৈছে অৰ্থাৎ অলপতে খুজিবলৈ আমাৰ ঘৰলৈ মানুহ যাব আৰু সেই তাৰিখত ময়ো ঘৰত উপস্থিত থাকিব লাগিব। সেই খবৰটোৱে কিন্তু সৰু সুৰা অসুবিধাবোৰ আঁতৰাই ঘৰলৈ কেইদিনমানৰ কাৰণে যোৱাৰ বাট মুকলি কৰি দিলে আৰু ঘৰ গৈ পোৱাৰ তাৰিখ দি চিঠি লিখিবলৈ বাধা কৰিলে। ঘৰলৈ তিনিওজন গৈ পোৱাৰ কথা লিখিলো । তিনিও মানে আমাৰ তেওঁ, তেওঁ আৰু মোৰ যুটীয়া সম্পত্তি বছৰেক পাৰ হোৱা 'বুলবুল' । দুবছৰ আগতে বীনাৰ লগত অসামাজিক অথচ চৰকাৰী ভাবে আমাৰ বিয়া এখন হৈ গৈছিল । আন ভাষাত আমাৰ বিয়াখনক আনে অসবৰ্ণ বিবাহ বুলিও কয়। বীনা আমাৰ সমাজৰ একো আও-ভাও নোপোৱা ছোৱালী। গতিকে আমাৰ ঘৰ আৰু সমাজলৈ বীনাক নিয়া কথাটোত এনেয়ে মোৰ স্বাভাৱিক বা অস্বাভাৱিক দুৰ্বলতা এটা বিয়াৰ পিছদিনাৰ পৰাই হৈছিল । কিন্তু বীনাৰ নিজ ইচ্ছা আৰু মাৰ বুঢ়া বয়সৰ একান্ত আগ্ৰহে সেই দুৰ্বলতা কিছু পৰিমানে নাইকীয়া কৰিলে। গতিকে চিঠি পোৱাৰ তিনিটা দিন পাছতে তিনিও ৰাওনা হলোঁ ।

তিনিচুকীয়া এক্‌প্ৰেছৰ দুটা টিকেট আগদিনাই 'বুক' কৰাই থৈছিলোঁ। নিজৰ গাড়ীলৈয়ো যাব পৰা হলহেঁতেন । কিন্তু গাৱঁৰ ওচৰত বাট-পথ ভাল নহয় বুলি জানি আৰু বাচ-ভ্ৰমণৰ অভিজ্ঞতা বীনাক লাগে বুলি বুজি তেনে ব্যৱস্থা কৰা হৈছিল। বাৰবছৰীয়া চাকৰি কালত নিজ ঘৰ বুলি ঘৰ এডোখৰ সজাৰ মানসত নগৰৰ উপকণ্ঠতে মাটি এচিকতা লৈ থোৱা আছিল যদিও ঘৰ-দুৱাৰ সজা অতদিনে হৈ উঠা নাছিল। চৰকাৰী বাসভৱনতে অতদিন কটাই দিছো যদিও ফুৰা চকা কৰিবৰ কাৰণে আৰু অন্যান্য কাৰ্য্যবাহী অভিযন্তাই কিনে কাৰণে ময়ো তিনিটামান বছৰৰ আগতে কিনিছিলো। অৱশ্যে মোৰ পিছত সোমোৱা কেইবাজনো চাব ইঞ্জিনিয়াৰৰ ঘৰবোৰ ইতিমধ্যে প্ৰসাদ সদৃশ হৈ পৰিছিল। মোৰ ক্ষেত্ৰত কিন্তু তাৰ ব্যতিক্ৰম হৈছিল। যি কি নহওক পিছদিনা পুৱা ৬-১৫ মিনিটত চৰকাৰী বাচত চিত ললোগৈ। চিত ভালেই পালোঁ - আগশাৰীতে দুজনৰ কাৰণে ফুটিয়া চিত এটা।

বুলবুলৰ কাৰণে দুটা চিত ৰিজাৰ্ভ আছিল মাক আৰু মোৰ কোলা -তাৰ যতে ইচ্ছা হয় বহি যাব পাৰে। বীনা আৰু বুলবুলৰ কাৰণে সেয়া আছিল প্ৰথম যাত্ৰা - মোৰ ক্ষেত্ৰত এক প্ৰকাৰ ৰিটাৰ্ণ জাৰ্নি। তথাপি সেই দিনটো মোৰ কাৰণেও সম্পুৰ্ণ আছিল। বুলবুলক কোলাত লৈ গাতে গা লগাই বহি থকা বীনাৰ নাৰীসুলভ উম্‌খিনি মই নতুনকৈ অনুভৱ কৰিছিলো। নাৰীৰ ৰূপ-ৰস-গন্ধ স্পৰ্শৰ নতুন আমেজ উপভোগ কৰিছিলো। মানুহৰ আগত গাখীৰ খুৱাবলৈ লাজ কৰা অথচ বুলবুলৰ অত্যাচাৰত বাধ্য হৈ কাপোৰৰ তলত বুকুৰ গাখীৰ দিবলৈ যত্নকৰা বীনা আৰু বাৰে বাৰে ঢাকি দিয়া মুৰৰ কাপোৰ গুছাই পেলোৱা বুলবুলৰ ঘৰুৱা যুঁজখন তাই বৰ ভাল লাগিছিল। শৰাইঘাট দলং হোৱাৰ পৰাই বীনা নাওত উঠা নাই । গতিকে নিমাতী কমলাবাৰী ফেৰীত পাৰ হওঁতে হেনো তেওঁ যথেষ্ট আমোদ পাইছিল। যোৰহাট নিমাতী আৰু নিমাতী উত্তৰ লক্ষীমপুৰ বাচত হলে কি পালে নাজানো। বাচৰ অভিজ্ঞতাই তেওঁক আমোদকে দিলে নে তোষামোদকে দিলে সেইটো জানে তেওঁ । যি কি নহওক ৰাতি ন বজাত একে দিনাই ঘৰ পোৱা হ'ল।

ঘৰ পাই যাত্ৰা কালৰ ধাৰণা সম্পূৰ্ণ সলনি হৈ গ'ল । বাৰ বছৰৰ আগৰ ঘৰখনৰ বিশেষ একো পৰিবৰ্তন দেখা পোৱা নগ'ল। পৰিবৰ্ত্তনৰ ভিতৰত মাৰ বয়স বেছি হ'ল। ভনীজনী বহুত ডাঙৰ হ'ল। ভাই দুটাৰ এগালমান ল'ৰা- ছোৱালী হ'ল । ভাই দুটাই মই ঘৰৰ পৰা ওলোৱাৰ দুই তিনি বছৰৰ ভিতৰতে ক্ৰম অনুসাৰে বিয়া কৰাইছিল অৰ্থাৎ ৰাজী- খুচি নিয়মত ছোৱালী আনিছিল । ঘৰটো এজন কাৰ্য্যবাহী অভিযন্তাৰ ঘৰ নিশ্চয় নাছিল। সৰ্বসাধাৰণ মিৰি মানুহৰ এটা চাংঘৰ। ঘৰৰ ভিতৰত তিনিটা জুহাল। এটা মাৰ, এটা ডাঙৰটো ভাইৰ, এটা সৰু ভাইৰ । সৰুটো ভাই সপৰিয়ালে থাকে মাজৰটো জুহালৰ ওচৰত, বৰটো থাকে সন্মুখৰ জুহালৰ ওচৰত - ভনীজনী মাৰ লগত থাকে । আমি গৈ থাকিবৰ কাৰণে বাহিৰৰ চাংখনতে বেৰ দি থোৱা হৈছিল । আমি গৈ পোৱাৰ লগে লগে চোতালত বহুত লেতেৰা কাপোৰ পিন্ধা আৰু নিপিন্ধা ল'ৰা-ছোৱালীয়ে জুম বান্ধিছিল আৰু চাং ঘৰটোৰ ওপৰত বুঢ়া-বুঢ়ী, জীয়ৰী-বোৱাৰীৰ সমাগম হৈছিল । বাহিৰৰ চাঙত বেৰাই দিয়া কোঠাটোতে আমাৰ বিচনা কৰা হৈছিল। বহুতৰ লগত কথা বতৰা পাতিব  লগা হোৱাত সেইদিনা শোৱা যথেষ্ট পলম হৈছিল। কেইবাজনী বুঢ়ী মানুহে বীনাকো নগৰৰ নানা কথা সুধিছিল। বুঢ়ী মানুহ কেইজনী ঘৰাঘৰি গুচি যোৱাৰ পিছত বুলবুলক কাষত লৈ বীনা শুই পৰিছিল আৰু ময়ো অনুমানিক দুইমান বজাত বীনাৰ কাষতে শুই লেমটো নুমাই দিছিলো। কিন্তু শেষ ৰাতিৰ জোনাকত কোঠাৰ বাহিৰত যথেষ্ট পোহৰ আছিল আৰু সেই পোহৰ নিলিপা বেৰৰ ফাকেদি পুৰাকৈ চকুত পৰিছিল। অনভ্যাস দোষত তেনে এটা পৰিবেশত টোপনি আনিব পৰা নাছিলোঁ। ভ্ৰমণৰ ভাগৰত অলপ সময়ৰ কাৰণে বীনাৰ কিছু টোপনি আহিছিল যদিও তাই মই শুবলৈ যত্ন কৰাৰ পিছতে সাৰ পাইছিল। বেৰৰ জলঙাইদি অহা জোনাকৰ পোহৰবোৰ দেখি এনে অনুমান হৈছিল- বাহিৰৰ ফালৰ পৰা যেন অসংখ্য চকুৱে তেতিয়া আমাৰ ফালে চাই আছিল । যিকি নহওক শেষ ৰাতিলৈ শুৱৰ বাবে অলপ যত্ন কৰিছিলো- কিয়নো মাছৰ চিকুন হেনো মোৱা আৰু টোপনিৰ চিকুন হেনো পুৱা, কিন্তু অলপ পিছতেই কুকুৰাই ডাক দিলে আৰু কুকুৰা ডাকৰ লগে লগে বোৱাৰী দুজনীৰ উৰালত ধান খুন্দা ধুমুৰ ধামাৰ শব্দ কানত পৰিলেই। ভাই দুটা আৰু সিহঁতৰ লৰা-ছোৱালীবোৰেও এটা দুটাকৈ উঠিবলৈ আৰম্ভ কৰিলে। জুহাল কেইটাত জুই জ্বলি উঠিল আৰু সিহঁতে অহা যোৱা কৰোঁতে ভিতৰৰ চাংখনত মেৰেক মাৰাক শব্দ হ'বলৈ ধৰিলে।

বাৰটা বছৰৰ ভিতৰত অন্তঃত এজনৰ পৰা দুজন হোৱাৰ আগলৈকে ডাঙৰটো হিচাবে ঘৰখনলৈ কিছু টকা পইচা পঠিয়াই আছিলোঁ আৰু সেই হিচাবত সেইকেইটা দিনৰ ভিতৰত দহ হেজাৰ্মান টকা ভাই কেইটাক দিছিলো- অন্ততঃ ঘৰটো অলপ আধুনিক ধৰণে আৰু স্থায়ী হিচাবে সজাৰ ব্যৱস্থা কৰিবৰ কাৰণে, কিন্তু গম পালো ডাঙৰটো ভায়ে টকাকিটা পাই হাতীৰ মহল লোৱাত অংশীদাৰ হল । তাৰ ভাগৰ ভাৰালৈ নিয়া হাতীটো ছৈখোৱা ঘাটৰ ওচৰত মৰি থাকিল। আনৰ পৰা আনিব লগা অৱস্থা হ'ল। এবছৰ দুজনীমান মহ কিনিলে সেই বছৰেই মহৰো বেমাৰ আহিল আৰু মহকেইজনী মৰি থাকিল। ভাইটোৰ টকাৰে টকা কৰাৰ পৰিকল্পনাটোক একেবাৰে বেয়া বুলি কবৰ থল নাই, তথাপি জীৱ লগা জন্তুৰ কাৰবাৰ কৰাটো ভাগ্যৰ ওপৰত নিৰ্ভৰশীল। খেতিৰ উপাৰ্জনেৰে বছৰৰ পিছত বছৰটো

টাকটুক কৈ চলি থাকিব পাৰিলেও যোৱা বাটা বছৰে ভাই দুটাই বিশেষ একো উন্নতি কৰিব নোৱাৰিলে, লৰা-ে -ছোৱালী পঢ়ুৱাৰ ক্ষেত্ৰতো একো অগ্ৰগতি নহ'ল। "পানী যি পাত্ৰতে থোৱা যায় সেই পাত্ৰৰে গঢ় লয়" - এই সুত্ৰ নিশ্চয় বিজ্ঞান সন্মত।

গাৱঁত থকা তিনিটা দিনৰ ভিতৰতে ঘৰে ঘৰে নিমন্ত্ৰণ পালোঁ- খাব নোৱাৰিলেও খাৱলৈ কোৱা অনুৰোধ আৰু মিঠা মাত পালোঁ। বীনাৰ ক্ষেত্ৰত আৰু বেছি-বুলবুলৰ বেলিকাতো কথাই নাই। কিন্তু নিজৰ কথা বাদ দিলেও বীনা আৰু বুলবুলৰ কাৰণে বৰ চিন্তিত হৈ পৰিছিলো । অপৰিচিত পৰিবেশ, বেলেগ হাৱা পানী, অনিয়মিত খোৱা বোৱা। বীনা আৰু বুলবুলৰ স্বাস্থ্যৰ কথা ভাবিবলৈ ভয় লগা হল । বেছি ভয় লগা হ' ল- গাৱঁৰ পৰা ঘুৰি গৈ নগৰৰ চৰকাৰী ঘৰত বীনাৰ পৰা শুনিব লগা ভৎসনা আৰু তাচ্ছিল্যৰ কাৰণে। ভনীজনীৰ বিয়াৰ কাৰণে সেই একেটা ঘৰলৈকে এমাহৰ পিছতে আকৌ ঘুৰি আহিব লাগিব বীনা আৰু বুলবুলক এৰি অহাটোও মানবীয়তাৰ কথা নহব । আনহাতে বীনাই আৰু এই পৰিবেশৰ মাজলৈ ঘুৰি অহাটো কেতিয়াও কামনা নকৰিব। একেজনী ভনীৰ বিয়ালৈ নাহিলেও মাৰ অভিশাপত জ্যানো মই দগ্ধ নহম ! চিন্তাই মোক একেবাৰে জুৰুলা কৰি পেলালে । ভাই দুটাই পুৰি দিয়া গাহৰিৰ মঙহ, ঘৰে ঘৰে দিয়া কুকুৰাৰ ঠেং আৰু আগমঙহ যেন মই হজম কৰিব পৰা নাছিল ।

তৃতীয় দিনাৰ ৰাতি আমাৰ বেৰি দিয়া কোঠাটোত ভিৰ কৰিছিল। মাকক সাৱত মাৰি ধৰি গাখীৰ খোৱা বুলবুলৰ অভ্যাস থকা কাৰণে বীনাই তাক শুৱাই আহিছিল। অলপ পিচতে বীনাৰ ওচৰতে বিচনাত গৈ বহিলোগৈ । পিছদিনা ঘুৰি যাব লাগিব। বীনাৰ লগত দুই এষাৰ কথা কব লাগিছিল, আমাৰ ঘৰলৈ আহি কেনে পাইছে সেই কথা তেওঁক সুধিবলৈ মোৰ সাহো নাছিল । গতিকে বুলবুলৰ লগতে বীনাৰো টোপনি আহিলে আহক বুলি ভাবি কিছুপৰ • নিজৰ চিন্তাতে নিজে বিভোৰ হৈ বহি থাকিলোঁ। দেখিলো - বুলবুল টোপনি গল, মুখখন মাকৰ বুকুৰ পৰা এৰ খাই গ'ল। বীনাৰ টোপনি আহিছিল নেকি মই নাজানোঁ । কিন্তু = লাহেকৈ বাউসিত ধৰি জোকাৰ মাৰি কলোঁ "বীনা।" তেওঁ "ওঁ" বুলি ওপৰ মুৱাকৈ বাগৰ সলালে। মই সুধিলো - "টোপনি আহিছিল নেকি তোমাৰ?" তেওঁ কলে " নাই অহা, কিয় ?" "কালিলৈতো যাবই লাগিব-দুই এষাৰ কথা পাতিব লাগিছিল।" মই কলোঁ, বীনায়ো কলে, "হয় ময়ো ভাবিছিলো সেই কাৰণেই বুলবুলক শুৱাই লৈছো। মই কিন্তু কাইলৈ নাযাওঁ - আইক মই আজি দুপৰীয়াই কথাটো কলোঁ।" "কেলেই এমাহৰ ভিতৰতে আমি আকৌ ঘুৰি আহিব লাগিব নহয়" - মই কলো । কথাটো শুনি বীনাই অপুৰ্ব চকুৰ ধাৰ আৰু মুখৰ ভঙ্গীমাৰে যি কথা কলে সি মোৰ কল্পনা বিলাসী মনক কোনোবা দিগন্তলৈ উৰুৱাই লৈ গল । বীনাই কলে "এমাহ কিয় এবছৰলৈকে মই এই ঘৰৰ পৰা নাযাওঁ। এবছৰ পঢ়িলেহে স্কুলত বা কলেজত প্ৰমোচন পায় - সেই কাৰণে ময়ো ইয়াত এবছৰ থাকিম। এবছৰৰ পিছতহে মোৰ প্ৰমোচন হব অৰ্থাৎ গাওঁ এৰি নগৰলৈ যাম । আপোনালোকে বান্ধ দিয়ে, আলি বান্ধে - বছৰে বছৰে পানীয়ে ভাঙে -মই কিন্তু সমাজত আলি বান্ধিম - বান্ধ দিম যিটো আলি বা বান্ধ পানীয়ে ভাঙিব নোৱাৰে। মই এইখন সমাজত ইঞ্জিনিয়াৰৰ কাম কৰিম।"

দুয়োখন হাতেৰে গলধনত কেৰেপা মাৰি ধৰি তাই মোক শুৱাই দি কলে- "সোনকালে শুই থাকক । কাইলৈ এক্সপ্ৰেছ বাচতে যাব লাগিব নহয় । পাব্লিক বাচত যোৱাৰ সুন্দৰ অভিজ্ঞতা আছেই। →→

**(-কিছুমান মানুহক কিছু দিনৰ কাৰণে ভুলাই ৰখাটো সম্ভৱ হব পৰে নাইবা কিছুমান মানুহক গোটেই জীৱনটো ভুলাই ৰখাটোও সম্ভৱ হব পাৰে। কিন্তু সমস্ত মানুহক গোটেই জীৱনৰ কাৰণে কেতিয়াও ভুলাই ৰাখিব নোৱাৰে।- লেলিন।)**

# আমাৰ সোৱণশিৰি বা অবনৰি

**বক্ৰিৰাম মৰাং**

স্বৰ্ণশ্ৰী = সুৱৰ্ণশ্ৰী =সোৱণশিৰি = অবনৰি। নদীৰ বালিৰ সোণ। আহোম যুগত নদীৰ বালিৰ পৰা সোণ কমাইছিল। এনে নদীৰ পাৰ গৌৰৱ আৰু ঐতিহ্য মণ্ডিত নহৈ নোৱাৰে৷ বুৰঞ্জী কিন্তু নিমাত। নিমাত নিস্তদ্ধ নহয়, মাথো স্মৃতি বহুচিন- ঘৰ ভেটি, পুখুৰী, থান, সত্ৰ আৰু বাটঘৰ। লগে লগে নিমাত নহয় অবিশ্বাস্য যদিও বহু কাহিনী, কিংবদন্তী আৰু নানা অলৌকিক কাহিনীৰ। থোৰতে নদী খনিৰ চিনাকি আৰু পাৰৰ ঐতিহ্য, কিংবদন্তী উল্লেখ কৰিলো।

সোৱণশিৰি নদীৰ প্ৰকৃত উৎপত্তি স্থল সম্বন্ধে সঠিক ভৌগলিক তথ্য পোৱা নাযায়। পণ্ডিত সকলে অনুমান কৰি লোৱা উৎপত্তি স্থল সম্বন্ধে এয়াইয়ে – চীনদেশৰ তিব্বত অঞ্চলৰ মৰিচেৰ্খা নামৰ এক হিমস্থলীৰ পৰা উদ্ভৱ হৈছে। ই চায়ুলচু নামে জনাজাত । তাৰ ওচৰতে সোণৰ খনি থকাৰ কথা পণ্ডিত সকলে কয়। এই হিম প্ৰবাহ চাংপোৰ সমান্তৰাল গতিৰে পূৱলৈ গতি কৰিছে। এনে গতি কৰোতে চাচু নামৰ এক হিম প্ৰবাহৰ লগ লাগি পূৱ দক্ষিণ মুখী হৈ দক্ষিণ পশ্চিম মুখী নিচু, লৰ' চু, য়মি-চু, ঋচু আদি হিম প্ৰবাহক অন্যান্য বহু ঠাইত লগ হৈ দক্ষিণ গতিৰে অৰুণাচলত প্ৰবেশ কৰিছে। অৰুণাচলত পূৱ মূখী কমলা দক্ষিণ পশ্চিম মূখী ব্ৰু আদিৰে নানা সৰুৰ জানজুৰি লগ লাগিছে ভৈয়াম শাখাত ঘূনাসুঁতি আৰু চাম পৰা নামৰ এক শাখা নদীৰ সৃষ্টি কৰিছে। বৰ্তমান সুঁতি আৰু শাখা নদীৰ চিন নাই ঘুনাসুঁতিয়েই আদি মূল নদী।

তিব্বত খণ্ডত এই নদীয়ে ১৬০ কিঃ মিঃ, অৰুণাচলত ২২৪ কিঃ মিঃ, লক্ষীমপুৰ জিলাত ১৩৬ কিঃ মিঃ (সম্প্ৰতি ।, কম হৈছে) পথ অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰৰ লগত মিলিছে। তিব্বত খণ্ডত পাঁচ হেজাৰৰ পৰা আঠ হেজাৰ মিটাৰ উচ্চ 7, হিমবাহ পাৰ হৈ অৰুণাচলত একা বেঁকা পথেৰে ১২ ৰ পৰা ২৫ মিটাৰ উচ্চতাৰ জল প্ৰপাত সৃষ্টি অসম্ভৱ নহয় খ বুলিছে। সম্প্ৰতি গেৰুকামুখত যি বান্ধ নিৰ্মাণৰ আয়োজন চলিছে–তাৰ দ্বাৰা নদীখনিৰ সঠিক ভৌগলিক তথ্য নিৰ্ণয় ⇒ কৰা হৈছে যদিও ৰাইজৰ জ্ঞাত হোৱা নাই।

ভৈয়াম খণ্ডত এই নদীৰ অৱবাহিকা অঞ্চল ৬৩২৮ বৰ্গ কিলোমিটাৰ আৰু প্ৰতি চেকেণ্ডত ৩০ হেজাৰ ঘন কিলোমিটাৰ পানী বোৱাই অনা বুলি পণ্ডিত সকলৰ মত । পাহাৰৰ যি ঠাইত নদী খনিয়ে ভৈয়ামত নামিছে তাৰ কিছু ওপৰলৈ পুৰণি তাঁত শালকে ধৰি অন্য বহু স্মৃতি চিন থকা ⇒ বুলি জনাযায়। মানুহৰ বিশ্বাস ৰামচন্দ্ৰই বনবাসৰ সময়ত হ কিছু দিনৰ কাৰণে ৰৈছিল । সেই কাৰণে মানুহে ৰাম নগৰ বুলি ঠাই টুকুৰাক কয়। কিন্তু ৰাম বা পঞ্চম পাণ্ডৱে উক্ত - স্থান নালাগে অসমত ক'তো বনবাসত কটোৱাৰ কাহিনী থোৰতে উল্লেখ কৰি পণ্ডিত সকলৰ বিচাৰ বিবেচনাৰ কাৰণে এৰি দিলো।

সোৱণশিৰি অৰ্থাৎ স্বৰ্ণশ্ৰী হিমালয় ৰাজকন্যা। ব্ৰহ্ম । তনয়ৰ স'তে নিবিড় ভালপোৱা। কিন্তু হঠাতে পৰশুৰামৰ

পৰশত ব্ৰহ্মতনয় আঁতৰি যোৱা শুনি বিৰহিনী বেদনাত বাউলি হ'ল হিমৰাজ কন্যা। প্ৰেয়সীক বিচাৰি তাইয়ো সখী আৰু লগৰী সমন্বিতে ঢাপলি মেলিলে। তাই পথত এক * ঋষিৰ আশ্ৰম পৰশাই নহয় তপস্যাত মগ্ন ঋষিৰ পাদদেশো স্পৰ্শ কৰাত ঋষিৰ তপ ভঙ্গ হ'ল। ফলত ঋষিয়ে উদ্দেশ্য সিদ্ধি নহব বুলি তাইক অভিশাপ দিলে। সম্বিৎ পাই ঋষিৰ ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা কৰাত বহু আশ্ৰয় পাব বুলি আশ্বাস দি ৰাতি যাত্ৰা স্থগিত কৰিবলৈ কলে।

সিপিনে ঋষিৰ আশ্ৰমত ৰাজকন্যাৰ এনে আচৰণ হেতু কিছু সময় ৰব লগা হোৱাত সহচৰী সকলৰ লগত কিছু জিৰনি ল'ব বিচাৰোতে তাই অকলেই গতি কৰিলে। ফলত সহচৰী সকলে পিছত গম পাই প্ৰকৃত পথ ধৰিব নোৱাৰি এদল পূৱ দিশত অন্যদলে পশ্চিম দিশৰ ফালে গতি কৰিলে। মতান্তৰে ঋষিৰ আশ্ৰমত ঘটিত কাৰ্য্যৰ সুযোগ লৈ তাইৰে ভনী দুজনীয়ে পূৰ্বৰে পৰা মনৰ গহন কোণত ব্ৰহ্ম তনয়ক ভালপোৱা পুহি ৰখা চৰিতাৰ্থ কৰিবৰ কাৰণে এনেদৰে দুটা দলত বিভক্ত হ'ল। পূৱ দিশত যাত্ৰা কৰা জনীৰ উদ্দেশ্য থিতাতে ধৰা পৰাত তাইক বাটতে আৱদ্ধ কৰি ৰখা হ'ল। তাইক আৱদ্ধ ৰখা পুখুৰীৰ নাম আজিও কুঁৱৰি বিল। আৰু তাইৰ যাত্ৰা পথৰ পৰাই চাবপৰা শাখা নদীৰ সৃষ্টি হ'ল। পশ্চিম দিশত যাত্ৰা কৰা দলৰ ভনীজনীক কিন্তু ৰাজকন্যাৰ সখা সকলে পাছত জানিব পাৰি মাৰধৰ কৰি হাবিৰ মাজলৈ খেদি পঠাই ৰাজকন্যাক বিচাৰি গ'ল তাৰ ফলত সৃষ্টি হ'ল ঘূনাসুঁতি। সেই যে খেদি দিলে– তাই হুক হুকাই কান্দি গহীন হাবিত মিলি গ'ল- তাৰ ফলতেই ঘূনাসুঁতি শুৱনি বা হু-হুৱনি নামৰ উৎপত্তি বুলি কোৱা হয়। ৰাজকন্যাৰ আগমন গম পাই ব্ৰহ্মতনয়ে বাহু মেলি আগবাঢ়ি আহিল- যাৰ ফলত সৃষ্টি হ' ল খেৰ কটীয়া সুঁতিৰ। ঋষিৰ শাপৰ ফলতেই তাই মাত্ৰ বহুত স্থান পালে। মানুহৰ বিশ্বাস এদিন দুয়োৰে বিয়া হ'ব – তেতিয়া নগৰে সাগৰ হ'ব, সাগৰে নগৰ হ'ব পাৰলী গছত জাহাজ বান্ধিব। এই কথাৰ সত্য অচিৰেই হ'ব যেন অনুমান হয় ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ বৰ্তমানৰ গতিৰ যি ধাৰা তাৰ বিচাৰ কৰিলে। যদি এয়াই হয় তেন্তে উত্তৰ লক্ষীমপুৰ চহৰ সাগৰত পৰিণত হ'ব আৰু জাহাজ বন্ধা পাৰলী গছজোপা চহৰৰ উত্তৰ পূৱৰ মৈদমীয়া গাঁৱৰ পাৰলী গছ জোপাই হ'ব আৰু চাউল ধোৱাৰ সমীপত বহিবগৈ উত্তৰ লক্ষীমপুৰ চহৰ।

সেই যে তাইৰ আউলী বাউলী যাত্ৰাত তাইৰ গাৰ আ-অলংকাৰ সমূহ বাটে বাটে ছিঙি ছিটিকি যোৱা হেতুকে সোৱণশিৰি বালিত আজি সোণ পোৱা যায় আৰু ঋষিৰ কথা মতেই আজিও ৰাতি সোৱণশিৰিৰ পানী নাবাঢ়ে আৰু কুঁৱলী বিলাৰ ?

এদিন তাইকো হৰি নিলে। হৰি নিয়া নামৰ পৰাই - আজিও সৰিয়নী গাওঁ হোৱা বুলি কোৱা হয়।

বালিত সোণ/আহোম যুগতেই নহয় বৃটিছ চৰকাৰেও ১৯৩৬ চনলৈকে সোণ কমোৱা কাম কৰা বুলি জনা যায়। কিছু কিছুৱে ১৯৪৬ চনলৈকে সোণ কমোৱা কাম চলি থকা বুলি কয়। বালিত সোণ থকা আৰু সোণ কমোৱা নদীৰ পাৰ সভ্যতাৰ গৰ্জনে খলকনি তোলা সম্ভৱ নহয়। কিন্তু সঠিক জনাৰ উপায় নাই। মাত্ৰ পুৰনি প্ৰসিদ্ধ বাসুদেৱ সত্ৰ আজি সাক্ষ্য হৈ আছে। গৰখীয়া দলৰ ভগ্নাৱশেষ আছে যদিও মানুহৰ অজ্ঞাত হৈ পৰিছেগৈ। তেনেদৰে বহু স্মৃতি চিহ্ন ইয়াত দেখা যায়। যাৰ ভিতৰত উন্নত ঘৰ-বাৰী, চিহ্ন পুখুৰী, আলিবাট সমূহ আজিও অতীত সাক্ষ্য বহন কৰে। তাৰোপৰি ইয়াৰ পাৰত আহোম তথা বৃটিছ যুগলে হাতী ধৰাৰ কথা শুনা যায়। হাতী ধৰা গড়ালত বহু চিহ্ন লুপ্ত হ'লেও দুই এক এতিয়াও সাক্ষ্য ৰূপে দেখা যায়। বৃটিছ যুগত দীপাই, পথালি পাম, আনন্দ বাগান, বৰদৈবাম প্ৰসিদ্ধ চাহ বাগান। বৰদৈবাম আটাইতকৈ প্ৰসিদ্ধ বুলি জনাজাত৷ এইবোৰ পম খেদিবলৈ সহজ কথা নহয়। আনকি মাত্ৰ থোৰতে কিংবদন্তী উল্লেখ কৰি পাৰৰ ঐতিহ্য আৰু অন্যান্য কাহিনীকে ক'ব বিচাৰিছো।

ইয়াৰ পাৰত ধৰাহাতী আহোম ৰাজ দৰবাৰ জিলিকাই ৰখাই নহয় মোগল সাম্ৰাজ্যলৈকো কৰ হিচাপে সোধোৱা বুলি কোৱা হয়। এবাৰ এনেদৰে নদীৰ ঘাটত হাতী পাৰ কৰাওতে হাতীয়ে বহু মাউত আৰু মানুহ মাৰিলে। ফলত ঘটনাৰ নামাকৰণেৰে কৰা হ'ল হাতীয়ে মৰা গাওঁ ঘূনাসুঁতিৰ সমীপৰ উত্তৰ গাওঁখন। দুই গোনা মহৰ যুঁজৰ কাহিনী লৈ ঘূনাসুঁতি নামৰ সৃষ্টি হোৱা বুলি কলেও প্ৰকৃত কাহিনী হেনো এয়া নহয়। হাতীয়ে মৰা গাওঁ উত্তৰলৈ কিছু দূৰত ছাইবাৰী নামৰ এক থান আছিল। কিবা ঘৰুৱা কন্দলত

থানখনত নানা বেমেজালি আৰু দুৰ্বলতাৰ সুযোগ লৈ বহুতে নানা অপকৰ্ম থানৰ ভিতৰত কৰিব ধৰিলে। মানুহে ক’ ব ধৰিলে। ঘূনে ধৰা শব্দৰ পৰাই ঘূনাসুঁতি উৎপত্তিয়েই গ্ৰহণযোগ্য যেন লাগে ।

হাতীয়ে মৰা গাঁৱৰ পূৱলৈ এৰাসুঁতি নামৰ এখনি বিল। বহু বছৰৰ জাৱৰ-জোথৰ দম হৈ বিলখনিৰ মাজ খণ্ড মাটি যেন লাগে। তাতে গাজ উঠিল এজোপা বৃহৎ শিমলু গছ। গছজোপা অলৰ নহয় বাৰিষা দক্ষিণলৈ; খৰালি উত্তৰলৈ গতি কৰে । কাৰণ অনুমেয়। আচৰিত কথা আৰু এয়ে যে গছজোপা মাজে মাজে একো এক দিশলৈ হালি পৰে। এনে হালি পৰা দিশৰ গাঁৱৰ অমঙ্গল বা বিপদৰ আশঙ্কা বুলি ৰাইজৰ বিশ্বাস আছিল। কাজেই পূজা-পাতল আয়োজন কৰিছিল। পূজা-পাতলৰ কাৰণে অন্য ঠাইলৈ যাব নালাগে বিলৰ পাৰত অৱস্থিত আশ্ৰম খন ফল-মূল লগা ঠাইৰ এজোপা বট বৃক্ষৰ তলত আগদিনা পূজাৰ উদ্দেশ্য জনাই তামোল-পান দি নিবেদন কৰিলেই পিছ দিনা পূজাৰ আৱশ্যক অনুসাৰে টৌ, কেৰাহি, কাহি-বাতি সকলো পোৱা হৈছিল। ব্যৱহাৰৰ শেষত পৰিস্কাৰ কৰি থুই থলেই হ'ল। ফল-মূল আকৌ, ঠাইতে খাবহে পাৰিছিল, নিব হ’ লে নোৱাৰিছিল। কাৰণ লগত নিলে পৰুৱাই পাইছিল অৰ্থাৎ বাটৰ কেণা লাগি ঠাইতে ঘূৰি থাকিব লগা অৱস্থা হৈছিল। তেনেদৰে বাচন-বৰ্তন নিলেও ঘুৰাই দি ক্ষমা-প্ৰাৰ্থনা নোখোজা পৰ্য্যন্ত মাৰি মৰকে ব্যক্তি জনকেই নহয় গাওঁ খনকো এৰা নিদিছিল। এই এৰা বিলতে গছ এজোপাৰ তলত শিকলিৰে বন্ধা নাও এখনো আছিল নাওখন কেতিয়াবা ভাঁহি ফুৰিছিল। কিন্তু সৰহ ভাগেই অদ্যশ্য হৈয়ে ৰৈছিল। চাব বিচাৰিলে শুদ্ধ মনে শিকলি কিছু টানিলেই সম্পূৰ্ণ নাওখন বা টিং ডোখৰ দেখা গৈছিল। অৱশ্যে কেতিয়াবা শিকলি টানি টানি পাহাৰ যেন কৰিলেও নাও দেখা পোৱা নগৈছিল। বাসুদেৱ সত্ৰৰ দক্ষিণলৈ শেলাই মৰা নামৰ বিলতো এনে নাও আছিল ।

তদুপৰি দেউবিল আৰু কুঁৱৰী বিলত সোণৰ নাও থকা বুলি কোৱা হয়। পিছলৈ অৱশ্যে সোৱণশিৰি নদীৰ বুকুলৈ নাও সমূহ লৈ যোৱা বুলি নানা কাহিনী শুনা যায়। আজি মাত্ৰ নদীলৈ নাওখনি নিয়া জান কেইটি দেখা যায়।

এৰা বিলাৰ দক্ষিণত এটা জান আছিল। জানৰ পানী অত্যন্ত লুণীয়া আছিল । দুই একে তাৰ পানী উতলাই লোণ তৈয়াৰো কৰিছিল যদিও দেও ভুতৰ ভয়ত ব্যৱহাৰ কৰা নহৈছিল।

এনেবোৰ কথা আজি অবিশ্বাস হ'ব পাৰে কিন্তু দেখা মানুহ আজিও বহুজন আজিও জীৱিত এনে বহু কাহিনী আছে যিবিলাকক লিখি শেষ কৰিব নোৱাৰি। মই নিজৰ ভাৱে বহুজনৰ লগত উক্ত বিষয়বোৰৰ চাক্ষুক প্ৰমাণ বিচাৰি লৈছিলো। মুঠতে অসম্ভৱ একো নাই এই পৃথিৱীত হ'ব নোৱাৰে।

অতীতৰ বিজড়িত স্মৃতি চিহ্ন সমূহৰ উল্লেখ বহু দিব পৰা যায়। বাহুল্যৰ খাতিৰত মাথো সকলো কাহিনী থোৰতে উল্লেখ কৰি ভঙ্গি কৰি ভাষাৰে ক'ব বিচাৰো

হায়! কোৱা পাহৰনি তোমাৰ পেটত
কতনা বুৰঞ্জী ৰাখিছা লুকাই
চিন্তিলে এবাৰ মৰো পুৰি ডেই
ক'ত জাতি কীৰ্ত্তি খালা গিলি হায় ।

সোৱণশিৰি পাৰ আকৌ ঐতিহ্য মণ্ডিত গেৰুকামুখত আৰম্ভ হোৱা বিদ্যুত প্ৰকল্প বান্ধ সম্পূৰ্ণ হৈ পুনৰ সোৱণশিৰিৰ বুকুত অতীতৰ স্মৃতি চিনেৰে মহিমামণ্ডিত হৈ পৰক এয়াই কামনা।

৯-৭-৭৯ তাৰিখে “সোৱণশিৰি পাৰৰ ঐতিহ্যৰ সন্ধানত” নামৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ যোগে কথিকাৰ এই প্ৰৱন্ধ চমুকৰণ মাত্ৰ। লিখক।

# বাঃনী কীবাঙে ৰিঙিয়াই

**গনেশ পেগু**

বাঃনী কীবাঙে ৰিঙিয়াই ............। হে মিচিং সকল ! হে দুখিনী অসমৰ দুৰ্ভগীয়া সন্তান মিচিং সকল, তোমালোকে মোক নেৰিবা । মোক পাহৰি নাযাবা । মোক জীয়াই ৰাখা । মোক আকৌ সজীৱ সেউজীয়া কৰি তোলা । নহ'লে মই মৰি যাম। মই মৰিলে তোমালোকো মৰিবা । তোমালোকে মৰিলেও মই মৰিম। দুয়ো মৰিলে অসমত মিচিঙৰ অস্তিত্ব হেৰাই যাব। মিচিং নামৰ সুন্দৰ সমাজ এটা একেবাৰে নিঃশেষ হৈ যাব । সেয়েহে, কাবৌ কৰিছো, মোক নেৰিবা, পাহৰি নাযাবা। মোক নৃশংসভাৱে হত্যা নকৰিবা । মই বাচি থাকিব খোজো। মই বাচি থকাৰ লগতে তোমালোককো বচাই ৰাখিব খোজো । যুগ যুগ জীয়াই ৰাখিব খোজো। গতিকে মোক বচোৱা ! বচোৱা !! বচোৱা !!! বাঃনী কীবাঙৰ এই কাকুতি কোনেও শুনা নাই যদিও মই শুনিছো। আইৰ চকুপানী মই দেখিছো। আইৰ অসহায় ভয়াৰ্ত্ত আৰ্ত্তনাদ মই শুনিছো। গুণী-জ্ঞানী পুত্ৰ জন্ম দিয়া নিচলা আয়ে আজিৰ অঘাইটং, বদমাচ গুণৰ অত্যাচাৰত আইৰ হৃদয় ভাঙি পৰিছে। মাতৃ আজি পুত্ৰৰ হাতত লাঞ্ছিতা, অপমানিতা আৰু অৱহেলিতা। আইৰ দুখ হৈছে। বৰ দুখ হৈছে।

আঢ়ৈ কুৰিৰ দেওনা পাৰ হোৱা বৃদ্ধা আয়ে আজি ফু-কলিয়া নাতি-পুতিৰ অত্যাচাৰ সহ্য কৰিব পৰা পাই । আয়ে কি কৰিলে, কি নকৰিলে তাৰ কটু সমালোচনা অস্থিৰ বুকুত শেলে বিন্ধা দি বিন্ধি সৰকি যায়। একো নকৰাকৈয়ে বা ভৱিষ্যতে কিবা কৰাৰ প্ৰতিশ্ৰুতি নোহোৱাকৈয়ে বৃদ্ধা আয়ে পুত্ৰৰ কাৰণে একো নকৰিলে বুলি হিংস্ৰ জন্তুৰ দৰে উন্মত্ত আক্ৰমণ কৰিবলৈ যোৱা পুত্ৰহঁতৰ ঘেৰাও আৰু ধ্বংস কামনা কৰি দিয়া চিঞৰ বাখৰত আয়ে বোবা হৈ যায়। কি কৰিলে তাৰ হিচাপো পাহৰি যায়৷ তাৰ ফলত অকৃতজ্ঞ, খাই পাত ফলা উদণ্ড পুত্ৰ হঁতৰ ওচৰত একো নকৰাটোৱেই প্ৰমাণ হৈ যায়। আজি পুত্ৰই পিতৃ-মাতৃৰ বিচাৰ লয়। বিচাৰত পিতৃ-মাতৃ দোষী সাব্যস্ত হয়। দোষীৰ প্ৰায়শ্চিত্ত মৃত্যু............|

বাঃনী কীবাং এতিয়া মৃতঃপ্ৰায়। মৃত্যুৰ মুখৰ পৰা বচাবলৈ শুদ্ধভাৱে কোনো নতুন পুৰুষ চামৰ লোক আগবাঢ়ি অহা নাই। কোনোবা আহিছে যদিও – বাঃনী কীবাঙৰ গইনা লৈ উদ্দেশ্য প্ৰনোদিত স্বাৰ্থপূৰণৰ খাতিৰতহে.........। সেই চাম পুৰুষৰ যুক্তি অস্ত্ৰো প্ৰচাৰৰ -কোবত বাঃনী কীবাং এতিয়া কাৰো একো নোহোৱা ৰাজপথত পৰি থকা এটা পেলনীয়া ডেড্ৰদী (মৰাশ)। আজিৰ পৰা দুকুৰি পোন্ধৰ বছৰৰ আগতেই বাঃনী কীবাঙৰ জন্ম হৈছিল । পবিত্ৰ মাজুলীৰ উজনি গেজেৰা গাঁৱত ১৯২৪ চনতেই মিচিং সকলৰ এখনি বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সেই সভাত সভাপতিত্ব কৰিছিল– মাজুলী গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ স্বাধীনতা যুঁজৰ যুঁজাৰু আৰু শ্ৰেণী বিহীন সমাজ গঢ়োতা শ্ৰীশ্ৰী পিতাম্বৰ দেৱগোস্বামী দেৱ। সেই সময়ত শিক্ষিত অশিক্ষিত গুণী- জ্ঞানী মিচিং সকলে “ চাৰু চন্দ্ৰ দলে, মুহি মিৰি আৰু শ্ৰীযুত কাৰ্ক চন্দ্ৰ দলেদেৱৰ নেতৃত্বত সভাখন অতি

জাকজমক কৈ অনুষ্ঠিত হৈছিল। মিচিং সমাজৰ শিক্ষা- দীক্ষা আৰু অৰ্থনৈতিক দৰিদ্ৰতা দূৰ কৰাৰ লগতে কু-ৰীতি- নীতি বিলাক সংস্কাৰ কৰাই এই সভাৰ উদ্দেশ্য আৰু লক্ষ্য আছিল । কিন্তু সভাখনৰ কোনো নামাকৰণ হোৱা নাছিল । পিছৰ তেনে ৰাজহুৱা সভাবিলাকৰ নামহে মিৰি সন্মিলনত পৰিণত হৈছিল। বাঃনী কীবাং নামকৰণ কোনে কেতিয়া কৰিলে জনা নাযায় যদিও অনুমান কৰা যায় – এই ক্ষেত্ৰত শ্ৰীযুত লক্ষ্যনাথ দলে আৰু শ্ৰীযুত তৰুন চন্দ্ৰ পামেগাম দেৱৰ অৰিহণা নোহোৱা নহয়। বাঃনী কীবাঙৰ ৫০ বছৰীয়া সোণালী জয়ন্তী ১৯৭৫ চনত বামুন দলনি অধিবেশনত সমাৰোহেৰে পালন কৰা হয় । আটাইবোৰ বাঃনী কীবাঙৰ ভিতৰত ১৯৬৬ চনত অনুষ্ঠিত কুলাজান বাঃনী কীবাঙেই - আটাইতকৈ ডাঙৰ আৰু অতি জাকজমক আছিল । সেই অধিবেশনত সেই সময়ত ভাৰতৰ প্ৰথম মহিলা প্ৰধান মন্ত্ৰী, তদুপৰি প্ৰধান মন্ত্ৰী হৈয়েই প্ৰধান মন্ত্ৰী হিচাপে শ্ৰীমতী ইন্দিৰা গান্ধীয়ে যোগদান কৰাত ভাৰতৰ নালাগে পৃথিৱীৰ চকু কপালত উঠি গৈছিল। সেই সভাত মিচিং সমাজৰ সংস্কৃতিৰ প্ৰতীক সুন্দৰকৈ দেখুওৱা হৈছিল। প’ ৰাগ উৎসৱৰ “মুৰাং” ঘৰ সুন্দৰকৈ সজাই তাৰ কাৰুকাৰ্য্য দেখুওৱা হৈছিল। স্মৃতি গ্ৰন্থ উলিওৱা হৈছিল। চাৰু চন্দ্ৰ দলে, মুহি মিৰি পত্নী শ্ৰীমতী ইন্দিৰা মিৰিৰ উপৰিও কেবাগৰাকীও অগ্ৰগণ্য নেতাক স-সন্মানেৰে সম্বৰ্দ্ধনা জনোৱা হৈছিল । তেনেকুৱা এখন বাঃনী কৌবাং কেতিয়াবা আকৌ পাম বুলি আশা কৰিব পাৰোনে???

# বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি সমৃদ্ধ মিচিং সমাজৰ প্ৰতি এক আন্তৰিক অনুভৱ

**তোষেশ্বৰ চেতিয়া**

অসমৰ আপামৰ দ্বিতীয় বৃহৎ জনজাতি হ’ ল মিচিং সকল। বৰ্তমানৰ অৰুণাচলৰ পাহাৰৰ পৰা অহা এই অতি প্ৰাচীন জনজাতি গোষ্ঠীটো এতিয়া অসমৰ প্ৰকৃত ভূমিপুত্ৰ । অৱশ্যে আহোম তাই আদি মঙ্গোল গোষ্ঠীৰ লগত -আত্মিক আদান-প্ৰদান আৰু হিন্দু ধৰ্মৰ আচাৰ অনুষ্ঠানাদিৰ প্ৰভাৱত সামাজিক-সাংস্কৃতিক বহুক্ষেত্ৰতেই এওঁলোকৰ সংমিশ্ৰন ঘটি আহিছে। তদনুৰূপ মিচিং সমাজৰো ভাষা-সংস্কৃতি কৃষ্টি বয়ন শিল্প আদিৰো অনেক প্ৰভাৱ অনামিচিং সমাজত পৰিছে। আহোম সম্প্ৰদায়ৰ লগত বহু বছৰৰ আগতেই, অন্ততঃ আমাৰ শৈশৱৰ পৰাই দেখি অহাৰ দৰে বিয়া-বাৰু আৰু ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ যোগেদি মিচিং সকলৰ অধিক সংমিশ্ৰণ ঘটিছে। বিশেষকৈ কেৱল কাল সংহতিৰ ভকত হৈ আহোম আৰু মিচিং সকলৰ কাম-সকাম আদিত সংমিশ্ৰণ হোৱাত অধিক সহজ হৈছে। অলপতে ঘূনাসুঁতিত গৈ সুখ্যাত শিক্ষাবিদ শ্ৰদ্ধেয় টাবুৰাম টাইদৰ ভাতৃ অৱসৰ প্ৰাপ্ত শিক্ষক বন্ধু টেপুৰাম টাইদৰ ঘৰত গৈ জানিলো যে তেখেতো হেনো কেৱল পন্থীৰ নিয়মাৱলীও এখন ক্ষুদ্ৰ পুস্তিকাৰূপত ছপা কৰি হাজাৰ কপি বিতৰণ কৰি দিছে। মই একেবাৰে সৰু হৈ থাকোঁতেই আমাৰ গাঁৱৰ বত্ৰিশ গোহাঁইয়ে মিচিং গাভৰু অনা বৌদেউ এতিয়াও আমাৰ সকামৰ দেউৰি (ৰান্ধনি) হৈ আছে। আনফালে হিন্দু ধৰ্মৰ ৰীতি-নীতিও মিচিং সমাজত সোমাই পৰা আমি নিজ চকুৰেই দেখিছো। আনকি মিচিং সকলৰ দদ্‌গাং (দহাকাজ) আদিতো কীৰ্ত্তনৰ পদ এক অধ্যায় গাই নাম এষাৰি গাই মাহ-প্ৰসাদ আদি খোৱাৰ পিছতহে মিচিং পদ্ধতিৰে মদ-ভাত, গাহৰি মাংস চঃমান (বিহু নাচ-গান) আদিৰে পালন কৰা আমি বাস্তৱ অভিজ্ঞতাৰেই ক'ব পাৰো । তথাপি বৈদিক ৰীতিক আত্মাৰ মুক্তিৰ এনে বিশ্বাস মিচিং সকলৰ উপৰোৱা যেন লাগে । কাৰণ আৰ্য্যেতৰ বিশ্বাস আত্মা নহয়, দৈহিক আনন্দ উপভোগ সহ যে শ্ৰেয়ঃ সেই কথাটো দদ্‌গাঁওত ডেকা-গাভৰু প্ৰণয় গীতিৰে ঢোলৰ চাপত নচা কাৰ্য্যকেই প্ৰমাণ কৰে। অৱশ্যে মিচিং সমাজতো শঙ্কৰী ভাগৱতী ধৰ্মৰ প্ৰভাৱ নপৰাকৈ থকা নাই। ঘূনাসুঁতিতেই শঙ্কৰী সংঘত শৰণ লোৱা মিচিং লোক যথেষ্ট সংখ্যাত দেখি আহিছো । যিসকলৰ ৰাজহুৱা নামঘৰো আছে। সেইবুলি আমাৰ চৌপাশৰ সংঘৰ শৰণীয়া আতৈসকলৰ মাজত সংঘবিধি ৰক্ষাৰ নামত যি শুচি বা য়ুগ্ৰস্ততা পৰিলক্ষিত হয় মিচিং ভকত সকলেও সেইবোৰ কিমান কঠোৰভাৱে পালন কৰে সেই বিষয়ে মই সম্যক ভাৱে জ্ঞাত নহয় ।

আমাৰ ঘিলামৰাৰ পৰা পোন বাটেৰে গলে মাথোন ৫/৬ মাইলৰ দূৰৰ মিচিং গাওঁবোৰৰ লগত মোৰ সম্পৰ্ক হাইস্কুলীয়া ছাত্ৰৰ পৰাই অতি গভীৰ আছিল । তেতিয়া মিচিং অঞ্চলত কোনো হাইস্কুল নোহোৱাত সৰহ সংখ্যাত মিচিং ছাত্ৰ বন্ধুৰে বৰ্ডিং ঘৰত থাকি আমাৰ ঘিলামৰা হাইস্কুলত

পঢ়িছিল। তেওঁলোকৰ লগত ৰাতি বিহু চাবলৈ গৈছিলো। সোৱণশিৰিৰ বালিত পূৰ্ণিমাৰ মায়াময় জোনাক ৰাতি ডেকা-গাভৰুৰ বিহু চোৱা আৰু পোৰাং, পৰ আপং-গাহৰি মঙহ আদি খাই ওৰেৰাতি সেই পবিত্ৰ আনন্দৰ বিহু চোৱাৰ কৈশোৰ কালৰ ৰং ৰইচৰ কথা মনত পৰিলে আজিও মন আৱেগত স্মৃতিগন্ধা হৈ পৰে। মনত পৰে বেচেৰী আলহী মিচিং গাভৰুৰ দুৰ্গতিৰ কথা। গোটেই নিশা সেই মাঘী পূৰ্ণিমাৰ শীতল ৰাতিটো নাচি নাচি সিহঁত ঘামি-জামি ভাগৰি পৰে। মোৰ সহপাঠী বন্ধুজন শিল্পী সূৰ্য্য চিন্তেৰ ঐ নিতম বিহু গীতৰ সেই হিয়া উতলোৱা উত্তাল সুৰৰ গীতবোৰৰ কথা আজিও মনত পৰে। সেই শৈশৱ-কৈশোৰ যৌৱনকাল অবধী পাটি জীৱনকে ধৰি আজিৰ তিনিবুৰি বছৰীয়া বৃদ্ধত্বৰলৈকে মিচিং সমাজৰ লগত মোৰ সম্পৰ্ক অতি আপোন আৰু আবেগিক। গতিকে গ্ৰন্থ মেলাৰ গয়নাত চেমিনাৰ পাতি “বৃহত্তৰ অসমীয়া জাতি গঠনত মিচিং সম্প্ৰদায়ৰ অৱদান” শীৰ্ষক গবেষণা ধৰ্মী গ্ৰন্থখন মই সম্পাদনা কৰিছো । মোৰ তেনে আন্তৰিক অনুভৱৰ বাবেই মই হবলা বিভিন্ন আলি আয়ে লৃগাং উৎসৱ, মিচিং ছাত্ৰ সংস্থাৰ (TMPK) ৰাজ্যিক সন্মিলন, ৰাজ্যিক মিচিং সাহিত্য সন্মিলন, মিচিং যুৱ মহোৎসৱ, মিচিং ভাষা প্ৰতিষ্ঠা দিৱস, কবিতা আৰু ঐ নিতমৰ মেলা আদিলৈ আমন্ত্ৰিত হৈ মিচিং গামোচা, একাধিক মিবু গালোক, ৰিবি গাচেং আদিৰ উপহাৰ আদৃত হৈ গৌৰৱ অনুভৱ কৰি আছো ।

তথাপি প্ৰতিখন মিচিং অনুষ্ঠানতেই অপৰাধৰ স্বীকাৰুক্তিৰ ক্ষমা প্ৰাৰ্থনা কৰি আহিছো যে মই সুদূৰৰ ইংৰাজী, হিন্দী, বঙালী ভাষা মুটা-মুটি ক’ ব-বুজিব আৰু লেখিব পাৰো যদিও মোৰ সবাতোতকৈ সমীপৱৰ্ত্তি ভগ্নীভাষা মিচিং ভাষা মই ক'ব-পঢ়িব-বুজিব নোৱাৰো । তাৰ কাৰণ হ'ল– শৈশৱ-কৈশোৰৰ এনেজন গোষ্ঠীয় ভাষাৰ প্ৰতি হীনভাৱ জন্মোৱা । আৰ্য্যসূলভ উন্নাসীকতাৰে “ডালৰ মিৰি” “আবৰী মিৰি তিৰী-মিৰি ভাটৌ-কুৰাক বিশ্বাস নকৰিবা” “তিৰীত কিল মিৰিত মিল” আদি দুষ্ট প্ৰবচনেৰে আমাক বিপদগামী কৰি তুলিছিল। পৈণত চেতনাৰে যেতিয়া বুজি পালো তেতিয়া আৰু নতুন ভাষা শিকাৰ বয়স নেথাকিল । তদুপৰি অতি কঠিন জনজাতিৰ ভাষা শিকিবলৈ যি বাস্তৱ পৰিবেশ লাগে তেনে অনুকুল পৰিবেশো পোৱা নগ'ল। তথাপি মিচিং ভাষা বুজিবলৈ আৰু মিচিং কৃষ্টি সংস্কৃতিক উপলব্ধি কৰিবলৈ আন্তৰিকতাৰে চেষ্টা কৰো। বিশেষকৈ মিচিং ঐ নিতম, আনুনিতম, কাবান আদিৰ ভাষাটো নুবুজিলেও সুৰটো বুজি আৱেগক উদ্বেলিত হওঁ। আমাৰ বিহুগীত নাচ পৰ্য্যায়ৰ ঐ নিতম আৰু ডেকা- গাভৰুৰ যৌৱন উতলা নাচবোৰে বেচ উৎফুল্লিত কৰে। মিচিং সমাজক চাৰিওফালে ঘেৰি থকা অসমীয়া সমাজ আৰু সৰুৰে পৰা পঢ়া অসমীয়া সাহিত্য শিল্প আৰু সংগীত আদিয়ে মিচিং সমাজক প্ৰভাৱ কৰা তেনেই স্বাভাৱিক। তদ্ৰুপ মিচিং ঐ নিতমৰ সুৰেও অসমীয়া বিহুগীত আৰু লঘু সংগীতৰ সুৰক পৰ্য্যাপ্ত পৰিমানে প্ৰভাৱ বিস্তাৰ কৰিছে । বিশেষকৈ মিচিং বয়ন শিল্পৰ অনুপম সৌন্দৰ্য আৰু শিল্প কৌশলে কেৱল অসমতেই নহয় অসমৰ বাহিৰতো মোহমুগ্ধ কৰি তুলিছে। কাপোৰত সপোন ৰচিব পৰা মিচিং বয়ন শিল্প আজি এক সফল ব্যৱসায়ত পৰিণত হোৱাৰ সফল সম্ভাৱনা আছে। আলি আই লৃগাং, পৰাগ, দৰ পূঁজা আৰু অন্যান্য উৎসৱত ৰং বিৰঙৰ কাপোৰ পিন্ধি প্ৰায় সকলো মিচিং গাভৰুৱেই জনা নাচৰ ছান্দিল লহমা দেখি মন বিমোহিত হৈ পৰে।নৃত্য গীত বলীয়া এই জনগোষ্ঠীটোৱে সীমাহীন দুখৰ মাজতো আনন্দ কৰিব পৰা জীৱনী শক্তি দেখি তবধ মানিব লাগে । লোক গীত নাচেৰে উন্মনা এনে এটা জাতিৰ আয়ুস সুদীৰ্ঘ নিশ্চয় হবই ।

মিচিং সমাজে মিচিং ভাষাক শিক্ষাৰ মাধ্যম ৰূপে নলৈ এটা প্ৰধান বাধ্যতামূলক বিষয় হিচাপে লোৱাটো দূৰদৰ্শী সিদ্ধান্ত হৈছে। যেইকি নহওঁক মিচিং ভাষাক শুদ্ধভাৱে আৰু নিষ্ঠাৰে প্ৰদান কৰা হয় যাতে তাৰ বাবে সংশ্লিষ্ট বিদ্বৎ মহলে = নিৰন্তৰ সতৰ্ক হোৱা ভাল । কাৰণ কোনো এটা জাতিগোষ্ঠীৰ । জাতীয়তাবাদৰ প্ৰকৃত বিকাশৰ মূল ভিত্তি আৰ্থ সামাজিক যদিও ভাষা-সাহিত্য সংস্কৃতিয়েও এই ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰে। এই কথাও মনত ৰাখিব লাগিব যে মিচিং সমাজৰ বিশেষকৈ নগৰীয়া অভিজাত মধ্য শ্ৰেণীৰ মিচিং সকলে ভাষা-সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত নেতৃত্ব দিব পাৰে আৰু বিশেষত্বৰ ভূমিকাও গ্ৰহণ কৰিব পাৰে। কিন্তু । তেওঁলোকে ইংৰাজী মাধ্যমেৰে আপোন ল'ৰা-ছোৱালীক শিক্ষা গ্ৰহণ কৰাই, আনকি নিজৰ ঘৰতো মিচিং ভাষা ব্যৱহাৰ - নকৰি কপট ভূমিকাহে গ্ৰহণ কৰে। গতিকে মিচিং ভাষা-

কৃষ্টি সংস্কৃতিৰ ৰক্ষা আৰু বিকাশ সাধন কৰাত বৃহত্তৰ গ্ৰাম্য মিচিং সমাজেহে মূখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। সেই বুলি গ্ৰাম্য মিচিং সমাজে আপোন ভাষা-সংস্কৃতিত ৰক্ষণশীলতাৰে প্ৰয়োজনাধিকভাৱে লাগি নেথাকি আধুনিক প্ৰতিযোগিতা মূলক জগতত টিকি থাকিব পৰাকৈ অসমীয়া, ইংৰাজী, হিন্দী আদি দক্ষভাৱে শিকাতো বিশেষভাৱে গুৰুত্ব দিব লাগে ।

অসমীয়া শিক্ষা, সংগীত, সাহিত্য বিকাশত মিচিং জনগোষ্ঠীলোকৰ অৱদান বহুমূলীয়া। ইন্দিৰা মিৰি, তৰুণ পামেগাম, ড॰ দুৰ্গেশ্বৰ দলে, মৃণাল মিৰি, টাবুৰাম টাইদ, নাহেন্দ্ৰ পাদুন, যতীন মিপুন, ড॰ বসন্ত কুমাৰ দলে, গণশিল্পী গনেশ পেগু, ড॰ গনেশ পেগু, ভৃগুমুনি কাগয়ুং, পবিত্ৰ কুমাৰ পেগু, ইন্দ্ৰেশ্বৰ পেগু, বিক্ৰম সিং ইয়েন, খগেশ্বৰ পেগু, দিপ্তীৰাণী পেগু, জীৱন নৰহ, গঙ্গামোহন মিলি, যোগেন টাইদ, অনিল পাংগিং, পূৰ্ণ চিন্তে, বিমাল দলে, অৱন্তী চেতিয়া পামেগাম, আদি অনেক মিচিং গোষ্ঠীৰ লোকেই অসমীয়া সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰিছে। এতিয়া প্ৰশ্ন হ'ল – যে তেওঁলোকে মিচিং ভাষা-সাহিত্য-সংস্কৃতি বিকাশৰ প্ৰতি কিমান সাধ্য সাধনা কৰে। আশাকৰো তেওঁলোকে অসমীয়া শিক্ষা-সাহিত্য, সংগীত-সংস্কৃতিৰ লগতে সমান্তৰালভাৱে আপোন সাহিত্য সংস্কৃতিৰ বিকাশতো অনবদ্য অৱদান যোগায়। এই কথাও লক্ষ্যণীয় যে আজি হিন্দী মাৰ্কা আৰু পশ্চিমীয়া সংস্কৃতিৰ যি বণিয়া প্ৰভাৱ কেৱল নগৰতেই নহয় গাঁৱে-ভূঞে পৰি বিশেষকৈ ডেকা সমাজক উন্মনা কৰিছে তাৰ প্ৰতি সচেতন মিচিং সমাজো সতৰ্ক হোৱা উচিত যাতে ইতিমধ্যে মদ-জুৱা- তাচখেলাৰ আড্ডাই সংক্ৰমণ কৰিবলৈ ধৰা মিচিং গ্ৰাম্য সহজ-সৰল জীৱন আৰু ডেকা সমাজক ৰক্ষা কৰিব পাৰি ।

মিচিং গ্ৰাম্য সমাজত অদ্যাপিত্ত নিৰক্ষৰতা আৰু নিবনুৱাৰ সংখ্যা ব্যাপক। বানপানী, খহনীয়া, খৰাং, ভূমিহীনতা আদিৰ ফলত তেওঁলোকৰ কৃষিনীতি প্ৰায় ধ্বংস হৈ গৈছে। যিখিনি ধান পায়, সেইখিনিৰ বৃহৎ অংশও নগিন, পৰ আপং বনাওতেই যায়। এনেদৰে দুৰ্লভ শস্যৰ অপচয় গ্ৰাস কৰাৰ প্ৰসঙ্গ আমি বিভিন্ন মিচিং অঞ্চল, সভা আৰু নেতা বুদ্ধিজীৱিৰ সন্মুখত উলিয়াওতে কথাটো যুক্তি সঙ্গত বুলি স্বীকাৰ কৰিলেও ঐতিহ্যগত কাৰণত নোৱাৰে বুলি ক'ব খোজে। আমি সবিনয়ে ক'ব খোজো যে ঐতিহ্যৰ ল অন্ধ অনুগতাতকৈ তাৰ বাস্তৱ সন্মত দিশটোত গুৰুত্ব - দিয়াতোহে বিধেয়। তদুপৰি মিচিং সমাজৰ চাংঘৰ (মুৰং ঘৰ) পদ্ধতিৰো সময়সাপেক্ষে সংশোধন কৰাৰ প্ৰয়োজন আছে। অন্ততঃ কাম সকামৰ কৃষ্টিৰ বাবে প্ৰতীকি স্বৰূপ সামান্য চাং ঘৰ এটা ৰাখি মুখ্যতঃ মাটিঘৰত বাস কৰিবলৈও মিচিং সমাজৰ অভ্যাস কৰিব লাগে। আগতে নৈ পৰীয়া * মিচিং সকলৰ মৰংঘৰৰ তলখন বাৰিষা নৈৰ পানীৰ সোঁতে গ একাধিকাৰ টৌৱাই চাফা কৰি দিছিল। আজিৰ মাথাওৰিৰ আবেষ্টনীত নৈৰ প্ৰাকৃতিক চাফাই কাৰ্য্য প্ৰায় বন্ধ হৈ যোৱাত 7 মৰংঘৰৰ চাঙৰ ওপৰৰ পৰা পেলাই দিয়া পানী-চুৱাপানী আদিয়ে তলখন বোকা আৰু লেতেৰা কৰাৰ ফলত অপৰিস্কাৰ আৰু দুৰ্গন্ধ হৈ পৰে। ফলত দেখা যায় যে অন্যথাই প্ৰদূষণ নোহোৱা মিচিং গাঁৱত গাহৰি আদিৰে কৰা তেনে দুঃষিতকৰণৰ বাবে এন. কে. ফেলাইটিছ আদি ৰোগে অধিকভাৱে দেখা দিয়া দেখা গৈছিল। তদুপৰি গাহৰি- 1 ছাগলী-কুকুৰা আদি খোলাভাৱে ৰখা বাবে মিচিং গাঁৱত = বাৰী শস্য (garden crop) কৰা সম্ভৱ নহয়। অথচ উদ্যান । শস্য, ফলমূল, শাক পাচলি আদিৰ পৰা গ্ৰাম্য কৃষি অৰ্থনীতিত বিকাশ ঘটাব পাৰে। কাৰণ কেৱল অশিক্ষিত- অল্পশিক্ষিত মিচিং নিবনুৱাসকলেই নহয়, আনকি শিক্ষিত, উচ্চ শিক্ষিত মিচিং যুৱক-যুৱতীসকলো এতিয়া ব্যাপক হাৰত নিবনুৱা। সংৰক্ষণ আৰু 'ৰোষ্টাৰ' ব্যৱস্থাইও তেওঁলোকক = সংস্থান দিয়াৰ এতিয়া বাস্তৱতা নাই । গতিকে তেওঁলোক = কিছু সংখ্যক হলেও উপাৰ্জনক্ষম কৰি তুলিবলৈ মিচিং গ্ৰাম্য জীৱন পদ্ধতিৰে কিছু সংস্কাৰ সাধন কৰাৰ প্ৰয়োজন আছে যিটো কাম বয়স্থসকলে ভাল নেপালেও কঠোৰ বাস্তৱতাৰ তাগিদাত ডেকা সমাজেই কৰিব লাগিব যদিও এতিয়ালৈকে মিচিং সমাজৰ পৰম্পৰাত শিক্ষিত ডেকা সমাজৰ নেতৃত্ব দিয়াৰ অৱস্থান স্বীকৃত হোৱা নাই ।

অসমৰ, আনকি সামান্যভাৱে দেশৰ ৰাজনীতিতো মিচিং জনগোষ্ঠীৰ নেতাৰ প্ৰভাৱ পৰি আছে। কাৰ্ক চন্দ্ৰ দলে, মুহি চন্দ্ৰ মিৰি, ললিত কুমাৰ দলে, লক্ষ্যনাথ দলে, ৰমেশ মোহন কুলি, ৰঘুনাথ পামেগাম, বলীন কুলি, গনেশ কুটুম, পদ্মেশ্বৰ দলে, ভৰত-ৰাণী নৰহৰ পৰা আৰম্ভ কৰি দুৰ্গেশ্বৰ দলে, গমেশ্বৰ দলে, ৰাজীৱ লোচন পেগু, পৰমানন্দ

চায়েঙীয়া, দেৱেশ্বৰ পেগু, ৰুক্ম মেদকলৈকে বহুতো মিচিং ৰাজনীতিকে শাসক বিৰোধীৰ ভূমিকাত প্ৰভাৱশীল ৰাজনীতি কৰি আছে। তেওঁলোকে দাবী কৰি মিচিং স্বায়ত্ব শাসিত পৰিষদো চলাই আছে। পিচে স্বায়ত্ব শাসনে তৃণমূলৰ মিচিং ৰাইজৰ কল্যাণ সাধন কৰিব নোৱাৰে। ই কেৱল মিচিং জনগোষ্ঠীক এক আৱেগিক সন্তোষ্টি প্ৰদানৰ ব্যতিৰেকে। কাৰণ অন্যান্য জনগোষ্ঠীৰ দৰেই মিচিং জনগোষ্ঠীৰো ই নবোত্থিত মধ্য শ্ৰেণীৰ নেতৃবৃন্দইহে ৰঙা লাইটৰ গাড়ী, ক্ষমতা আৰু মঞ্জুৰীকৃত ধন-সম্পদৰ আত্মসাৎকৰণ, অপপ্ৰয়োগ আৰু উপভোগৰ সামগ্ৰীহে হৈ আহিছে এম. এ. চি.খন । আনকি তেনে ধন আৰু সামগ্ৰী লাভজনক মূল্যত অনামিচিং সকলকো দিয়াৰ অনেক উদাহৰণ আছে। ইতিমধ্যেই মিচিং সকলক দেশৰ সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্তিকৰণক লৈ চৰকাৰৰ লগত দৰ কচাকচি চলি আছে আৰু অনামিচিং সকলৰ লগত ভয়ানক মতানৈক্যও চলি আছে। আমাৰ সমৰ্থনত আছে ষষ্ঠ অনুসূচীয়ে যদি মিচিং সমাজৰ বাবে অধিক উন্নতি সাধন কৰিব পাৰে আৰু যদিহে তাৰ দ্বাৰা অনামিচিং সমাজৰ কোনো ক্ষতি সাধন নহয় । গতিকে ষষ্ঠ অনুসূচী যদি মিচিং সমাজক দিলেও তেন্তে তাৰ পূৰ্ণৰূপ ৰেখা চৰকাৰে প্ৰকাশ কৰি সকলো পক্ষৰেই সহমত আদায়ৰ ব্যৱস্থা কৰক। মিচিং নেতৃবৃন্দইও যাতে অনাহক ৰাজনৈতিক হেতালীখনত  আত্মমৰ্যদা হ্ৰাস নকৰে তাৰ বাবে আমি আশা পোষন কৰো। এই ক্ষেত্ৰতো আমি সেয়ে মিচিং অনামিচিং সকলো জনগোষ্ঠীৰে বুজাবুজি, সমন্বয়-সম্প্ৰতি, ঐক্য আৰু ভাতৃত্ববোধৰ কামনা কৰো। কাৰণ বিচ্ছিন্নভাৱে নহয়, সকলোৰেই সন্মিলিত ভাৱে ঐক্যবদ্ধ কৰিব পাৰিলেহে আমাৰ সাম্ৰাজ্যবাদী অৰ্দ্ধসামন্তবাদী, অৰ্দ্ধ পুঁজিবাদী ৰাষ্ট্ৰব্যৱস্থাৰ পৰা আমাৰ গণদাবীবোৰ পূৰণ কৰা সম্ভৱ। গতিকে দঞি পলোৰ (সূৰ্য্য চন্দ্ৰ) সন্তান মিচিং জনসাধাৰণ সকলো শক্তিৰ উৎস সূৰ্য্যৰ দৰে আৰু স্নিগ্ধ জোনাকৰ প্ৰতিফলক চন্দ্ৰৰ দৰে উজ্বল, জোস্নাময় হওঁক । লুইত, সোৱণশিৰি, দিখৌ, দিচাং, দিহিং, ঢল, ধনশিৰি, ভৰলুৰ সোণালী পলসেৰে তেওঁলোকৰ জীৱন ৰূপ-ৰস গোন্ধেৰে  সজীৱ আৰু জীপাল হৈ উঠক। শইচ-মইছ ফলে-ফুলে = মিচিং সমাজ জীৱন জাতিষ্কাৰ হৈ উঠক, এয়েই হ'ল আমাৰ = আন্তৰিক আশা । তাৰ বাবে মিচিং সমাজ জাগৰূক হওঁক, - তেওঁলোকৰ নেতৃত্ব জনমুখী চেতনাৰ উদ্‌বুদ্ধ হওঁক আৰু ৰ তেওঁলোক চিকুণ দলিছাৰ পৰা সেউজ বননিলে নামি = আহক। তাৰ বাবে আমাৰ নিঃকিন হৃদয়াবেগ সৰ্বদাই থাকিব।

# উৎপাদনমুখী মিচিং সমাজ গঠনত বানে কেবাঙৰ ভুমিকা

**শ্ৰী ডিৰাম কুম্বাং**

অতীতৰ মিচিং সমাজটো এটা সুস্থ সমাজনীতিৰ বান্ধোনত আবদ্ধ আছিল আৰু সমাজৰ সেই বান্ধোনেই সকলো এটি শৃঙ্খলিত সমাজ গঠনত পৰোক্ষভাবে হলেও কিছুমান মৌলিক নীতিৰ শিক্ষা দিছিল। গাৱৰ "মিম্বিৰ য়ামে' বা ডেকা গাভৰুৰ ব্যৱস্থা থকাত কোমলমতীয়া যুবকযুৱতীক সকল নৈতিক দিশৰ সকলো ক্ষেত্ৰতে বাট দেখুৱাই লৈ যাব পাৰিছিল। ডেকা-গাভৰুৰ ৰীতিগত শাসনৰ নীতিক শিৰোধাৰ্য্য কৰি মানি চলাৰ ফলত অপৈণত বয়সটো লৰা- ছোৱালীয়ে অবাটে যোৱাৰ কথাকে নেজানিছিল । কোমল বসত লৰা-ছোৱালীয়ে এনে ধৰণৰ সুপৰিচালনাৰে পৰিচালিত হোৱাত ভবিষ্যত জীৱনত সুস্থ সমাজ গঠনৰ বাবে তেওঁলোকে এটি অমুল্য সম্পদ পাইছিল। মিচিং সমাজত শ্ৰেনী বা উচ্চ-নীচ বুলি কোনো ফৈদ আজিলৈকে নাই। শদিয়াৰ পৰা ভৰলীলৈকে এই বিস্তৃত অঞ্চল বিয়পি থকা এই মিচিং সমাজৰ ইজনৰ লগত সিজনৰ ইঘৰৰ লগত সিঘৰৰ একে ঘৰৰ আপোন মানুহ হিচাপেই চলিব পাৰে । এই শ্ৰেণীহীন সমাজ মিচিং সমাজৰ এটি বৈশিষ্ট্য। এই শ্ৰেণীহীন সমাজ থকা হেতুকেই সমাজলৈ নানান দেশসমুহৰ লিনিং টাউৱাৰ (Leaning Tower) আমাৰ সমাজত পৰিলক্ষিত হোৱা নাই। ধৰ্ম্মীয় অনুস্থান সমুহকো বহুতে অন্ধ বিশ্বাস বুলি আখ্যা দিলেও এক ৰীতিত চলা বাবে সমাজত বিশৃঙ্খলতাই ঠাই নাপাইছিল। বিবাহ আদি ক্ষেত্ৰতো প্ৰায়ভাগ লৰা-ছোৱালীয়ে নিজৰ পচন্দমতে মিলা-প্ৰীতিৰ মাধ্যমেৰে বিয়া সোমোৱাৰ সুবিধা থকাত বিবাহৰ পিচত তৃপ্ত জীৱন যাপন কৰি জীৱনলৈ কোনো ধৰণৰ ধিক্কাৰ ভাব আহিবলৈ সুবিধা নাপাইছিল।

কিন্তু সেই শান্ত সমাজ বেচি দিন নাথাকিল । দ্বিতীয় মহাযুদ্ধৰ জোকাৰ, ভাৰতৰ স্বাধীনতা আন্দোলন, স্বাধীনোত্তৰ ব্যক্তি আৰু সমাজ জাগৰণ আৰু ১৯৫০ চনত প্ৰলয়ঙ্কৰী ভূমিকম্পৰ পিছত প্ৰৱল বান-পানীৰ বিভীষিকা মিচিং সমাজলৈ এক অবৰ্ননীয় পৰিবৰ্ত্তন আনিলে, এই পৰিবৰ্ত্তনে সমৃদ্ধিৰ লগত ৰুগ্ন, আশাৰ লগত নিৰাশ আৰু নৈ কাষৰীয়া বা-বতাহ প্ৰেমী মিচিং সমাজক তেওলোকৰ সেই কেউটিকলীয়া অভ্যাসৰ ভেঁটি শিথিল কৰি দিলে। কিন্তু সেই পৰিবৰ্ত্তনৰ বোজা ববলৈ সমাজ প্ৰস্তুত নাছিল । দৈনন্দিন ব্যৱহাৰ্য্য আহাৰৰ মাত্ৰা বেচি হলে যেনেকৈ শৰীৰৰ অনিষ্ট হয়; ঠিক তেনেকৈ আন্ধাৰৰ পৰা পোহৰমুখী পৰিবৰ্ত্তনেও সমাজৰ অনিষ্ট অনাৰ লক্ষনহে দেখা দিলে । সমুহীয়া উন্নতিৰ চিন্তাৰ পৰিবৰ্ত্তেব্যক্তি কেন্দ্ৰিক চিন্তা, নিস্বাৰ্থ কামৰ পৰিবৰ্ত্তে স্বাৰ্থৰীয়া কাম -কাজ আৰু মানবীয় । চৰিত্ৰৰ পৰিবৰ্ত্তে অমানবীয় শুণবোৰহে দেখা দিয়াৰ উপক্ৰম = হ'ল।

পোহৰ সন্ধানমুখী সমাজৰ সোঁতক বানে কেবাঙে 5 সুপৰিচালনাৰ যোগ এটা গতিত আনিব লাগিব আৰু সামুহিক উন্নয়নৰ কামত আত্মা নিয়োগ কৰাব লাগিব । দুখৰ বিষয় আমাৰ বানে কেবাঙৰ আজীৱন কৰ্ম্মীৰ সংখ্যা একেবাৰে কম আৰু মুকলি অধিবেশনৰ বাদে আলোচনা বিলোচনা কৰিবৰ সুবিধা নথকা হেতু সম্পুৰ্ণ সহযোগৰ অভাবে দেখা দিছে।

অতীত বেয়া গুন আছে - সেইটো হৈছে বহু

কষ্টোপাৰ্জিত ধন উৎপাদনমুখী কামত নখটোৱাটো। সম্পদ অৰ্জ্জনত পটকত নহলেও নিজৰ লগাৰ জোখাৰে সকলোকে কৰিব পৰা গুণ মিচিংসকলৰ আছে; কিন্তু কামত নখটোৱাৰ ফলত টকা কড়ি হাতত বেচি দিন নাথাকে, অথচ সেই কষ্টোপাৰ্জিত ধন নিজেও ভোগ কৰিবলৈ নেপায় । এনে ধৰণে অপচয় হোৱা টকা ক্ষুদ্ৰ উদ্যোগ, মিচিং সমাজৰ লোকৰ বাবে উপযোগী কুটিৰ শিল্প আদিত খটোৱাবৰ সুবিধা কৰি দিব পাৰিলে আৰ্থিক দিশত অনগ্ৰসৰ নহব আৰু আজিৰ এই শোচনীয় অৱস্থা নেপায়গৈ। তাৰোপৰিও সমাজৰ প্ৰতিজনী নাৰীয়েই তাঁতবোৱা কামত পাৰ্গত। গতিকে গাঁও সমুহত বয়ন শিল্পৰ কেন্দ্ৰ খুলি আধুনিক সা-সৰঞ্জামৰ যোগান ধৰিলে তিৰোতাসকলেই ঘৰুৱা আৰ্থিক দিশতো বহুল পৰিমানে সহায় আগবঢ়াব পাৰিব। আমাৰ বহুতো লোকে বাঁহ-বেতৰ ভাল কাম জানে; কিন্তু সেইবোৰ বিক্ৰি কৰি টকা পইচা আৰ্জ্জন কৰাটো জীৱিকাৰ পথ বুলি গন্য নকৰে বা সেইবিলাকেৰে জীৱিকাও নচলায় । বাৰীৰ চুকৰ ওৰা গছ কেইজোপাৰেই যে গৃহস্থ চলিব পাৰে তাকে নতুনকৈ ৰাইজক দেখুৱাব লগীয়া হৈছে। বৰ্ত্তমান মাটিবাৰীৰ নাটনিৰ সময়ত কম পৰিমাণৰ মাটিৰেই সমাজত কেনেকৈ জীয়াই থাকিব লাগিব থাকো প্ৰশিক্ষণ দিয়াৰ সময় উপস্থিত । গাঁৱৰ মাজৰ কৰ্ম্মশক্তি সম্পন্ন উঠি অহা যুবক-যুবতীক কুটিৰ শিল্পৰ যোগেদিয়েই উৎপাদনৰ কামত লগাব পাৰিলে সমাজৰ উপকাৰত আহিব। অন্যথাই এক কালীন খেতি কৰি বছৰৰ কেইমাহ ঘুৰি ফুৰা ডেকা লৰাই সমাজৰ জঞ্জালহে চপাব। অত দিনে আমাৰ বাই-ভনীহঁতে এড়ি মুগা পাট আদি কাপোৰ নিজৰ ব্যৱহাৰ আৰু ঘৰখনৰ আৱশ্যকতা পুৰাবৰ কাৰণেহে বৈ আছিল। সেই শিপিনীসুলভ হাতকেই যদি সৰহীয়া উৎপাদৰ বৰৱস্থা কৰি বজাৰত বিক্ৰি কৰাৰ সুবিধা দিয়ে তেন্তে তাৰে পৰাই ঘৰখন চলাৰ উপায় হয়। বৰ্ত্তমান সময়ত অকল লেটা বিক্ৰিকৰিয়েই কিলোত ১৬.০০ টকাকৈ পোৱাৰ সুবিধা আছে। সমাজৰ গৌৰৱ বহন কৰা মিৰিজিম কাপোৰৰো পুনৰুদ্ধাৰ কৰাৰ উদগনিত শিপিনীক দিব লগীয়া হৈছে। এই উৎপাদন ব্যৱস্থা সমাজত বহুল প্ৰচাৰ হলে বছৰত দুই এখন কাপোৰ বৈ বাকী কেইমাহ বহি থকা শিপিনীসকলৰো কৰ্ম্মশক্তিৰ অপচয় নহব আৰু নিবনুৱা সমস্যাও নহব। নিজে নিজৰ কৰ্ম্মসংস্থান কৰিব পাৰিলেই সমাজখনেই ঐশ্বৰ্য্যৰ সমাজ হ' ব। অৰ্থ প্ৰচুৰ্য্যৰ সমাজ গঠন কৰাটো সেই সমাজৰ লোকসকলৰ কৰ্ম্ম অভিজ্ঞতা থকা লোক সকলক আধুনিক সা-সৰঞ্জামৰ কিছু সুবিধা দিলেই প্ৰচুৰ পৰিমাণে উৎপাদন বৃদ্ধি কৰিব পাৰিব।

মিচিংসকলৰ আন এটা বেয়া গুন আয় চাই ব্যয় নকৰাটো। বাজে অনভিজ্ঞতাই বহুত সময়ত পৰিয়াললৈ বিপদ আনে। বিশেষকৈ ধান খেতিৰ ক্ষেত্ৰত ৰাহী উৎপাদন থকা স্বত্বেও ৰাহী বুলি এটা অংশও সঞ্চয় শিতানত নেথাকে । কায়িক পৰিশ্ৰম লঘব কৰিবৰ বাবে আধুনিক যন্ত্ৰ বা সৰহ শস্য উৎপাদনৰ বাবে সাৰ আদি ব্যৱহাৰৰ ক্ষেত্ৰতো মিচিং সমাজ অনভিজ্ঞ।

মিচিং সমাজ সদাই উৎপাদনমুখী, কিন্তু আঁচনিবিমুখ। এই উৎপাদনমুখী মিচিং সমাজৰ আঁচনিৰ ভুমিকা বানে কেবাওঁে গ্ৰহন কৰা উচিত । তাৰ বাবে জিলা কেবাংসমুহ সক্ৰিয় কৰিব লাগে। কাম নিৰিখত পূৰ্ণবয়স্ক মিচিং লোকৰ বাৰ্ষিক বৰওনিৰ বৰৱস্থা কৰিব লাগে আৰু প্ৰত্যেক জিলা কেবাওত অন্তত: এজনীক অভিজ্ঞ স্থায়ী কৰ্ম্মী নিয়োগ কৰি আঁচনিসমুহ কাৰ্য্যকৰী কৰাত সহায় কৰাৰ ব্যৱস্থা কৰিব লাগে । তাকে নকৰিলে এখন মেলামুখী বাৰ্ষিক সন্মিলনে সমাজৰ কিছুমান স্থায়ী কাম কৰিব পাৰিব বুলি আ কৰা টান।

**-সংসাৰত মানুহতকে ডাঙৰ আন একো নাই, মানুহৰ ভিতৰত আকৌ মনটোতকৈ | ডাঙৰ একো নাই - চাৰ উইলিয়াম হেমিল্টন।**

# : বীৰ পুৰুষ শ্বহীদ কমলা মিৰিঃ

(চমু চিনাকি)

**শ্ৰী পুষ্প চন্দ্ৰ লইং**

মানুহৰ মহত্ব কামেৰে জোখ হয়, বছৰৰ লেখেৰে নহয় । আৰু ইয়াক এইদৰেও কোৱা হয়, মানুহ জীয়াই থাকে তেওঁ জাতিৰ বাবে কৰি যোৱা কামত, জীয়াই থকা বছৰ বোৰত নহয়। একোটা যুগ, একোটা ঘটনা বা বিপ্লবে একোজন মহামানৱৰ জন্ম দিয়ে। সেই দৰে একোটা ঘটনা বা আন্দোলনো আমাৰ পৰ্দাৰ আঁৰত থকা একোজন সাধাৰণ মানুহক জাতিৰ ৰঙ্গমঞ্চৰ আগলৈ আনে আৰু ৰঙ্গমঞ্চত কৰা বীৰত্বপুৰ্ণ অভিনয়ে সেই জাতিক উৎসাহ উদ্দীপনা দি থৈ যায় আৰু নিজে হৈ পৰে সেই জাতিৰ এক আদৰ্শ নেতা। হাবি-বননিৰ মাজৰ বিলতো পদুম ফুল ফুলে। এনে হাবি বননিৰ মাজৰ অযত্ন পালিত, মানুহৰ পৰ্দাৰ আঁৰত থাকা সাধাৰণ ব্যক্তি কিন্তু নিজৰ ম হৎ কৰ্ম্মৰে মহান হোৱা শহীদ কমলা মিৰিৰ এটি চমু চিনাকি দিব খুজিছো।

গোলাঘাট জিলাৰ অন্তৰ্গত ৰঙামাটি মৌজাৰ চেঙেলী সুঁতিৰ পাৰৰ ওপৰ তেমেৰা গাৱঁত কমলা মিৰিৰ জন্ম হৈছিল । জন্ম তাৰিখ মিছিং সমাজে লিখি ৰখা নিয়ম নাছিল বাবে জন্মৰ সঠিক তাৰিখ জনা নাযায়।তেওঁৰ পিতৃৰ নাম আছিল সুতচিং মিৰি, মাতৃৰ নাম আছিল “ তিকৰী মিৰি। কমলা মিৰিৰ দেউতাকৰ পৰিবাৰিক অৱস্থা ভাল আছিল। গৰু মহ মাটি বাৰীৰ উপৰিও দুটা দঁতাল হাতীও আছিল। সেই সময়ত মিছিং গাওঁবিলাকত পঢ়াশালি নাছিল । চাৰিও ফালে হাবি জংঘলে ভৰি আছিল । তেনে পৰিবেশত কমলা মিৰিৰ বিদ্যা শিক্ষা পোৱাৰ সুবিধা নাছিল । প্ৰকৃতিৰ আনন্দ মুখৰ পৰিবেশত তেওঁ আন আন মিচিং ল'ৰা- ছোৱালীৰ দৰেই লৰালিকাল ডোখৰ চেঙেলীসুতিৰ বালি-পানীতে ধেমালি কৰি কটাই দিছিল ।

মানুহৰ জীৱনৰ ভাগ্য চকৰি অদৃশ্য পথেৰে ঘুৰে । নিজৰ ভৱিষ্যত জীৱনৰ কথা মানুহে ক'ব নোৱাৰে। ব্যক্তিৰ জীৱন সমাজ তথা ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত আৰু বৰ্তমান সময়ত পৃথিৱীত ঘটি থকা ঘটনা সমূহেও ভাৰতীয় সকলৰ মনৰ পৰিৱৰ্তন ঘটাইছিল আৰু ঘটাইছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে স্বাধীনতা প্ৰিয় ভাৰতবাসীৰ মনক উত্তেজিত আৰু উন্মাদ কৰি তোলে । স্বাধীনতা মানৱ সমাজৰ বাবে আটাইতকৈ ডাঙৰ বস্তু। এই স্বাধীনতাৰ উত্তেজনা হাবিৰ মাজত প্ৰকৃতিৰ হাঁহ চৰা পথাৰত ডাঙৰ হোৱা কমলা মিৰিৰ মনটো জাগৃত হ'ল। ১৯২০ চনৰ পৰা স্বাধীনতা আন্দোলনত যোগ দিয়াৰ পিছৰ পৰা গাঁৱে গাঁৱে স্বেচ্ছাসেৱকৰ দল সংগঠন কৰি, যদিও তেওঁ লিখিব পঢ়িব নাজানিছিল সভাই-সমিতিয়ে গান্ধীজীৰ কথা প্ৰচাৰ কৰি ফুৰিছিল। ১৯২০ চনৰ পৰাই কমলা মিৰিয়ে কংগ্ৰেছৰ স্বেচ্ছাসেৱকৰ কাম কৰি ফুৰিলেও প্ৰথম অৱস্থাত তেওঁ কংগ্ৰেছৰ সভ্য নাছিল। ১৯৩৯ চনতহে অসম প্ৰদেশ কংগ্ৰেছ কমিটি গোলাঘাট শাখাৰ ৯২১ নম্বৰ সভ্য হয়। সমাজ সেৱাৰ কামতো কমলা মিৰিৰ বহুতো অৱদান আছিল। ১৯৩৮ চনৰ ২৬ নবেম্বৰত বাদুলি পাৰা আৰু কমাৰ গাঁৱৰ ডাক বঙলাত মিচিং সমাজৰ প্ৰতিনিধি হৈ গোলাঘাট মহকুমাধিপতিক লগ ধৰি তেওঁ মিচিং সমাজৰ দুখ-দুৰ্গতিৰ কথা কৈছিল। ২৮-১২-৩৮ তাৰিখে গোলাঘাটত বহা অসম ৰাষ্ট্ৰীয় সন্মিলনত প্ৰতিনিধি ৰূপে তেওঁ যোগাদান দিছিল। ২৮-৯-৩৯ তাৰিখে গোলাঘাটত

কানি নিবাৰণি কমিটি গঠন কৰা হৈছিল। সেই কমিটিৰ সভাপতি আছিল গোলাঘাটৰ শঙ্কৰ চন্দ্ৰ বৰুৱা। তেখেতে কমলা মিৰিক মিচিং গাওঁ বিলাকৰ কানি নিবাৰণৰ বাবে প্ৰচাৰক নিযুক্তি দিছিল । তেওঁ স্বেচ্ছাসেৱক লৈ মিচিং গাওঁ বিলাকত কানি নিবাৰণি প্ৰচাৰ কৰিছিল। সেই সময়ত স্বাধীনতা সংগ্ৰামৰ লগত নিৰক্ষৰতা দূৰিকৰণ সংগ্ৰামো চলিছিল। ১৯৩৯ চনৰ অক্টোবৰ মাহত মৌজা ভিত্তিত দেৰগাওঁ থানাৰ সন্মুখত বহা নিৰক্ষৰতা দূৰীকৰণ সন্মিলনত কমলামিৰিয়ে যোগদান কৰিছিল। নিজেও এজন নিৰক্ষৰ হিচাপে তেওঁ বহুত বেদনা অনুভৱ কৰিছিল । আৰু অন্তৰ ভৰি এই অভিযানত যোগদান কৰিছিল। ১৯৪০ চনৰ ১২ ফ্ৰেব্ৰুৱাৰী তাৰিখে পতিয়া পথাৰত বহা কৃষক সন্মিলনতো তেওঁ যোগ দিছিল । ১৮৬৩ শকৰ ৪ বহাগত (১৯৪১চন) অসম মিৰি যুৱক সঙ্ঘৰ দ্বিতীয় বাৰ্ষিক অধিবেশন খনি ডফলাকটা মিছিং গাৱত বহিছিল। তাত মিছিং সকলৰ ৰাজনৈতিক আৰু সামাজিক বিষয়ৰ গভীৰ আলোচনাত কমলা মিৰিও অংশ গ্ৰহণ কৰিছিল। সেই সময়ত ৰঙাঁনৈ দাঁতিত থকা মিছিং সম্প্ৰদায় আৰু মৈমন সিঙীয়া সম্প্ৰদায়ৰ মাজত হোৱা বিবাদৰ বিষয়ে আলোচনা কৰি শান্তিপুৰ্ণ উপায়ে কৰা সিদ্ধান্ততো তেওঁ যথেষ্ট অৰিহনা যোগাইছিল। ২১/৩/৪০ তাৰিখ তেওঁ গোলাঘাট কংগ্ৰেছ সমিটিৰ সম্পাদক " শঙ্কৰ বৰুৱাই কমলা মিৰিক প্ৰচাৰক আৰু স্বেচ্ছাসেৱক সকলৰ দলপতি নিযুক্ত কৰিছিল। অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী " সিদ্ধিনাথ শৰ্ম্মা তেতিয়া অসম প্ৰদেশ কংগ্ৰেছ জৰুৰী চাব কমিতিৰ সম্পাদক আছিল। তেখেত ১নং ২নং বুলিটিন কমলামিৰিলৈ প্ৰচাৰৰ বাবে পঠাইছিল। এই কৰ্ত্তব্য তেওঁ দায়িত্ব সহকাৰে পালন কৰিছিল। প্ৰত্যেক গাৱেঁ গাৱেঁ স্বেচ্ছা সেৱকৰ দল গঠন কৰিছিল। ওপৰ তেমেৰা গাৱঁৰ স্বেচ্ছা সেৱকসকল আছিল বলোৰাম পাৱ, কুলাপাঠৰি, অতিৰাম পাৱ, " বাচু পাৱ, শ্ৰীকদিক মৰাং, শ্ৰীবেপুং পাঠৰি, শ্ৰীধনীৰাম লয়িং, গুলং পাঠৰি, গাঁৱৰ স্বেচ্ছা সেৱক আছিল শ্ৰীমালিৰাম দলে আৰু শ্ৰীসোনধন পেগু । নৈ গাৱৰ স্বেচ্ছাসেৱক সকল আছিল চেনিচন লয়িং, অতিৰ লয়িং, ধনশিৰি গাৱৰ আছিল শম্ভুৰাম পাঠৰি, সৰুতাইদ। বংকুৱাল গাৱৰ স্বেচ্ছাসেৱক আছিল বিকাৰাম দাৱ, দলম লয়িং, শ্ৰীবেজিয়া পেগু, শ্ৰীগুনিৰাম পেগু, দুগৰাকী মিছিং গাভৰুৱেও যোগ দিছিল। সেই দুগৰাকী নাৰি হ'ল শ্ৰীমতী প্ৰমিলা মেদক আৰু বগিমলা মৰাং। এইদৰে হাবি ফালি ফালি দেশৰ স্বাধীনতাৰ বাণী কমলা মিৰিয়ে কৰিছিল আৰু বহুতক নেতৃত্ব দিছিল।

১৯৪২ চনত কমলা মিৰি গোলাঘাট জেলত সোমায়। কমলা মিৰিক যোৰহাট জেললৈ ৺ গোপীনাথ বৰদলৈৰ মতে ১৯৪৩ চনৰ ফেব্ৰুৱাৰী কি মাৰ্চ মাহত নিয়া হয়। সেই সময়ত যোৰহাট জেলত অসমৰ নাম জ্বলা ৰাজনৈতিক বন্দীসকল অছিল। তেও লোক হ'ল গোপীনাথ বৰদলৈ, ৺ বিমলা প্ৰসাদ চলিহা, শ্ৰীফকৰুদ্দিন আলি আহমদ আদি। সেই বন্দীশালতে কমলা মিৰিৰ তেখেত সকলৰ লগত পৰিচয় হৈছিল। আৰু বৰদলৈ ওচৰত বেচি ঘনিষ্টতালৈ আহিছিল। সেই সুযোগতে কমলামিৰিয়ে গোপিনাথ বৰদলৈৰৰ ওচৰত লিখা - পঢ়াও শিকিছিল। সকলো সহ বন্দীয়ে লিখিব পঢ়িব জনা দেখি তেওঁৰ মনত বৰ দুখ লাগিছিল। সেই কাৰণে তেওঁ বৰদলৈয়ক কৈছিল- "মই লিখিব-পঢ়িব নোৱাৰাৰ কাৰণে কংগ্ৰেছৰ কাম কৰিব নোৱাৰো। মোৰ বৰ ইচ্ছা যেন ময়ো আন কৰ্ম্মীৰ দৰে ৰিপৰ্ট দিব পাৰো। আপুনি মোক তেনেকৈ শিকাই দিব পাৰেনে?" এনে অদম্য উৎসাহ দেখি বৰদলৈ বৰ সুখী হ'ল আৰু পঢ়াবলৈ আৰম্ভ কৰিলে। বৰদলৈদেৱে কৈ গৈছে যে - তেওঁৰ লিখা-পঢ়াৰ প্ৰতি ইমান ধউতি আছিল যে বৰদলৈ ওচৰৰ পৰা আঁতৰি যোৱাৰ পিচতো পঢ়াৰ কথাহে ভাবি আছিল । ধৈৰ্য্যশীল আৰু অধ্যৱসায়ী কমলা মিৰিক বন্দীশালৰ কোঠাৰ নিয়ম - নীতি আৰু শাসনেও সেও মনাব পৰা নাছিল। এনেবিলাক গুন দেখি বৰদলৈদেৱ কৈছিল – "১৯৮২ চনৰ সাধাৰণ ৰাজনৈতিক বন্দীসকলৰ ভিতৰত অনেকেই ভবিষ্যত অনিশ্চতাৰ কাৰণে আশা • নিৰাশাৰ মাজত দৈনিক জীৱন কটাইছিল। কিছুমানে ভবিষ্যত আন্ধাৰ দেখি জেলৰ পৰা ওলাই আহিবলৈ উচপিচ কৰা দেখা পাইছিল। কিন্তু হোজা কমলা মিৰিৰ মনৰ প্ৰবৃত্তি দেখি মই তৱধ মানিছিলো। জেলৰ কটোৰ নিয়মৰ ভিতৰত আৰু শৰীৰৰ অসুস্থতাৰ স্বত্বেও তেওঁ মুক্তি আন্দোলনৰ ভবিষ্যত সম্ভন্ধে মোৰ লগত যেতিয়াই কথা পাতে তেতিয়াই

কৈছিল, গান্ধী 'ৰজাৰ' ৰাজ্য হবই আৰু আমি হেনো জেলৰ পৰা ওলাই গৈয়েই ৰাজ্য চলোৱাৰ ভাৰ লব লাগিবই" তেওঁ গান্ধীক জীৱনত লক পোৱা নাছিল, কথা পতাতো দুৰৰ কথা। গান্ধীজীৰ লিখাবোৰ পঢ়িব পৰা শিক্ষও নাছিল। অথচ গান্ধীজীক তেওঁ গভীৰ ভাবে জানিছিল। গান্ধীজীক তেওঁ আন্তৰিকতাৰে বিশ্বাস কৰিছিল। তেওঁ এনেবিলাক বাস্তলসন্মত কথাকো বৰদলৈদেৱে সন্দেহ কৰাত কৈছিল "দেউতা আপোনাসকলে কিয় এনেদৰে ভাবিছে? গান্ধী ৰজাৰ কথা কেতিয়াবা বিফল হব পাৰেনে? মই চুকুৰ আগতে দেখিছো স্বৰাজ হৈয়ে আছে।ফাটেকৰ পৰা ওলাই গৈ আপোলালোকৰ বেছি দিন বাট চাব নালাগে। তেওঁৰ কথাৰ সত্যতাৰ প্ৰমান হিচাবে পাঁচ বছৰৰ পিচতেই ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিলে কিন্তু ভাৰতবৰ্ষৰ স্বাধীনতা দেখা ভাগ্য তেওঁৰ নঘটিল।
জেলৰ কটোৰ নিয়ম আৰু অস্বস্থ্যকৰ পৰিবেশ কয়দীৰ জীৱন দুখজনক কৰি তোলে। এনে নিদাৰুণ পৰিবেশৰ কাৰণে বন্দীজীৱনক সকলো মানুহে বৰ ভয় কৰে। জেলত বহুত কয়দীয়ে নানা বেমাৰত ভোগে। এনে বেমাৰত বহুত কয়দী ৃমৃত্যুও হয়। কমলা মিৰিয়েও গ্ৰহনী ৰোগত পৰিছিল। তেওঁৰ মুক্তিৰ ডেৰ মাহৰ আগতে কাটেকৰ পৰা হস্পিতেললৈ নিয়া হ'ল যদিও স্বাস্থ্য হলে উন্নত ন' হল। এদিন ফুৰিবলৈ যাওঁতে বৰদলৈক লগ পাই তেওঁ কৈছিল – দেউতা মোকচোন সিহঁতে কিবা লিখি দি ওলাই যাবলৈ কয়, মোৰ হলে সেইবোৰ লিখি মেলি দিবৰ মন নাই। ইমান দিন গল যেতিয়া বাকী দিনো কটাব পাৰিম । নিজৰ স্বাস্থ্যৰ অৱস্থা বেয়া বুলি জানিও ভীষ্মৰ প্ৰতিজ্ঞাৰ দৰে কমলা মিৰি অলৰ-অচৰ হৈ ৰ'ল। মুক্তিৰ আগ দিনা গধুলি তেওঁ বৰদলৈক কৈছিল; "দেউতা মোৰ গাটো হ'লে মই সুঠেই ভাল পোৱা নাই।" এয়ে কমলা মিৰিৰ শেষ কথা। সেই ৰাতিয়েই অৰ্থাৎ ১৯৪৩ চনৰ ১২ নবেম্বৰৰ ৰাতি ১১ বজাত এই সহসী দেশপ্ৰেমিকজনে কাৰাগাৰৰ ভিতৰতে পৃথিবীৰ ৰঙ্গমঞ্চৰ পৰা চিৰ দিনৰ বাবে বিদায় ললে। তেওঁৰ মৃত্যুত গোপীনাথ বৰদলৈদেৱে কৈছিল "বীৰৰ মৃত্যু তেওঁৰ কপালত আছিল। ঘৰত গৈ সধাৰণ মানুহৰ দৰে কেনেকৈ মৰিব?" পিছ দিনা তেওঁৰ পত্নী শ্ৰীমতী কনকী মিৰি, বৰপুত্ৰওলোম মিৰি, সম্বন্ধিয় ভাই "নাজিৰ পাঠৰি গৈছিল । কিন্তু শটো ঘৰলৈ নিবলৈ নিদিয়াত মিচিঙৰ নিয়মেৰে যোৰহাট ফাটেক ঘৰৰ ওচৰতে সৎকাৰ কৰা হ'ল । আজি কমলা মিৰি আমাৰ মাজত নাই, কিন্তু তেওঁৰ আদৰ্শ আমাৰ মাজত জীয়াই থাকিল। কমলা মিৰিৰ আদৰ্শই মিছিং সমাজৰ আদৰ্শ হওক, মিছিং জাতিৰ উন্নতি আৰু প্ৰগতিত সহায় কৰক।

# শিক্ষা আৰু অৰ্থনৈতিক প্ৰগতিত মিচিং সমাজৰ সমস্যা

শ্ৰী যতীন মিপুন
গৱেষক , ডিব্ৰুগড় বিশ্ববিদ্যালয় ।

নিঃসন্দেহে আমি কব পাৰো যে সামাজিক ৰীতি- নীতিয়ে সাংস্কৃতিক আৰু সামাজিক মূল্যবোধ নিৰ্ণয় কৰাত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। এই মূল্যবোধক আপাত দৃষ্টিত স্বতঃস্ফুতভাৱে নিৰ্ণয় কৰাতো কঠিন। চমুকৈ ইয়াকে কব পাৰি যে এখন সমাজৰ সামাজিক ৰীতি- নীতি আৰু ব্যৱস্থাৱলীয়ে যিটো দিশ গ্ৰহণযোগ্য বুলি বিবেচনা কৰে সেয়াই শেষত সমাজখনৰ মূল্যবোধ হৈ দেখা দিয়ে। উদাহৰণ হিচাপে মিচিং সমাজক ধৰা যাওঁক। মিচিং পৰম্পৰাগত (traditional) ৰীতি নীতি, অন্ধধৰ্মীয় বিশ্বাস ইত্যাদিক মূল্য দি আহিছে বাবে তেওঁলোকৰ সাংস্কৃতিক বা সামাজিক মূল্যবোধে ইয়াক স্বীকাৰ কৰি আহিছে। সাধাৰণতে এনে সামাজিক মূল্যবোধ সীমাৱদ্ধ হ'বলৈ বাধ্য হয়। এই সীমাৱদ্ধতাই শিক্ষা আৰু অৰ্থনৈতিক দিশৰ অগ্ৰগতিত বাধা দিয়ে। মিচিং সকল এই সীমাৱদ্ধতাৰেই বলি হৈছে, সেয়ে তেওঁলোকৰ শিক্ষা আৰু অৰ্থনৈতিক দিশসমুহত অগ্ৰসৰ হ'ব পৰা নাই। ৰুট (Rostow : 1966) মতে তেনে সমাজত অৰ্থনৈতিক দুৰ্ব্বলতাৰ পৰিপ্ৰেক্ষিতত সাধাৰণতে এইটো ছবি দেখিবলৈ পোৱা যায়

"Family and elan connexions played a large role in social organi- zation. The value system of these so- cieties was generally geared what might he called a long-run fatalism, that is the assumption the range of possibilities open to one's grandchil- dren would be just about what it had been for one's grandparents" এনে সমাজৰ গতি খুউব মন্থৰ বাবে পুৰ্বতে যি অৱস্থাত আছিল পাছৰ যুগতো কম বেছি পৰিমাণে সেই অৱস্থাতে থাকিবলৈ বাধ্য হয়। এইটো স্বীকাৰ কৰিব লাগিব যে বিকল্প পথৰ অভাৱত মিচিংসকলৰ সামাজিক মুল্যবোধে প্ৰসাৰতা লাভ নকৰাকৈ থকা নাই বৰঞ্চ শিক্ষিতৰ সংখ্যা ক্ৰমান্বয়ে বঢ়াৰ লগে লগে বিকল্প পথৰ বিভিন্ন দ্বাৰা মুকলি হ'ব লাগিছে। এনে হলেও জন্মগত আৰু বাল্যকালৰ পৰা সংশ্ৰৱত অহা সমাজ আৰু সংস্কৃতিৰ প্ৰভাৱে তেওঁলোকৰ সামাজিক মূল্যবোধক সীমাৱদ্ধ কৰি পেলাইছে। মিচিংসকল অৰ্থনৈতিক দিশত প্ৰগতি লাভ কৰিব নোৱাৰাৰ এয়াই মূল কাৰণ।

শিক্ষাৰ ক্ষেত্ৰতো কম বেছি পৰিমানে একেখিনি * কথাকে দোহাৰিব পাৰি। মিচিং সমাজত শিক্ষাৰ প্ৰসাৰতাৰ গতি মন্থৰ । শিক্ষিতৰ সংখ্যা বাঢ়িলেও তেওঁলোকৰ শিক্ষাই আদিম আৰু অপৈণত অৱস্থাত আছে বুলি ক'লে ভুল নহব

এনে অৱস্থাৰ সমাজত শিক্ষাৰ বাহুল্যতাৰ বিষয়ে আলোচনা কৰি চিপমেনে (Shipman 1971) কৈছে-

"Traditional societies do nor have a specilist system of educa- tion..... Men graw up expecting to take similar place in society and behave in a similar way to their parents.... Edu- cation in traditional societies is organ- ised to ensure this cultural continuity and ocuro in all social institutions.

এইখিনিতে পুনৰ মিচিংসকলৰ অৰ্থনৈতিক প্ৰগতিত দেখা দিয়া কাৰণসমূহ আলোচনাৰ বাবে দুৰ্গেশ্বৰ দলে (Durgeswar Doley : 1973) মন্তব্যক উনুকিয়াব পাৰি তেওঁৰ মতে

*........economic development of the MIri community is arrested mainly by social rather than economic fac- tors. Their family structure, religious practises, social customs and tradi- tions which reflect their sosial value system inhabit directly or indirectly the process of economic development in the community."

চমুকৈ এইখিনি কোৱা হ'লে যাতে প্ৰৱন্ধৰ বাকী হোৱা আলোচনা কৰাত সুবিধা হয় ।

এইষাৰ কথা ঠিক যে কোনো এখন সমাজৰ প্ৰগতিত সাংস্কৃতিক আৰু সামাজিক মূল্যবোধৰ গুৰুত্বপূৰ্ণ ন ভুমিকাক কোনো ক্ষেত্ৰতেই নুই কৰিব নোৱাৰি। কাৰণ ব্যক্তিৰ চিন্তাধাৰাৰ লগত সামঞ্জস্য ৰাখিহে প্ৰগতিৰ পথেও ব্যক্তি বা সমাজৰ আগত ধৰা দিয়েহি। উক্ত যুক্তি শিক্ষা, অৰ্থনীতি আদি সকলো দিশতে সমভাৱে প্ৰযোজ্য। এই হ প্ৰৱন্ধত লক্ষীমপুৰ জিলাৰ (জোনাই, সোৱনশিৰী) দুখন গাওঁ আৰু মাজুলীৰ (শিৱসাগৰ জিলা) এখন গাওঁত ক্ষেত্ৰকৰ্মৰ (Field work) যোগেদি কৰা অধ্যয়নৰ সহায়েৰে মিচিংসকলৰ শিক্ষা আৰু অৰ্থনৈতিক প্ৰগতিত ে দেখা দিয়া সমস্যসমুহ আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে ।

(২)

ওপৰত উনুকিয়াই অহা মতে ক্ষেত্ৰকৰ্মৰ বাবে লোৱা তিনিখন গাওঁৰ অৱস্থিতি সহ চমু পৰিচয় দিয়া হল। সমস্যাখিনি আলোচনা কৰাত গাঁৱৰ অৱস্থিতিয়েও সহায়ক হ'ব পাৰে বা হয়।

লক্ষীমপুৰ জিলাৰ এমুৰত (অৰুণাচল প্ৰদেশৰ পাছিঘাটৰ ওচৰৰ) পুব জনাই গাওঁ পঞ্চায়ত এলেকাৰ মহমৰা গাওঁখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰেলৰে লাইনৰ শেষৰ ষ্টেচন মুৰ্কংচেলেকৰ পৰা ৩ কিলোমিটাৰ দুৰত অৱস্থিত। গাওঁখনৰ পৰা জনাই বজাৰ আৰু ফেৰীঘাটলৈ যথাক্ৰমে ১ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ দুৰ। এই গাওঁখনে বছৰৰ কেওটামাহ যতায়তৰ সুব্যৱস্থা উপভোগ কৰিব পাৰে । তৰোপৰি জোনাইৰ শিক্ষানুষ্ঠান, ৰাজ্যিক চিকিৎসালয়, পশু চিকিৎসালয়, ডাকঘৰ ইত্যাদিৰ গাওঁখনৰ বাসিন্দাই পাইছে। গাওঁখন মুঠ পৰিয়াল হ'ল ১৪৫ আৰু মুঠ জনসংখ্য হ' ল ৬৯৬ জন । শিক্ষানুষ্ঠানত মহমৰা গাৱৰ (অনুমানিক) ছাত্ৰ সংখ্য হ'ল ১৬.১% জন আৰু উচ্চশিক্ষিতৰ সংখ্যা হ'ল ৫৭% জন (গাৱৰ জনসংখ্যা অনুসৰি ।

মৰনৈ বেবেজীয়া গাওঁখন সোৱনশিৰী নৈৰ মাথাউৰীৰ কাষতে অৱস্থিত। এই গাওঁখনৰ পৰা ঢকুৱাখনালৈ প্ৰায় ১৫ কিলোমিটাৰ আৰু লক্ষীমপুৰলৈ ১৪ কিলোমিটাৰ দুৰ হৰ। যাতায়াত অসুবিধা এই গাওঁখনে এতিয়াও ভোগ কৰি আছে। গাওঁৰ পৰা ১ কিলোমিটাৰমান দুৰত মাথীইৰীৰ কাষতে দোকান-পোহৰ, ডাকঘৰ পোৱা যায় যদিও বৰ চালুকীয়া অৱস্থাত আছে। লক্ষীমপুৰ বা ঢকুৱাখনালৈ যোৱাৰ কোনো চৰকাৰী যান বাহৰৰ ব্যৱস্থা নাই। গাওঁখন মুঠ ৬০ টা পৰিয়াল আৰু মুঠ জন সংখ্যা ৫০০ জন। (মিচিং আৰু অনামিচিঙেৰে গাওঁখন গঠিত। ইয়াত অনামিচিঙক বাদ দিয়া হৈছে)। বৰ্তমান শিক্ষানুষ্ঠানত ছাত্ৰৰ সংখ্যা হ'ল ১৬.৬% জন আৰু উচ্চ শিক্ষিত সংখ্যা হ'ল ৮% জন।

মাজুলীৰ জেংৰাইমুখ তিনি আলিৰ ওচৰত কুমাৰবাৰী গাওঁখন অৱস্থিত আৰু এই গাওঁখনে যোৰহাট-লক্ষীমপুৰ আদিলৈ যাতায়তৰ সুব্যৱস্থা পাই আহিছে। জেংৰাইমুখ তিনি আলিৰ বজাৰ আৰু কাষতে থকা শিক্ষানুষ্ঠান, ৰাজ্যিক চিকিৎসালয়, ডাকঘৰ ইত্যাদিৰ সুবিধা

গাৱঁবাসীয়ে পাইছে। গাওঁখনৰ মুঠ পৰিয়াল ১৩০ আৰু জনসংখ্যা ৯৮৭ জন। শিক্ষানুষ্ঠানত ছাত্ৰৰ সংখ্যা ২২.১৮৫% আৰু ৬২% উচ্চ শিক্ষিত লোক গাওঁখনত আছে । প্ৰৱন্ধৰ বাকীছোৱা এইবাৰ অলোচনা কৰা হ'ব।

(৩)

মিচিং সমাজৰ শিক্ষা আৰু অৰ্থনৈতিক দিশত দেখা দিয়া সমস্যাসমুহ এইদৰে আলেচনা কৰিব পাৰি -

## স্থায়ী খেতিৰ মাটিৰ অভাৱ আৰু অধিক উৎপাদন-বিমুখতাঃ

মিচিংসকল কৃষিজীৱি। খেতিৰ ওপৰতে তেওঁলোক সম্পুৰ্ণৰূপে নিৰ্ভৰশীল। ধান, সৰিয়হ, মাহ, ধপাত আদিয়েই তেওঁলোকৰ প্ৰধান খেতি। কিন্তু এনে খেতিসমুহৰ পৰা তেওঁলোক প্ৰকৃতাৰ্থত উপকৃত হোৱা নাই। গৰাখহনীয়া, বানপানী আৰু স্থায়ী খেতিৰ মাটিৰ অভাৱেই ইয়াৰ কাৰণ। আনহাতেদি যি কম স্থায়ী মাটি আছে তাতে খেতিৰ উৎপাদন শক্তি বৃদ্ধি কৰিবলৈ কোনো দিনে চেষ্টা কৰা নাই। অসমৰ ভৈয়ামলৈ অহাৰ আগতে পাহাৰত তেওঁলোকে জুম খেতি কৰিছিল। জুম খেতিৰ বাবে গাওঁসমুহ এঠাইৰ পৰা আন ঠাইলৈ উঠি যাব লগাত পৰিছিল। মিচিংসকলৰ মাজত এই প্ৰকৃতি অৰ্দ্ধমৃত ভাৱে হলেও এতিয়াও বিদ্যামান। সেয়ে কোনো ঠাইতে খেতিৰ উপযোগীকৈ মাটিৰ ব্যৱস্থা নকৰে। সেয়ে হান্টাৰ (Hunter : 1879) মিচিংসকলক অঘৰী খেতিয়ক (nomadic agricuatulrist) বুলি কৈ গৈছে।

বানপানী আৰু গৰাখহনীয়াৰ ফলত মিচিং সকলৰ খেতিৰ মাটি অস্থায়ী হ'লেও নৈ কাষৰ পলসুৱা মাটি বাবে ধান, সৰিয়হ আদি প্ৰচুৰ পৰিমানে হয় । কিন্তু তেওলোকে অধিক উৎপাদন হোৱা খাদ্য শস্যক অৰ্থনৈতিক স্বৱলম্বনৰ বাবে বজাৰত বিক্ৰী নকৰে । তেওঁলোকৰ এনে স্বভাৱ যে কোনোবা বছৰে অধিক শস্য উৎপন্ন হ'লে পিছৰ বছৰ একেবাৰে খেতি নকৰাকৈ থাকিব বা কম পৰিমানে কৰিব । সাধাৰণতে অধিক উৎপাদিত শস্যক ( বিশেষকৈ ধান) ‘আপং’ তৈয়াৰ কৰি নতুন আলহী -অতিথিৰ বাবে খৰচ কৰে। তেওঁ লোক উৎপাদিত শস্যক বজাৰত বিক্ৰী নকৰি এনেদৰে খৰচ কৰিলেহে গৌবৱবোধ কৰে আৰু সমাজৰ পৰাও সন্মান পায়। ভাণ্ডাৰীয়ে (Bhandari : 1974) লিখিছে।

"The idea to produce more than what is necessary for the domestic consumption is not yet very popular. This can be onferred from the fact that even when there is a sarplus of paddy, it is not generally sold in the market. Instead, a larger portion is utilized in preparing the rice beers which in fact, is a luxury. In same cases, when the harvest is extremely good, the houschol may even deride to take rest during the next season or else, it may cultivate a small area. The main ori- entation of production is this only to fulfil the demands of the household and not for any profits."

উৎপন্ন শস্যক বজাৰত বিক্ৰী কৰি অৰ্থ আয়ৰ ব্যৱস্থা লবলৈ এতিয়াও শিকা নাই বাবে মিচিংসকলৰ অৰ্থনৈতিক অৱস্থা বহু পৰিমানে দুৰ্ব্বল হৈ আছে।

সাধাৰণতে মিচিং পৰিয়ালৰ নিৰক্ষৰ মুৰব্বীয়ে পৰিয়ালৰ লোকসকলক খেতিতহে নিয়োগ কৰে। সেয়ে হ'লেও তেওঁ অধিক উৎপাদনৰ কথা চিন্তা নকৰে। মুৰব্বীৰ মতানুযায়ী পৰিয়ালৰ সকলোৱে খেতিত ব্যস্ত হয়, ফলস্বৰূপে শিক্ষাৰ প্ৰতি মিচিং সকল অমনোযোগী হৈ পৰিছে। মহমৰা, মৰনৈ বেবেজীয়া আৰু কুমাৰীবাৰী গাৱৰ ১৫/২০% জনীয়া পৰিয়ালত মাত্ৰ এজন বা দুজনহে শিক্ষিত লোক দেখা গ'ল । পৰিয়ালৰ আন লোকসকলে খেতি কৰে যদিও অৰ্থনৈতিক স্বাৱলম্বন অগ্ৰসৰ আৰু শিক্ষাৰ অগ্ৰগতিত বাধা হিচাপে সংক্ষেপে এনেদৰে ধেখা দিছে

(ক) বানপানী আৰু গৰাখহনীয়াৰ বাবে স্থায়ী খেতিৰ মাটিৰ অভাৱৰ ফলত স্থায়ীকৈ খেতি কৰাৰ সুযোগ নোপোৱা।

(খ) অলপীয়া স্থায়ী মাটিত শস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা নকৰা ।

(গ) বছৰৰ অধিক উৎপাদিত শস্যক বজাৰত বিক্ৰী নকৰি আপং, আলহী-অতিথিৰ শুশ্ৰূষাত খৰছ কৰা। (ঘ) পৰিয়ালৰ লোকক শিক্ষাৰ প্ৰতি ধাউতি নবঢ়াকৈ খেতিত নিয়োজিত কৰা ইত্যাদি।

## পৰম্পৰাগত ধৰ্ম্মীয় বিশ্বাসঃ

মিচিংসকল হিন্দু যদিও পৰম্পৰাগত ধৰ্ম্মীয় বিশ্বাস- সমূহ (traditional religious belief) এতিয়াও বাধা দিয়া নাই অন্ধবিশ্বাসে তেওঁলোকৰ অৰ্থনৈতিক প্ৰগতিত বাধা স্বৰূপে দেখা দি আহিছে। ৱেবাৰে (We- ber : 1968) পশ্চিমীয়া দেশ সমুহৰ অৰ্থনৈতিক স্বচ্ছলতাৰ একমাত্ৰ কাৰণ বিজ্ঞানসন্মত ধৰ্ম্মীয় বিশ্বাসক এতিয়া মূল্য দিয়া দেশসমুহ অৰ্থনৈতিক দিশত দুৰ্বল বুলি যুক্তিসহ আলোচনা কৰিছে। এই পৰাম্পৰাগত ধৰ্ম্মীয় বিশ্বাসেৰে বলি হৈছে মিচিংসকল । তেওঁলোকে বছৰত বহু পুজা-পাতল পাতে (আলি-আয়ে লৃগাং, দুবুৰ, উম ইত্যাদি) ৰাতি আপং, গাহৰি, ইত্যাদি অত্যাধিক খৰচ হয়। আপঙক দৈনন্দিন খাদ্য আৰু পুজা -পাতলৰ অপৰিসীম অঙ্গ হিচাপে ব্যৱহাৰ কৰাত খাদ্য শস্যৰ খৰচৰ মাত্ৰা ইয়াতো বেছি হয়। কুকুৰা, গাহৰি আদিকো ইয়াত উনুকিয়াব পাৰি। সাধাৰণতে মিচিং তিৰোতাই কুকুৰা, গাহৰি আদি তেওঁলোকৰ আনুষঙ্গিক উপাৰ্জনৰ বাবে পোহে। গাহৰি, কুকুৰাৰ বাজাৰো ভাল। কিন্তু এনেদৰে আয় কৰা অৰ্থৰ পৰিমান খুউব কম। একপ্ৰকাৰে কবলৈ গ'লে কুকুৰা, গাহৰি আদিক ব্যৱহায়ৰ বাবে নোপোহে, পুজা-পাতলৰ অত্যৱশ্যকীয় অঙ্গ বাবেহে পোহ পাল কৰে। আনহাতেদি মন কৰিবলগীয়া এইয়ে তিৰোতা বা পৰিয়ালৰ যি কোনো ব্যক্তিৰ দ্বাৰা উপাৰ্জিত অৰ্থক ল'ৰা-ছোৱালীৰ শিক্ষা বা স্বাস্থ্যৰ বাবে খৰচ নকৰি পুনৰ ধৰ্ম্মীয় বা আন কোনো অপ্ৰয়োজনীয় কামতহে খৰচ কৰে।

মোৰ অধ্যায়নৰ বাবে লোৱা তিনিওখন গাওঁৰ লোকেই ওপৰত উনুকিওৱা কাৰণ স্বীকাৰ কৰিছে আৰু তেওঁলোকে স্বীকাৰ কৰিছে যে সেই কাৰণে শিক্ষা, অৰ্থনীতি আদিত স্বাৱলম্বী হ'ব পৰা নাই ।

পৰিয়াল গঠন প্ৰনালী : যৌথ পৰিয়াল মিচিং সমাজত জনপ্ৰিয়। তেওঁলোকৰ পৰিয়ালৰ গঠন প্ৰনালী হ'ল যৌথ। দীঘলীয়া কোঠালীহীন চাংঘৰত কেইবাটাও পৰিয়ালে একেলগে বাসবাস কৰে । এনে যৌথ পৰিয়ালত মুৰব্বী জনে পৰিয়ালৰ সকলো দিশ নিয়ন্ত্ৰণ কৰে। পৰিয়ালৰ আন ব্যক্তি সকলে তেওঁৰ পৰামৰ্শ অনুযায়ী চলিবলগীয়া হ'য়। যৌথ পৰিয়াল আৰু পৰিয়ালৰ মুৰব্বীয়ে অৰ্থনৈতিক আৰু শিক্ষাৰ অগ্ৰগতি এনেদৰে আঘাত হানিব পাৰে ।

(ক) মুৰব্বীজনৰ পৰামৰ্শমতে চলিবলগীয়া হোৱা বাবে পৰিয়ালৰ আন ব্যক্তি সকলে নিজস্ব অভিমত মতে কাম কৰিব নোৱাৰে, ফলত সৃজনী প্ৰতিভাসমুহ লোপ পাবলৈ বাধ্য হয়, যাক অৰ্থনৈতিক বিশাকৰ বাবে আটাইতকৈ প্ৰয়োজনীয় দিশ বা আহিলা বুলি হেগেনে কৈ গৈছে

(খ) যৌথ পৰিয়ালত ইজনে সিজনৰ ওপৰত নিৰ্ভৰ কৰি চলে আৰু নিজৰ কৰ্ম ফল গায়গুটীয়াকৈ উপভোগ কৰিবলৈ নোপোৱাৰ বাবে কৰ্ম বিমুখতাই ঠাই পায়, সেইবাবে অধিক শস্য উৎপাদনৰ পৰা বঞ্চিত হ'ব লগাত পৰে ।

(গ) পৰিয়ালৰ জন সংখ্যা বেছি হোৱা বাবে ল'ৰা- ছোৱালীৰ শিক্ষাৰ বাবে উপযুক্ত ব্যৱস্থা লব নোৱাৰে।

মিচিং সকল যৌথ পৰিয়ালৰ বসবাস কৰাটো জন্মগত বাবে যি কোনো কাম একেলগে বা সামুহিয়াভাবে কৰিহে ভাল পায় আৰু সামুহিক ভাৱে কাম কৰাতহে মূল্য দিয়ে বা গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ এই সামুহিক ভাৱ ধাৰা কৰ্মবিভাজনৰ পৰিপন্থী। এক প্ৰকাৰে চাবলৈ গলে তেওঁলোকৰ মাজত কৰ্ম বিভাজন নথকা নহয়। মুখিয়ালজনে ঘৰখন নিয়ন্ত্ৰন কৰে, এজনে সাধাৰণতে দিনটোত মাছৰ বাবে ওলাই যায়, এজনে বজাৰলৈ আৰু আন এজনে খেতিলৈ যায়। মহমৰা, মৰনৈ -বেবেজীয়া আৰু কুমাৰবাৰী গাওঁত এনে বিভাজন লক্ষ কৰিলো। কিন্তু এই বিভাজন অৰ্থ নৈতিক স্বাৱলম্বনৰ বাবে নহয় বাবে আমি কৰ্ম বিভাজন বুলি কৰ নোৱাৰো। কাৰণ এতিয়াও তেওঁলোকৰ মাছৰ ব্যৱহায়ৰ বাবে যোৱা নাই নতুবা অধিক শস্য উৎপাদনৰ কোনো ব্যৱস্থা লোৱা নাই।

আনহাতেদি সমুহীয়া কাৰ্য্যক মূল্য দিয়া বাবে আলহী- অতিতিৰ সমাগমো সামুহিক ভাৱেই হয়। মিচিংসকলৰ প্ৰতিঘৰত বছৰত প্ৰায়েই আলহী থাকে। এঘৰত ১৫/২০ জন মান আলহী আহিলেহে ঘৰৰ সন্মান বঢ়া যেন অনুভৱ

কৰে। এই কথা মই বিশেষ বাবে লক্ষ্য কৰিলো। মই যি গাঁৱলৈকে আলোচনা বা অধ্যয়নৰ বাবে গৈছিলো তাতেই ডেকা-বুঢ়া সকলোৱে সহযোগ কৰিছিল। মন কৰিবলগীয়া এই যে প্ৰতিঘৰে মোক আলহী হিচাপে লোৱাৰ লগতে মোৰ সহযোগী ১০/১৫ জন গাওঁবাসীকো আলহী হিচাপে লৈ ভাত আপং ইত্যদিৰ যোগাৰ কৰিছিল। ইয়াত আপত্তিৰ কোনো কাৰণ তেওঁলোকে বিচাৰি নাপায়। এনে আলহী হেনো প্ৰতিদিনে থাকেই। এই ব্যৱস্থাই মিচিংসকলৰ অৰ্থনৈতিক স্বচ্ছলতাত বৰ বেয়াকে আঘাত হানিছে আৰু ল'ৰা - ছোৱালীৰ অধ্যয়নতো ব্যাঘাত জন্মাইছে। এনেদৰে গাঁৱৰ ভিতৰতে ইঘৰে সিঘৰলৈ ভাত, আপং আদি খোৱা আৰু আন গাঁৱত আলহী খাই ফুৰাতো ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে মাজত প্ৰিয় । মিচিং ছাত্ৰই অধ্যয়নৰ পৰিবেশ কোনো দিনেই পোৱা নাই আৰু গাওঁসমুহ এনে পৰিস্থিতিৰ বশবৰ্তী বাবে মিচিংসকলে শিক্ষাত অগ্ৰগতি লাভ কৰিব পৰা নাই । মিচিং গাঁৱত দেখাত নিম্ন খাপত ল'ৰা-ছোৱালীৰ সংখ্যা যথেষ্ট হয় যদিও উচ্চ শিক্ষা অনুষ্ঠানত খুউব কম সংখ্যক ছাত্ৰহে পোৱা যায়। নিম্ন খাপৰ পৰা উচ্চ শ্ৰেণীলৈ বা উচ্চ শিক্ষালৈ মিচিং ছাত্ৰৰ মাজত এটা নিম্নগামী গতিহে দেখা যায়।

## যাতায়ত আৰু বজাৰৰ অসুবিধা :

ব্ৰহ্মপুত্ৰ, সোৱনশিৰী আৰু আন আন উপনৈৰ কাষত বসবাস কৰা বাবে মিচিংসকলে যাতায়তৰ অসুবিধাত ভুগিছে। বাৰিষা কেইমাহ মিচিং গাওঁ সমূহলৈ যোৱাটো কঠিন হৈ পৰে। এনেকি খৰালি কেইমাহো যান-বাহনৰ সুচল পথ নাই বাবে তেওঁলোকে বহু অসুবিধা ভোগ কৰি আহিছে। এই অসুবিধাই তেওঁলোকৰ শিক্ষা আৰু অৰ্থনৈতিক অৱস্থা শোচনীয় কৰি তুলিছে। যাতায়তৰ অসুবিধাৰ উপৰিও মিচিং গাঁৱৰ ওচৰত বজাৰ নথকাত তেওঁলোকৰ অতিৰিক্ত খাদ্য-শস্য বা আন আন উৎপাদনসমূহ ব্যৱসায় বিমুখতাত ইও ইন্ধন যোগাইছে। যাতায়ত আৰু বজাৰৰ সুব্যৱস্থা নাথাকিলে যি কোনো সমাজৰে উন্নতমুখী দিশসমূহ ৰুদ্ধ হোৱাতো স্বাভাবিক। উল্লেখযোগ্যভাৱে এষাৰ কথা উনুকিয়াই যাব পাৰি যে আহোম যুগত পাহাৰীয়া আবৰ আৰু অসম ভৈয়ামৰ বাসিন্দাৰ লগত যোগাযোগ আৰু ব্যৱসায়ৰ মাধ্যম হিচাপে মিচিংসকলে কাম কৰিছিল (গেইট, (Gait : 1905)) একেখিনি কথাকে স্বীকাৰ কৰি লক্ষী দেৱীয়ে (L.Devi : 1968) লিখিছে-

- "During Ahom rule in Assam the Miris acted as go between of the Abors and the traders of Assam"

সেই সময়তেই মিচিংসকলে এনে বৃত্তি লোৱাৰ প্ৰয়াসে বৰ্তমানৰ মিচিংসকলৰ কৰ্মামুখতাৰ লগত তুলনামুলক অধ্যয়নৰ সমল যোগাব।

এতিয়া মহমৰা, মৰনৈ-বেবেজীয়া আৰু কুমাৰবাৰী গাওঁকিখনলৈ চোৱা যাওঁক। মহমৰা আৰু কুমাৰবাৰী গাওঁ দুখনে যাতায়ত আৰু বজাৰৰ কিছু সুবিধা পাইছে । মহমৰা গাওঁৰ কাষতে যান-বাহনৰ সুচল পথ আছে আৰু জনাই দৈনিক বজাৰখন গাওঁৰ পৰা মাত্ৰ ১ কিলোমিটাৰ দুৰত অৱস্থিত। তাৰোপৰি মুৰ্কংচেলেক ৰেলৱে ষ্টেচনলৈও মাত্ৰ ৩ কিলোমিটাৰ দুৰ। কুমাৰবাৰী গাওঁৰ কাষতে জেংৰাইমুখ তিনি আলি আৰু দৈনিক বজাৰখন । কমলাবাৰী, যোৰহাট, লক্ষীমপুৰলৈও যাতায়ত সুব্যৱস্থা আছে। অৱশ্যে মৰনৈ- বেবেজীয়া গাওঁৰ কাষত বজাৰ বা যাতায়তৰ কোনো সুবিধা নাই। ঢকুৱাখনালৈ যাবলৈ হ'লে গাওঁৰ পৰা ৫ কিলোমিটাৰ মাথাউৰিৰে ওলাই আহিলেহে যান-বাহনৰ সুচল আলি পোৱা যায়। তাতো কোনো যান-বাহনৰ ব্যৱস্থা নাই। কিন্তু যাতায়ত বা বজাৰৰ অৱস্থা যিয়েই নহওঁক তেওঁলোকৰ জীৱিকাৰ প্ৰধান উপায় হ'ল কৃষি। ব্যৱসাহী বা চাকৰিয়ালৰ সংখ্যাও যাতায়ত বা বজাৰৰ সুব্যৱস্থা থকা নথকা যি কোনো মিচিং গাৱতে প্ৰায় সমান । এই উক্তিক প্ৰমান কৰিবৰ কাৰণে গাওঁ তিনিখনৰ যাতায়ত আৰু বজাৰৰ সুবিধা-অসুবিধাৰ কথা উল্লেখ কৰিলে আৰু এটা মন কৰিবলগীয়া কথা হ'ল কৃষিৰ পিছতে ব্যৱসাতকৈ চাকৰিৰ প্ৰতিহে মিচিংসকলৰ ইচ্ছা বা দুৰ্বলতা বেছি।

# শিক্ষিত আৰু মুৰব্বী শ্ৰেণীৰ সচেতনতাৰ অভাৱঃ

মিচিং সমাজৰ শিক্ষিত আৰু মুৰব্বীশ্ৰেণীৰ সময়োপযোগী সচেতনতাৰ অভাৱ হৈছে বুলিলে ভুল কোৱা নহব। মিচিং গাওঁসমুহত শিক্ষিত সকলে নিৰক্ষৰ গাওঁবাসীক

উন্নতিৰ পথলৈ আনিবলৈ চেষ্টা নকৰি নিজেই এটা শ্ৰেণী হৈ পৰিছে। অৰ্থাৎ শ্ৰেণী বিভাজনৰ দ্বাৰা এই শিক্ষিত শ্ৰেণীয়ে মুকলি কৰিব লাগিছে। ফলত শিক্ষিত শ্ৰেণীৰ সংশ্ৰৱত আহি নিৰক্ষৰ গাওঁবাসীয়ে অগ্ৰগতি লাভ কৰাৰ পৰিবৰ্ত্তেদুটা শ্ৰেণী হৈ ইটোৱে সিটোৰ পৰা ক্ৰমান্বয়ে আঁতৰি যাব লাগিছে। ভালদৰে নিৰীক্ষণ কৰি মহমৰা, মৰনৈ-বেবেজীয়া আৰু কুমাৰবাৰী গাওঁ তিনিখনত এই অৱস্থাক উপলব্ধি কৰাত অসুবিধা নহ'ল।

উচ্চ শিক্ষিত মিচিং সকলে নগৰীয়া প্ৰভাৱত পৰি ক্ৰমান্বয়ে গাওঁসমুহৰ পৰা আঁতৰি যাব লাগিছে। নগৰত বসবাস কৰিবলৈ লোৱাৰ ফলত তেওঁলোকে গাৱলৈ যোৱাতো বাদ দিয়ে। ইয়াৰ ফলত গাওঁবাসীয়ে এনে শিক্ষিত মিচিং লোকৰ প্ৰত্যক্ষ প্ৰভাৱৰ কথা চিন্তাই কৰিব নোৱাৰে। এনেকি পৰোক্ষ প্ৰভাৱৰ বাবেও উঠি অহা ল'ৰা ছোৱালীয়ে তেওঁলোকৰ সংস্পৰ্শলৈ অহাৰ সুযোগ নাপায়। এই কথা তিনিওখন গাওঁৰ অধ্যয়নেই প্ৰমান কৰিলে। অন্যহাতেদি মিচিং গাওঁৰ মুৰব্বী বা মুখিলায় শ্ৰেণীৰ নেতৃত্বও গাওঁৱাসী উন্নতিৰ পৰিপন্থী বুলিব পাৰি। অন্ততঃ মই অধ্যয়ন কৰা তিনিখন গাওঁৰ পৰা এই কথাকে উপলব্ধি কৰিলো। উচ্চ শিক্ষিত শ্ৰেনীৰ দৰে এই মুৰব্বী সকলেও নিৰক্ষৰ গাওঁ বাসীৰ পৰা আঁতৰত থকাতো স্বাভাৱিক প্ৰকৃতিৰ দৰে হৈ পৰিছে। ফলত সৰ্বসাধাৰণ নিৰক্ষৰ মিচিংসকলে নানা দিশত অগ্ৰগতিৰ পৰিবৰ্তে অৱহেলিত হৈ দুৰ্য্যোগ ভুগিছে আৰু নিৰাশাৰ আশ্ৰয় ল'ব লগাত পৰিছে। মৰনৈ-বেবেজীয়া গাৱৰ মুৰব্বীসকলৰ নেতৃত্বত শিক্ষা আৰু গাওঁবাসীয়ে কেনে নেতৃত্বক গুৰুত্ব দিব বিচাৰে এই সম্পৰ্কে বাসন্তী মৰাঙে ( Basanti Morang : 1975 ) লিখিছে।

"Education is being recognised as an important factor for leadership in the village. Most of the leaders in the village are highly educated in comparison with other leaders..... The people neglect the contributing factiors of traditional leadership ac- cept new ideas" এই উক্তিত কিছু আসোঁৱাহ থাকি যোৱা যেন লাগিল। আমি জনাত উচ্চ শিক্ষিত শ্ৰেণীয়ে গাঁৱৰ নেতৃত্ব বহন কৰাতকৈ চাকৰি ইত্যাদিতহে ব্যস্ত থাকে। অৱশ্যে মৰনৈ-বেবেজীয়া গাওঁৰ মুৰব্বীসকল শিক্ষিত, কিন্তু আন গাওঁৰ তুলনাৰে উচ্চ শিক্ষিত নহয়। বেছি ভাগ মিচিং গাঁৱৰ মুৰব্বীসকল অৰ্দ্ধশিক্ষিত। এইটো ঠিক যে নিৰক্ষৰ গাওঁবাসীয়ে পৰম্পৰাগত নেতৃত্বত প্ৰাধান্য দিবলৈ আৰম্ভ কৰিছে। এই চিন্তাধাৰাই তেওঁলোকৰ মনোভাৱৰ পৰিবৰ্ত্তনকে সুচায়। কিন্তু অৰ্দ্ধ শিক্ষিত মুৰব্বী শ্ৰেণীয়ে তেওঁলোকক এই সুযোগ দিয়া নাই। নতুনত্ব আৰু নেতৃত্বৰ নামত তেওঁলোকে নিৰক্ষৰ শ্ৰেণীক স্ব নেতৃত্বৰ অধীনত ৰাখি ভুল পথে পৰিচালিত কৰিব লাগিছে যাতে এই ব্যৱস্থাই তেওঁলোকৰ স্বাৰ্থপূৰণৰ সহায়ক হয়। এই কথা মহমৰ, মৰনৈ-বেবেজীয়া, কুমাৰবাৰী গাঁৱকে ধৰি মিচিং সমাজখনতে প্ৰযোজ্য হয়। মোৰ এই আলোচনা কিছু ৰূঢ় যেন লাগিব পাৰে কিন্তু সেয়া অপ্ৰিয় সত্য আৰু এই সত্যতা আছে বাবেই মিচিং সমাজ আজিও বহু যুগ পিছ পৰি আছে। শিক্ষা আৰু অৰ্থনৈতিক দিশত অগ্ৰগতি লাভ কৰিবলৈ শিক্ষিত আৰু মুৰব্বী শ্ৰেণীৰ অত্যাৱশ্যকীয় ভুমিকাক কেতিয়াও নুই কৰিব নোৱাৰি। শিক্ষিত শ্ৰেণীৰ সুষ্ঠ ও সবল নেতৃত্বই এখন নিৰক্ষৰ সমাজৰ প্ৰগতিত সহায়ক হিচাপে সদায়েই দেখা দি আহিছে। মিচিং সকলৰ  শিক্ষা আৰু অৰ্থনৈতিক প্ৰগতিত সামাজিক ৰীতি-নীতি, = ধৰ্মীয় বিশ্বাস, পৰিয়াল নতুবা সামাজিক মূল্যবোধ (আন দুই এটা প্ৰৱন্ধত একেখিনি যুক্তিকে বেলেক ভুমিকাত 1 লিখিছোঁ যদিও বাধা স্বৰূপে দেখা দিছে তথাপিও এই ই বাধাসমুহৰ মাজত তেওঁলোকৰ সু নেতৃত্বৰ অভাৱৰ কথাও স্বীকাৰ কৰিব লাগিব।

## সহায়ক গ্ৰন্থ আৰু প্ৰবন্ধসমুহ :

**Bhandari, J.S. 1974**

" Lend and social structure: An eco- nomic study of a mishing village." P.20 in K.. Mathur & B.C. Agrawal (eds.), Tribe Cast and Peasantry. Eth- nographic & Folk Culture Society U.P.

Lucknow.
**Devi, L. 1968.**
Ahom -tribe relations. (A political study), Cotton college, Guwahati, As- sam, P. 158
**Doley, Durgeswar 1973**
"The Socio-economic life of the Miri tribe." P.61 in Dr. S.M. Duley (ed.(,
The North Eastern Research Bulletin. Vol. IV, Summer Deptt. of Sociology,
Dibrugarh University.
**Gait, Sir Edward 1805**
A History of Assam. Thackar Spint & Co. (1933) P. Ltd., Calcutta-1 (Re- printed in 1967). P. 373
**Hagen. E.E. 1962**
On the theory of social Change, how economic growth beings. An adapta- tion, Current though Science Vakits, Feffer and simons P. Ltd., Haque Building, 9 Sprott Road Ballard estate, Bombay - 1. P. 38-39
**Hunter, W.W. 1879**.
A statistical account of Assam. Vol.I Trumbner & Co. London, Reprinted in 1975 by B.R. Publishing Corpora- tion, Delhi. P. 239
**Morang, Miss B. 1975**
A study of rurral power structure. Thesis submitted for M.A. final Ex- amination in Sociology, (Unpub- lished) Deptt. of Sociology, Dibrugarh , University, P. 74 **-,**
**Rostow, W.W. 1966**
The stages of economic growth, A non-communist manifesto. Cam- bridge, At the University Press. P.
**Shipman, M.D. 1971** Education and modernisation. Feber and Feber, 4 Queen S1uare, London. P.70.
**Weber, Max 1962**
The protestant ethic and the spirit of capitalism. Talcott persons (trans) Union University Books, London, কাং, ভুগুমুনি (সম্পাদিত) ১৯৭০-৭২ মিচিং সাংস্কৃতিৰ আলেখ্য (সম্পুৰ্ণ) লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, অসম।

বি. দ্র. : “অসমৰ জনজাতি” গ্ৰন্থৰ ২য় বছৰ সংখ্যাৰ পৰা পুনঃ মুদ্রিত। - সম্পাদক

এটি পৰ্যালোচনা

# মিচিং সকল কোন অসমত তেওঁলোকৰ অৱস্থান

গোলেশ্বৰ দলে
বগুম

মিচিং সকল কেতিয়া অসমলৈ আহিল তাৰ সঠিক সমল বা আহিলা পাবলৈ নাই। তেওঁলোকৰ বুৰঞ্জীও পাবলৈ নাই। তেওঁলোক কোনো ৰাজকীয় বংশৰ নাছিল কাৰণে পুৰণি মুদ্রা শিলা লিপি নতুবা কোনোবা ধ্বংসাৱশেষৰ পৰাও উদ্ধাৰ হ'বলৈ একো ব্যৱস্থা নাই। তথাপি তেওঁলোকে অসমৰ পৰ্বত, ভৈয়াম সকলো ঠাইতে সিঁচৰিতভাৱে ১ম শতিকাৰ পৰাই আছিল বুলি তলৰ আলোচনাৰ পৰাই অনুমান কৰিব পাৰি। পূৰ্বতে হয়তো তেওঁলোকৰ মিচিং বুলি পৰিচয় নাছিল ।

অসমত কেতিয়াৰ পৰা মানুহে বসতি কৰিবলৈ লয় নাইবা কোন ফৈদৰ মানুহ প্ৰথমে অসমলৈ প্ৰবজন কৰি আহিল সঠিককৈ জনা নাযায়। প্ৰত্নযুগৰ পৰা মানুহ আছিল নে নাই প্ৰমাণ পোৱা নাযায় নাইবা কোনো আহিলা বা সমল আৱিস্কাৰ হোৱা নাই। সেই সময়ত মানুহবিলাকৰ প্ৰধান জীৱিকাৰ উপায় বৰ্ণৰীয়া জীৱ-জন্তু চিকাৰ কৰি খোৱা। গুহা আৰু পাহাৰীয়া এঢলীয়া অংশত বা গাঁতত বসবাস কৰিছিল। কিন্তু তেনে ধৰণৰ গুহা বা গাঁত অসমত এতিয়াও উদ্ধাৰ হোৱা নাই। নৱ প্ৰস্তৰ যুগুৰ কিছু আহিলাপাতি উদ্ধাৰ হোৱালৈ চাই প্ৰত্নতাত্বিক সকলে অনুমান কৰিছে যে সেই সময়ৰ পৰাহে অসমত মানুহে বসবাস কৰিবলৈ লয়। সেয়াও অনুমানহে বৈজ্ঞানীক তথ্যপাতি বা জীৱাশ্ম উদ্ধাৰ হোৱা নাই । অসমত নৱ প্ৰস্তৰ যুগ খৃঃপূঃ তিনি হেজাৰ বছৰৰ আগৰ পৰাই আৰম্ভ হৈছে বুলি নৃতাত্বিক সকলে ধাৰণা কৰা হৈছে। ভাৰতৰ সিন্দু সভ্যতাৰ কাল ৩২৫০ ৰ পৰা ২৭৫০ খৃঃ পূঃ ৰ ভিতৰত বুলি ধৰি লোৱা হৈছে। উক্ত সভ্যতাক আৰ্য্য সকলৰ অৱদান বুলি কোৱা হৈছে।

সমগ্ৰ পৃথিৱীৰ মানুহক জীৱ গোষ্ঠীত ধৰা হৈছে। যাৰ বৈজ্ঞানীক নাম (হম' চেপিয়েন্স) সেই জীৱ গোষ্ঠীক চাৰিটা ভাগত ভাগ কৰা হৈছে --

(ক) ককেচীয়

(খ) মঙ্গোলীয়

(গ) অষ্ট্ৰেলিয়

(ঘ) নিগ্ৰ

১৯২৪ চনত সংগৃহীত তথ্য অনুসৰি (হেডনে) অসমত বাস কৰা লোক সকলক কেইবাটাও প্ৰজাতিৰ উপাদান

পোৱা গৈছে। তেওঁৰ মতে কুকি, মণিপুৰী, খাচী আৰু কছাৰী সকল প্ৰাক দ্ৰাবিড় উপাদান বুলি কোৱা হৈছে। তেওঁলোক দীৰ্ঘ মস্তকী, প্ৰসস্ত নাসিকী। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে বহুত পূৰ্বেই অষ্ট্ৰেলিয়াসকল অসমত প্ৰৱেশ কৰিছিল। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে খাচী সকলৰ মাজত স্পষ্ট মঙ্গোলীয়ৰ লক্ষণ দেখা পাইছে। এই মঙ্গোলীয় লোকসকল উত্তৰ পূৱ কোণেদি অসমত প্ৰৱেশ কৰিছিল। তেওঁলোক অহাৰ পিছতেই অসমত অষ্ট্ৰেলীয় লোকসকল আহিছিল আৰু বসবাস কৰিছিল। তেওঁলোকৰ ভাষা অষ্ট্ৰো- এছীয়৷ খাচী সকলে অসমলৈ আহি সেই ভাষাকে গ্ৰহণ কৰিছিল। আকৌ সমাজ ব্যৱস্থা, ৰীতি-নীতি আৰু অসমৰ বিভিন্ন ঠাইৰ নামৰ পৰা অধ্যয়ন কৰি বিখ্যাত পণ্ডিত "স্কিম" এ ঠাৱৰ কৰিছে যে সেই সময়ৰ ভাষা ইন্দোচীন ভাষা; সেই ভাষা অষ্ট্ৰিক জন-গোষ্ঠীৰ বুলি ধৰা হৈছে। এইটোও ঠিক যে আৰ্যসকল পশ্চিমৰ পৰা উত্তৰ পূৱলৈ আগবাঢ়ি অহাৰ লগে লগে অষ্ট্ৰিক ভাষা-ভাষী লোকসকল অসমত প্ৰৱেশ কৰিছিল। বৰ্তমানৰ খাচী আৰু জয়ন্তীয়া সকলৰ ভাষাক অষ্ট্ৰিক ভাষা বুলি কোৱা হৈছে। ভাষাগত দিশৰ পৰা চাবলৈ গ'লে বড়ো সকলতকৈ খাচী সকল অসমলৈ আগতেই আহিছিল। আবয়ৱিক চৰিত্ৰৰ দিশৰ পৰা দেখা গৈছে যে অৰুণাচল প্ৰদেশৰ "ৱাঞ্চু" সকল অষ্ট্ৰেলীয় উপাদান বিদ্যমান। বড়োসকলৰ মাজতো অষ্ট্ৰেলীয় উপাদান পোৱা গৈছে।

মধ্য এছিয়াৰ বিস্তৃত অঞ্চল মঙ্গোলীয় সকলৰ উৎপত্তিৰ স্থল বুলি প্ৰত্নতাত্তিক সকলে প্ৰমাণ পোৱা গৈছে। তেওঁলোকৰ আৱয়িক চৰিত্ৰৰ বৰ্ণনা এইদৰে দিছে – চৰ্ম, বৰ্ণ, পীত বা পীঙ্গল, কেশ ক'লা, ঋজু আৰু অমসৃন। দাড়ি, গোঁফ আৰু ছালৰ নোম কম। মুখ মণ্ডল চেপেটা, কপোলস্থি স্পষ্ট। চকু, বক্ৰ নেত্ৰ, কান ঠেক।

কিছুমান পণ্ডিতৰ মতে ভূমধ্য সাগৰীয়লোকে অসমত প্ৰৱেশ কৰিছিল। তেওঁলোক সমুদ্ৰৰ উপকূল অংশইদি অসমৰ পশ্চিম কোণেদি সোমাই আহিছিল। তেওঁলোকৰ চাৰিত্ৰিক লক্ষণ অসমৰ উচ্চ বৰ্ণৰ মাজত বিদ্যমান। যিকি নহওঁক এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ সংস্পৰ্শলৈ আহি চাৰিত্ৰিক লক্ষণ আৰু আবয়ৱিক দিশবোৰ সলনি হৈ গৈছে বা আংশিক বা হ গৈছে। নৰক - সম্পূৰ্ণ বেলেগ হৈ গৈছে।

প্ৰাচীন কালত নৰক নামৰ এজন ৰজাই প্ৰাক্‌জ্যোতিষপুৰত ৰাজত্ব কৰিছিল। তেওঁৰ পুত্ৰ ভগদত্তৰ ৰাজত্বকালত মহাভাৰতৰ ধৰ্ম যুদ্ধত কৌৰৱ পক্ষত হৈ পাণ্ডৱৰ লগত যুদ্ধ কৰিছিল। তেওঁলোকৰ ৰাজত্বকালৰ কাহিনী হিচাবেহে পোৱা যায়। সঠিক চন, তাৰিখ পোৱা নাযায়। তথাপি খৃষ্টীয় ১ম শতিকাত বুলি অনুমান কৰা হৈছে। ভগদত্তই কিৰাট আৰু চীন সকলৰ দ্বাৰা সেনাবাহিনী গঠন কৰিছিল। সমুদ্ৰ পাৰৰ যুদ্ধাসকলেও তেওঁৰ সেনা বাহিনীত যোগদান দিছিল। ইয়াৰ দ্বাৰা জানিব পাৰি যে সেই সময়ত অসমৰ সীমা পশ্চিমে বঙ্গোপ সাগৰৰ পাৰলৈ আৰু উত্তৰে হিমালয় পাদ দেশলৈকে আছিল। কাৰণ কিৰাত লোকসকল হিমালয়ৰ পাদ দেশত বসবাস কৰিছিল। কিৰাত সকলৰ আবয়ৱিক লক্ষণ সমূহ- পীত চৰ্ম, দাড়ি গোঁফ তাকৰ। তেওঁলোক কোনো নাছিল, সেই কিৰাত সকল মঙ্গোলীয় জনগোষ্ঠীৰ।

প্ৰথম শতিকাৰ পৰা দ্বাদশ শতিকালৈ অসমৰ নাম প্ৰাক্‌জ্যোতিষপুৰ আৰু কামৰূপ নামেৰেই জনাজাত আছিল। পুৰাণৰ সময়ত এই ৰাজ্যৰ নাম কামৰূপ আছিল। সপ্তম শতিকাত চীনা পৰিব্ৰাজক হিউৱেনচাং আহি তেওঁৰ বিৱৰণী টোকাত কামৰূপ নাম উল্লেখ কৰা হৈছে। বিভিন্ন সময়ত বহুত পৰ্য্যটক আজি লিখি থৈ যোৱা টোকাৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাক্ জ্যোতিষ আৰু কামৰূপ একেখন ৰাজ্যই আছিল। মাত্ৰ প্ৰথম শতিকাৰ পৰা দ্বাদশ শতিকালৈ সলনা-সলনিকৈ নামাকৰণ কৰা হৈছিল। কেতিয়াৰ পৰা কেনেকৈ উল্লেখ কৰা নাম দুটা দিয়া হৈছিল তাৰো সঠিক তথ্যপাতি নাই। মাত্ৰ অনুমানতেই নামবোৰ বিশ্লেষণ কৰা আছে।

এই খিনিতে কৌচঁ-ৰাজ বংশীৰ সম্পৰ্কে আলোচনা কৰা যাওঁক। ৰাভা, কছাৰী, লালুং, মিকিৰ আদি (অসমীয়া জাতিৰ ইতিবৃত্ত, পৃঃ ২২) মঙ্গোলীয় লোকসকলে হিন্দু ধৰ্মত দীক্ষা গ্ৰহণ কৰি শৰনীয়াৰূপে পৰিচিত হয়। তেওঁলোকে মদ তৈয়াৰ কৰি খাবলৈ এৰে আৰু গাহৰিও পুহিবলৈ এৰে। কালক্ৰমত তেওঁলোক আন এটা ফৈদত পৰিণত হয়। তেওঁলোকে কোঁচ বুলি পৰিচয় দিয়া হ'ল। উক্ত প্ৰক্ৰিয়া ক্ৰমাগতভাৱে চলিয়েই থাকিল। পিছত দীক্ষা

লোৱা লোকসকল কোঁছৰ আসন পাবলৈ এতিয়াও বহুত বছৰ লাগিব । তেওঁলোকে ৰাজবংশী বুলিয়েই পৰিচয় দিয়ে।

ককেচীয় সকল কেতিয়া অসমলৈ আহিল সঠিক সমল নাই। অনুমান কৰা হৈছে তেওঁলোক অষ্ট্ৰেলীয় আৰু মঙ্গোলীয় সকলৰ পিছত আহিছে। বামুন সকলক ককেচীয় জনগোষ্ঠীৰ বুলি ধৰি লোৱা হৈছে। যিকি নহওঁক অসমত ককেচীয়ৰ অস্তিত্বও বিদ্যমান। সপ্তম শতিকাত চীনা পৰিব্ৰাজক হিউৱেনচাং কামৰূপলৈ আহি বামুন বা উচ্চ বৰ্ণৰ লোক লগ পায় (অসমীয়া জাতিৰ ইতিবৃত্ত, পৃঃ ২৮)। ভাস্কৰ বৰ্মণৰ বংশটোক ক্ষত্ৰিয় বুলি উল্লেখ কৰা আছে। তেওঁৰ ৰাজত্বৰ আগৰ ৰজা “মহাভূত বৰ্মণ ৰ ৰাজত্বকালতো বামুন কামৰূত আছিল বুলি কোৱা হৈছে। তেওঁলোক ইণ্ডো আৰ্য্য আছিল। ইণ্ডো আৰ্য্যসকল কেতিয়া অসমলৈ আহিল সেয়া স্পষ্ট সমল বা আহিলা পাবলৈ নাই।

দ্বাদশ শতিকাৰ মাজভাগত, কামৰূপ ৰাজ্য পতন হোৱাৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি অংশত চুতীয়া ৰাজ্য তৃতীয়াসকলে স্থাপন কৰিছিল। তেওঁলোক মঙ্গোলীয় জনগোষ্ঠীৰ পাহাৰিয়া জনজাতিৰ লোক আছিল। তেওঁলোক বাড়ো জনজাতিৰ অন্তৰ্গত। চুতীয়া ৰাজ্যৰ সীমা আছিল কুণ্ড, পশ্চিমে চিচি নৈ, উত্তৰে হিমালয় পৰ্বতমালা, দক্ষিণে জুটি দিহিং। বুৰঞ্জীবিদ “নোই ইলিয়াচ” চাহাবৰ মতে (History of the shans) চুতীয়া ৰাজ্যৰ পশ্চিম সীমা বৰ্তমান শোণিতপুৰ জিলাৰ “বিশ্ব নাথ” লৈকে বিস্তৃত আছিল। আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক চুকাফাৰ সম-সাময়িক চুতীয়া ৰজা “কোছী” ৰ আগতে তেওঁৰ বংশৰ আৰু ৩৪ জন ৰজাই ৰাজত্ব কৰিছিল। যদি সেয়াই হয় চুতীয়াসকলৰ ৰাজত্বৰ কাল সপ্তম শতিকাৰ পৰাই আৰম্ভ হৈছিল। অৰ্থাৎ আহোম ৰাজত্বৰ কেইবা শতিকাৰ আগৰ পৰাই অসমত ৰাজত্ব কৰিছিল। সেই সময়ত চুতীয়া সকলৰ ৰাজ্যই অসমত শক্তিশালী আছিল। তেওঁলোকৰ মাজত কাৰ্য্য বা কৰ্ম অনুসৰি কিছুমান ভাগত বিভক্ত আছিল । মিৰি চুতীয়া, হিন্দু চুতীয়া, বৰাহী চুতীয়া আৰু দেউৰী চুতীয়া আদি । যি সকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিলে তেওঁলোকক হিন্দু চুতীয়া, মিৰি চুতীয়া সকলক শাসন ব্যৱস্থাৰ ভিন ভিন কামত নিয়োজিত কৰিছিল। দেউৰী চুতীয়া সকল তেওঁলোকৰ পুৰোহিত চ আছিল ইত্যাদি। চুকাফাই পাটকাই পৰ্বতমালাৰ পাংটো গিৰি পথেদি ১২২৮ খৃঃত ব্ৰহ্মপুত্ৰ উপত্যকাত উপস্থিত হয়। সেই সময়ত অসমৰ উজনি অংশত উত্তৰ দিশত চুতীয়া ৰাজ্যই প্ৰবল শক্তিশালী আছিল । আহোম সকলে কেইবাবাৰো চুতীয়া সকলৰ লগত যুদ্ধ কৰিবলগীয়া হৈছিল। চুতীয়াৰ শেষ ৰজা “নীতি পালক” ১৫২৩ খৃঃত পৰাস্ত কৰি আহোম সকলে তেওঁলোকৰ ৰাজ্যৰ অন্তৰ্গত কৰি ৰাজ্যৰ সীমা বঢ়াই দিয়া হয়। সেই অনুক্ৰমে মিচিং, আদি, নিচি, মিচিমি ইত্যাদি জনজাতি লোকসকলৰ সংস্পৰ্শলৈ আহে আৰু তেওঁলোকৰ জৰিয়তে চীন দেশৰ পৰা বেহা-বেপাৰ সুচল কৰি ৰূপ আৰু তাম আমদানি কৰিবলৈ সুবিধা কৰি লয় ।

আহোম ৰাজত্বৰ সময়ৰ পৰাহে অসম বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰা হয় । অসম নামৰ উৎপত্তি কেনেকৈ হ’ ল তাত বিভিন্ন জনে বিভিন্ন ধৰণে মতামত আগবঢ়াইছে। কিছুমানে কয় অসম নামটো বড়ো শব্দৰ পৰা আহিছে। ইয়াৰ থলোৱা লোকসকলে টাই ভাষা-ভাষী সকলক বাহিৰাগত বুজাবলৈ (ন+স(সো)ম) আহোম শব্দটো ব্যৱহাৰ কৰাটো নিশ্চিত (অসমীয়া জাতিৰ ইতিবৃত্ত পৃঃ ২) মৰাণ, বৰাহীসকলে আহোমৰ ব্যৱহাৰ আৰু শৌৰ্য্য-বীৰ্য্য দেখি সন্তুষ্ট হৈ স্বীকাৰ কৰিছিল, আহোম সম কোনো নাই, সেই অৰ্থে অসম নামৰ উৎপত্তি বুলি কিছুমান বুৰঞ্জীবিদে মন্তব্য আগবঢ়াইছে। আকৌ কিছুমানে আমাৰ ৰাজ্য, নদ-নদী, পৰ্বত-পাহাৰ, উপত্যকা আদিৰে অসমান কাৰণে অসম নামৰ উৎপত্তি বুলি ক'ব খোজে। যেকি নহওঁক এইটো ঠিক যে অসম নাম আহোমৰ ৰাজত্বকালৰ পৰাহে হৈছে।

১৪৪৯ খৃঃত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয়। তেওঁ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। এক পৰম ব্ৰহ্মৰ বাহিৰে তেওঁৰ ধৰ্মত কোনো দেৱ-দেৱীৰ স্থান নাই। জাত-পাত বৰ্ণ নিৰ্বিশেষে তেওঁ সকলোকে সমানে দীক্ষা দিছিল। তেওঁৰ ধৰ্মৰ দ্বাৰা অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মনোনিবেশ দিছিল। তেওঁৰ ধৰ্মত শূদিৰ, নগা, গাৰো, মিকিৰ, মুছলমান আদি লোকে শৰণ লৈছিল। ঈশ্বৰৰ মন্দিৰত মানুহৰ ভেদা- ভেদ নাই তেওঁ বিশ্বাস কৰিছিল। পৰমানন্দ মিৰিয়েও তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল ।

১৮১৭ চনত ব্ৰহ্মদেশৰ পৰা মান আহি ১ম বাৰৰ

কাৰণে অসম আক্ৰমণ কৰিছিল। ১৮১৯ চনত ২য় বাৰ আকৌ অসম আক্ৰমণ কৰে। ১৮১৭ খৃঃৰ পৰা ১৮২৬ খৃঃৰ ইয়াণ্ডাবু সন্ধিলৈকে অসমৰ জন সাধাৰণৰ দুখ-দুৰ্গতি কুলাই পাচিয়ে নধৰা হৈছিল। মানৰ অত্যাচাৰৰ ফলত মানুহবোৰ হাবিয়ে, জংঘলে পলাই গৈ মৃত্যুক সাৰটি ল'ব লগীয়া হৈছিল। মাকে পিঠিৰ কেচুৱা পেলাই থৈ আত্মৰক্ষাৰ কাৰণে পলাব লগীয়া হৈছিল। কিন্তু মানৰ সেনাই মিছিং সকলক তেনে অত্যাচাৰ কৰাৰ কোনো কাহিনী পোৱা হোৱা নাই। মিচিং গাওঁ সমূহত তেওঁলোকে কোনো আক্ৰমণ চলোৱা নাছিল। বৰঞ্চ অনা মিচিং সকলে অৰ্থাৎ যিসকল মান সৈন্যৰ চিকাৰ আছিল তেওঁলোকে গোপনে আহি থলুৱা মিচিং লোকৰ ওচৰত আশ্ৰয় বিচাৰিছিল আৰু তেওঁলোকক যথাসাধ্যে আশ্ৰয়ও দিছিল। যিকোনো মুহূৰ্তত সহায়  কৰিবলৈকো সাজু আছিল। ইয়াণ্ডাবু সন্ধিৰ পাছত সন্ধি অনুসৰি অসম ইংৰাজৰ হাতলৈ যায় আৰু অসমৰ স্বাভাৱিক অৱস্থা ঘূৰি আহিবলৈ লয়। স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পিছতো বহুত আশ্ৰিত পৰিয়ালে নিজৰ ঠাই বা ঘৰলৈ ঘূৰি যাব নিবিচাৰিলে । তেওঁলোকে স্থায়ীভাৱে মিচিং সম্প্ৰদায়ৰ লগতে যোগদান দিলে। তেনেকৈ নতুনকৈ মিচিং হোৱা গাওঁ বহুত ঠাইত এতিয়াও দেখিবলৈ পোৱা যায় । এতিয়া আলোচনা কৰি দেখা গ'ল -- মিচিং সকল বৃহৎ মঙ্গোলীয় জনগোষ্ঠীৰ লোক। তেওঁলোকে **শ শ** শতিকাজুৰি পৰ্বত, ভৈয়াম সকলো ঠাইতে সিঁচৰিতভাৱে নদী উপত্যকা অঞ্চলবিলাকত বসবাস কৰি আহিছে। অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ এটা অবিচ্ছেদ্য অংঙ্গ, বৃহৎ অসমীয়া জাতি গঠনৰ অংশীদাৰ ।


সহায়ক গ্ৰন্থসমূহ :-

১। মিচিং সংস্কৃতিৰ আলেখ্য -সম্পাদক, ভৃগুমুনি কাগয়ুং

২। অসমীয়া জাতিৰ ইতিবৃত্ত - সম্পাদক, শ্ৰী গিৰিধৰ শৰ্মা, সভাপতি, অসম সাহিত্য সভা –

৩। অসম বুৰঞ্জী -   ড॰   স্বৰ্ণলতা বৰুৱা

4 | Pro Mising action adding life to life   Nahendra Padun, Editor in Chief

Vol: 1, No. 1 (Magazine)  Prem Antony, Executive Editor


**Self respect is the most vital factor in life without it man mere cheaper -Swami Vivekananda**

# মিচিং মান্য ভাষা

ড° বসন্ত কুমাৰ দলে

মিচিং ভাষাক লিখিত ৰূপ দিয়াৰ প্ৰস্তুতি চলাৰ লগে লগে মিচিং সকলৰ মাজত বিশেষকৈ শিক্ষিত চামৰ মাজত এটা অভুত পূৰ্ব আলোড়ন সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। লিপি বিষয়ক সমস্যাটো ইতিপূৰ্ব সন্মত ভাৱে এটা সিদ্ধান্তত উপনীত হোৱাত সকলোৰে মনত আনুষঙ্গিক সমস্যাবোৰো তৎকালীনভাৱে সামাধান কৰাৰ প্ৰবল ইচ্ছা জাগিছে। ভাষা সম্পৰ্কীয় অন্যান্য প্ৰশ্নৰ লগত সৰ্বসাধাৰণ ৰাইজৰ কথা বাদেই, আনকি উচ্চ শিক্ষিত চামৰ মাজতো মান্যভাষা গ্ৰহনৰ ক্ষেত্ৰত মত প্ৰাৰ্থক্য থকা প্ৰত্যক্ষিত হৈছে। গতিকেই "মিচিং মান্যভাষা" বিষয়টো চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

সীমাবদ্ধতা আৰু ৰক্ষণশীলতা ভাষা বিকাশৰ পথত প্ৰধান অন্তৰায়। মিচিং ভাষা মানেই মিচিংসকলৰ বিভিন্ন খেল, যেনে - চাঃয়াং, পা, অয়ান, দীলু আদিৰ মাজত প্ৰচলিত উপ-ভাষা সমুহৰ সমষ্টি। ই কোনো অঞ্চলৰ বিশেষ বা খেল বিশেষৰ মাজত সীমাবদ্ধ হব নোৱাৰে। এতিয়া প্ৰশ্ন হ'ল - যদি চাঃয়াং সকলৰ মাজত প্ৰচলিত ভাষাকো উপ-ভাষা বুলি কোৱা হয় আৰু তেনেকৈ অয়ান, দাম্বুক, ম:য়িং আদি খেলৰ মাজত চলা ভাষা বোৰকো যদি উপভাষা বুলিয়েই কোৱা হয়, তেন্তে মান্যভাষা কোনটো।

মান্যভাষা নিৰ্ধাৰণৰ বিষয়টো ঐতিহাসিক, সাংস্কৃতিক আৰু সামাজিক দিশৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। কোনো এটা শব্দ ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেদি কেনেকৈ সাংস্কৃতিক বৈশিষ্ট্য কঢ়িয়াই সামাজিক পৰিবৰ্ত্তনৰ লগত খাপ খাই জনসাধাৰণৰ বোধ গম্যতা অৰ্জন কৰি আহিছে তাকে বিচাৰ কৰি চোৱা দৰকাৰ। (১) শব্দসম্ভাৰ (Vocabulary), (২) বানান (Spelling), (৩) ব্যাকৰণ (Grammar), (4) উচ্চাৰণ (Pronounciation) প্ৰথম তিনিটামান্য ভাষা ৰূপ দিয়া সহজ আৰু দ্রুত, কিন্তু শেষৰটো জটিল আৰু মন্থৰ। এতিয়া উল্লেখিত চাৰিটা দিশৰ ভিত্তিত মিচিং মান্যভাষা সম্পৰ্কে আলোচনা কৰা যাওক।

প্ৰথমে আমি শব্দ সম্ভাৰৰ ভিত্তিত আলোচনাটি মুকলি কৰিম। সম্প্ৰতি মিচিং ভাষাত ব্যবহৃত শব্দবোৰ লক্ষ্য কৰিলে এটা বিশেষত্ব ধৰা পৰে। কোনো শব্দৰ ধবনিটো অৰ্থৰ ৰূপ যোগ হয়। যেনে apin pinkang-ale -> lebing, lcke; lesin, lcmit, alag -> lakke:, lagne lagmit, laktung Site -> tereng, menjek -> jegreng. অৱশ্যে ব্যতিক্ৰম নথকা নহয়। কিন্তু শব্দৰ মৌলিকতা বিচাৰৰ ই এটা প্ৰশস্ত পথ। উদাহৰণ স্বৰূপে আমি বাঁহৰ প্ৰতি শব্দকে লব পাৰোঁ কোনো কোনো খেল বাঁহক 'di:bang' আৰু কোনো খেল "fa'বুলি কোৱা শুনা যায়। কিন্তু 'ba:lung' শব্দৰ পৰা এইটো প্ৰতীয়মান হয় যে 'di:bang' টোহে 'ba:lung' ৰ মৌলিক শব্দ। সেইবুলি 'ía' শব্দটো অমৌলিক বুলি ক'ব

খোজা নাই। তেনেকৈ ‘orai alig’ শব্দৰ ‘orai’ শব্দাংশটো অসমীয়া ‘শৰাই’ শব্দৰ পৰা আহিছে। 'orai alig’ ৰ পৰিবৰ্তে ‘adum-alig’ টোৱে মৌলিক৷ ‘Adum-alig’ শব্দই এসময়ত মিচিং সমাজত প্ৰচলিত ‘alíg la:nam' প্ৰথাৰ ইঙ্গিত দিয়ে। কিন্তু 'alig- orai’ বা ‘orai-alig' শব্দই সাম্প্ৰতিক কালত প্ৰচলিত প্ৰথাৰ ইঙ্গিত দিয়ে। গতিকে শব্দৰ মৌলিকতাৰ (originality) ৰক্ষা কৰি মান্যভাষাৰ কাৰণে শব্দ নিৰ্বাচনত আগবাঢ়িব লাগিব। সেইবুলি ৰক্ষণশীল হোৱা উচিত নহয় । প্ৰসঙ্গতঃ উল্লেখ কৰিব পাৰি যে বহু অনামিচিং শব্দ পৰিবৰ্ত্তন মাজেদি আহি মিচিং ভাষাত সোমাইছেহি সেইবোৰৰ বৰঙণিও নিশ্চয় স্বীকাৰ কৰিবই লাগিব। উদাহৰণ স্বৰূপে ‘চাপনাম’ শব্দটো “ইচাপ” (হিচাপ) শব্দৰ পৰাই উৎপত্তি হৈছে।

কিছু ক্ষেত্ৰত আকৌ একেটা অৰ্থ বুজোৱা ভিন্ন ভিন্ন মিচিং শব্দও পোৱা যায়। সেইবোৰ কোনটো মৌলিক আৰু কোনটো অমৌলিক বিচাৰ কৰা কঠিন হৈ পৰে। তেনে ধৰণৰ শব্দবোৰ মান্যভাষাৰ শব্দ ভাণ্ডৰত স্থাপিত কৰিলে শব্দ ভঁৰাল বেছি চহকীহে হ'ব।

দ্বিতীয়তে আমি বানানৰ কথালৈ আহোঁ। মিচিং ভাষাত যুক্ত ধ্বনিৰ প্ৰাচুৰ্য অধিক। ৰোমান লিপি গ্ৰহনৰ ফলত যুক্তাক্ষৰৰ অসুবিধা বহু পৰিমানে হ্ৰাস পালে যদিও মুক্ত হোৱা নাই। গতিকে কিছুমান শব্দৰ বানান ধৰাবন্ধ (hard and fast) নিয়মৰ মাজত সুত্ৰ বদ্ধ নকৰিলে কেৱল উচ্চাৰণেই যে ভুল হব এনে নহয় অৰ্থৰো সাল- সলনি ঘটিব। উদাহৰণ স্বৰূপে কেইটামান শব্দ লোৱা যাওঁক pon-gap, pen-gap, son gap, an-gap এই শব্দবোৰত বদ্ধাক্ষৰিক ধবনি দুটাৰ মাজত (-) এই চিন প্ৰয়োগ নকৰিলে শব্দবোৰ ‘পঙাপ্’ ‘পেঙাপ্’ চঙাপ্’ আৰু ‘আঙাপ্’ ৰূপেহে উচ্চাৰিত হব আৰু অৰ্থৰো পাৰ্থক্য ঘটিব। গতিকে son-gap, songap, song-gap আদি লেখোঁতে নিৰ্দ্দিষ্ট নিয়ম মানি চলিবই লাগিব। তেনেকৈ dung-ko আৰু dunko, ang-ngo আদিৰ ক্ষেত্ৰতো একে কথাই খাটে।

কোনো কোনোৱে ভাৱে যে অলিখিত ভাষাৰ ব্যাকৰণ থাকিব নোৱাৰে। ভুল ধাৰণা। ব্যাকৰণ মানে ভাষা মানেই ব্যাকৰণ বৰ্জিত ভাষা নহয় । কেতবোৰ নিয়ম নীতিৰ সমষ্টিয়েই ব্যাকৰণ। মিচিং ভাষাৰ লিখিত ব্যাকৰণো প্ৰচলিত নিয়মনীতিৰ আধাৰতে ৰচিত হব লাগিব । গতিকে তৃতীয় বিষয় হিচাবে তাৰেই আলোচনা কৰা যাওঁক। ব্যাকৰণৰ সুক্ষ্ম বিশ্লেষনলৈ নগৈ সাধাৰণতে কথোপকথনত লিখিত এখন পুথি নুবুজায়। সেয়েই কথিত বা অলিখিত শুনা কেইটামান বাক্যৰ ভুল প্ৰয়োগৰ কথাহে আমি ইয়াত আলোচনা কৰিব খুজিছোঁ।

(1) No gidungkubon?

(2) No gídakkubon?

উল্লেখিত বাক্য দুটা কোনো অঞ্চলত প্ৰথমটোৰ সলনি দ্বিতীয়টো আৰু দ্বিতীয়টোৰ সলনি প্ৰথমটোৰ ব্যৱহাৰ শুনা যায়। প্ৰকৃততে এনেকোৱাহে হব লাগে -

gidakkubon - Sokke/isokké
gídakkubon?
gidung kubon - So:pe / isope
gidung kubun?

“gidakkubon” কেতিয়াবা so:pe/isope অৰ্থ কৰা নহয় ।

মিচিং ভাষাত অসমাপিকা ক্ৰিয়া বুজাবলৈ মুল ধাতুৰ শেষত বা ধাতু ৰূপৰ শেষত ‘la’ যোগ হয়। যেন

(1) Ngo apindem dola
dongapla:tomang

(2) Ngo apin doge:la giye

কিন্তু ক্ৰিয়াটো যদি ব্যঞ্জনান্ত হয় তেনে হ'লে অনুৰূপ ধ্বনি এটা যুক্ত হয় ।

(1) Ngo agerdem gerra
gerapla:tomang

(2) Ngo ríbídém donna
donapla:tomang

ওপৰৰ বাক্য দুটাত ‘gerra’ আৰু ‘donna’

শব্দ দুটা যথাক্ৰমে 'gerla' আৰু 'donla' নাই ‘gerra’ আৰু ‘donna' হল। মান্য ভাষাৰ ব্যাকৰনে তাকে কৰে।

বহুবচনৰ বেলিকাও তেনে পাৰ্থক্য পোৱা যায়।

যেনে kíding আৰু kidar

amikídí:dē আৰু amikídardē এই ক্ষেত্ৰত বোধগম্যতা আৰু প্ৰায়োগিক বিস্তৃতিৰ পিনে লক্ষ্য ৰখাটো নিশ্চয় ভাল হ'ব।

আমাৰ আলোচনাৰ শেষ পৰ্য্যায়টো হ'ল উচ্চাৰণ। মিচিং ভাষাত একেটা শব্দকে অঞ্চল ভেদে বেলেগ ধৰনে উচ্চাৰণ কৰা শুনা যায়। উদাহৰণ স্বৰূপে doling আৰু doníng. asinang ainang, kinmane,kinma:niya kenmao:nyia ইত্যাদি। এনে ধৰণৰ উচ্চাৰণৰ মানদণ্ড নিৰ্ণয়ৰ ক্ষেত্ৰতো বোধগম্যতাৰ প্ৰশ্নই আহি পৰে। যি উচ্চাৰণৰ বোধগম্যতা সীমিত তেনে উচ্চাৰণ মান্য ভাষাৰ বাবে উপযোগী নহয়। সেইবুলি শব্দ যে অভিধানতো স্থান পাব নেলাগে; তেনে কথা আমি কোৱা নাই। শুদ্ধ উচ্চাৰণ গ্ৰহণৰ সময়ত দুটা দিশৰ প্ৰতি সততে চকু ৰখা ভাল হ'ব- (১) প্ৰাপ্ত উচ্চাৰণ আৰু সংশোধিত উচ্চাৰণ। প্ৰাপ্ত উচ্চাৰণৰ যোগেদি বিভিন্ন উপভাষাৰ পৰা শুদ্ধ উচ্চাৰণবোৰ গ্ৰহন কৰিব লাগে আৰু অনুপযুক্ত (slang) বোৰ সংশোধনৰ যোগেদি শুদ্ধিকৰণ কৰিব লাগে।

এতিয়া দেখা গল যে মিচিং মান্যভাষা গ্ৰহনৰ কাৰণে বিশেষভাৱে বিতৰ্কত নমাৰ কোনো যুক্তি যুক্ততা নাই।মিচিং ভাষা কেৱল মিচিং সকলৰেই ভাষা নহয় অনামিচিঙৰো ভাষা। কোনো উপভাষা ঘৃন্য অথবা কোনো উপভাষা মান্য নহয়। ব্যৱহাৰৰ উপ-যোগীতাহে আচল কথা।

**সহায়ক গ্ৰন্থ - An outline History of the English language by Erederick T. Wood.**

# সংকটত মিচিং সমাজ আৰু সংস্কৃতি

ড° দুৰ্গেশ্বৰ দলে

এসময়মত মিচিং মানুহে খেতি-বাতি কৰি নিজৰ প্ৰয়োজনীয় সকলো বস্তু নিজেই উৎপাদন কৰি লৈছিল। ভাত, কাপোৰ, ঘৰ-দুৱাৰ আৰু অন্যান্য সকলো বস্তু নিজেই যোগাৰ কৰি লৈছিল। সমাজত কিবা সমস্যা হ'লেও সেইবোৰ ৰাইজে মিলি সমাধান কৰি লৈছিল। ন্যায়-অন্যায়ৰ বিচাৰ ৰাইজেই কৰিছিল। আনকি মানুহক হত্যা কৰা জঘন্য অপৰাধকো গাঁৱৰ ৰাইজে বিচাৰ কৰি দণ্ড দিছিল। এনেবোৰ কাৰ্য্যৰ বাবে চৰকাৰী পুলিচ বা কাছাৰীৰ ওচৰ চপা নাছিল। ধৰ্মীয় কাম-কাজো নিজৰ মানুহৰ দ্বাৰাই সম্পন্ন কৰিছিল। কাৰোবাৰ ঘৰত কিবা আকস্মিক বিপদ-আপদ হ'লে গাঁৱৰ ডেকা-গাভৰুহঁতে মিলি সকলো ধৰণৰ প্ৰয়োজনীয় সহায় সহযোগিতা আগবঢ়াইছিল। নিজৰ জাতীয় উৎসৱ-পাৰ্বনো নিজৰ ভাগেই অতি উলহ-মালহেৰে উদ্‌যাপন কৰিছিল । এইদৰে মিচিং সকলে সকলো দিশত আত্মনিৰ্ভৰশীল হৈ এক প্ৰকাৰ স্বাধীন জীৱন-যাপন কৰিছিল। মাটিৰ খাজনা দিয়াৰ বাহিৰে চৰকাৰৰ লগত তেওঁলোকৰ বিশেষ সম্পৰ্কই নাছিল।

কিন্তু বৰ্তমান মিচিঙৰ সেই অৱস্থা নাই। দেশ স্বাধীন হ'ল যদিও তেওঁলোকে সকলো দিশতে পৰনিৰ্ভৰশীল হৈ আহিছে। প্ৰাকৃতিক দুৰ্যোগ বিশেষকৈ বানপানী আৰু গৰাখহনীয়াৰ ফলত বহু সংখ্যক মিচিং মানুহ গৃহহীন হৈ পৰিল। তেওঁলোকৰ পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা আজিলৈকে নহ'ল । গতিকে এই সকল মানুহে এডোখৰ কাপোৰ আৰু এমুঠি ভাতৰ বাবে দিহিঙে-দিপাঙে ঘুৰি দিন- হাজিৰা কৰি বা আন মানুহৰ দাস-দাসীৰ দৰে চাকৰ খাটি জীয়াই থাকিবলগীয়া হৈছে। কিছুমানে আকৌ মদ-মাংস বিক্ৰী কৰি বা প্ৰবঞ্চনামূলক কামত লিপ্ত হৈ ভাত-কাপোৰ মুকলি কৰিবলগীয়া হৈছে। কিছুমানে আনৰ বয়-বস্তু কঢ়িয়াই দি দিনৰ ভাত মুঠি যোগাৰ কৰিবলগীয়া হৈছে। এইদৰে এসময়ত যিবোৰ কাম মিচিঙে কল্পনা কৰিব নোৱাৰিছিল বা অতি নীচ কাম বুলি ভাৱিছিল আজি তাতেই তেওঁলোকে আত্মনিয়োগ কৰিবলগীয়া হৈছে।

ভাৰত স্বাধীন হোৱাৰ পিছত মিচিং মানুহৰ মাজতো লিখা-পঢ়া মানুহৰ সংখ্যা বহুখিনি বাঢ়িল। বহুতেই উচ্চ শিক্ষা লাভ কৰিছে । তথাপি মিচিং মানুহৰ অৰ্থনৈতিক অৱস্থা সামগ্ৰীক ভাৱে উন্নত হোৱা নাই । কাৰণ এফালে শিক্ষিতৰ সংখ্যা বাঢ়িল যদিও আনফালে নিবনুৱাৰ সংখ্যাও বাঢ়িল। বৰ্দ্ধিত নিবনুৱা সকল পৰিয়াল তথা সমাজৰ বাবে ডাঙৰ বোজা হৈ পৰিল । এই নিবনুৱা সকলে খেতি-বাতিও কৰিব নোৱাৰা হ'ল। বেপাৰ-বাণিজ্য কৰিবলৈকো মূলধন আৰু সুবিধাৰ অভাৱ। বেপাৰ-বাণিজ্য কৰিবলৈ সামাজিক = পৰম্পৰাৰো আৱশ্যক, যিটো মিচিঙৰ নাই ।

মিচিং সমাজৰ আৰ্থিক অৱস্থা উন্নত হোৱাত সহায় হ কৰিবৰ বাবে মিচিং স্বায়ত্ব শাসিত পৰিষদ গঠন কৰি দিয়া 1 হৈছে। কিন্তু এইটো কোনো কামত অহা নাই। কাৰণ ইয়াৰ যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছে সেইবোৰ উন্নতিমূলক

নহয়। কেইখিলামান টিনপাত, কেইটামান নলীনাদ, কেইমুঠিমান সূঁতা আদি বিতৰণ কৰি বা কেইটামান সৰু সৰু বাট-পথ বা বাঁহ কাঠৰ দলং নিৰ্মাণ কৰি বা সংস্কৃতিৰ উন্নয়নৰ নামত কেইটামান বস্তু দি সমাজৰ আৰ্থিক অৱস্থা উন্নত কৰিব নোৱাৰি। এইবোৰৰ সলনি যদি সংস্থানমূলক আঁচনি যেনে বিভিন্ন ধৰণৰ দোকান, তিনি চকীয়া ৰিক্সা, ঠেলা, বয়ন উদ্যোগ আদি আঁচনি- যিবোৰৰ পৰা মানুহৰ স্থায়ী বা নিয়মীয়া উপাৰ্জন হয় তেনে আঁচনিৰ বাবেহে আৰ্থিক সাহাৰ্য্য আগবঢ়াব লাগে। তাকে নকৰি বৰ্তমান যিধৰণে পৰিষদে বছৰি লাখ লাখ টকা খৰছ কৰিছে তাৰ পৰা পৰিষদৰ সদস্য, ঠিকাদাৰ আৰু কিছুমান বস্তুৰ যোগানকাৰীৰহে লাভ হৈছে বুলি ৰাইজে সমালোচনা কৰিছে। গতিকে নিজৰ স্বায়ত্ব পৰিষদৰ পৰাও মিচিং মানুহে সকাহ পোৱা নাই ।

ভূতৰ ওপৰত দানৰ পৰাৰ দৰে মিচিং মানুহৰ মাজত এনে কিছুমান ক্ৰিয়া-কাণ্ড আহি পৰিল যিবোৰৰ পৰা তেওঁলোকৰ আৰ্থিক অৱস্থাৰ ওপৰত যথেষ্ঠ হেঁচা পৰাৰ উপৰিও সমাজ বিশৃঙ্খল হৈ পৰিছে। এসময়ত মিচিং সকলৰ সীমিত পূজা-পাৰ্বন আৰু উৎসৱ প্ৰচলিত আছিল । যেনে দবুৰ, দদ্গাং, আলি আয়ে লৃগাং, পৰাগ, তালেং উই ইত্যাদি। এইবোৰ কিছু ব্যয় বহুল হ'লেও নিজৰ উৎপাদিত সামগ্ৰীৰেই সকামবা উৎসৱবোৰ পালন কৰিছিল। এইবোৰ বৰ্তমানেও প্ৰচলিত হৈ আছে। কিন্তু এইবোৰৰ লগত এনে কিছুমান ক্ৰিয়া-কাণ্ড উৎসৱ পাৰ্বন সংযোগ হ'ল যিবোৰ মিচিং মানুহৰ পৰম্পৰা বা কৃষ্টিত নাছিল। যেনে দূৰ্গা পূজা, লক্ষ্মী পূজা, অন্যান্য গ্ৰহ পূজা, সাতজনীয়া, নজনীয়া ইত্যাদি। এইবিলাকৰ উপৰিও মৃতলোকৰ বাবে বছেৰেকীয়া বা তিথি, ইংৰাজী ভোজ খোৱা, দুৰ্গা মুৰ্ত্তি বিসৰ্জন দিয়া, দশমীৰ দিনা ভোজ খোৱা আদি নানা ধৰণৰ উৎসৱ-পাৰ্বন মিচিঙে পালন কৰিবলৈ লৈছে। মাঘৰ বিহুত ভোজ খোৱাৰ প্ৰায় এমাহ মানৰ পিছতেই আলি আয়ে লৃগাং পাতি ভোজ- ভাত খায়। ইফালে কাতি বিহু আৰু বহাগ বিহু আছেই। এইবিলাকৰ উপৰিও সৰু সুৰা সকাম-নিকাম আছেই। পাঁজিপুথি চাইব্ৰাহ্মণক দান দক্ষিণা দিয়াও প্ৰচলিত হৈ আছে। এইদৰে মিচিঙে আনৰ পৰা ধাৰ কৰি নতুন নতুন উৎসৱ, নীতি-নিয়ম নিজৰ লগত সংযোগ কৰি আহিছে। এইবোৰৰ পৰা মানুহৰ আৰ্থিক অৱস্থাৰ পৰা কিমান হেঁচা পৰে তাক হয়তু উপলব্ধি কৰা নাই। বৰ্তমান যিসকল সাধু বুঢ়াই দদ্গাং আদি সকাম কৰে তেওঁলোকে প্ৰত্যেকেই নিজৰ নিজৰ অভিৰুচীৰ মতে অনেক নিয়ম-নীতি পালন কৰিবলৈ সকাম কৰা পৰিয়ালৰ ওপৰত হেঁচা দিয়ে। যেনে- -দুই-তিনিটা বা ততোধিক গাহৰি কটা, দান-দক্ষিণা দিয়া, মূল সকামৰ লগতে আৰু কেইটামান সকাম কৰা ইত্যাদি। বৰ্তমান মিচিং দদ্গা মানে খোৱা-বোৱা আৰু নাচ-গানৰ একোটা মেলা য' ত কেইবা লাখো টকা খৰচ কৰিবলগীয়া হয়। মিচিঙে আগতে দহা-কাজত মূৰ খুৰোৱা নাছিল। কিন্তু এতিয়া খুৰায়। বিয়া- বাৰুতো নতুন কিছুমান নিয়ম সংযোগ কৰিবলৈ লৈছে। যেনে আঙুঠি পিন্ধোৱা উৎসৱ (Ring ceremony), জুৰুণ দিয়া, দাই কন্যা ঘৰৰ আৰু কন্যাই দৰাৰ ঘৰৰ মানুহক মান ধৰা ইত্যাদি। এই সকলোবোৰ ক্ৰিয়া-কাণ্ডই পৰিয়ালৰ খৰচৰ মাত্ৰা যথেষ্ঠ বৃদ্ধি কৰিছে।

ধৰ্মৰ ক্ষেত্ৰতো মিচিং আজি কেইবা ভাগত বিভক্ত । যেনে- কেৱলীয়া, ভাগৱতীয়া, অনুকূলীয়া, খ্ৰীষ্টিয়ান, দঞ্চি- পল' ইত্যাদি। বিভিন্ন ধৰ্ম বিভক্ত হোৱা মানেই বিভিন্ন ধৰণৰ বিপৰীতমূখী নীতি-নিয়ম প্ৰচলন কৰা। ফলত মিচিঙৰ নিচিনা একোটা ক্ষুদ্ৰ সমাজ সামাজিক ভাৱে দুৰ্বল হোৱা প্ৰসংগক্ৰমে একোটা উল্লেখ কৰিব পাৰি যে বৰ্তমান কিছুমান মিচিঙে পূৰ্ব পুৰুষৰ কিবা বিষয়ৰ ভিত্তিত নিজৰ উপাধি লেখা দেখা যায়। যেনে- মেধি, সাতুলা, শইকীয়া, গাম ইত্যাদি। এনে উপাধিৰ পৰা মানুহজনৰ প্ৰকৃত বংশৰ পৰিচয় পোৱা নাযায়। ফলত বিয়াৰ ক্ষেত্ৰত জটিল সমস্যা সৃষ্টি হ'ব পাৰে। কাৰণ মিচিং মানুহে একে বংশ (Clan ) মাজত বিয়া পাতিব বা যৌন সম্পৰ্ক ৰাখিব নোৱাৰে। এনে কৰ্মক মহা পাপ বুলি ধৰা যায়। কিন্তু এজন পেগু বংশৰ লৰাই পেগু নিলিখি অমুকা মেধি বা সাতুলা বা গাম বুলিহে লিখে। তেন্তে সেইজনৰ লগত কোনোবা পেগু ছোৱালীৰে যৌন সম্পৰ্ক ঘটিব পাৰে বা সময়ত বিয়া হ'ব । পাৰে বুলিয়ো কবগৈ পাৰে। যদি এইটোৱেই ঘটে তেন্তে । সমাজত কোনো ধৰণৰ সমস্যা সময়ত সৃষ্টি হ'বগৈ পাৰে । এইটো সহজে অনুমান কৰিব পাৰি। বিয়াৰ ক্ষেত্ৰত ইতিমধ্যে কিছুমান বিভ্ৰান্ত ঘটিবলৈ আৰম্ভ কৰিছে। মিচিঙৰ মাজত এনে কিছুমান বংশ সমূহ (Clan group) আছে যিসকলৰ

মাজত বিয়া-বাৰু বা যৌন সম্পৰ্ক ঘটিব নোৱাৰে। যেনে দলে, কুলি, কুটুম, কামান কুম্বাং, টায়ে, ৰেগন আদি একে বংশৰ নহ'লেও তেওঁলোকৰ মাজত বিয়া হ'ব নোৱাৰে । সেইদৰে পেগু, পাইট, পাতিৰ, মেদক আদিৰ মাজত বিয়া নহয় । অতীতৰ পৰা এনে গোট সমূহৰ মাজত ভাই-ভগ্নীৰ সম্পৰ্ক ৰাখি অহা হৈছে। কিন্তু আজি কিছুদিনৰ পৰা কিছুমানে নিজৰ ব্যক্তিগত বিচাৰমতে এইবোৰ নিয়ম ভংগ কৰিবলৈ লৈছে। ইয়াৰ পৰিণাম যে বেয়া হ'ব তাৰ কোনো সন্দেহ নাই। সমাজত যৌন-সম্পৰ্কীয় ব্যভিচাৰে দেখা দিব । ফলত সমাজ দুৰ্বল হৈ পৰিব ।

বৰ্তমান মিচিং সমাজত দেখা দিয়া অন্যতম সমস্যা হ'ল– জাতীয়তাবোধৰ অভাৱ। মিচিঙে মিচিঙৰ উন্নতিৰ বাবে চিন্তা নকৰাৰ প্ৰৱণতা দেখা দিছে। ইয়াৰ স্পষ্ট প্ৰমাণ হ'ল এই যে মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানবোৰৰ দুৰৱস্থা । এই শিক্ষানুষ্ঠানবোৰৰ প্ৰায়বোৰ মুৰব্বী আৰু শিক্ষক মিচিং মানুহ । তথাপি এই অনুষ্ঠানবোৰৰ অৱস্থা সকলো দিশৰ পৰাই শোচনীয়। মিচিং অঞ্চলত প্ৰতিষ্ঠা কৰা কিছুমান শিক্ষানুষ্ঠানৰ নাম শুনা যায় য'ত অসৎ উপায়েৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ মুকলি ব্যৱসায় চলে। এনে মাৰাত্মক কাম কু-ফল মিচিং ল'ৰা-ছোৱালীয়েই বেচি ভাগ ভুগিছে। এইদৰে মিচিং চৰকাৰী বিষয়াই মিচিং মানুহৰ ভূমি পট্টন বা অন্য চৰকাৰী সাহাৰ্য্য পোৱাৰ পৰা বঞ্চিত কৰাৰ কথা শুনা যায়। মিচিং অঞ্চলত বান নিয়ন্ত্ৰণৰ বাবে মথাউৰি বন্ধাৰ ঠিকা মিচিঙেও পাইছে। কিন্তু তেওঁলোক অত্যাধিক লাভৰ আশাত নিম্ন মানৰ কাম কৰাৰ ফলত সেই বান্ধবোৰ সহজে বানপানীত ছিগি শ শ মিচিঙক সৰ্বস্ৰান্ত কৰিছে। ৰাজনৈতিক নেতা সকলেও নিজে এম. এল. এ., মন্ত্ৰী হোৱাৰ আশাত মিচিঙৰ স্বাৰ্থৰ প্ৰতি পিঠি দি কোনো সৰ্বভাৰতীয় বা আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰতিহে বেছি অনুগত্য দেখুৱাই কাম কৰে। আমাৰ বহুু শিক্ষক, চৰকাৰী বিষয়া আৰু ৰাজনৈতিক নেতাই অনুভৱ নকৰে যে মিচিঙে মিচিঙৰ বাবে চিন্তা নকৰিলে আনে কিয় কৰিব। সৰ্বভাৰতীয় বা সমগ্ৰ অসমৰ কথা চিন্তা কৰিয়ো নিজৰ মিচিঙৰ কথা চিন্তা কৰিব পাৰো। মিচিঙে মিচিঙৰ বাবে চিন্তা কৰি কাম কৰিলে সংকীৰ্ণ সম্প্ৰদায়িকতা কথা নুবুজায়। বৰং যুগ যুগ ধৰি পিছপৰি থকা দুৰ্বল জনগোষ্ঠীৰ বাবে কাম কৰাটোৱে মহত্বকে বুজায়। আমি এই কথা মনত ৰাখিব লাগিব যে সৰু সৰু জাতি-সত্বাবোৰৰ উন্নতি হ'লেহে অসম তথা ভাৰতৰ উন্নতি হ'ব। এটা দুৰ্বল ৰুগীয়া অংগ লৈ এটা শক্তিশালী সুস্থ শৰীৰ হ'ব নোৱাৰে ।

ওপৰত উল্লেখ কৰা অৱস্থাৰ পৰা বুজা যায়– আজি মিচিং সমাজ কোনফালে গতি কৰিছে। এই সমাজৰ ভৱিষ্যত কি– এইটো এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। গতিকে যুৱ সমাজে এনে প্ৰশ্নৰ উত্তৰ সম্পৰ্কে চিন্তা কৰিবৰ হ'ল। বৰ্তমান আমাৰ প্ৰয়োজন হৈছে সংস্কাৰমূখী আন্দোলন। সমাজৰ প্ৰচলিত হৈ থকা কু-সংস্কাৰ বিশেষকৈ তথাকথিত ধৰ্মীয় প্ৰথা বা ক্ৰিয়া-কাণ্ড আৰু অপসংস্কৃতিবোৰ বন্ধ কৰিবৰ বাবে চেষ্টা চলাব লাগিব। সাধু-ভকতে মদ-গাহৰি খাই সকাম-নিকাম কৰাৰ কোনো অৰ্থ থাকিব নোৱাৰে । বৰ্তমান সকামৰ নামত যিবোৰ ক্ৰিয়া-কাণ্ড প্ৰচলিত হৈ আছে এইবোৰ অন্ধবিশ্বাসৰ সুযোগ লৈ মদে মাংসই ভোজ-ভাত খোৱাৰ ব্যৱস্থাহে হৈছে। এইবোৰ কু-সংস্কাৰ থাকে মানে মিচিং সমাজৰ কেতিয়াও উন্নতি নহ'ব।

গতিকে শিক্ষিত যুৱক সকলে এনে কু-সংস্কাৰ আঁতৰাবৰ বাবে আন্দোলন কৰিব লাগিব । লগতে মিচিং অঞ্চলত অৱস্থিত শিক্ষানুষ্ঠান বিলাক শৈক্ষিক দিশত যাতে উন্নত হয় তাৰ বাবে সামুহিকভাৱে যত্ন কৰিব লাগে। যিবিলাক শিক্ষানুষ্ঠানত অসৎ উপায়ে পৰীক্ষাত উত্তীৰ্ণ হোৱা ব্যৱসায় চলি আছে সেইবোৰ কঠোৰভাৱে বন্ধ কৰিব লাগিব । সেইদৰে মাটিৰ পট্টন লাভ কৰা, বান্ধ নিৰ্মাণ কৰা, কৃষি উন্নয়নৰ বাবে চৰকাৰী সাহাৰ্য্য বিতৰণ আদি ক্ষেত্ৰত যিবোৰ অনিয়ম আৰু অবিচাৰ চলি আহিছে সেইবোৰৰ প্ৰতিবাদ কৰি ব্যাপক আন্দোলন গঢ়ি তুলিব লাগিব। মনত ৰখা উচিত যে এক্যবদ্ধ আন্দোলনৰ অবিহনে নিজৰ ন্যাৰ্য্য প্ৰাপ্তি লাভ কৰাটো বৰ্তমান অসম্ভৱ হৈ পৰিছে। সচেতনতা আৰু আন্দোলনৰ অভাৱতে আমি ইতিমধ্যে বহুতো হেৰুৱালো। কিন্তু আন্দোলন হ'ব লাগিব গণতান্ত্ৰিক, শান্তিপূৰ্ণ আৰু অৰাজনৈতিক অন্যথাই আন্দোলন সফল নহ'ব।

**"স্মৃতিগ্ৰন্থ"   চতুৰ্থ মিচিং যুৱ মহোৎসৱ স্মৃতিগ্ৰন্থৰ পৰা মুদ্ৰিত।**

# বুৰঞ্জীবিদ
# সোনাৰাম পাএাং কটকী

**মনেশ্বৰ পাএাং কটকী**

অন্য সমাজৰ মাজত সুপ্ৰসিদ্ধ নহ'লেও মিচিং জাতিৰ জনক, সংস্কাৰক অথবা পথ-প্ৰদৰ্শক বুলি যাক ক'ব পাৰি আৰু যিজনে অনুন্নত মিচিং সমাজক বহিৰ্জগতৰ লগত চিনাকি কৰি দিলে তেওঁৱেই হৈছে বুৰঞ্জীবিদ সোনাৰাম পাএাং কটকীদেৱ। তেখেতৰ মাত-কথা অলপ অস্পষ্ট আছিল। সেয়েহে তেখেতৰ সমসাময়িক সকলে তেখেতক মৰমতে 'কুনা' অৰ্থাৎ "খোনা" বুলি মাতিছিল। মিচিং সমাজত পৰিচিত প্ৰিয় নাম আছিল "পেপুল" । সমসাময়িক লোকনহ'লে কোনো এজন ব্যক্তিৰ নিখুঁত জীৱনী লিখিবলৈ যোৱাটো ভ্ৰমসংকুল মাথোন, অথচ দোষ ত্ৰুটীটো অনিবাৰ্য্য বুলি জানিও তেখেতৰ জীৱনী তলত লিখা ধৰণেই সমাজলৈ আগবঢ়ালো ।

তেখেতৰ জন্ম হয় উত্তৰ লক্ষীমপুৰ মহকুমাৰ গোহাঁই মৌজাৰ অন্তৰ্গত থকা অয়েঙ্গীয়া বৰ গাওঁৰে অয়েঙ্গীয়া বৰ খেলৰ পাএাং বংশত। এই পাএাং বংশটো অন্যান্য মিচিং বসতি প্ৰধান ঠাইত ব্যাপকভাৱে সিঁচৰিত হৈ নথকাত বহুতৰ মাজত অবিদিত। মিচিং সমাজত আদিৰে পৰা সোঁৱৰণি আদি লিপিবদ্ধ কৰি ৰখা প্ৰথা নাছিল যদিও ১৮৮৬ খৃষ্টাব্দত তেখেতৰ জন্ম হয় বুলি জনশ্ৰুতি আছে। বিশেষতঃ সেই সময়ত অনুন্নত সম্প্ৰদায়ৰ মাজত শিক্ষা বিস্তাৰ নোহোৱা হেতুকেই মিচিং সম্প্ৰদায়ৰ মানুহে নিজৰ প্ৰতিবিম্ব নাওৰ টিঙত বহি পানীত চাইছিল; অৰ্থাৎ দাপোন ৰূপে ব্যৱহাৰ কৰিছিল নৈৰ পানীক । ইয়াৰ পৰাই বুজিব পাৰি যে আমাৰ মিচিংসকলৰ বাবে চন-তাৰিখৰ মূল্য কোনখিনিত আছিল ।

পাএাং কটকীদেৱে জন্ম গ্ৰহণ কৰিছিল সাধাৰণ দুখীয়া মিচিং পৰিয়ালত আৰু ডাঙৰ দীঘলো হৈছিল তেওঁৰ দৰে দৰিদ্ৰ শিশু সকলৰ লগত ধূলি বালি খেলি। তেখেত যৎকিঞ্চিত শিক্ষাৰেই উপলব্ধি কৰিছিল এই অনুন্নত মিচিং সমাজৰ তৎকালীন উন্নতিৰ প্ৰয়োজনীয়তা। সেই বাবেই তেখেতে এই মিচিং জাতিক অন্যান্য জাতিৰ লোকৰ লগত চিনাকি কৰি দিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল ।

প্ৰাইমেৰী স্কুলৰ শিক্ষা শেষ কৰি তেওঁ উত্তৰ লক্ষীমপুৰ মধ্য ইংৰাজী স্কুলত শিক্ষা লাভ কৰে। তাৰপৰা গৈ তেওঁ ডিব্ৰুগড়ৰ উচ্চ ইংৰাজী স্কুলত ভৰ্ত্তি হৈ অষ্টমমান শ্ৰেণীলৈকে পঢ়ে; আৰু পাছত নৱমমান শ্ৰেণীলৈকে উত্তীৰ্ণ হয়। কিন্তু দৰিদ্ৰতাৰ হেঁচাত বাধ্য হৈ তেওঁৰ ছাত্ৰ জীৱন ইমানতেই সমাপ্ত কৰিব লগা হয় ।

পাএাং কটকীদেৱে তেওঁৰ হাইস্কুলীয়া জীৱন ইমানতে শেষ কৰি পাছত শদিয়া, পাছিঘাট আৰু দাম্ৰ আদি অঞ্চলৰ প্ৰাইমেৰী স্কুলত শিক্ষকতাৰ কাম কৰিছিল । সেই সময়তে তেওঁ এজন সুদক্ষ সাহিত্য সাধকক লগ পাইছিল (নামটো দিব পৰা নহ'ল, কিন্তু পাএাং কটকীদেৱৰ বুৰঞ্জীৰ পাতনিত উল্লেখ আছিল)। সেই গৰাকী সাহিত্যিকৰ

পৰা অনুপ্ৰেৰণা লাভ কৰি তেওঁ বুৰঞ্জী সাহিত্যৰ নিচিনা জটিল কামত হাত দিছিল। সেই কালত বিপদ-সংকুল উত্তৰ- পূৰ সীমান্ত অঞ্চলৰ জনজাতি ৰাইজৰ মাজৰ পৰা জনশ্ৰুতিমূলক বুৰঞ্জীৰ সমল উদ্ধাৰ কৰি তেখেতে “মিৰি জাতিৰ বুৰঞ্জী” আৰু “মিৰি দোৱান” নামৰ কিতাপ লিখে । এটা কথা মন কৰিলে দেখা যায় যে মিচিং সমাজৰ পৰা স্বাধীনতা সংগ্ৰামত কমলা মিৰিয়ে অংশ গ্ৰহণ কৰি সমাজৰ প্ৰথম শ্বহীদ হোৱাৰ দৰে “ পাঞাং কটকীদেৱেও সাহিত্য জগতত যৎকিঞ্চিৎ হ'লেও সৰ্বপ্ৰথমে মিচিং জাতিৰ প্ৰতিনিধিত্ব কৰিছিল। তেখেত মিচিং সমাজৰ সৰ্বপ্ৰথম লিখক আনকি মিচিং সমাজৰ প্ৰথম পথ-প্ৰদৰ্শক চাৰু চন্দ্ৰ দলে “ মুহি মিৰিয়ো এই ক্ষেত্ৰত তেখেতৰ পিছত । তেখেতৰ মুখত শুনিছিলো যে তেখেতে “বৰদৈচিলা” আলোচনীত প্ৰৱন্ধ আদি লিখা বুলি। তেখেতৰ লিখিত কিতাপ “মিৰি জাতিৰ বুৰঞ্জী” , “মিৰি দোৱান” , “মান পৰাজয়” আৰু “কেৰলীয়া ঘোষা” আদিয়েই প্ৰধান। এই গ্ৰন্থসমূহ মিচিং সমাজৰ তথা সদৌ অসমীয়া ৰাইজৰ কাৰণে অমূল্য সম্পদ। বৰ্তমানে লুপ্তপ্ৰায়। ইয়াক সংৰক্ষিত কৰি পুনৰ মুদ্ৰণ কৰাটো মিচিং সমাজৰ কৰ্ত্তব্য বুলি ভাবোঁ।

তেখেতৰ “মান পৰাজয়” নাটকখনি হাতেলিখা অৱস্থাতে এৰি থৈ যায়। এই আপুৰুগীয়া নাটকখনি মৃত্যুৰ পাছতো প্ৰকাশ কৰিব পৰা নহ'ল । পাঞাং কটকীদেৱ অকল লিখক, সমাজ সংস্কাৰকেই নাছিল। জ্যোতিষ বিদ্যাতো তেখেত পাৰ্গত আছিল। গতিকেই তেখেতক “মিৰিৰ ব্ৰাহ্মণ” বুলিও মানুহে জানিছিল। হিন্দী আৰু সংস্কৃততো তেখেতৰ যথেষ্ট জ্ঞান আছিল।

১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্প আৰু বানপানীত তেখেতৰ পত্নীক হেৰুৱাই ১৯৫২ চনৰ আহিনৰ ২৮ তাৰিখৰ দিনা তেখেতৰ মহান জীৱনৰ সমাপ্তি মাজখোৱা মৌজাৰ অন্তৰ্গত হাৰ্হি মিৰি গাঁৱত ঘটে। ই সদৌ মিচিং ৰাইজৰ বাবেই এক অপুৰণীয় ক্ষতি হৈ ৰ'ল।

# ভাৰত স্বাধীনতা আন্দোলনত ঢকুৱাখনা আৰু সোৱনশিৰী অঞ্চলৰ অৱদান

**শ্ৰীমতী বাসন্তী মৰাং**

প্ৰথম মহাযুদ্ধৰ পিছত ভাৰতীয় ৰাজনীতিত নতুন বিপ্লৱৰ যুগ আৰম্ভ হয়। ভাৰতীয় সভা-সমিতি,বক্তৃতা আদৰ সলনি সক্ৰিয় গণ-আন্দোলন আৰম্ভ হয়, মহত্মা গান্ধীয়ে ভাৰতত বৃত্ৰিছ শাসনৰ বিৰুদ্ধে অসহযোগ আন্দোলন আৰম্ভ কৰি ৰাজনীতিৰ ধাৰাত পৰিৱৰ্তন আনে। গান্ধীজিৰ সংগ্ৰামৰ পদ্ধতি আছিল অভিনৱ ধৰণৰ। যি কি নহওঁক ভাৰতৰ স্বাধীনতা আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষত কি ধৰণৰ পৰিৱৰ্তন আনিলে সেই কথা দোহৰাৰ প্ৰয়োজন নিশ্চয় নাই। এই আন্দোলনত অসম জন সাধাৰণৰ অংশ গ্ৰহন আছিল অভুত পূৰ্ব্ব। অসমৰ অতি পিছপৰা হিচাপে জনাজাত লক্ষীমপুৰ ধেমাজি আদি ঠাইতো ইয়াৰ প্ৰভাৱ যথেষ্ঠ পৰিছিল। অসমৰ কলীয়া পানী ৰূপে খ্যাত ঢকুৱাখনা আৰু সোৱনশিৰী অঞ্চলতো এই আন্দোলনে ব্যাপক সহাঁৰি লাভ কৰিবলৈ সক্ষম হৈছিল।

উল্লেযোগ্য যে ১৮৮৫ চনতেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল আৰু আৰম্ভনীৰ পৰাই অসমৰ অংশ গ্ৰহন আছিল আশা কৰাতকৈ বেছি। মহামানৱ মহাত্মা গান্ধী আৰু তেওঁৰ নেতৃত্বৰ কংগ্ৰেছে পৰিচালনা কৰা বিশ্ব ইতিহাসৰ অভুত পূৰ্ব্ব ধৰণৰ ভাৰতৰ স্বাধীনতা যুদ্ধখন কেনেভাৱে চলিছিল আৰু এই অহিংস মুক্তিৰ সংগ্ৰাম কেনেকৈ কৃতকাৰ্য্য হৈছিল, সেই সম্পৰ্কে নিশ্চয় সকলোৱে জানে। অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ, শতৃৰুপক্ষৰ বন্দুকৰ গুলীৰ সন্মুখীন হোৱাতকৈ নিৰস্ত্ৰ আৰু অহিংসাভাৱে সশস্ত্ৰ শতৃৰুপক্ষৰ সন্মুখীন হোৱাৰ যি অহিংস পদ্ধতি সি আজিৰ সামাজতে বিশেষতাৰে প্ৰয়োজ্য হ'ব লাগে বুলি অশা কৰো । কাৰণ, পৃথিৱীৰ ইতিহাসত হিংসাবাদে কোনো সমস্যাৰ উপাযুক্ত আৰু স্থায়ী সমাধান বৰিব পৰা নাই সি আন্তঃৰাষ্ট্ৰীয় সমস্যাই হওঁক বা আভ্যন্তৰীণ ৰাষ্ট্ৰীয় সমস্যাই হওঁক। যি কি নওঁওঁক, এই নিবন্ধটিৰ মূল আলোচ্য বিষয়টো আছিল - ভাৰতৰ স্বাধীনতা আন্দোলনত লক্ষীমপুৰ জিলাৰ অতি পিছপৰা ঠাই ঢকুৱাখনা আৰু সোৱনশিৰী অঞ্চলৰ ভুমিকা বা অৱদান । আগতেই উল্লেক কৰি অহা হৈছে যে, পিছপৰা অঞ্চল যদিও এই ঠাইত স্বাধীনতা অন্দোলনৰ ঢৌৱে সৰ্ব সাধাৰণ ৰাইজক বিশেষ ভাৱে স্পৰ্শ কৰি গৈছিল ।

লক্ষীমপুৰ জিলাত প্ৰথম জিলা কংগ্ৰেছ কমিটি গঠন হয় ১৯২০ চনত। কেইজন মান ডেকা কৰ্মীৰ উদ্যোগত

এই কমিটি গঠন কৰা হৈছিল। সেই সকল আছিল যথাক্ৰমে সৰ্ব্বেশ্বৰ বৰুৱা, বি,এ, এল, এল, বি, **শশীধৰ ফুকন**, মহম্মদ উল হকবৰুৱা আৰু ৰজনীকান্ত খাৰঘৰীয়া। সেই সভাত মহকুমাৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধি আৰু স্থানীয়লোক সকলে যোগ দিছিল। তলত নাম দিয়া ব্যক্তি সকলেৰে জিলা কমিটি খন গঠন কৰা হৈছিল।

সৰ্ব্বেশ্বৰ বৰুৱা - সভাপতি

**শশীধৰ ফুকন** - সম্পাদক।

সমিতিৰ অন্যান্য সদস্য সকল আছিল ঢকুৱাখনাৰ চন্দ্ৰশেখৰ দাস, বাসুদেৱ স্থানৰ শিৱচন্দ্ৰ গোস্বামী, বৰদলনীৰ মনিকান্ত হাজৰিকা, উত্তৰ লক্ষীমপুৰৰ আব্দুল গনি হাজৰিকা, ৰজনীকান্ত খাৰঘৰীয়া, মহম্মদ উল হক বৰুৱা, চন্দ্ৰ কুমাৰ দে, নাৰায়ন পুৰৰ হলধৰ ভুঞা, নাওবৈছাৰ হাঁহিৰাম শইকীয়া, উত্তৰ লক্ষীমপুৰৰ ন- কাৰীৰ নীলকন্ঠ গোঁহাই বৰুৱা, সোনাৰম শইকীয়া, বেণী মাধৱ দস্তিদাৰ, ৰবিচন্দ্ৰ হাজৰিকা, নুকুলেশ্বৰ খটনীয়াৰ কমালাবাৰীৰ মীনকান্ত গোস্বামী, জয়চন্দ্ৰ মহন্ত আদি।

১৯২১ চনত এই কমিটিখনে অসম প্ৰাদেশিক কমিটি অনুমোদন লাভ কৰে। ১৯২১ চনত ২৫ নৱেম্বৰ তাৰিখে তৰুণৰাম ফুকন কুলধৰ চালিহা আৰু শংকৰ বৰুৱাকে প্ৰমুখ্য কৰি কেইজনমান ৰাজ্যিক পৰ্য্যয়ৰ নেতা লক্ষীমপুৰলৈ আহে এই নেতা সকলৰ আগমনত সমগ্ৰ জিলাতে এটি নতুন জাগৰণ দেখা দিয়া ১৭-১১-১৯২১ তাৰিখে চৰকাৰী হাইস্কুল প্ৰঙ্গণত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু সেই দিনাৰ পৰাই স্কুলত স্থায়ী ধৰ্মঘট আৰম্ভ হয় আৰু মহিবুল হুছেইন, হেম বৰ পুজাৰী আদিয়ে শিক্ষকতাৰ চাকৰি এৰি আন্দোলনত অংশ গ্ৰহন কৰিবলৈ আগবাঢ়ি আহে। সিদ্ধেশ্বৰ গগৈয়েও কলেজ বাদ দি আন্দোলনত যোগ দিয়ে।

সেই সভাতেই ৰাইজক বেদেশী কাপোৰ বৰ্জন কৰিবলৈ জনোৱাত সকলোৱে তাত সহাঁৰি জনাই কাপোৰ সোলোকাই দিছিল। গধুলীলৈ সেই কাপোৰবোৰত জুই লগাই দিছিল। ইয়াৰ পিছতেই নতুনকৈ জিলা কমিটিখন গঠন কৰা হয়। সেই কমিটি খনত সৰ্ব্বেশ্বৰ বৰুৱাক সভাপতি আৰু চন্দ্ৰশেখৰ দাস উপসভাপতি ৰূপে মনোনীত কৰা হয়। লাহে লাহে আন্দোলনৰ গতি ক্ষীপ্ৰতৰ হৈ উঠে আৰু চৰকাৰে ১৪৪ ধাৰা আইন জাৰি কৰি শ শ লোকক গ্ৰেপ্তাৰ কৰি জেল জৰিমনাৰে শাস্তি বিহে। এই আন্দেলন ১৯২২ চনৰ আৰম্ভণীলৈকে চলি আছিল। ১৯২১ চনৰ পৰা ১৯৩৫ চললৈকে কংগ্ৰেছৰ সংগঠন জিলা পৰ্য্যায়ত আছিল। ১৯৩০- ৪০ চনলৈকে চন্দ্ৰশেখৰ দাসৰ নেতৃত্বত ঢকুৱাখনাক কেন্দ্ৰ কৰি পুব অঞ্চলটোত বৈপ্লৱিক ভাৱধাৰা এৰি কেৱল গঠন মূলক দৃষ্টি ভঙ্গীৰে কংগ্ৰেছৰ কামকাজ চলাই থকা হৈছিল। পুৱ ঢকুৱাখনাৰ বিমলাকান্ত দলে আৰু সোৱনশিৰীৰ আয়েঙ্গীয়া গাঁৱৰ ৰামচন্দ্ৰ মৰাংৰ নেতৃত্বত মিছিং ভাই ভনীৰ মাজত কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্য চলোৱা হৈছিল। এই অঞ্চলটোত • স্কুল স্থাপন, কংগ্ৰেছ কাৰ্য্যলয় স্থাপন, খাদী আশ্ৰম খোলা আদি কাম বিলাক প্ৰশংসনীয় ভাবে আগবাঢ়ি গৈছিল। কংগ্ৰেছৰ আদৰ্শৰ তেনে কৰ্মত জড়িত ব্যক্তি সকল আছিল আনন্দ দত্ত, শৈল বৰা (জীয়া মৰীয়া গাঁও) অকনবালা দাস, তৰুণ বৰুৱা (কোঁৱৰ গাঁও) কুঞ্জৰাম দাস (হুজ গাঁও) ৰেণু চুতীয়া, দাসীৰাম চুতীয়া, ইন্দ্ৰ গোঁহাই, ভুৱন চুতীয়া, জয়চন্দ্ৰ গইন (বালি গাঁও) সোমধৰ ভৰালী, ডম্বুৰু ধৰ চেতিয়া, (চেতীয়া গাঁও), কেশৱ গোঁহাই (কেকুৰী) ৰুক্মনাথ গগৈ (দীঘলা গাঁও) চন্দ্ৰধৰ গোঁহাই (বালি গাঁও) ইত্যাদি। ১৯৩৮ চনত ঢকুৱাখনা গোঁহাই আৰু মাছখোৱা মৌজাত বিমলা প্ৰসাদ চালিহাদেৱৰ নেতৃত্বত কংগ্ৰেছৰ সংগঠন কাৰ্য্য পূৰ্ণ গতিত চলে। তেখেতৰ পৰিচালনাত ঢকুৱাখনাৰ বালিগাঁও, মদাৰগুৰি আৰু কলাবাৰী গাঁৱত তিনিটা খাদী প্ৰতিস্থান খুলি বহু কৰ্মীক প্ৰশিক্ষন দিয়া হয়। ঢকুৱাখনাৰ জয়চন্দ্ৰ গগৈৰ পৰিচালনাত কেম্প বিলাক চলিছিল। এইদৰে ১৯৪২ চনৰ অহিংস আন্দোলনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হ'ল।

১৯৪২ চনৰ জুন মাহত লক্ষীমপুৰ জিলা কংগ্ৰেছৰ এক গুৰুত্বপূৰ্ণ অধিৱেশন উমাকান্ত ৰাজখোৱাৰ সভাপতিত্বত লক্ষীমপুৰ মৌজাৰ বাহাদুৰ চুক গাঁৱত অনুষ্ঠিত হয়। এই বৈঠকত আগন্তক আন্দোলনৰ কাৰণে কৰ্ম্মী সকলক সাজু হবলৈ নিৰ্দ্দেশ দিয়ে। সেয়াই আছিল বিয়াল্লিছৰ বিপ্লৱৰ প্ৰথম সুচনা। ইয়াৰ পিছত ১১ আগষ্টৰ পৰা উত্তৰ লক্ষীমপুৰত গণ বিপ্লৱ আৰম্ভ হয়। দোকান বজাৰ আদি বন্ধ কৰি শান্তিপূৰ্ণ ভাৱে হৰতাল পালন কৰে। ১৩ আষ্টৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেনী বৰ্জন কৰি বিভিন্ন ঠাইত গৈ প্ৰচাৰ কাৰ্য্য চলায়। ঢকুৱাখনা হাইস্কুল, লোহিত

ডিক্ৰুং হাইস্কুল আদিত গৈ তেওঁলোকে ছাত্ৰ-ছাত্ৰী সকলক আন্দোলনত অংশ গ্ৰহন কৰিবলৈ আহ্বান জনায়। সেই সময়তে ঢকুৱাখনাৰ জীয়ামৰীয়া গাঁৱৰ আনন্দ চন্দ্ৰ দত্তই শিক্ষকতাৰ চাকৰি বাদ দি আন্দোলনত নামে আৰু তেখেতেই নেতৃত্ব লৈ সেই গোটেই অঞ্চলত আন্দোলনৰ কাৰ্য্যসূচী চলাই নিয়ে। শিক্ষা বৰ্জন কৰি গণ আন্দোলনত যোগদান দিওঁতা ঢকুৱাখনা হাইস্কুলৰ ছাত্ৰ নেতা সকল আছিল যথাক্ৰমে মোলোক দত্ত (গোবিন্দপুৰ) টংকেশ্বৰ পাঁটনি (থেকেৰা গুৰি) হৃদয়ানন্দ ফুকন (কোঁৱৰ গাঁও) বলাই গগৈ (বান্তৌ গাঁও) দিবাকৰ মৰাং (সোৱনসিৰী) বিষ্ণু চাংমাই (জামুগুৰি সতীশ চন্দ্ৰ গগৈ (হিলৈদাৰী) দুলাল বৰুৱা (গোবিন্দপুৰ), লালাকান্ত দাস (হুজগাঁও) মনবৰ দত্ত (ঘিলামৰা), মীনকান্ত চেতীয়া (চেতীয়া গাঁও) ৰুক্মনাথ দাস (হুজ গাঁও)। ছাত্ৰনেতা সকলৰ দৰে বহু ছাত্ৰীয়েও শিক্ষা বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ঢকুৱাখনা অঞ্চলৰ শ্ৰীমতী হেমপ্ৰভা ভৰলীৰ নাম এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি। তেখেত বৰ্ত্তমান গুৱাহাটী স্থায়ী বাসিন্দা। বয়সে তেখেতৰ কৰ্ম স্পৃহাত অকনো বাধা দিব পৰা নাই - এতিয়াও তেখেত সমাজ সংগঠন আৰু সেৱা মূলক কাম কাজত নিজকে জড়িত কৰি ৰাখিছে। সুখৰ কথা যে এই বছৰ তেখেতক ভাৰত চৰকাৰে সন্মান জনক ৰাষ্ট্ৰীয় বঁটা প্ৰধান কৰি আজীৱন সমাজ সেৱাৰ ব্ৰতী হোৱাৰ বাবে সন্মান প্ৰদৰ্শন কৰিছে।

আন্দোলন তীব্ৰহৈ উঠাত চৰকাৰেও কঠোৰ ব্যৱস্থা হাতত লবলৈ বাধ্য হ' ল। বিভিন্ন ঠাইত শোভাযাত্ৰা কৰী সকলৰ ওপৰত লাঠি চালনা হয়। ঢকুৱাখনা হাইস্কুলৰ পৰাও ছাত্ৰ নেতা দিবাকৰ মৰাং দুলাল বৰুৱা, পূৰ্ণ ভৰালী, বলাই গগৈ, লীলাকান্ত দাস আদিৰ নেতৃত্বত শোভা যাত্ৰা উলিওৱা হয়। এই ছাত্ৰ নেতা সকলক আনন্দ দত্ত, ডম্বৰু চেতিয়া, কবিন্দ্ৰ নাথ গগৈ আদি বয়োজেষ্ঠ সকলে দিহা – পৰামৰ্শ দিছিল আৰু বহু ক্ষেত্ৰত সহায় কৰিছিল। সেই বছৰৰে ২৪ আগষ্টত উত্তৰ লক্ষীমপুৰ জিলা কংগ্ৰেছৰ বিশেষ অধিবেশন নাৰায়ন পুৰৰ মাধৱ পুৰত বহে। এই অধিবেশনত আন্দোলন চলোৱাৰ সিদ্ধান্ত কৰি সংগঠনিক কামৰ সুবিধাৰ কাৰণে সমগ্ৰ জিলাখনকে তিনিটা ভাগ কৰি লোৱা হয়। জিলা পৰ্য্যায়ৰ পৰিচালক সমিতিত বাসুদেৱ থানৰ শিৱ প্ৰসাদ গোস্বামীক নিৰ্ব্বচিত কৰা হৈছিল । আন্দোলন তীব্ৰতৰ হৈ উঠাৰ লগে লগে কিছুমান লোকে সামান্য ভাৱে হলেও হিংসাত্মক পদ্ধতি অৱলম্বন কৰি বিদেশী শাসন উচ্ছেদ কৰাৰ দুৰূহ চিন্তাধাৰা কৰিবলৈ আগবাঢ়ি আহিছিল পৰিণামত ঢকুৱাখনাৰ ফৰেষ্ট অফিচ, লালুকৰ ডাক বঙলা, লীলাবাৰী চাহ বাগিছাৰ চাহাবৰ বঙলা, নগৰত থকা ইউৰোপীয়ান ক্লৱ, ঢকুৱাখনাৰেই ৩ খন দলং আদিত কিছুমান লোকে অগ্নি সংযোগ কৰে। এই ঘটনা বিলাকৰ পিছত চৰকাৰে পুলিচ - মিলিটেৰী নিয়োগ কৰি বজ্ৰহস্তে আন্দোলন দমন কৰাত উঠি পৰি লাগিল। উক্ত ঘটনা সম্পৰ্কত চৰকাৰে ছাত্ৰ সকলক বেছি সন্দেহ কৰি ছাত্ৰ দমনত জোৰ দিয়ে । ২৫ আগষ্টৰ পৰা ছাত্ৰ নেতা সকলক ধৰিবৰ কাৰণে পুলিচে এক বিশেষ অভিযান আৰম্ভ কৰে। বহু ছাত্ৰই তেতিয়া আত্মগোপন কৰি কংগ্ৰেছ কৰ্মীৰ সৈতে লগ লাগি গাঁৱত কাম কৰা আৰম্ভ কৰে। ঢকুৱাখনাৰ ছাত্ৰ নেতা লীলাকান্ত দাস, দুলাল বৰুৱা, পুৰ্ণ ভঁৰালী সোৱনশিৰী অঞ্চলৰ দিবাকৰ মৰাং আদিয়ে এই দৰে ভিতৰি ভিতৰি আন্দোলনৰ কাম কৰি থাকে। এইদৰে কাম কৰোতে তেওঁলোক ধৰা পৰিল ২০-৩০ দিনলৈকে ফাটেত বন্দী হৈ থাকিব লগাত পৰিছিল আৰু কিছু টকাৰ জৰিমনাও ভৰিব লগীয়া হৈছিল।

ইমানতে ক্ষন্ত নহৈ চৰকাৰে কিছুমান শিক্ষানুষ্ঠান বন্ধ কৰি দিয়ে কাৰণে ছাত্ৰকিছুমান চিৰদিনৰ কাৰণে পঢ়া এৰি দিবলৈ বাধ্য হয়। অৱশ্যে চৰকৰৰ দমন নীতি যিমানেই কঠোৰ হৈ উঠিছিল, জনজাগৰণো তাৰ অনুপাতে বাঢ়ি গৈছিল। যদি আগদিনা দহ জন কৰ্মীয়ে পুলিচৰ হাতত মাৰ খায়, পিছদিনা বিশজনে সেই শাস্তি মুৰ পাতি লবলৈ স্ব- ইচ্ছাই আগবাঢ়ি আহে। বৰ্ত্তমান সু বিধা বাদী তথাকথিত ৰাজনৈতিক নেতা আৰু দালালবোৰে এই কথা জানি নিশ্চয় আচৰিত হ'ব।

স্বাধীনতাৰ কাৰণে কৰা দীঘলীয়া আন্দোলনত আমাৰ দেশৰ বহু দেশ প্ৰেমিকে নিজৰ ৰুচি আৰু সামৰ্থ্য অনুসৰি যোগদান কৰা দেখা গৈছিল। কিছুমান ৰাজঘৰীয়া পদবী, চাকৰি, আদি বৰ্জন কৰি দেশ মাতৃৰ সেৱা কৰিছিল । ঢকুৱাখনা আৰু সোৱনশিৰী অঞ্চলৰ বহুলোকে ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে জাতীয় কংগ্ৰেছে চলোৱা বিভিন্ন আন্দোলনত সাময়িক আৰু দীৰ্ঘ দিনৰ কাৰণে ব্ৰতী হৈছিল

সেই সকলৰ নাম ইয়াত উল্লেখ কৰা হ'ল। দীৰ্ঘকালৰ কৰ্মী সকলৰ নাম :-
ঢকুৱাখনা মৌজা :-
"পূৰ্ণকান্ত ভৰালী -বামুন গাঁও - ১৯৪২-১৯৪৭ লৈ জিলা পৰ্য্যায়ৰ কৰ্মী (কাৰাবাস খাটিছিল)
ডম্বৰু ধৰ চেতিয়া – বামুন গাঁও- জিলা পৰ্য্যায়ৰ কৰ্মী।
আনন্দ দত্ত-জিয়ামৰীয়া গাঁও-জিলা পৰ্য্যায়ৰ কৰ্মী। চাকৰি বৰ্জন। (কাৰাবাস)।
ৰুক্মনাথ গগৈ - দীঘলা গাঁও -১৯৩৫-১৯৪৭ চন। চাকৰি বৰ্জন।
কবীন্দ্ৰ নাথ গগৈ-দীঘলা গাঁও -১৯৪২-১৯৪৭চন। (কাৰাবাস)
জয়চন্দ্ৰ গগৈ - বালিগাঁও-১৯৩৫-১৯৪৭ চন। শিক্ষা বৰ্জন।
তৰুণ বৰুৱা - কোঁৱৰ গাঁও-১৯৩২-১৯৪৭ চন। শিক্ষা বৰ্জন।
'বিমলাকান্ত দলে - ভোমাজাৰণী- সক্ৰিয় কৰ্মী। সমাজসেৱক।
" ডিম্বেশ্বৰ দাস- বালিগাঁও- ১৯৪২-১৯৪৭ চন। চাকৰি বৰ্জন। জিলা পৰ্য্যায়ৰ কৰ্মী
"মুহিৰাম দত্ত - জালভাৰী- ১৯৩৫-১৯৪৭ চন। ব্যৱসায় বাদ দি আন্দোলনত যোগদান।
কেশৱ চন্দ্ৰ গগৈ – কাঠৰ বাৰী- ৪ মাহ সশ্ৰম কাৰাদণ্ড। ১০০ টকা জৰিমনা।
চন্দ্ৰশেখৰ দাস - কোঁৱৰ গাঁও - ৬ মাহ সশ্ৰম কাৰাদণ্ড। চাকৰি ত্যাগ। আজীৱন সমাজ কৰ্মী আছিল।
গণনাথ গোহাঁই - বালি গাঁও- চাকৰিৰ পৰা বৰ্খাস্ত। ৫০ টকা জৰিমনা।
শৰৎ দাস - বালি গাঁও- শিক্ষা বৰ্জন। গোঁহাই মৌজা :-
" দাৰিকা নাথ ফুকন - ঘিলামৰা - চাকৰি বৰ্জন। জিলা পৰ্য্যায়ৰ কৰ্মী (কাৰাবাস)।
" শিৱ প্ৰসাদ গোস্বামী - বাসুদেৱ থান- জিলা পৰ্য্যায়ৰ সক্ৰিয়া কৰ্মী। ঘৰ ক্ৰোক। বন্দুক বাজেয়াপ্ত।
ৰামচন্দ্ৰ মৰাং - আয়েঙ্গীয়া গাঁও- জিলা পৰ্যায়ৰ কৰ্মী (কাৰাবাস)।
- " কুলনাথ ভৰালী - বেবেজীয়া – সমাজ সেৱক। দিবাকৰ মৰাং - আয়েঙ্গীয়া গাঁও- জিলা পৰ্য্যায়ৰ কৰ্মী। শিক্ষা পৰ্জন
"কুল প্ৰসাদ গোস্বামী - ঘিলামৰা- শিক্ষা বৰ্জন। জিলা পৰ্য্যায়ৰ কৰ্মী।
" বিলাস ৰায় খেমানী - বেবেজীয়া - ছয়মাহ সশ্ৰম কাৰাদণ্ড

এই সকলৰ ওপৰিও ভুৱন চুতীয়া, মতিৰাম খৰিকৰ আৰু মোহন চন্দ্ৰ শইকীয়া আদিক ৰাজনৈতিক নিৰ্য্যাতিতৰ স্বীকৃতি দি পেঞ্চন প্ৰদান কৰে। সেইদৰে ঢকুৱাখনা মৌজাৰ সোমধৰ ভৰালী, কালিৰাম দত্ত, ৰামনাথ দত্ত, দাশী চুতীয়া, হেমপ্ৰভা ভৰালী, অকনবালা দাস, সুখপ্ৰভা গগৈ, ফুলেশ্বৰী চুতীয়া, ডিম্বেশ্বৰী পাতিৰ, কমলা তামুলী, কঞ্জু দাস আদিয়ে স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি দেশৰ স্বাধীনতা অৰ্জনত অৰিহনা আগবঢ়ায়।

ভাৰতৰ স্বাধীনতা আন্দোলনত অসম অতিকৈ পিছপৰা ঠাই আৰু খ্যাত অখ্যাত অনেক লোক কিদৰে জৰিত হৈ আছিল ওপৰত উল্লেখ কৰা কথাখিনিয়েই প্ৰমান দিব। অৱশ্যে চৰকাৰি হিচাবত সংগ্ৰামৰ বীৰ ৰূপে এনে কিছুমান লোক স্বীকৃতি লাভ কৰিছে অথবা পুৰস্কৃত হৈছে যে প্ৰকৃত স্বাধীনতা যুজাৰু সকলৰ বহুতেই অসন্তুষ্ট হৈছে। কাৰণ বহু নেতা সেই সময়ত হয়তো নিচেই কম বয়সীয়া আছিল নতুবা স্বাধীনতা সংগ্ৰামৰ বিৰোধিতাহে কৰিছিল। তেওঁলোকে প্ৰকৃত সংগ্ৰামী সকলৰ অবৰ্ণনীয় দুখ-যান্ত্ৰনাৰ কথা বুজিব নোৱাৰে। পুৰস্কাৰ লাভ কৰা বহুলোক স্বাধীনতাৰ পিছৰ দেশ সেৱক বুলিহে বহুতে ক'ব খোজে। যি কি নহওঁক ,স্বাধীনতাৰ সুদীৰ্ঘ বছৰৰ পিছতো

নুন্যতম সা-সুবিধাৰে বঞ্চিত হৈ থকা ঢকুৱাখনা আৰু সোৱনশিৰি অঞ্চলৰ বহুলোকে দেশ মাতৃৰ পূজাৰ বেদীত কিঞ্চিত হ'লেও অৰিহণা যোগাইছিল তাৰে কিছু আভাস দিয়াৰ চেষ্টা কৰা হৈছে। এই আন্দোলনৰ বিৱৰণ টুনীৰাম হাজৰিকা দেৱৰ স্বাধীনতাৰ আন্দোলনত উত্তৰ লক্ষীমপুৰৰ বৰঙণী আৰু ভাৰতৰ মুক্তি যুদ্ধত অসম (ৰাজ্যিক মুক্তি যুজাৰু সন্মিলন, অসম - (১৯৭২) নামৰ বহুমুলীয়া গ্ৰন্থৰ পৰা লোৱা হৈছে। ইয়াত বহুতো ত্ৰুটি বিচ্যুতি থাকিব পাৰে পঢ়ুৱৈ সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

# মিচিঙৰ উমৈহতীয়া উচ্চ মান - বিশিষ্ট ভাষাৰ প্ৰস্তুতি

**ভৃগুমুনি কাগয়ুং**

মিচিং জনজাতি সকলৰ লোক সংস্কৃতিৰ উপাদান ৰাজিৰ অন্যতম শ্ৰেষ্ঠ উপাদান হৈছে মিচিং আগম বা স্বকীয় ভাষা । আজি ভাষাৰ ভিত্তিতে সমগ্ৰ জনজাতিৰ বিভিন্ন জন গোষ্ঠীৰ অস্তিত্বৰ কথা নিৰ্ভৰ কৰিছে। মিচিং আগমৰ । অবিহনে মিচিং কলা কৃষ্টিৰ অন্যবোৰ উপাদান ৰাজিয়ে মিচিঙৰ স্বকীয় অস্তিত্বৰ কথা জীয়াই ৰাখিব নোৱাৰে মানৱ ভাষাৰ ইতিহাসৰ তালিকাত কথিত অকথিত, লেখিত, অলেখিত আৰু প্ৰচলিত, অপ্ৰচলিত বহুবোৰ ভাষাৰ কথা আমি পাওঁ। উত্তৰ-পূৱ ভাৰতৰ বিশাল বিস্তৃত ভূখণ্ডৰ  আৰুনাচল, নাগালেণ্ড, মেঘালয়, মিজোৰাম, মনিপুৰ, ত্ৰিপুৰা আৰু অসম ৰাজ্যকে কেন্দ্ৰ কৰি বিস্তৃত অঞ্চলত বাস কৰি থকা বিভিন্ন জনগোষ্ঠিৰ প্ৰচলিত ভাষা আজিও এশতকৈও অধিক ঠাৱৰ কৰিছে।ভাৰতৰ উত্তৰ পুৰ্বাঞ্চলত বাস কৰা অষ্ট্ৰিক,মংগোলীয়, দ্ৰাবিড় আৰু আৰ্য নামেৰে খ্যাত বিভিন্ন  জনগোষ্ঠীবোৰৰ অস্তিত্বৰ কথা বিশ্লেষন কৰি চালে দেখা যায় যে কালক্ৰমত একোটা মূল জনগোষ্ঠীৰ পৰা বহুবোৰ উপজনগোষ্ঠী বা উপফৈদৰ সৃষ্টি হৈছে। সেইবোৰ উপফৈদ মূল জন গোষ্ঠীটোৰ সান্নিধ্যৰ পৰা কালৰ সোঁতত বিছিন্ন হৈ পৰাৰ ফলত তেওঁলোকৰ মাজত পাৰস্পৰিক সম্পৰ্ক নথকা পৰিবেশৰ প্ৰভাৱত পৰি উপফৈদবোৰত একোটাকৈ উপ-ভাষাৰো সৃষ্টি হৈছে।  অতীত অসমৰ খিলঞ্জীয়া বিভিন্ন গোষ্ঠীবোৰৰ ভিতৰত মংগোলীয় জনগোষ্ঠী অন্যতম প্ৰধান জনগোষ্ঠী। অসম তথা কেন্দ্ৰীয় চৰকাৰে যোৱা ১৯৭৫ চনৰ সংশোধিত চাকোলৰ মতে অসমৰ জনজাতি নামেৰে খ্যাত বিভিন্ন জনগোষ্ঠী পৰ্ব্বতীয় আৰু ভৈয়ামীয়া নামেৰে দুটা ভাগত ভাগ কৰি, কাছাৰৰ বৰ্মণ, বড়ো কছাৰী, দেউৰী, সোনোৱালৰ কছাৰী, লালুং, মেছ, মিৰি আৰু ৰাভা এই নটা জনগোষ্ঠীক , ভৈয়ামীয়া আৰু ডিমাচা, গাৰো, মাৰ, খাছী মান, মিজো আৰু মিকিৰ এই সাতটা জনগোষ্ঠীৰ ভিত্তিত পৰ্ব্বতীয়

জনগোষ্ঠী হিচাপে জনগোষ্ঠী ভিত্তিত স্বীকৃতি দি প্ৰকাশ কৰিছে।

অসম চৰকাৰৰ ভাষা বিত্তিত বিভাজনত আজিলৈকে মাইন'ৰিটি লেংগুৱেজ বা সংখ্যালঘু ভাষা নামেৰে খ্যাত বিভিন্ন জনগোষ্ঠী ভাষা সংক্ৰান্তত চৰকাৰী নথিপত্ৰবোৰ চালিজাৰি চালে দেখা যায় যে, যোৱা ১৯৭৭ চনলৈকে ৰাজ্যিক চৰকাৰে বঙলা, হিন্দী, গাৰো, বড়ো, মনিপুৰী, নেপালী, মিজো, খাছী, মাৰ, তেলেগু আৰু বিষ্ণুপ্ৰিয়া ভাষাকে ধৰি এঘাৰটা ভাষাক স্বীকৃতি দি শিক্ষা অনুষ্ঠানত প্ৰচলনৰ কাৰণে অনুমোদন কৰিছে। ইয়াৰ ভিতৰত তেলেগু আৰু বিষ্ণুপ্ৰিয়াৰ বাহিৰে বাকীবোৰ স্বীকৃত ভাষা ইতিমধ্যে শিক্ষাৰ মাধ্যমৰূপে প্ৰায়মাৰী, মধ্য ইংৰাজী আৰু মাধ্যমিক পৰ্যায়ত প্ৰচলন হৈছে। বৰ্ত্তমান খাছী, মিজো, নেপালী, গাৰো, বঙলা, হিন্দী, মনিপুৰী আৰু বড়ো ভাষাই কলেজীয়া ভাষা উচ্চ শিক্ষাৰ ক্ষেত্ৰতো আধুনিক ভাৰতীয় ভাষা হিচাপে স্থান পাইছে।

বৰ্ত্তমানলৈকে অস্বীকৃত ভাষাবোৰৰ ভিতৰত কাৰবি ভাষা, শিক্ষানুষ্ঠানত প্ৰচলিত হোৱা আৰু অসম চৰকাৰে অসম জনজাতি সকলৰ ভিতৰত অন্যতম দ্বিতীয় সংখ্যা গৰিষ্ঠ জনগোষ্ঠীৰ মিচিং ভাষাক স্বীকৃতি দি শিক্ষানুষ্ঠানত প্ৰচলন কৰাৰ উদ্দেশ্য কাৰ্যকৰী ব্যৱস্থা হাতত লৈছে বুলি আমি জানিব পাৰিছো ।

আজি অসমৰ পৰ্বতীয়া আৰু ভৈয়ামীয়া বিভিন্ন জনগোষ্ঠীৰ লোক সকলে পলমকৈ হলেও তেওঁলোকৰ স্বকীয় ভাষাবোৰ জীয়াই নাথাকিলে যে অদুৰ ভৱিষ্যতে তেওঁলোকৰ ঐতিহ্যপূৰ্ণ লোক-সংস্কৃতি তথা স্বকীয় অস্তিত্ব জীয়াই নাথকিব- এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে। সেয়ে তেওঁলোকৰ মাজত আজি স্বকীয় ভাষা - সাহিত্য- সংস্কৃতিৰ নামত বিভিন্ন সন্থা, অনুষ্ঠান আদি সংগঠন কৰি সেইবোৰৰ যোগেদি অনুষ্ঠানিক ভাবে স্বকীয় ভাষাবোৰৰ উন্নতি সাধনৰ কাৰণে গভীৰ ভাবে চিন্তা-চৰ্চা কৰিবলৈ লৈছে, ই জনজাতি সকলৰ কাৰণে এক শুভ লক্ষন। আজি জনজাতি সকলৰ কথিত ভাষাবোৰ লেখিত অৱস্থালৈ অনাৰ যি প্ৰচেষ্টা চলিছে, এই প্ৰচেষ্টাত আমি প্ৰধানকৈ কেইটামান মৌলিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞান সন্মত ভাৱে অগ্ৰসৰ হব পাৰিলেহে সেইবোৰ ভাষাৰ উৎকৰ্ষ সম্ভৱ হব বুলি আমাৰ ধাৰণা। এই মৌলিক দিশটো হৈছে স্বকীয় ফৈদ, উপফৈদৰ মাজত প্ৰচলিত ভাষাবোৰৰ সম্বনয় সাধন কৰি ষ্টেণ্ডাৰ্ড লেংগুৱেজ বা উচ্চ-মান-বিশিষ্ট ভাষা এটা নিৰ্দ্ধাৰণ কৰি সকলো ফৈদৰে সমতা ৰক্ষা কৰিব পৰা উমৈহতীয়া ভাষা এটা যুগুত কৰা। এই প্ৰসংগত অসমৰ জনজাতি সকলৰ ভিতৰত সংখ্যা গৰিষ্ঠ বড়ো জনগোষ্ঠীত পাঁচটাতকৈ অধিক উপফৈদৰ ভাষা প্ৰচলিত হৈ থকাৰ কথা বিশেষ ভাৱে উল্লেখ কৰিব পাৰি।

সাধাৰণতে আমি একোটা ভাষাকে দুই ধৰণে কথিত বা গ্ৰাম্য ভাষা আৰু লেখিত বা সাধু ভাষাৰ ৰূপত ব্যৱহাৰ কৰো। লেখিত ভাষাক আমি মাৰ্জিত বা ষ্টেণ্ডাৰ্ড লেংগুৱেজ বা উচ্চমান বিশিষ্ট ভাষা হিচাপে গন্য কৰো আৰু এই ভাষাৰ যোগেদিয়েই পাঠ্যপুথি তথা সাহিত্য ৰচিত হয় । আমাৰ মিচিং সকলৰো বিভিন্ন ফৈদবোৰৰ ভাষাৰ সমন্বয় সাধন কৰি উমৈহতীয়া উচ্চমান বিশিষ্ট ভাষালৈ উন্নতি কৰাটো নিতান্তই জটিল সমস্যা হলেও ই সম্ভৱ আৰু তাকে কৰিবলৈ যাওঁতে বিজ্ঞান সন্মত ভাৱে ভাষা ভিত্তিক চিন্তা চৰ্চাৰে ঐক্য প্ৰচেষ্টাৰ নিতান্ত প্ৰয়োজন। আমি ভাষা বিকাশৰ ক্ষেত্ৰত শব্দ ভাণ্ডাৰৰ প্ৰয়োজনীয়তাৰ কথা নুই কৰিব নোৱাৰো। শব্দৰ ভৰাল চহকী নহলে ভাষাত চহকী হ'ব নোৱাৰে। সেয়ে মিচিং ভাষাৰ শব্দৰ ভড়াল চহকী কৰি মিচিং ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধি সাধনৰ প্ৰতি সদায় লক্ষ্য ৰাখিব লাগে।

এই ক্ষেত্ৰত মিচিং ভাষাৰ স্বকীয় শব্দ ৰাজিৰ -ব্যুৎপত্তিগত ভাষা-তাত্ত্বিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ভাৱ প্ৰকাশৰ কাৰণে আৱশ্যক মতে নতুন নতুন শব্দৰ সৃষ্টি কৰা আৰু পাহৰি যোৱা বা অপ্ৰচলিত স্বকীয় শব্দৰাজি উদ্ধাৰ কৰাৰ প্ৰতিও প্ৰাধান্য দিব লাগিব ।

আমাৰ মিচিং ভাষাত হয়তো গধুৰ ভাৱ প্ৰকাশক সকলো ধৰণৰ শব্দ যথেষ্ট পৰিমানে নাথাকিবও পাৰে, তেনে ক্ষেত্ৰত মিচিং ভাষাৰ শব্দ ভাণ্ডাৰ টনকীয়াল কৰাৰ তৎসম্ তদ্ভৱ দেশী আৰু বিদেশী আদি শব্দ ৰাজিৰ বিনিময়ৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিব লাগিব ।

মিচিং সকলে ভাৰতৰ উত্তৰ পুৰ্বাঞ্চলৰ বিস্তৃত অঞ্চলৰ বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ সান্নিধ্যত ইমান দিনে বাস কৰাৰ কাৰনে পৰিবেশৰ প্ৰভাৱত পৰি অন্য ভাষাৰ শব্দ ৰাজিৰ সংমিশ্ৰন স্বাভাৱিকতে ঘটিছে আৰু ভাষা-তাত্তিক অন্য এটা দিশত মিচিং ভাষাৰ স্বকীয় ধ্বনিৰো তাৰতম্য ঘটিছে। কিন্তু ভাষা বিকাশৰ ক্ষেত্ৰত শুদ্ধ উচ্ছাৰণৰ কথাটো আমি উলাই কৰিব নোৱাৰো ।

মিচিঙৰ স্বকীয় উচ্চ-মান-বিশিষ্ট ভাষাৰ যোগেদি আৱশ্যকীয় প্ৰাথমিক পৰ্যায়ৰ পাঠ্যপুথিবোৰ যুগুত কৰোতে আমি ৰাজ্যিক পৰ্যায়ৰ অন্য ভাষা বা আঞ্চলিক ভাষাৰ প্ৰচলিত পাঠ্য পুথিৰ মানদণ্ডৰ প্ৰতিও লক্ষ্য ৰখা উচিত হব। ইয়াত মুলতে হৈছে, মিচিং ভাষাৰ মাধ্যমেৰে শিক্ষাদীক্ষা লৈ অহা ছাত্ৰ-ছাত্ৰীৰ মাজত যাতে সাধাৰণ বিদ্যা-বুদ্ধি, শিক্ষা দীক্ষা, জ্ঞান-অভিজ্ঞতা আদিৰ সমতা ৰক্ষিত হয় আৰু উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত জনজাতি অজনজাতি শিক্ষাৰ্থীৰ মাজত যেতিয়া সংমিশ্ৰন হৈ পাৰস্পৰিক বিনিময় ঘটিব তেতিয়াও যাতে শিক্ষা গ্ৰহনৰ ক্ষেত্ৰত বিভ্ৰাটৰ সৃষ্টি নহয়। গতিকে সকলো শিক্ষাৰ্থীয়ে সমক্ষেত্ৰত যাতে কোনো ৰকমৰ বিভ্ৰা আহিব নোৱাৰি তাৰ প্ৰতি লক্ষ্য ৰখা নিতান্ত বাঞ্ছনীয়।

সাহিত্য হৈছে ভাষাৰ প্ৰাণ স্বৰূপ উপাদান। মিচিং সকল লৌকিক বা মৌখিক সাহিত্যত যথেষ্ট চহকী বুলি আমাৰ ধাৰণা। আজিও বহুবোৰ লোক-সাহিত্যৰ অমূল্য সম্পদৰাজি লিপিবদ্ধ নোহোৱাৰ দোষত কালৰ বুকুতচিৰকাললৈ জাহ গৈছে। এইবোৰ লোক-সাহিত্যৰ সম্পদ ৰাজি পুনৰ উদ্ধাৰ আৰু সংৰক্ষণ কৰিব পাৰিলে মিচিং ভাষাৰ সাহিত্যৰ ভড়াল নিশ্চয় চহকী হব আৰু বিভিন্ন ধৰণৰ মধুৰ সাহিত্য সৃষ্টিৰে অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত মনোবলৰ সম্বল যোগাব বুলি আমাৰ বিশ্বাস।

আমাৰ ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত সংবাদ পত্ৰ, সাময়িক কাকত-পত্ৰ, পুস্তিকা, আলোচনী, কিতাপ-পত্ৰবোৰে পৰোক্ষ-প্ৰত্যক্ষভাৱে যোগোৱা ইন্ধন অনন্য। আজি মিচিং ভাষা সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো এইবোৰৰ নিতান্ত প্ৰয়োজন।

জন-মানৱৰ সাংস্কৃতিক জীৱনধাৰাৰ প্ৰয়োজনীয়তাৰ হেতু বা ব্যৱহাৰিক জীৱন ধাৰাৰ অপ্ৰয়োজনীতাৰ হেতুকে প্ৰচলিত ভাষাও কালৰ বুকুত লুপ্ত - বা মৃত্যু হোৱা পৃথিৱীৰ ভাষা বুৰঞ্জীত বিৰল নহয়। মানৱ জন্ম-মৃত্যুৰ প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰে জন জীৱনৰ জীৱন ধাৰাৰ প্ৰয়োজনীয়তা ওপৰত । আজি হাজাৰ হাজাৰ বছৰৰ পাছতো বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ পৰিবেশ আৰু ভাষাৰ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰা লোকৰ দুৰ্যোগৰ প্ৰভাৱতো মৃত্যু বৰণ নকৰি সগৌৰৱে জীয়াই থকা মিচিং ভাষাৰ অন্তৰালত নিশ্চয় বুজিব নোৱাৰা এক অবুজ সাঁথৰ লুকাই আছে আৰু সেই অবুজ সাঁথৰৰ প্ৰকৃত তাৎপৰ্য্য ব্যাখ্যা মিচিং ভাষা উন্নয়নৰ যোগেদি উত্তৰোত্তৰ যুগত আমাৰ আজিৰ নতুন পুৰুষ ভৱিষ্যতৰ বংশধৰ মিচিং ভাষা শ্ৰেণী সকলৰ ওপৰত নিৰ্ভৰ কৰিছে।
( মিচিং আগম কীবাঙৰ LUSAR, 1985 খনৰ পৰা  পুনঃ মুদ্ৰিত।)

**( লক্ষৰ সম্পৰ্কে সততে সচেতন হোৱাটোৱেঁই সাফল্যৰ মূল মন্ত্ৰ – ডিজবেলি )**

# ‘পঃৰাগ’ ৰ এটি চমু আভাস

শ্ৰী ভানু দলে

**ভুমিকা**

নানা জাতি-উপজাতিৰ ৰহনীয়া কৃষ্টি আকোৱালি লৈ অসম এক বৈচিত্র্যময় ৰাজ্য। বিভিন্ন নৈ-নিজৰাৰে বৰনৈ পুষ্ট হোৱাৰ দৰে ইয়াৰ বহু ভাষা-ভাষীৰ সাংস্কৃতিক সমন্বয় ও সম্প্ৰীতিৰে অসমীয়া জাতিৰ জীৱনৰ সৌধটিও নিৰ্মিত হৈছে । কন কন বিন্দুৰ সমষ্টিৰে মহাসিন্ধুৰ সমাহাৰ মুল আৰ্য্য-সংস্কৃতিৰ দীঘ-বাণিত থলুৱা অষ্ট্ৰিক-মংগলইড সংস্কৃতিৰ আঁচুসুতাৰে বোৱা অসমীয়া সংস্কৃতিৰ বৰঘৰ বিৰাট বিশাল। এই বাৰেবৰণীয়া সংস্কৃতিৰ ফুলনিত অসমৰ উত্তৰ পুৱ অঞ্চলৰ জিলা বিলাকত বসবাস কৰা মিৰি বা মিছিংসকলৰ কলা কৃষ্টিও এপাহি সৌৰভময় অৰ্কিড। স্বনামধন্য সুৰকাৰ শিল্পী ডঃ ভুপেন হাজৰিকাৰ ভাষাত “মিছিং কৃষ্টি অসমীয়া সংস্কৃতিৰ হেমহাৰৰ এটি উজ্বল বাখৰ।” ঐতিহ্যপূৰ্ণ নৃত্য-গীত সাজ-পোছাকৰ স্বকীয় বৈশিষ্ট্য পৰম্পৰাগত জীৱনধাৰণ গৃহনিৰ্ম্মাণৰ সুকীয়া পদ্ধতি কামত স্ত্ৰী-পুৰুষৰ সমান অংশগ্ৰহণ আৰু নাৰীৰ মুকলি পৰিৱেশে মিচিং জনজাতিৰ নিজস্ব সাংস্কৃতিক ৰুচিবোধ আমাৰ আগত দাঙি ধৰে। এই সংস্কৃতিৰ ছত্ৰে ছত্ৰে মংগলইড সভ্যতাৰ ছাপ সুস্পষ্ট।

সাধাৰণতে মিছিং সংস্কৃতিৰ বৰ্ত্তমান ৰূপ Hybrid বুলি কোৱা হয়। মিচিংসকল পাহাৰৰ পৰা ভৈয়ামত আহি বাস কৰিব লওঁতে তেওঁবিলাকৰ জনবিশ্বাসত ইয়াৰ আৰ্য্য-অনাৰ্য্য সংমিশ্ৰিত সংস্কৃতিয়ে প্ৰভাৱান্বিত কৰে। বিহু চঃমান্ আৰু প্ৰচলিত ধৰ্মীয় বিশ্বাস সমূহ এই প্ৰভাৱৰ নিদৰ্শন। ইয়াৰ মাজেদিয়ে লোক-সংস্কৃতিৰ স্বচ্ছ দাপোনত 'পঃৰাগ আৰু ‘আলি য়াই লৃগাং' এ জাতীয় জীৱনৰ নিজস্ব প্ৰতিৰূপ উজ্বলাই ৰাখিছে। ইয়াৰ ‘ৰিঃ বি গাচেং’ ‘মচাঃনাম্ এগেৰ ৰঙিন সতে ঢোল তাল ‘লীন মা বা’ বৰকাঁহ সৰুকাঁহৰ মংগল-ধ্বনিৰে বৃত্তাকাৰ ‘গুমৰাগ মাচংত সমস্ত মিচিংকৃষ্টি জাকিমাৰি উৰে। এই আলচটিত আমি লোক উৎসৱ পৰাগৰ বৈচিত্ৰ্যৰ চমু আভাস দাঙি ধৰিম । পঃৰাগ মিচিং জনজাতিৰ লোক-উৎসৱ সমুহৰ অন্যতম। এই উৎসৱ ডেকা-গাভৰুৰ সম্পূৰ্ণ প্ৰচেষ্টা আৰু পৰিচালনাত উদযাপন কৰা হয়। সেয়ে বহুঠাইত ইয়াক মূৰ-য়াঃমে' বুলিও কোৱা হ'য় সাধাৰণতে ডেকা- গাভৰুৰ উদ্যোগতে উৎসৱ অনুষ্টিত হয় যদিও ধনী-দুখীয়া আবাল-বৃদ্ধ বনিতা সকলোৰে ইয়াত পুৰ্ণ সহ-যোগ আৰু নিবিড় সম্পৰ্ক আছে। এজন লিখকৰ ভাষাত ‘There is distination of rich and poor. high and low, old and young. All classes barriers shattered on those days and thus the festival is the democratic one and a big unitying force.

**উৎসৱৰ উৎসঃ**

মিছিংসকলৰ জনজীৱনত কৃষিৰ প্ৰভাৱ অপৰিসীম, আৰু ইয়াৰ ভেটিতে তেওঁবিলাকৰ সংস্কৃতিও গঢ় লৈছে। এইখিনিতে মিছিং সংস্কৃতিৰ পাহাৰত থাকোঁতে আদিম মিছিংসকলে সাধাৰণ ঝুম প্ৰণালীৰে ধান আলু কচু আদা জলকীয়া আদি খেতি কৰি জীৱনৰ টুলুঙা নাও পাৰ কৰি দিছিল । পাছলৈ সাৰুৱা মাটিৰ সন্ধানত ভৈয়ামত আহি নৈ- কাষৰত বাস কৰিব লোৱাত তেওঁবিলাক প্ৰকৃতিৰ সন্মুখিন হ'ব লগা হয়। ফলত তেওঁবিলাকৰ খেৱালী মনত এই জনবিশ্বস সোমাই যে, খেতিৰ নামত আগতে বা মাজত অথবা শেষত ঘৰত নাইবা পথাৰত পুজা-সেৱা নৃত্য-গীত আদিৰ মাজৰে উয়ু দেৱতাক সন্তুষ্ট কৰিব নোৱাৰিলে ফচল ভাল নহয়; প্ৰাকৃতিক দুৰ্য্যোগত নষ্ট হয়। পাৰিপাৰ্শ্বিক আৰু কৃষিকৰ্ম্ম এই প্ৰতিকুল অৱস্থাই পুজা - উৎসৱাদি পালনত অৰিহনা যোগালে । পঃৰাগ মিছিংসকলৰ এনে ধৰণেই পালন কৰা কৃষি উৎসৱ সাধাৰণতে খেতি চপোৱাৰ অন্তত মিছিং ডেকা-গাভৰুৰে অকমান আজৰি সময় পায়। সেইখিনি সময়তে খেতিৰ ভাগৰ জোকাৰি উৎসৱটো পালন কৰা হয়। সচৰাচৰ ধানৰ নৰা ছিগাৰ পাছতে ইয়াক উদযাপন কৰে দেখি অনা – মিছিংসকলে পঃৰাগক নৰা ছিগা বিহু -
আখ্যা দিয়ে ।

**সংগঠনৰ সু-শৃংখলতা ঃ**

উৎসৱ শৃংখলতা আৰু নিয়াৰিকৈ চলোৱাৰ দায়িত্ব মৃমবৃৰ-য়াঃমে নামৰ এক ডেকা-গাভৰুৰ সংগঠনক দিয়া হয়। ই গনতান্ত্ৰিক ভিত্তত গঠিত। সংগঠনৰ মূল ব্যক্তিজনক 'মিগম' ৰজা বোলে। তেওঁৰ গুনী জ্ঞানী চাই বয়সৰ অভিজ্ঞতা থকা এজনক ৰাইজে বাছি দিয়ে। মিগমৰ সহায়ৰ বাবে বৰুৱা, ডেকাবৰা তিৰীবৰা ভগালী বাৰ্গ সংগঠন আদি বিভাগৰ পৰিচালক নিৰ্বাচন কৰা হয়। গাভৰু বিভাগৰ মাজৰ পৰাও বৰপুৱাৰি ৰাণী লিগিৰী আদি বিষয়-বাব বাছি দিয়ে। গাঁৱৰ সকলো ডেকা-গাভৰু ইয়াৰ সাধাৰণ সভা। মৃমবৃৰ-য়াঃমেৰ হৈ মিগমে কাৰ্য্য পৰিচালনা কৰে। কাৰ্য্যৰ যোগাযোগ বাগে (Organiser) ৰাখে। দায়িত্ব অনুসাৰে আনবিলাকেও সহযোগ দিয়ে। উপদেষ্টাৰূপে গাৱঁৰ বয়োবৃদ্ধসকলে দিহা-পৰামৰ্শ আগবঢ়ায়। এই প্ৰশাসনিক ব্যৱস্থাত আধুনিক গণতন্ত্ৰৰ আদৰ্শ মন কৰিবলগীয়া । বিষয়ববীয়াক নামাকৰণত আহোম ৰাজত্বৰ প্ৰভাৱ পোৱা যায় যদিও মিছিং জনসৃষ্টৰ মৌলিকতাও উলাই কৰিব নোৱাৰি। যিহেতু আহোমসকলৰ শাসন-ব্যৱস্থা গনতান্ত্ৰিক নাছিল ।

**কৰ্ম্মকেন্দ্ৰৰ ৰং-ৰূপঃ-**

মৰংঘৰ এই মৃমবৃৰ য়াঃমেৰ প্ৰশাসনিক কেন্দ্ৰঃ- মিচিং কৃষ্টিৰ কঠিয়া থলী । পঃৰাগ উদযাপন ইয়াতে কৰা হয় এই হিচাবে মৰংঘৰ মিছিং ডেকা-গাভৰুৰ সম্প্ৰীতি আৰু সমন্বয়ৰ উৎস। সেইবুলি ই ডেকা-গাভৰুৰ দৈহিক মিলনৰ কামনা বাসনাৰো যে কেন্দ্ৰ এনে নহয়। ইয়াত "শিকিবলগা সমাজনীতি, শৃংখলাবোধ, মমতা, ঐক্য আৰু জাতীয়তাৰ কথাও নিহিত আছে। ইয়াত ডেকা-গাভৰুৰ প্ৰতিভাই প্ৰাণ পায়। নৃত্য-গীত বাদ্য যন্ত্ৰ ঘৰৰ কাৰুকাৰ্য্য আৰু খুটা-চতিবিলাকত অঁকা সাধাৰণ চিত্ৰৰাজিৰ জৰিয়তে তেওঁ বিলাকৰ সুকুমাৰ কলানুৰাগ প্ৰকাশ কৰে। ঘৰৰ দুইমুৰ জুৰি বাঁহৰ চাং বেৰ নাই। নিৰ্ম্মাণ-পদ্ধতি সুকীয়া অথচ বৈশিষ্ট্যপূৰ্ণ।

**আয়োজনৰ উলহ-মালহঃ-**

পঃৰাগ মিছিং ডেকা-গাভৰুৰ ঐক্য আৰু একাগ্ৰতাৰ অপুৰ্ব্ব অৱদান। ইয়াত আছে ডেকাপ্ৰানৰ অদম্য কমপ্ৰেৰণা আৰু অকৃত্ৰিম কৰ্ত্তব্যবোধ কেবামাহো আগৰ পৰাই উৎসৱৰ আয়োজন চলে। পুঁজি গঠনৰ মুলউৎস হৈছে ৰ্গব হাৰিয়া । [কোনো কামৰ বাবে মৃমবৃৰ্ -য়াঃমে' ক ৰুগ্ন লগাব পাৰে। ইয়াৰবাবে গৃহস্থই নিৰ্দ্দিষ্ট নিৰিখৰ আৰ্থিক দান দিব লাগে । বিহুত কেবাখনো গাৱঁত চঃমান ধেমালি কৰিও পুঁজি শকত কৰা হয়। সেই বোৰ ৰাজহুৱা ভৰালত জমা ৰাখি প্ৰয়োজনীয় সামগ্ৰীসমুহ সংগ্ৰহ কৰে। উৎসৱৰ বস্তু-সম্ভাৰ যোগাৰ কৰি - অঁতাই ওচৰৰ মৃমবৃৰ য়াঃমে দলক 'মিনম' (২) মাতে আৰু বিশেষ সন্মানেৰে টোপোলা আগবঢ়ায়। চাউল -পাতি ■ উলিয়াই 'পঃৰ-আপং' ক'লা-ছাই মদ বনোৱা হ'লেই নিদ্দিষ্ট ■ দিন স্থিৰ কৰি সকলোকে সঠিক খৰৰ দিয়া হয় ।

**আদৰণিৰ আগচোতালতঃ-**

উৎসৱৰ প্ৰথম দিনটো 'মিনম' অৰ্থাৎ আলহী- অতিথিৰ অহাৰ দিন। সেই দিনা সন্ধিয়াৰ পৰাই উৎসৱৰ

ৰং-ৰূপ চলি উঠে। ব্যস্ত হয় মৰংঘৰ আৰু ডেকা-গাভৰুৰ চঞ্চল মন। দলে দলে মূৰ-য়াঃমে আহে শিল্পীসুলভ প্ৰতিভাৰে কৃষ্টিৰ কঠিয়া সিঁচিবলৈ সকলোকে বিশেষ সন্মানেৰে সমুখৰ তোৰণৰ পৰা আদৰি আনে আনন্দৰ সঁফুৰা। ঘৰে ঘৰে জীয়ৰী-বোৱাৰী আহে লগত আপঙৰ সম্ভাৰ লৈ; জনায় গাৱঁৰ সম্প্ৰীতি কিমান দুৰ প্ৰসাৰিত। বহুতে আহে কৃষ্টিৰ লেছেৰি বুটলিবলৈ। পঃৰাগৰ এনে ব্যাপক মুহত্বত !!!

**মুলদিনৰ ৰংমেলাতঃ-**

পাছদিনা নিভাঁজ মিছিংসাজত পুৱাই মিগমৰ ঘৰৰ পৰা সকলো বিষয় ববীয়াক বিশেষ বাদ্য -ধ্বনিৰে আদৰি অনা হয়। উৎসৱৰ সামৰিনিলৈকে তেওঁবিলাক মৰঙৰ মস্ত 'পঃবৰ' (৩) ঠাঁছি ঠাঁছি ভৰোৱা উগ্ৰমাদক ৰসসম্বলিত পঃৰ আপং নিজৰি ওলোৱাৰ পাছতে 'এঃগ মান নাম' গাহৰি উৎসৰ্গাৰ সময় আহি পৰে। তেতিয়া সামাজিক নিয়মেৰে 'কাচিং-কাৰতাং' গুঃমৃন্-চয়ান' আদি ইষ্টদেৱতা আৰু উপৰি পুৰুষক উদ্দেশ্য কৰি গাঁৱৰ মংগল হকে ৰাইজৰ পেতমপেকি জয় ধ্বনিত মিগম-বৰপুৱাৰি আদি বিষয়াসকলে সেইদিনাৰ পাঁচটা গাহৰিৰ বিদীৰ্ণ বক্ষেদি 'ক:মাদ' (৪) হিয়াৰ গভীৰতালৈ বহোৱাই দিয়ে। লগে লগে যন্ত্ৰনাকাতৰ আহত পশুৰ আতস্বৰ তলপেলাই গুমৰাগৰ মাংগলিক বাদ্য ধব নি আৰু ৰিঃবি গাচেং শোভিত ৰাইজৰ বৃত্তাকাৰ নৃত্যত মৰংঘৰ ৰজনজনাই উঠে। এই দৰে পাচবাৰ নৃত্য কৰি গাহৰিৰ বক্ষ ফালি উলিয়াই 'আচিনতাগিৰ' আগমঙহৰ মংগল চায় ইয়াৰ নিঘুণী আগমঙহে উৎসৱ আৰু গাৱঁৰ ৰাইজৰ মংগল সুচায় বুলি তেওঁবিলাকৰ বিশ্বাস।

তাৰপাছতে আৰম্ভ হয় আনন্দৰ অপুৰ্ণ মেলা- মিনমবিলাকৰ কৃষ্টিৰ সফুৰা। আনন্দৰ পৰা উথলি উঠে- । কথাবোৰ গীতবোৰ সুৰে উৰি অন্তৰৰ গভীৰত কিহবাৰ = জোৱাৰ তোলে। হাতৰ পৰশত, আঙুলিৰ বুলনিত বাদ্য- যন্ত্ৰবোৰ প্ৰান পায়; দেহত দেওধ্বনি উঠে। বিহু মাৰি ভাগৰি । পৰে-আমনি নেপায়; হেঁপাহ নপলায় । সকলোৰে একান্ত 7. আগ্ৰহ নাচ-ধেমালিৰে কেনেকৈ ৰাইজক আনন্দ দিব পাৰে, আত্ম প্ৰতিষ্ঠা কৰিব পাৰে। ইয়াৰ বাবে প্ৰত্যেকেই নাচ -বাজনাৰ উদ্ভাৱন কৰে; প্ৰতিযোগিতাও চলে। এইদৰে পঃৰাগে কৰ্ম্মক্লান্ত প্ৰাণত আনি দিয়ে সজীৱ ৰং-ৰূপ আৰু অফুৰন্ত আনন্দ ৰং-ধেমালীৰে খুৱাই -বোৱাই গধুলি গুমৰাগ্ নৃত্যৰে পুৰ্বৰ ক্ৰমানুসাৰে এটা এটাকৈ মৃবৃৰ-য়াঃমেদল আগবঢ়াই পঠোৱা হয় । তেতিয়া মৰংঘৰ ৰিঙা ৰিঙা লাগে । । ভাৱহয় এই আনন্দ আকৌ কেতিয়া আহিব !!!

**বিয়লিৰ শেঁতা ৰ'দতঃ-**

তৃতীয় দিনা আনগাৱলৈ উলিয়াই দিয়া জীয়ৰীৰ ভোজৰ দিহা কৰা হয়। তেওঁবিলাকেও আপঙৰ শৰাই লৈ গিৰিয়েকসতে মৰঙত সভক্তিৰে সেৱা জনায়- মৃবৃ - য়াঃমেৰ আশীষ মাগে যুগ্ম জীৱনৰ সাধাৰণ ভোজৰ অন্তৰ অন্তত মিগমবৰা পুৱাৰি আদি বিষয়া-ববীয়া সকলোকে আদৰি অনাৰ দৰেই সামাজিক নিয়মেৰে ঘৰত আগবঢ়াই থয়গৈ। সেই দিনা নিজস্ব খৰচত মিগমৰ ঘৰত প্ৰীতিভোজেৰে উৎসৱৰ সামৰণি মাৰে ।

**উপসংহাৰঃ-**

পঃৰাগ মিচিং লোক-সংস্কৃতিৰ উৎকৃষ্ট অৱদান - জাতীয় জীৱনৰ স্বচ্ছ দাপোন । ইয়াত ডেফুটমান দীঘল বাঁহৰ চেপেটা জেঙা মাৰি ।

# ষষ্ঠ অনুসুচীয়ে জনগোষ্ঠীসমূহৰ মৌলিক সমস্যা সমূহ সমাধান কৰিব পাৰিবনে?

**কেশৱ পাইট**

(২০০৪ চনৰ ২ নবেম্বৰ তাৰিখে গোগামুখত অনুষ্ঠিত হোৱা ‘মাছ’ ৰ ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱস উপলক্ষে ‘লখিমী নামৰ এখনি স্মৃতি গ্ৰন্থ প্ৰকাশৰ বাবে আমাৰ পৰা ওপৰোক্ত শীৰ্ষক এটি লেখনি আগবঢ়াবৰ বাবে অনুৰুধ আহিছিল। কিন্তু তেওঁলোকে লেখনিটো সম্পূৰ্ণকৈ প্ৰকাশ কৰাৰ সাহস নকৰিলে। তাকেই আজি মিচিং বানী কীবাঙৰ মূখপত্ৰলৈ পূনঃ মুদ্ৰনৰ বাবে পঠালো )

ৰাজনৈতিক কুটিলতাৰ প্ৰতি অনভিজ্ঞতা আৰু উদাসীনতা প্ৰকাশ কৰিয়েই 'আমি কওঁ যে, ”স্বৰ্গ ৰাজ্য কতো নাই, প্ৰাচুৰ্যতু বদমাচী আছে। ”গতিকে ষষ্ঠ অনুসুচীয়ে যে জনগোষ্ঠীসমুহৰ মৌলিক সমস্যাসমূহ সমাধান কৰিব এয়া আশা কৰিব নোৱাৰি। যিহেতুকে জাতিগোষ্ঠীসমুহৰ মৌলিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আৰু বহু এৰাব নোৱাৰা আনুসঙ্গিক বিষয় জড়িত হৈ আছে। কিন্তু ষষ্ঠ অনুসুচীৰ জৰিয়তে জনগোষ্ঠীসমুহৰ মৌলিক সমস্যাসমুহ সমাধান কৰাৰ বহু আকাঙ্খিত ও প্ৰতীক্ষিত ৰাজনৈতিক পথ প্ৰশস্ত হব, সাংবিধানিক সুৰক্ষা লাভ কৰিব। যদিহে জনসাধাৰণৰ স্বাৰ্থত কিছু ইতিবাচক নীতি নিৰ্দ্ধাৰণ নাথাকিলেহেতেন তেনে হলে বৰ্ত্তমানৰ পৰিস্থিতিত ষষ্ঠ অনুসুচীক লৈ বিতৰ্কৰ অৱকাশ নাথাকিলেহেঁতেন ।

সম্প্ৰতি কেইবা দশক ধৰি অসমত কেইটামান জনোগোষ্ঠীয়ে স্বায়ত্ব শাসন, ষষ্ঠ অনুসূচীৰ আধাৰৰ স্বায়ত্ব শাসন আদিৰ পোষকতা কৰি আহিছে আৰু সেইমতে দাবী উত্থাপন কৰি আহিছে। ইয়াৰে দুটা জনগোষ্ঠীক ইতিমধ্যেই ষষ্ঠ অনুসূচীৰ আধাৰত আৰু বাকী তিনিটা জনগোষ্ঠীক চাৰি সীমা বিহীন স্বায়ত্ব শাসন প্ৰদান কৰিছে। শেষতীয়াকৈ মিচি, ৰাভা আৰু তিৱাসকলকো ষষ্ঠ অনুসূচীৰ স্বায়ত্ব শাসন প্ৰদানৰ বাবে বিবেচনা কৰি থকা হৈছে। কিন্তু সাম্প্ৰতিক ৰাজনৈতিক বিন্যাসে এইটো স্পষ্ট কৰিছে যে আমাৰ ৰাষ্ট্ৰ বা ৰাজ্যত যি ৰাজনৈতিক দলেই শাসন নকৰক কিয় সকলো বিষয়তে জনজাতিসকলৰ নামত সংৰক্ষন, ভুমি সম্পতি সুৰক্ষাৰ বাবে প্ৰণয়ন কৰা বেল্ট এণ্ড ব্লক সকলোবোৰ অৰ্থহীন আৰু ৰাজনৈতিক দলসমুহৰ নিৰ্বাচনী শ্লগান হিচাপেহে পৰিগনিত হয়। বিশেষতঃ মিচিং জনবসতিপূৰ্ণ অঞ্চলত বানপাণী হৈছে স্থায়ী সমস্যা আৰু ৰাজনৈতিক দলসমুহৰ বাবে স্থায়ী ৰাজনৈতিক ইচ্যু। এই স্থায়ী সমস্যাক স্থায়ী সমাধান কৰাৰ সদিচ্ছা থকা ৰাজনৈতিক দল ভাৰতবৰ্ষত আজিলৈকে প্ৰতিষ্ঠিত নহল। বেল্ট এণ্ড ব্লক সমূহত অজনজাতিয়ে পট্টন পায় জনজাতিয়ে নাপায়; চাকৰিত সংৰক্ষণৰ ব্যৱস্থা আছে; কিন্তু হাজাৰ হাজাৰ শিক্ষিত মিচিং যুৱকে নিজৰ গাওঁখনৰ প্ৰাথমিক বিদ্যালয়তো চাকৰি পাব নোৱাৰে। পাইছে অজনজাতিয়ে। মিচিং ভাষাক স্বীকৃতি

দিলে, কিন্তু তিনিবছৰীয়া পৰীক্ষামূলক ব্যৱস্থা ২০ বছৰলৈ চলি থাকিল । এনেধৰণৰ বঞ্চনাৰ দেখাৰ উদাহৰণ আছে যিবোৰৰ দীৰ্ঘদিনীয়া ক্ষোভৰ স্ফুলিঙ্গই মিচিংসকলৰ মাজতো ষষ্ঠ অনুসূচী শাসন ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত কৰিলে। স্মৰ্ত্তব্য যে বহুতো সংগঠনে বিচৰাৰ দৰে মিচিংসকলে আজিও অসমৰ পৰা পৃথক হব বিচৰা নাই আৰু কোনো সন্ত্ৰাসমূলক কাৰ্য্যতো লিপ্ত হোৱা নাই ।

ষষ্ঠ অনুসূচীৰ দাবীদাৰ সকলে আশাকৰে যে এনে দীৰ্ঘদিনীয়া বঞ্চনা আৰু উপহাসৰ পৰা কিছু সকাহ পাবলৈ হলে ষষ্ঠ অনুসূচী অবিহনে কোনো বিকল্প নাই। কাৰণ ষষ্ঠ অনুসূচীৰ জৰিয়তে তেওঁলোকে নিৰ্দ্দিষ্ট ভৌগোলিক চাৰিসীমাযুক্ত এটা ভূ-খণ্ডত স্ব-শাসনৰ সুবিধা লাভ কৰিব । নিজৰ ভাগ্য, নিজৰ ভবিষ্যত, নিজৰ উন্নয়নৰ আঁচনিসমূহ বাস্তবায়িত কৰাৰ ক্ষমতা হস্তগত হব। উক্ত স্ব-শাসনৰ অন্তৰ্গত সকলো খিনি ভূমি অনুসূচীভুক্ত হব; ভূমি হস্তান্তৰ বন্ধ হব; আমাৰ মাটিত আমাৰ অধিকাৰ থাকিব । স্থানীয় পূৰ্ববাসিন্দাৰ মাটি সুৰক্ষিত হব। প্ৰশাসনিক পুনৰ গঠনৰ জৰিয়তে বহুতো নিৱনুৱা যুৱকৰ সংস্থাপনৰ সুবিধা হব । ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ আধাৰত পূঁজি আবণ্টন হব। উন্নয়ন আৰু সমস্যাৰ সকলো দিশ পুংখানুপুঙ্খ আলোচনাৰ জৰিয়তে সমাধানৰ নতুন দিশ উদ্ভাৱন হব। নিজৰ অঞ্চলৰ সকলো প্ৰকাৰৰ উন্নয়নৰ বাবে ভাগ্য ৰচনা কৰাৰ অধিকাৰ ও ক্ষমতা থাকিব। ক্ষুদ্ৰ উদ্যোগ, কুটিৰ শিল্প, কৃষি, ভাষা, কৃষ্টি-সংস্কৃতি বিকাশৰ বাবে পৰিকল্পনা আৰু বিনিয়োগৰ ব্যৱস্থা ও অধিকাৰ থাকিব। এখন নতুন সৰু স্ব-শাসিত চৰকাৰ থাকিব। সাংবিধানিক দায়বদ্ধ আৰু নিশ্চয়তা থকা এনে এখন স্বায়ত্ব শাসনৰ জৰিয়তে এটা জাতিৰ উন্নতি, প্ৰগতি আৰু বিকাশৰ বাবেই ষষ্ঠ অনুসূচী আধাৰত স্বায়ত্ব শাসনৰ পক্ষপাতি দাবীদাৰ সকলে কৰি আহিছে।

এ তিয়া আটাইতকৈ আমোদলগা কথাটো হল মিচিং সকলক ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ব শাসন প্ৰদানৰ বাবে কেবিনেট উপ-সমিতিয়ে পৰ্যবেক্ষনৰ বাবে মিচিং বসতিপূৰ্ণ অঞ্চললৈ অহাৰ লগে লগে তথাকতিত বৃহৎ অসমীয়া জাতিৰ ঐক্য সংহতিৰ প্ৰৱক্তাসকলৰ আচল স্বৰূপ ওলাই পৰিল। তেওঁলোকে ইমানদিনে ঐক্য সংহতিৰ নামত অসমত বসবাস কৰা সকলোৱেই অসমীয়া বুলি মন্ত্ৰ ফুকাৰি অহাৰ আৰত যে বৈষম্যৰ কু-অভিপ্ৰায় আছিল সেয়া লুকুৱাই ৰাখিব নোৱাৰিলে৷ অসমৰ সাতামপুৰুষীয়া জাতি গঠনৰ প্ৰক্ৰিয়াক ধুলিসাৎ কৰি কেৱল মিচিং সকলৰ ৰাজনৈতিক অধিকাৰক নস্যাৎ কৰাৰ উদ্দেশ্যেৰেই গঠন কৰিলে “সন্মিলিত সংগ্ৰাম সমিতি” “অনা মিচিং সুৰক্ষা সমিতি।” এই সংগ্ৰাম সমিতিৰ উদ্দেশ্য কোনো জাতি বা সমাজৰ উন্নতি বা প্ৰগতিৰ বাবে নহয়; উদ্দেশ্য আৰু লক্ষ্য কেৱল এটাই যে ইমানদিনে অসমৰ বায়ু পানী একেলগে সেৱন কৰি বৃহত্তৰ অসমীয়া সমাজৰ ভাই ভাই বুলি কৈ অহা মিচিংসকলৰ ৰাজনৈতিক অধিকাৰ, প্ৰাপ্যক আৰু ন্যায্যতাক বিৰুধিতা কৰা। কিন্তু মনকৰিবলগীয়া কথাটো হল তেওঁলোকে তিৱা আৰু ৰাভাৰ ক্ষেত্ৰত কোনো ধৰণৰ বিৰুধিতা কৰা নাই। যেন মিচিং সকলেহে তেওঁলোকৰ জন্মাবধি শতৰু। কোনো এটা কামক বিৰোধিতা কৰাৰ নীতিগত প্ৰক্ৰিয়াক চেৰাই গৈ অত্যন্ত আবেগিক ভাৱে অমাৰ্জিত শব্দ প্ৰয়োগৰে তেওঁলোকৰ মাজত দীৰ্ঘদিনে সুপ্ত হৈ থকা উগ্ৰ-জাতি দাম্ভিকতা আৰু অহংকাৰৰ স্বৰূপ উদঙাই দেখুৱালে। অসমৰ মাটিত একেই বায়ু পানী সেৱন কৰি বৃহত্তৰ অসমীয়া সংস্কৃতিৰ অন্যতম অংশীদাৰ মিচিংসকল হৈ পৰিল ৰাতিৰ ভিতৰতেই অনা অসমীয়া। অৰ্থাৎতেওঁলোক মিচিং বা মিৰি হৈ গল । তাতোকৈ একোপ আগুৱাই মিচিংসকল অসমৰ ভূমিপুত্ৰ নহয় বুলি ইতিহাসৰ ভুল ব্যাখ্যা দিবলৈকো কুণ্ঠিত নহল। আমিও জানো যিসকলে মিচিংসকলক ভূমিপুত্ৰ নহয় বুলি কব খুজিছে তেওঁলোকৰ পুৰ্ব পুৰুষসকলেহে পাটকাই, কনৌজ, থাইলেণ্ড আদি অসম আৰু ভাৰতবৰ্ষৰ ভৌগোলিক চাৰি সীমাৰ বাহিৰৰ পৰা আহিছিল। কিন্তু মিচিংসকল অসমৰ সীমামুৰীয়া ৰাজ্য অৰুনাচল পাহাৰৰ পৰাহে নামি আহিছিল । আচলতে অসমৰ বায়ু পানীৰ লগত কাৰ বেছি ওচৰ সম্বন্ধ এই সাধাৰণ জ্ঞান খিনিও নজনাকৈ কেৱল বিৰুধীতা কৰাৰ (ৰাজনৈতিক) স্বাৰ্থত বিৰুধীতা কৰিলেই সত্য অসত্য হৈ নাযায় । এনে অমুলক যুক্তিৰে তেওঁলোকে নিজৰ সংকীৰ্নতাকহে প্ৰকাশ কৰিলে ।

অসমৰ সাতামপুৰুষীয়া জাতিগঠন প্ৰক্ৰিয়াক আৰু ঐক্যৰ ঐতিহ্যক চুৰমাৰ কৰিব খোজা এনে দুৰ্ঘোৰ অপলাপখিনি শুনিও কিন্তু অসমৰ মহান বুদ্ধিজীৱি, পৃথিৱী কপোৱা ছাত্ৰ সংগঠন, অসম সাহিত্য সভা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আদি সকলোবোৰে “মৌনং সন্মতি লক্ষ্যম”

বুলি নীৰৱে সমৰ্থন জনালে। তাৰমনে এইটো স্পষ্ট হল যে মিচিং সকলৰ সাংবিধানিক স্বাৰ্থক বিৰুধিতা কৰাসকলৰ গুৰি ধৰোতা কৰবাতহে আছে। এফালে ঐক্য সংহতিৰ ফুলজাৰি ছটিয়ায়; আনফালে তেওঁলোকেই " গোসাঁই ঘৰত কোন, মই কল খোৱা নাই।" বুলি এচামক উচটাই বৃহত্তৰ অসমীয়া জাতি গঠনক চূৰমাৰ কৰাৰ ষড়যন্ত্ৰ কৰে। তেওঁলোকে যে "মুখেৰে বৰসে মৌ পেটে চতুৰালি" কৰে এইখিনিৰ অৰ্থ বৌদ্ধিক দৈন্যতা থকা মচিংসকলকো সহজ ভাষাৰে বুজাইদিলে। ইমানৰ পিছতো কোনোবা যদি মিচিংসকলক অসমৰ অসমীয়া বুলি কবলৈ যায় এয়া কেৱল হাস্যকৰ হব। আৰু কোনো মিচিঙেই সম্ভৱতঃ নিজকে অসমীয়া বুলি পৰিচয় নিদিব। কাৰণ আমি মিচিং; আমি মিচিং হোৱা বাবে তেওঁলোকে আমাৰ উন্নতি সহ্য কৰিব নোৱাৰে। প্ৰকৃতিৰ বিৱৰ্তনৰ অমোঘ নিয়ম যে কোনো কাৰো উন্নতি সহজ ভাৱে লব নোৱাৰে; নিজৰ প্ৰগতিৰ বাটকটীয়া নিজেই হব লাগিব । তথাপিও আমি কওঁ অসমৰ জাতিগঠন এতিয়াও থানবান হৈ যোৱা নাই; কেৱল ৰাজনৈতিক স্বাৰ্থত ঐতিহ্যৰ মহান বান্ধোনক চিঙি দিব নোৱাৰি। গতিকে অসমৰ জাতিগঠনৰ ঐতিহ্যক মষিমূৰ কৰিব খোজা সকলোবোৰ বিতৰ্কৰ অৱসান হওঁক । অন্যথা কেৱল মিচিং সকলৰ নহয়, দুদিন পিছত অন্য জনগোষ্ঠীসকলৰো একেই দশা হব ।

# কি কি বিশেষ কাৰণত মিচিং সমাজে উন্নতি কৰিব পৰা নাই

**শ্ৰী মালচন্দ্ৰ পেগুঃ সভাপতি**
**মিছিং বানে কেবাং আৰু অসম বিধান সভাৰ সদস্য**

মিছিং সকল কি কি বিশেষ কাৰণত আজিকোপতি উন্নতিৰ পথত আগ বাঢ়ি যাব পৰা হোৱা নাই তাৰে কেইটামান কাৰণ দৰ্শালোঁ।

১। মিচিংসকল পূৰ্বপুৰুষৰ দিনৰ পৰা মুকলিমুৰীয়াকৈ নৈ কাষত আৰু নৈয়ে পতা চাপৰিত বস বাস কৰি থকাৰ ফলত তেওঁ বিলাকৰ মন বিলাকো মুকলিমুৰীয়া। তেওঁ লোক মুকলি মুৰীয়াকৈ স্বাধীনচিতীয়া ভাবে থকাৰ ফলত কোনো এটা উন্নতিৰ কথা স্থায়ী ভাবে চিন্তা কৰিব নোৱাৰে। তেওঁলোকে কোনটো কাম কেতিয়াকৈ কৰিব লাগে তেনে কোনো ধৰাবন্ধা নিয়ম কৰি নলয় । তেনে নকৰাৰ ফলত তেওঁলোকে কাম কৰিলেও নকৰাৰ নিচিনা হয়। কেতিয়াবা কামৰ সময়তে কাম এৰি অন্য কামত গুচি যায়। কিবা পৰ্ব্ব বা উৎসৱ ওলালে সকলো কাম বাদ দি তাত যোগ দিবলৈ যায়। মুখিয়াল জনক যে সুধি মেলি অ'ত ত'ত যাব লাগে সেইটোও বৰ কম। ঘৰৰ মুখিয়াল জনৰ লগত যে আলোচনা কৰি কোনো কাম কৰিব লাগে সেইটো ঘৰত একেলগে থকা ঘৰৰ মানুহবিলাকৰ কৰ্ত্তব্য নোহোৱাৰ নিচিনাই। এনে কৰাৰ ফলত কামৰ বিশৃংখলা সৃষ্টি হয়।

২। বহুু মিচিংলোকেই গাঁৱত ঘৰে ঘৰে গৈ আপংপানী খোৱাৰ অভ্যাস আছে। তেনে কৰি ফুৰাৰ ফলত নিজৰেই নহয় আনৰো কামত ব্যাঘাত জন্মোৱা হয়। অকল আপং পানীয়েই নহয় লগতে পালে ভাত-পানীও খায়। এনে কৰাৰ ফলত নিজৰ ঘৰত ৰাহি হোৱা ভাত-পানীৰ অপ ব্যৱহাৰেই নহয় যাৰ ঘৰত আগতেই খবৰ নিদিয়াকৈ ভাত-পানী খায়। সেই ঘৰকো কষ্ট দিয়া হয়। বহুু মিচিং লোকেই কাৰোবাৰ ঘৰত এবাৰ ভাত খায়ো আনৰ ঘৰত মাতি ভাত খুৱালে নেখাও বুলি নকয় ।

৩। বৰ্ত্তমান যি ধৰণে চাংঘৰ সাজি থকা হৈছে তেনেকৈ থকাৰ ফলত কোনো এটা কাম পঢ়াই হওঁক বা অন্যই হওঁক চৰ্চ্চা কৰিব পৰা নহয় । তাৰোপৰি কোনো মানুহে শান্তিৰে জিৰাব নোৱাৰে। তাৰ ফলত বহুু বেমাৰে সমাজত দেখা দিছে। তাৰোপৰি চাংঘৰত মাটি ঘৰতকৈ বহুু পৰিমানৰ খৰচ কৰিব লগীয়া হয়। গতিকে ওখকৈ ভেটি বান্ধি মাটি ঘৰ সাজি থাকিলে খৰছো কম হ'ব আৰু বানপানীৰ উপদ্ৰৱৰ পৰাও ৰক্ষা পৰিব পাৰে। অৱশ্যে ওখকৈ ভেটি বান্ধোতে প্ৰথম অৱস্থাত কিছু খৰচ পৰিব।

৪। মিচিংসকল নৈ কাষৰীয়া চাপৰিয়াল মানুহ কাৰণে বছৰে বছৰে বানপানী আৰু গড়াখহনীয়াৰ কবলত পৰিকোনো স্থায়ী ঘৰদুৱাৰ সাজি ল'ব নোৱাৰাত আৰু স্থায়ী কাম এটা কৰিব নোৱাৰে। মিচিংসকলৰ স্থায়ী কোনো বাৰী নাই। অৱশ্যে দুই এখন গাৱঁত তেনে স্থায়ী বাৰী আছে - বিশেষকৈ মৰিয়নিৰ ওচৰতে থকা গন্ধিয়া মিচিং গাৱত তেনে স্থায়ী বাৰী ঘৰৰ লগতে আছে। স্থায়ী বাৰী কৰি লবলৈকো মিচিংসকলে বাৰী কৰোতে যথেষ্ট টকা খৰচ কৰিব লাগে-বিশেষকৈ গাহৰি আৰু কুকুৰাৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবৰ বাবে। গাহৰি আৰু কুকুৰা গড়ালত ৰাখি পুহিলে অৱশ্যে তেনে খৰচৰ পৰা হাত সাৰিব পাৰে, কিন্তু তাকে তেওঁলোকে কৰি নোলোৱাত কোনো বাৰী স্থায়ী ভাৱে কৰি লোৱাত বিশেষ অসুবিধা হয় ।

৫। মিচিং সমাজৰ প্ৰধান কেৰোণ হ'ল - অ-নিয়মিত ভাবে ‘আপং’ পানী খোৱা। অনিয়মিত আৰু অসংযত হিচাপে ‘আপং’ খোৱা, সকামে - নিকামে আৰু বিয়া-বাৰু উৎসৱ আদিত অপৰ্য্যাপ্ত পৰিমাণে ‘আপং' ব্যবহাৰ কৰাত আৰ্থিক-অৱস্থা শোচনীয় হোৱাৰ উপৰিও ল'ৰা ছোৱালীৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিশেষ বাধা পোৱা যায়। মিচিংসকলৰ মাজত জা-জলপান খোৱাৰ প্ৰচলন নাই কাৰণে আপঙকে জা-জলপান হিচাপে খোৱা হয়। বিশেষজ্ঞৰ মতে আপঙত বেচি এলকহল নোহোৱাত ই আহাৰৰ কাম কৰে। এই ‘আপং’ নিয়মিত হিচাবে ব্যবহাৰ কৰিব পাৰিলে স্বাস্থ্যৰ কাৰনে বিশেষ উপকাৰত আহে। ইয়াক নিয়ন্ত্ৰিত হিচাবত ব্যৱহাৰ কৰিলে জা-জলপানতকৈও কম খৰচ পৰে। আপঙে জা- জলপানৰেই কাম নকৰে, ই চাহৰো কাম কৰে। আপঙেৰে আলহী সোধাতো বিশেষ সুবিধা হয়। মাত্ৰ ইয়াক নিয়মিত হিচাবে ব্যৱহাৰ কৰাটোৰ ওপৰত নিৰ্ভৰ কৰে।

৬। মিচিংসকলৰ উন্নতিৰ পথত প্ৰথম হেঙাৰ হৈছে-স্থায়ী খেতি মাটি আৰু বস-বাসৰ বাবে স্থায়ী মাটিৰ অভাৱ। মিছিংসকলে স্থায়ী মাটি বাৰী নোহোৱাত এখন দুখন মিচিং গাৱঁৰ বাহিৰে অঘৰীৰ নিচিনাকৈ ঘুৰি ফুৰিব লগা হয়। তেওঁলোকৰ আৰু আন আন জনজাতি ৰাইজৰ বাবে ৰক্ষণা বেক্ষণাৰ বাবে চৰকাৰে যি ‘ট্ৰাইবেল বেল্ট বা ব্লক আদি গঠন কৰি দিছে সেই ট্ৰাইবেল ‘বেল্ট বা ব্লকতো” তেওঁলোকে বিশেষ বসবাসৰ সুবিধা পোৱা নাই। তেওঁলোকৰ কাৰণে ৰক্ষণাবেক্ষণ কৰি ৰখা মাটিত অন্যান্য মাটি পাব নলগীয়ালোকেহে বেচিকৈ বে-দখল কৰি থকা দেখিবলৈ পোৱা গৈছে। এই বেদখলকাৰী লোকসকলক উচ্ছেদ কৰি জনজাতীয় লোকক তাত বহুৱাৰ কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা নোলোৱাত আজিও “ট্ৰাইবেল বেল্ট বা ব্লক” ৰ ভিতৰত বে-দখলকাৰী আছেই ।

৭। মিচিং সমাজত ১২ মাহৰ ভিতৰত প্ৰত্যেক মাহতেই এটাতকৈ অধিক সকাম পাতি থকাৰ ফলতো তেওঁলোকৰ আৰ্থিক অৱনতি ঘটাৰ এটা কাৰণ। কাৰোবাৰ কিবা জ্বৰ বা কাঁহ বা কোনো বিষ হলেই সকাম কৰিহে তেওঁলোকে শান্তি পায়। সকাম কৰিলেহে জ্বৰ-নৰিয়া ভাল হয় বুলি অন্ধ বিশ্বাস মিছিং সমাজত এতিয়াও বিদ্যমান।

৮। মিচিংসকলৰ খুব কম সংখ্যক লোকৰ মাজতেহে দায়িত্ববোধ আছে বুলি কলেও বঢ়াই কোৱা নহয়। এই দায়িত্ববোধৰ অভাৱতেই মিচিংসকলে উন্নতিৰ হকে সুবিধা পালেও ওপৰলৈ উধাই যাব নোৱাৰে। কাৰোবাক কোনো এটা ভাৰ দি নিষ্কন্টক হিচাবে বহি থাকিলেই সেই কাম কেতিয়াও হৈ নুঠে। সেই কাম কৰাবলৈ হলে দগা গৰুক খোছ মাৰি থকাৰ নিচিনাকৈ কথাৰে অনবৰত খোছ মাৰি থাকিলেহে কামটো কৰিব পৰা যায়। তেনে নকৰিলে কামটো কেতিয়াও হৈ নুঠে। অৱশ্যে এই দায়িত্ববোধ শিক্ষাৰ পোহৰ পোৱাৰ লগে লগে শিক্ষিত মিচিং লোকৰ মাজত বিশেষভাবে স্থান লাভ কৰিছে। উদাহৰণ স্বৰূপে কব পাৰি যে বৰ্ত্তমান যি সকল শিক্ষিত মিচিং লোক খেতিৰ উৎপাদনৰ কামত লাগিছে তেওঁলোকেহে নিৰক্ষৰ মিচিং লোকতকৈয়ো বেচি উৎপাদন কৰা দেখিবলৈ পোৱা গৈছে। ইয়াৰ মুল কাৰণ হ'ল স্বাক্ষৰ লোকৰ দায়িত্ববোধ নিৰক্ষৰ লোকতকৈয়ো বেছি। গতিকে মিচিং সমাজত শিক্ষাৰ বিস্তাৰৰ বাবে মিচিং বাঃনী কীবাঙে বিশেষ জোৰ দিয়া উচিত ।

৯। শিক্ষাৰ উন্নতিকল্পে যিমান প্ৰটেষ্টাৰ দৰ্কাৰ সেই প্ৰচেষ্টা মিচিংসকলৰ মাজত নাই বুলি কলেও বঢ়াই কোৱা নহয়। ল'ৰা-ছোৱালীবিলাকক স্কুলত বা কলেজত পঠিয়ালেই ল'ৰা-ছোৱালীক পঢ়াৰ কাৰণে সুবিধা দিছোঁ বুলি নিজকে সন্তুষ্টি দি থাকে। স্কুল বা কলেজত পঢ়িবলৈ দিয়াৰ উপৰিও তেওলোকৰ শিক্ষাৰ প্ৰসাৰৰ বাবে যে বেলেগ ব্যৱস্থা ল'ব লাগে তাক খুব কম সংখ্যক মিচিংলোকে বুজি পোৱাৰ ফলত মিচিং সমাজৰ ল'ৰা-ছোৱালীয়ে আন আন উন্নত সমাজৰ ল'ৰা-ছোৱালীৰ লগত সমানে সমানে কোনো

ক্ষেত্ৰতেই ফ্ৰেমাৰি যাব নোৱাৰাত অভিভাৱক সকলে অনৰ্থক ধন খৰচো কৰিব লগা হয়। প্ৰাথমিক স্তৰত পঢ়া অৱস্থাৰ পৰা যে ল'ৰা-ছোৱালী ভাল কৰিব লাগে সেইটো জ্ঞান শতকৰা ৯৯ জন মিচিংলোকৰ মাজতেই নাই বুলি কলেও বঢ়াই কোৱা নহয় । চৰকাৰৰ ফালৰ পৰা আন আন জনজাতিলোকৰ লগতে মিচিং সকলৰ ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ ক্ষেত্ৰত বৃত্তি আদি দি বিশেষ সুবিধা দিছে যদিও সেই সুবিধা লৈ তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে আগুৱাই যাব পৰা নাই। বৰং সেই সুবিধালৈ বহু মিচিং ল'ৰা-ছোৱালীক বেছি দামী পোছাকহে পিন্ধা দেখিবলৈ পোৱা গৈছে। বৃত্তিৰ টকাখিনি শিক্ষাৰ ক্ষেত্ৰত অকনো খৰছ কৰা নাই বুলিহে মোৰ অনুমান, এই টকা বিলাক বেচিকৈ পোছাক পৰিচ্ছদতেহে খৰচ কৰা দেখিবলৈ পোৱা যায় ।

১০। মিচিং সমাজৰ পুৰুষতকৈয়ো তিৰোতাৰ কামৰ বোজা বহু পৰিমানে বেছি। মিচিং তিৰোতাসকলে হাল-বোৱাৰ বাহিৰে সকলো কাম কৰে। তাঁতবৈ ল'ৰা-ছোৱালীক কাপোৰকানি পিন্ধোৱাৰ উপৰিও বিয়া দিবলগীয়া ছোৱালীৰ লগত যৌতুকত দিবৰ বাবে ‘মিৰিজিম’ আদি যোগাৰ কৰি দিব লাগে । মিচিং তিৰোতাই পথাৰত কোৰ মাৰে, খৰি লুৰি আনে, কুঠাৰেৰে খৰি ফালে, উৱাল মাৰে আৰু ঘৰৰ সকলোকে ৰান্ধি বাঢ়ি খুৱাব লাগে । আলহী অতিথি আহিলে তেওঁলোকক শুশ্ৰূষা কৰাৰ গুৰুদায়িত্ব তিৰোতাসকলৰ ওপৰতেই পৰে। তাৰোপৰি সৰু ল'ৰা-ছোৱালীক তিৰোতাসকলেই গা-পা ধুৱায়। মিচিং তিৰোতাই এশ এবুৰি কাম কৰি থকাৰ ফলত ল'ৰা-ছোৱালীৰ পঢ়াশুনা কামত অকনো মন কান দিব নোৱাৰাত ল'ৰা-ছোলালীয়ে পঢ়া শুনাত অগ্ৰগতি লাভ কৰিব নোৱাৰে। মাকে ল'ৰা- ছোলালীৰ পঢ়া শুনাত বিশেষকৈ মন-কান নকৰিলে সেই ল'ৰা-ছোৱালী কেতিয়াও ভাল হ'ব নোৱাৰে ।
১১ । মিচিং সকল হিন্দু ধৰ্ম্মাৱলম্বী মানুহ কিন্তু হিন্দু ধৰ্ম্মাৱলম্বী মানুহ হ'লেও মিচিংসকলৰ পুৱৰ ৰীতি-নীতি, সকাম - নিকাম আদি তেওঁলোক নিজা নিয়মমতে কৰি আছে। ভাগৱতী ধৰ্ম্মমতে মিচিং সকলে নাম-কীৰ্ত্তন কৰে । ধৰ্ম্ম গুৰুত শৰণ লয়, ৰাতি খোৱা ধৰ্ম্ম কৰে। কিন্তু আনহাতে আকৌ ‘দবুৰ-তালেংউই’ ‘তচাগ’ ‘ঊৰ্ম আপিন’ বা ‘গিয়াতি’ মিচিং সকলে কৰিয়েই থাকে। এক কথাত কবলৈ গলে তেওঁলোকে গ্ৰহন কৰা ধৰ্ম্মটো হৈছে - মিছিং হিন্দু ধৰ্ম্ম আচল হিন্দু নহয়। হিন্দু ধৰ্ম্মৰ কিছুনীতি-নিয়ম মিচিং সকলে গ্ৰহণ কৰিছে। কিন্তু বেচি ভাগ নীতি-নিয়ম গ্ৰহণ কৰা হোৱা নাই। মিচিঙৰ নিয়মমতে আৰু হিন্দু ধৰ্ম্মৰ নিয়মমতেও সকাম-নিকাম কৰাৰ ফলত মিচিং সমাজত গোটেই বছৰতেই সকাম শেষ নহয়। যি সকল মিচিংলোকে ভকত বা সাধু = বুঢ়া হৈছে, তেওঁলোকৰ কামেই হৈছে- প্ৰত্যেকদিন ৰাতি পুৱাবৰ সময়লৈকে সকাম খোৱা। এই ভকত আৰু সাধু বুঢ়া সকলে সকাম খায়েই থাকিব লগা হোৱাত আন কোনো উন্নতিমুলক কথা তেওঁলোকে চিন্তা কৰিবই নোৱাৰে। মিচিং বাঃনী কী বাঙৰ জৰিয়তে কি সকাম কিমান বছৰৰ ভিতৰত পাতিব লাগে নিৰ্ণয় কৰি দিয়াৰ বিশেষ দকাৰ হৈ পৰিছে। যদি তাকে নকৰে তেতিয়াহ'লে বছৰৰ খোৱা ভাত ২/৩ মাহৰ ভিতৰতেই সকাম কৰিয়েই শেষ কৰি ল'ব। বেচিকৈ সকাম আদি কৰি থকাৰ কাৰণেও মিচিং সকলৰ আৰ্থিক - অৱস্থা স্বচ্ছলাৱস্থালৈ আহিব পৰা নাই।

# বিজ্ঞানী দ্বিজেন মেদকৰ চমু জীৱনী

**জন্মঃ** লক্ষীমপুৰ জিলাৰ সোৱনশিৰী মেদক গাৱঁৰ বিজ্ঞানী দ্বিজেন মেদকৰ জন্ম হয় ১৯২৩ চনত। তেওঁৰ পিতৃ তকন চন্দ্ৰ মেদক আৰু মাতৃ এপেৰি মেদক । তেওঁৰ ভাই ভনী ১২ জন আছিল। তেওঁ মাজু পুত্ৰ। শিক্ষা :- তেওঁ প্ৰথমিক শিক্ষা মেৰগুলি এল.পি,স্কুলত আৰম্ভ কৰি উত্তৰ লক্ষীমপুৰ এম. ভি স্কুলত এ.পি. পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে আৰু ঢকুৱাখনা চৰকাৰী এম.ভি স্কুলৰ পৰা ১৯৩৬ চনত এম. ভি পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰথম বিভাগত পাছ্ কৰি বৃত্তি লাভ কৰে। ১৯৪০ চনত চৰকাৰী বৃত্তিৰ যোগেদি নৰ্মাল বাছনি পৰীক্ষাত উৰ্ত্তীণ হৈ পুনৰ যোৰহাট চৰকাৰী নৰ্মাল স্কুলত নাম ভৰ্তি কৰে। পদ্মশ্ৰী ইন্দিৰা মিৰিৰ তত্বাৱধানত ১৯৫১ চনত Industrial training institute যোৰহাট অসমৰ পৰা Hand weaving fancy & Furnishing Fabrics ত দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাত ভাৰত চৰকাৰে তেওঁক Koni, Bilashpur (Madhya Prodesh) 1 Central Training institute for Instructor Instructor পাছ্ কৰে। ১৯৫৬ চনত নেফা, মাৰ্ঘেৰিটাত দুটা প্ৰদৰ্শণীত উন্নত Tribal Handloom Designe দেখুৱাই চৰকাৰৰ পৰা ভূয়সী প্ৰসংসা পাই ছিল। তেতিয়া পুনৰ ভাৰত চৰকাৰে লণ্ডনত পঢ়াব সুবিধা দিয়াত বম্বেলৈ যায়। কিন্তু জন্মদাতা মাতৃ আৰু জনমভূমি অসমক এৰিব নোৱা বি বোম্বেত কিছুদিন থাকি পুনৰ অসমলৈ ঘুৰি নগালেগুত থাকে।

**চাকৰি** ঃ- তেওঁ প্ৰথমে সোৱনশিৰী চাপৰি গাৱঁত প্ৰাথমিক

স্কুল স্থাপন কৰি শিক্ষকতা আৰম্ভ কৰে। ঢকুৱাখনা গেজেৰা গাৱঁৰ প্ৰাথমিক বিদ্যালয়তো তেখেতে শিক্ষকতা কৰিছিল। ১৯৪১ চনত শদিয়াতো ফেক্তৰী এম. ভি স্কুলত শিক্ষকতা কৰিছিল। তিনিচুকীয়া বৰগুৱী এম. ভি স্কুল, অৰুনাচল প্ৰদেশৰ কেমিন আৰু জিৰটো শিক্ষকতা কৰিছিল। তেনেদৰে প্ৰায় স্কুলৰ কামত জড়িত থখাৰ পিছতো ১৯৪২ চনত এয়াৰ ফৰ্চত পাইলতৰ চাকৰিও পাছিল। কিন্তু সেই সময়ত "আজাদ হিন্দ ফৌজৰ" সক্ৰিয় সদস্য হোৱা বাবে তেওঁ চৰকাৰক ধৰা নিদি পাইলটৰ চাকৰিত যোগদান নকৰিলে। তেওঁৰ পৰিয়ালে আত্মগোপন কৰি বলৈ পঠোৱাত শদিয়ালৈ গৈ Sactional Assitant পদত চাকৰি কৰে । শেষত অসমতেই E &D বিভাগত জে.ই. চাকৰি কৰি ১৯৮১ চনত অৱসৰ লয় ।

**বিজ্ঞানঃ**- তেওঁক অসমৰ বৈজ্ঞানিক বুলি কব পাৰি । কৰ্মময় জীৱনৰ লগতে নগালেণ্ড, মাৰ্ঘেৰিটাত চাকৰি কৰা অৱস্থাত দ্বিতীয় মহা যুদ্ধত বিধবস্ত আকাশীযানৰ সজুলি সমুহ অটব্য অৰণ্যৰ পৰা বিচাৰি আনি পানীত চাইকেল চলোৱা মেচিন আৱিস্কাৰ কৰি চলাবলৈ প্ৰচেষ্টা কৰে। তাত সুবিধা নথকাত ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ পাৰত পৰীক্ষা চলাবৰ বাবে প্ৰয়োজনীয় সামগ্ৰী ৰেলৱেৰ পৰা সংগ্ৰহ কৰি থকা অৱস্থাত মাকুমৰ পুলিচে জব্দ কৰে। ইমানতে ক্ষান্তনাথাকি পুনৰ কুলাজানত হোৱা 'মিচিং বাঃনী কীবাঙত তেওঁৰ আৱিস্কাৰ সমুহ প্ৰদৰ্শন কৰে। তেওঁৰ সেই আৱিস্কাৰ সমুহ প্ৰদৰ্শন বিদেশী পৰ্য্যটক সকলে তুলি লৈ যায়। আৱিস্কৃত যন্ত্ৰ সমুহ হ'ল। 1. One Automatic Jungle Cutting Machin. 2. One automatic arrow shooter Machine. 3. One Self Digging Machine. 4. One Bird Caching trap. তেওঁ ১৯৬৬ চনত কুলাজানত হোৱা মিচিং বাঃনী কীবাঙত প্ৰদৰ্শনীত Exhibition & Marketing Development officer Assam, Shillong Certificate কৰে। তেওঁৰ মৃত্যুৰ পিছত দিল্লীৰ N.R.D Managing Director ৰ পৰা মেচিন আৱিস্কাৰৰ বাবে Prize Award দিবৰ কাৰণে আশ্বাসৰ চিঠি পাই ছিল। জীয়াই থকা হলে হয়তু বহুতো কৰিব পাৰিলেহেতেঁন।

শিল্পী ও সাহিত্যিক :- তেওঁ এজন শিল্পী ও সাহিত্যিকও আছিল। তেওঁ মিচিং, অসমীয়া, ইংৰাজী কবিতা লিখিছিল। তেওঁ অসমীয়া হিন্দী, ইংৰাজী, বঙালী, আপাটানি, ডফলা ভালকৈ কব পাৰিছিল। তেওঁ নিজে গীত লিখি তেওঁৰ কন্যা ৰীতা দেৱী মেদকৰ গীত বিলাক শুনিলে মিচিং গীতত তেখেতৰ এক নিজা বৈশিষ্ট্য দেখা যায়। ১৯৫১ চনত গুৱাহাটী অনাঁতাৰ কেন্দ্ৰৰ পৰা মিচিং ঐঃনিতমৰ কণ্ঠ পৰীক্ষাত পাছ কৰিছিল। ১৯৯০ চনত ডিব্ৰুগড় অনাঁতাৰ কেন্দ্ৰৰ পৰা অসমীয়া নাটক বিভাগৰ পৰীক্ষা পাছ কৰিছিল। তেওঁৰ কৰ্মময় জীৱনত মাৰ্ঘেৰিটা, নগালেণ্ড আদিত বহু মঞ্চত নাটকত অভিনয়ো কৰিছিল । এইজনা বহু প্ৰতিভাবান ব্যক্তিয়ে বহু কষ্টৰ মাজেৰে অণুন্নত গাৱঁৰ পৰা সাহসেৰে ওলাই আহি মিচিং সমাজক বহু অৱদান দি থৈ যায়। ১৯৯৭ চনৰ ১৭ মাৰ্চত তেওঁ নিজৰ সতি- সন্তানক কাষত ৰাখি "কোনো অন্যায় নকৰিবা, সৎপথত চলিবা" বুলি কৈ তেওঁৰ পত্নী, এটি ল'ৰা, চাৰিজনী ছোৱালী এই পৃথিৱীত এৰি থৈ শেষ নিশ্বাস ত্যাগ কৰে।

**সংগ্ৰাহক –সম্পাদক**

# MURONG OKUM

**Médog ao Ramesor**

Lendo a:dodokkebo tani:lokke aí aiké dolod-tí:lod, du:lod-daglotko Kasudang. Du:teng du:téng, dogo- tinggo, gebo-bomgolok legange gernam agerkiri:dém édé réngamdok dírbé emdag. Do:mug ésar motagdok angu angupé du:né akon asag rengam orthonoitik ager atungé rengam akolok dírbi dírlab alamém ala léngkadag. Rengamkírí:dok édé dírbí dirlab, agom gomlamkírí: dokkokki réngamkírí:dé ami rengam ara:lo atí atí réngame emna kangkinsunadog. Du:lod daglodé, dirbi dirlabé, agom gomlame akomnyemilo éde rengamkiri:dok takam taniyem ope:akko:lo le:la:dag. Agom dírbé anguyemilo angunekĭdarem angu angune opéyé émna kangkinpa:dag, angupe kungkeyém pubipa:dag.

Ami rengam ara:lo kangkinsunala: dandope Mising rengamlokke agom gomlamélang dirbi dirlab-okodoksin pí:rammang. Agom gomlamdem mége:la dirbi dirlablok atí atí ili-ikame aying . amo:sok du:ne akon asag réngamkokki anguminsudog. Mising réngamse arig ila dola turra du:né réngame. Aríg iné rengmkísape réngamsok dírbí dírlablok alame dugdag. Gumrag so:man, ali a:ye lígang, dobur po:rag - édé appi:de arig isingem lutomna inam ili -ikamé. Edemí:pe edémbulum inam adíkírí:de:sin arig idĭdok mo:nam mo:nama:namdem toyi:sudag. Díginnok yubngaksula du:ne amongem gumrag so:la songudligla ali a:yém liggoddag. Lelignam enge aliyem, padlígnam amro guniyem tapum tariye doma:dope emna doburem burdag, odokké dítagdok ilígnam arig isi:lok ngaddope pa:namkiri:dém mekumsula do:lung réngamé leko lakkopé po:rag ti:dag.

Po:rag tigge: dope monam okumdem murong okumé emdag. Murong okumde Mising rengamlok dirbi reringe. Murong okumdem yadrila Mising dirbé yedla du:dag.

Po:pe Misinge adi:ara:tok

du:dodo, tolokké togyí:la yumrangem tekpu: mopu:sula do:lung lu:la du:dodo sumnyo situmém moya:sula du:penampe idungai. Tungkub palabla ketpong kedy arpe okum mopansula du:ne erang kiri:dém moyang ka:ya:la du:la:dopé murong okumem do:lu:dok pongkoglo modungai. Mayang ka:ya:dope do:lu:dok takam era:lok ya:me sí:sangkidare longngém érang agerém gerge:la yummém murong okumdo gikumsulangkula yubdungakui. Sumnyo situmem mége:la:sin do:lungem moangkape giné akon asag regangesin agerem gerpa:dungai. Yummem murong okumdo gikumsudokudodo abi:nekĭdare ame:nekídarem luyir giyirnammem idungai. Lunam tadma:ne kídarem yoddungai. Odobulu do:lung rengamkokki yotkosupe namde arru:pe bottane agomai. Yodnam era:do tani: sinamempine ngasode a:daggom kumri-ko:re réngame ka:dum gidumsunamko imangai.

Murong okumdok du:ne ya:mekiri:dém do:lu:dok abi:ne mijingkidare lurirra agerem gerbodungai. Longé kinid ara:dok longekolo do:lu:dok takam gerbidungai. Gerbinam agerdok arépé éra:de apong ambíném bidungai.

Edempe pa:nam apong ambin appi:dem mekumsuge:la dítagdok bí:ring po:lolo po:ragem tí:dungai. Po:raglo lamku kera:pe du:ne do:lu:lok ya:me mimbírém goksula akom asge odoging me:bo ka:boka:mínsula yamném gidung la:dungai. Odokkokki kumrípé du:ne do:lungkírí:dokkokki me:po sakpola leko lokkope du:dungai.

Do:lu:dem moyang ka:ya:la du:nam, do:lung rengame pu:po- jarponam légangé odokké do:lu:dok ajeng ati ati agomém ru:su-dope do:lung rengame murong okumlo gikumsudungai. Mine mijing adoyang ya:me mimbire murong okumdo relékpé gikumsula ru:su pa:sula a:péné longekiri:dok ager tarungem nare:pe ru:lendungai. Sekkaiké okokoi ajengé kayemilo murong okumlo gikumsula ajéngém anpansudungakui. Edempé ige:la pongkogdokke, Songkordeb-ke boijrob gablinge nera:bomdodokke Mising rengamé aro aro:pe murong okumém mépagla do:lung do:lu:lo na:mgo:rém morobbomkang. Akon asage jisuké kristan Gabli:lo:périn a:sonsuti dung. a:sonsunekĭdare aiya:neko idung a:sonsukang, odokke silope sin Edempe émna mé:sula Mising agom dírbísem aniké émna mé:robbomdung.

Miné míjí:la sidi mo:dido ru:né pí:ne kokki Mimag mominsunam legange ru:neké aminém minna sipénammé emnamdé Hindu gablí:lok lulode. Odogingkem narsula songkordebbi amike rengamlok giangkampe Mising rengam ara:so:sin gía:la miné mijingkidarem edempe sayugnamkokki ya:me mimbirem lambé sigla gígurbonne kanggabnamko kama:namkokki, lékola du:nane ager tarungko kama:namkokki ya:me mimbiré opan katokumang. Aipe lugab oranamsukang.

Silok longelo du:téng dakteng légangé mimag modo adíso murong okumlokké o:rí:ru:pé aréko kadung. Aike agom dírbém ka:si: mosĭ:sula du:nam legange Indian konstitiusondo otonomi: binam agomem manam rengamsem pu:po jarpobonam legange pondiyangka:minsula turra dungko mo:piso Mising emna lusula turra du:nam légangé ngolum ngoluk agom dirbísem lagiru:dag. Aíké agom dirbiko kasuma:yemilo ngolu édémpiné réngamé émna lusula ami réngam ara:lo kangkinsunané bilamé kama:pé idag.

Rengam akolok sí:sang ope:dé édé réngamdok pu:po jarponam agerrok pabídím bubomna ginné. Po:peke ya:me mimbiré leko lakkope murong okumlo gikumsula do:lung réngamém pu:po jarpobonam agerém gerdungai. Siloke si:sangé lekoda murong okumem motennongkula In- dia konstitiusondok atkanbikampe du:teng daktang amongko mala politikel pawarlok kosagem la:la Mising réngamsem pu:po jorpoboyepe emna me:namko appingkei kadung. Edé réngamke me:namo:mang Mising rengamse Misingkisape turra du:namlok légangé atékpé gerpo:penam agere.

# মিচিং বাঃনী কীবাঙৰ ইতিহাসত এভুমুকি

বন্ধুৰাম পাৰেগাম
উপ-সভাপতি
মিচিং বানে কৌবাং
(২০০২-২০০৫)

ইতিমধ্যে মিচিং বাঃনী কীবাঙে বহু ঘাট প্রতিঘাটৰ মাজেদি চাৰিকুৰি এবছৰত ভৰি দিছে। সমগ্র ভাৰতবৰ্ষৰ ভিতৰত মিচিং বাঃনী কীবাঙেই এক মাত্র আৰ্থ সামাজিক সংগঠন, যি সংগঠনে ভাৰত স্বাধীনতাৰ আগৰ পৰাই স-গৌৰৱে ধাৰাবাহিক ভাৱে জীৱন্ত ৰূপত মূৰ্তিমান হৈ আছে। নগাভূমিৰ আৰ্থ সামাজিক সংগঠন হো হোৰ দৰে শক্তিশালী, জনপ্রিয় আৰু সকলো জনগণৰ গ্রহণীয় মিচিং বাঃনী কীবাঙ। ১৯২৪ চনত শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামীৰ পৌৰহিত্যত আত্মপ্রকাশ কৰা মিচিং বাঃনী কীবাঙে 2024 চনত শতবৰ্ষত উপনীত হ'ব। মিচিং বাঃনী কীবাঙৰ চাৰিকুৰি এবছৰীয়া নিজস্ব এক গৌৰৱ উজ্জ্বল ইতিহাস আছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে শিক্ষাবিদ মিগাং পূৰ্ণকান্ত পেগুৰ পৌৰহিত্যত অনুষ্ঠিত ৩২ তম্ বিলমুখ অধিবেশনত চাৰিসীমা বিহীন মিচিং স্বায়ত্ব শাসন প্রদানক কেন্দ্র কৰি তদানিন্তন চৰকাৰ আৰু টি এম পি কে, এম এম কে আৰু টি এম এম কে ৰ মাজত তীব্র সংঘাট সৃষ্টি হোৱাত সংগ্রামী সত্বাক ছেদেলি ভেদেলি কৰিবলৈ পুলিচে গুলি ছালনা কৰে। ফলত বহু লোক আজীৱন ঘূণীয়া হয়। বিলমুখ মেদক গাঁৱত স্বৰ্গীয় বগা মেদক আৰু বৰ্ষামুখৰ নৰেশ টাইদ গুলিবিদ্ধ হৈ মৃত্যু মুখত পৰে। মিচিং জাতীয় স্বাৰ্থত আৰু জাতীয় আন্দোলনৰ এওঁলোক দুজনেই সৰ্বপ্ৰথম ছহিদ হিচাবে কাললৈ খ্যাতি আৰ্জ্জন কৰিলে । এওঁলোকক মিচিং জাতীয় অনুষ্ঠান প্রতিষ্ঠানৰ অধিবেশন সমূহত মিচিং স্বাধীনতা সংগামী ছহিদ স্বৰ্গীয় কমলা মিৰিৰ লগতে জাতীয় বীৰ হিচাবে ছহিদ তৰ্পণ কৰি সন্মান প্রদৰ্শন কৰোহঁক ।

**মিচিং বাঃনে কীবাঙৰ অন্ধকাৰ যুগ :-**

গতিশীলভাৱে সামাজিক দায়-দায়িত্বৰে অগ্রগতি লাভ কৰা মিচিং বাঃনী কীবাঙ ১৯৯৫ চনৰ পৰা ২০০২ চনলৈ স্থবিৰ হৈ পৰে। এই সময়চোৱা মিচিং বাঃনী কীবাঙৰ মৰ-আউসীৰ অন্ধকাৰৰ যুগ হিচাবে চিহ্নিত কৰা হৈছে। তিনিটা বছৰৰ বিৰতিৰ পাছত ১৬/০৬/০১ তাৰিখে ৪১ জনীয়া কাৰ্য্যকৰী সমিতিয়ে প্ৰাক্তন উপায়ুক্ত মিগাং পদ্ম নাথ টাইদক সভাপতি হিচাবে লৈ মৃতপ্ৰায় মিচিং বাঃনী কীবাঙক পুনঃউদ্ধাৰ কৰাৰ চেষ্টা চলায়|

**মিচিং বাঃনে কীবাঙৰ প্ৰাক্ ঐতিহাসিক যুগ**

১২১২ খৃষ্টাব্দৰ পৰা মিচিং সকল ক্রমাগত বিভিন্ন ভৌগোলিক আৰু ঐতিহাসিক কাৰণত ভৈয়ামলৈ প্রব্রজন কৰিবলৈ আৰম্ভ

কৰিলে। সেই সময়ত অসমত ক্ষুদ্ৰ ক্ষুদ্ৰ কেইবাখনো ৰাজ্য আছিল যদিও সমগ্ৰ অসমখনেই অৰণ্যৰ ভৰপূৰ আছিল। কাজেই মিচিং সকল উৰ্বৰা মাটি আৰু অৰণ্যৰ অধিকাৰ ভালদৰেই ভোগ কৰিব পাৰিছিল। হাবি জংঘল এবাৰ, দুবাৰ বা ততোধিকবাৰ খেতি কৰি নতুন উৰ্বৰা মাটিৰ সন্ধানত মিচিং সকল অসমৰ সিমূৰৰ পৰা ইমূৰলৈ বাঘে চোং সলোৱাৰ দৰেই ঠাই সলাই ফুৰিছিল। য'তে উৰ্বৰা কেচা মাটিৰ গোন্ধ, য'তেই নদীৰ পলসুৱা মাটি তাতেই মিচিং সকলে স্বাধীন আৰু আনন্দ মনেৰে শাৰী শাৰী চাঙঘৰ সাজি বসতি প্ৰধান অঞ্চল হিচাবে গঢ়ি তুলিছিল, আপোন মনেৰে, প্ৰাণেৰে । গৰু মহৰ গাখীৰ বাৰীৰ সেউজীয়া সেউজীয়া শস্য, অৰণ্যৰ নানা ৰঙীণ বনৰীয়া শাক-পাচলি, পথাৰৰপকা ধান, বনৰীয়া ঘৰচীয়া জীৱ জন্তুৰ মাংস আৰু নদ-নদীৰ ডাঙৰ ডাঙৰ মাছ, কলা- বগা আপং (মদ) ৰ লগত ভক্ষণ কৰি ঘৰৰ, গাঁৱৰ চাৰিবেৰৰ বাহিৰৰ পৰিবৰ্ত্তনশীল, প্ৰগতিশীল পৃথিৱীখনৰ কথা ভাৱিবলৈ সময় নাপাইছিল। সম্পূৰ্ণ অন্ধ বিশ্বাস আৰু অন্ধ সংস্কাৰে মিচিং সমাজখন অক্তোপাচৰ দৰে আগুৰি ধৰি আছিল। তেতিয়াৰ মচিং সমাজখনে শিক্ষা-দিক্ষা আৰু নৱ জাগৰণৰ প্ৰতি আওকান কৰি চলি আছিল ।
এনে এটা সন্ধিক্ষণত মহামানৱ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামী অন্যতম ৰাষ্ট্ৰীয় নেতা, ধৰ্মপ্ৰচাৰক, সংস্কাৰক গঢ়মুৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামীদেৱৰ ঘোৰ অন্ধকাৰে গ্ৰাস কৰা মিচিং সমাজত এক যুগান্তকাৰী আধুনিক যুগৰ শুভাৰম্ভ কৰে। শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামীৰ প্ৰগতিশীল চিন্তা-চৰ্চ্চাই মিচিং সমাজলৈ কঢ়িয়াই আনিলে পৰিবৰ্ত্তনৰ এজাক প্ৰবাহ। অসমৰ দ্বিতীয় বৃহৎ জনজাতি জনগোষ্ঠী মিচিং সমাজখনক শিক্ষাও সংস্কাৰে ন-কৈ নগঢ়িলে, মিচিং সমাজত নতুন আলোকেৰে আলোকিত নকৰিলে বৰ অসমৰ প্ৰগতি তথা সমৃদ্ধি অসম্ভৱ বুলি মহামানৱ শ্ৰীশ্ৰী গোস্বামীদেৱে ১৯২৪ চনতেই অন্তকৰণেৰে উপলব্ধি কৰিছিল। সেয়ে মিচিংপ্ৰেমী, মানৱপ্ৰেমী শ্ৰীশ্ৰী গোস্বামীদেৱে মিচিং সমাজখনৰ উত্তৰণৰ বাবে ১৯২৪ চনত মাজুলীৰ গেজেৰাত কোনোবা এটা শুভক্ষণত মিৰি লীগ গঠন কৰিলে । সেয়ে মিচিং জনগোষ্ঠীৰ জনজীৱনত ১৯২৪ চনটো এক চিৰ স্মৰণীয় চন। কিয়নো যি সময়ত অসমৰ নদ-নদী নাইবা বৰ লুইতৰ নদী-উপনদীৰ উপত্যকা সমূহত বসবাস কৰা মিচিং জনগোষ্ঠীৰ বাসাঞ্চল সমূহ চৌদিশে অৰণ্যৰে ভৰপুৰ আছিল। বাঘ, ভালুক, হাতী আদি জীৱ জন্তুৰ লগত মিচিং সকলে সহ-অৱস্থান - কৰিছিল। মন পৰশা সেউজীয়া প্ৰকৃতি পৰিবেশৰ মাজত বসবাস কৰা কৃষিজীৱি মিচিং সকলে দুই এজনৰ বাদে শিক্ষা জগতৰ পৰা বহু হাজাৰ যোজনাৰ দূৰত অৱস্থান কৰিছিল। তেতিয়াৰ মিচিঙে কাটিম বুলিলেই কাটি পেলাইছিল । মাৰিম বুলিলেই মাৰি পেলাইছিল। মিচিং সকল দঃঞি পল' (চন্দ্ৰ সূৰ্য্য) ক পৰম আৰাধ্য দেৱতা হিচাবে লৈও একালত

ধৰ্মান্তৰ হৈ কিছুলোকে ৩৬ কোটি দেৱতা, ভূত-প্ৰেত আদিকে পূজা অৰ্চনা কৰিছিল। জ্বৰ- বেমাৰ আদি ৰোগে দেখা দিলে স্থানীয় বেজ-জ্ঞানী আদিৰ দ্বাৰা চিকিৎসা কৰি থাকোতেই বহু ৰোগীয়ে সংসাৰ ত্যাগ কৰিব লগা হৈছিল। অন্যকি এই আধুনিক যুগতো দূৰ্গম অঞ্চলত বসবাস কৰা সকলে মেলেৰীয়া জ্বৰত এক কেজিমান জলকীয়া খুন্দি গুৰি কৰি খাই প্ৰাকৃতিক চিকিৎসা কৰা দেখা যায়। আকৌ কেতিয়াবা দুটকা এটকা দাম ঔষধৰ অভাৱত বহুলোকে মৃত্যু বৰণ কৰে। ১৯২৪ চনৰ আগত আৰু পাছত মিচিং সকলে জলদেৱতা, স্থলদেৱতা, পথাৰ ডাভৰীয়া, গৰৰ ডাভৰীয়া আদি অনেক দেৱতাৰ পূজা পাতল কৰে। বনৰীয়া গাহৰি চিকাৰ কৰিবলৈ গৈ "কানী পান" খোৱাই পূজা পাতল দি অতীতত চিকাৰ আৰম্ভ কৰিছিল। মণ্ডলে ভোগ দখল কৰি থকা মাটি পট্টা প্ৰদান কৰিবলৈ আহিলে মণ্ডলক উপঢৌকন দি পট্টা নিদিবলৈ মিনতি কৰিছিল নাইবা কোনোবাই তামুল পান এবটা দিলেই বহু পুৰা মাটি দান কৰিছিল। তেতিয়াৰ মিচিং সমাজখনে ভৱিষ্যত জীৱনৰ কথা চিন্তা- চৰ্চ্চা নকৰিছিল। ঠিক এনে পৰিস্থিতিত শ্ৰীশ্ৰী গোস্বামীদেৱৰ উদ্যোগত মিচিং গাওঁবোৰত সংগঠন কৰি মহান উদ্দেশ্য সন্মুখত ৰাখি মিৰি লীগৰ জন্ম দিছিল। মিৰি লীগে কালক্ৰমত মিৰি সন্মিলন আৰু বৰ্ত্তমানৰ মিচিং বাঃনী কীবাঙ ৰূপ ললে ।

**মিচিং বাঃনে কীবাঙ পৰিবৰ্ত্তনৰ যুগঃ-**

দূৰ্গম, দূৰ্ভেদ্য আৰু যাতায়তী ব্যৱস্থাৰ অচল মিচিং জনজীৱনলৈ মিচিং বাঃনী কীবাঙে যুগান্তকাৰী পৰিবৰ্ত্তন কঢ়িয়াই আনিলে। অ' ত ত'ত সিঁচৰিত হৈ থকা মিচিং সমাজখনক ঐক্যবদ্ধতা আৰু সম্প্ৰীতিত মিচিং বাঃনী কীবাঙে অভূতপূৰ্ব ইন্ধন যোগালে। উল্লেখযোগ্য যে মিচিং বাঃনী কীবাঙেই সৰ্ব প্ৰথম মিচিং সংগঠন। এই সংগঠনে মিচিং সমাজক শিক্ষা, বাণিজ্য, কৃষি, ৰাজনীতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত আগুৱাই যোৱাত সহায়ক হ'ল। মিচিং বাঃনী কীবাঙে মিচিং সকল প্ৰথম আৰু প্ৰাচীন সংগঠন বাবেই ইয়াক মিচিং সমাজৰ পিতৃ সংগঠন বোলে।

শ্ৰীশ্ৰী পিতাম্বৰ দেৱগোস্বামীদেৱে মিৰি লীগৰ জৰিয়তে মিৰি সমাজত শিক্ষাৰ পোহৰ, সংস্কাৰ পোহৰ, প্ৰগতিৰ পোহৰ, মিচিং সকলৰ সংবিধানিক অধিকাৰ পোহৰ আৰু স্বাধীনতাৰ আন্দোলনৰ প্ৰেৰণা যোগালে আৰু মিচিং সমাজেই স্বাধীনতাৰ আন্দোলনৰ আন্দোলনত জপিয়াই পৰাৰ লগে লগে মিচিং অধ্যুষিত অঞ্চলত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় যথাক্ৰমে প্ৰতিষ্ঠা কৰাৰ আন্দোলন আৰম্ভ কৰিলে। শীতত মিৰি জিম কাপোৰৰ উমত শুই থকা মিচিং সমাজ খনে জাতিটোৰ ভূত-ভৱিষ্যত সম্পৰ্কে নতুনকৈ চিন্তা-চৰ্চ্চা আৰম্ভ কৰিলে ।

**সাধাৰণ অধিবেশনৰ দিন লিপি ঃ-**

শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামীৰ পৌৰহিত্যত মাজুলীৰ গেজেৰাত ১৯২৪ চনত

প্ৰথম অধিবেশন, মিষ্টাৰ, এ, চি টনষ্টয়ৰ সভাপতিত্বত ভেকেলীমুখত দ্বিতীয় অধিবেশন ৭, ৮, মে' ১৯২৭ চন, সাহিত্যিক ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত নামঘৰীয়াত তৃতীয় অধিবেশন ৯, ১০ এপ্ৰিল' ১৯২৮ চন, মহম্মদ মুহিবুদ্দিন আহমেদৰ সভাপতিত্বত উত্তৰ লক্ষীমপুৰ জামুগুৰিত চতুৰ্থ অধিবেশন ২২, ২৩ এপ্ৰিল' ১৯৩১ চন, বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱাৰ সভাপতিত্বত লক্ষীমপুৰ তাকৃত ৫ম অধিবেশন ২২, ২৩ অক্তোৱৰ' ১৯৩৩ চন, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰীৰ সভাপতিত্বত বাসুদেউ বেবেজীয়াত ৬ষ্ঠ অধিবেশন ২২, ২৩ ফেব্ৰুৱাৰীত' ১৯৩৪ চন, বাগ্মীবৰ স্বৰ্গীয় নীলমনি ফুকনৰ সভাপতিত্বত ঢকুৱাখনা মাতমৰাত ৭ষ্ঠ অধিবেশন ২৭, ২৮ ফেব্ৰুৱাৰীত' ১৯৩৬ চন, তেতিয়াৰ অসমৰ প্ৰধান মন্ত্ৰী মহম্মদ চাৰ চাদুল্লাৰ সভাপতিত্বত গোলাঘাট সোৱণশিৰিত ৮ম অধিবেশন ৯, ১০ এপ্ৰিল' ১৯৩৭ চন, শিক্ষাবিদ স্বৰ্গীয়া ইন্দিৰা মিৰিৰ সভাপতিত্বত গোলাঘাট মহুৰামুখত ৯ম অধিবেশন ২১, ২২ এপ্ৰিল' ১৯৩৮ চন, স্বৰ্গীয় চকভাল কাগয়েঙৰ সভাপতিত্বত মাজুলীৰ বনচাপৰিত ১০ম অধিবেশন ১৯৪০ চন, প্ৰথম মিচিং বিধায়ক স্বৰ্গীয় কাৰ্ক চন্দ্ৰ দলেৰ সভাপতিত্বত তেজপুৰ তামুলী চিগাত ১১শ অদিবেশন ১৯৪৫ চন, স্বৰ্গীয় কাৰ্ক চন্দ্ৰ দলেৰ সভাপতিত্বত ধেমাজীৰ কুলিগাঁৱত ১২শ অধিবেশন ১৯৫০ চন, ১৩শ, ১৪শ, ১৫শ, ১৬শ আৰু ১৭শ সাধাৰণ অধিবেশনৰ তথ্য আমাৰ হাতত নাই। স্বৰ্গীয় কুলধৰ চলিহাৰ সভাপতিত্বত তেজপুৰ পিছলাত ১৮শ অধিবেশন ২৫ ফেব্ৰুৱাৰীত ১৯৫৫ চন, প্ৰাক্তন বিধায়ক শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত গেজেৰাত ১৯শ অধিবেশন ২৯, ৩০ অক্তোবৰ' ১৯৫৭ চন, শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত গড়চিগাত ২০শ অধিবেশন ১৯৫৮ চন, শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত মলোৱাৰত ২১শ অধিবেশন ১৫ এপ্ৰিল'১৯৫৯ চন, শ্ৰীযুত মাল চন্দ্ৰ পেগুৰ সভাপতিত্বত মহামাৰীত ২২শ অধিবেশন ১৫ এপ্ৰিল'১৯৬১ চন, সাহিত্যিক স্বৰ্গীয় তৰুণ চন্দ্ৰ পামেগামৰ সভাপতিত্বত কুলাজানত ২৩শ অধিবেশন ৪, ৫, ৬ ফেব্ৰুৱাৰী’ ১৯৬৬ চন, প্ৰাক্তন সাংসদ স্বৰ্গীয় ললিত কুমাৰ দলেৰ সভাপতিত্বত মইনাপাৰাত ২৪শ অধিবেশন ২৯, ৩০ নবেম্বৰ' ১৯৭২ চন, শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত বামুনদলনিত ২৫শ অধিবেশন ২৭, ২৮ এপ্ৰিল ' ১৯৭৫ চন, স্বৰ্গীয় পুষ্পধৰ পেগুৰ সভাপতিত্বত যোৰহাট বাহফলাত ২৬শ অধিবেশন ২৫ মাৰ্চ’ ১৯৭৮ চন, শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত ঘূণাসুঁতিত ২৭শ অধিবেশন ১, ২ মাৰ্চ' ১৯৮১ চন, শ্ৰীযুত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত বকুলগুৰিত ২৮শ অধিবেশন ২৯, ৩০ জানুৱাৰী' ১৯৮৫ চন, শিক্ষাবিদ শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগুৰ সভাপতিত্বত পাথৰিচুকত ২৯শ অধিবেশন ২১, ২২ ফেব্ৰুৱাৰী' ১৯৮৭ চন, শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগুৰ সভাপতিত্বত ধেমাজীৰ মিংমাঙত ৩০ তম অধিবেশন ২১, ২২, ২৩ এপ্ৰিল' ১৯৮৯ চন, ৰাজনীতিক শ্ৰীযুত গোলাপ চন্দ্ৰ দলেৰ সভা- পতিত্বত লক্ষীমপুৰ বদতিত ৩১ম অধিবেশন

২১, ২২ এপ্ৰিল'   ১৯৯২ চন, শিক্ষাবিদ শ্ৰীযুত পূৰ্ণকান্ত পেগুৰ সভাপতিত্বত বিলমুখত ৩২ম অধিবেশন ১৯৯৫ চন, প্ৰাক্তন অতিৰিক্ত উপায়ুক্ত শ্ৰীযুত পদ্ম নাথ টাইদৰ সভাপতিত্বত প্ৰস্তোতি কমিটিৰ উদ্যোগত গোগামুখত অভিবৰ্তন ২০০২ চন আৰু শিক্ষাবিদ শ্ৰীযুত দেৱেশ্বৰ পেগুৰ সভাপতিত্বত সোৱনশিৰি বৰ্ষামুখত ৩৩ম অধিবেশন ২৪, ২৫, ২৬, ২৭ মাৰ্চত'   ২০০৫ চন তাৰিখে অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলি আছে। উল্লেখযোগ্য যে প্ৰাক্তন বিধায়ক শ্ৰীযুত মালচন্দ্ৰ পেগু ডাঙৰীয়াই দীৰ্ঘদিন বাঃনী কীবাঙৰ সভাপতিৰ পদটি শুৱনি কৰিছিল ।

**মিচিং বাঃনী কৌবাঙৰ সোনালী যুগৰ শুভাৰম্ভ** :-

সুদীৰ্ঘ পাঁচ বছৰ মৃতপ্ৰায় হৈ থকা বাঃনী কীবাঙৰ প্ৰস্তুতি কমিটিৰ উদ্যোগত গত ২৭, ২৮ এপ্ৰিল' ২০০২ চন তাৰিখত মিগাং পদ্ম নাথ টাইদৰ পৌৰহিত্যত অনুষ্ঠিত প্ৰতিনিধি সভাই শিক্ষাবিদ মিগাং দেৱেশ্বৰ পেগুদেৱক সভাপতি মিচিং জ্যেষ্ঠ সাংবাদিক, সমাজকৰ্ম্মী মিগাং বন্ধুৰাম পাৰেগামক উপ-সভাপতি গণতান্ত্ৰিক নিৰ্বাচনৰ জড়িয়তে নিৰ্বাচিত কৰে । উক্ত সভাপতিদ্বয়ে প্ৰগতিশীল চিন্তা- চৰ্চ্চা সম্পন্ন পৰ্য্যবেক্ষকৰ জড়িয়তে সৰ্বদলীয় সদস্যৰে মিচিং বাঃনী কীবাঙৰ কাৰ্য্যনিৰ্বাহক আৰু জাতীয় পৰিষদ গঠন কৰি মিচিং জাতীয়  জীৱনৰ মূল সুঁতিৰ মূল সমস্যাৰ লগত জড়ি হৈ পৰে। মিচিং সমাজখনক একতাৰ ডোলে ঐক্যবদ্ধ প্ৰচেষ্টাৰে সকলো দিশত আগুৱা নিবলৈ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। ষ অনুসূচীৰ আদায় কৰা মানসেৰে উত্তৰ লক্ষীমপুৰ মিচিং সৰ্বদলীয় সভা, গুৱাহাটী মহা নগৰিত গণ অভিৱৰ্তন আয়োজন কৰি দিচপুৰ লাষ্ট গেটত গণ ধৰ্ণাৰে জাতীয় দাবীত উত্তাল হৈ পৰে। তদুপৰি একেই দাবীত জাতীয় সংগঠনৰ সহযোগত মিচিং বাঃনী কীবাঙৰ নেতৃত্বত ভাৰত চৰকাৰ ওচৰতো দাবী ৰাখে । মিচিং বাঃনী কীবাঙে 2024 চনত শতবৰ্ষ পুতিৰ উপলক্ষে মিচিং জাতীয় জীৱনত সকলো দিশত সৰ্বাঙ্গীণ উন্নয়নৰ কাৰণে বিভিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে। মিচিং জাতিক বিশ্বৰ এক শ্ৰেষ্ঠ জাতি হিচাবে গঢ় দিয়াৰ প্ৰয়াসেৰে মিচিং বাঃনী কীবাঙে পৰৱৰ্ত্তী দিনবোৰত ঐক্য সম্প্ৰীতিৰে মিচিং জাতীয় সংগঠন, বিভিন্ন ৰাজনৈতিক দল মত নিৰ্বিশেষে জাতীয় স্বাৰ্থৰ হকে সামূহিক সেৱা সংস্কাৰত বৰ্তি হ'বলৈ মিচিং বাঃনী কীবাঙে আশা ৰাখিছে। এনেবোৰ দিশৰ পৰাই মিচিং কীবাঙৰ সোনালী যুগৰ শুভাৰম্ভ হোৱা বুলি গণ্য কৰিব পাৰি। উল্লেখযোগ্য যে কুলাজান অধিবেশনত ভাৰতৰ প্ৰধান মন্ত্ৰী স্বৰ্গীয়া ইন্দিৰা গান্ধীয়ে উপস্থিত থাকি মিচিং জনগণক আৰু অসমৰ ৰাইজক শ্ৰদ্ধা জনাইছিল ।

# Central Execurive Committee - 2002-2005

| | |
|---|---|
| President | : Debeswar Pegu |
| Vice-President | : Banduram Pawegam |
| General Secretary | : Paramananda Chayengia |
| Asstt. Secretary | : Bileswar Pegu |
| Asstt. Secretary | : Majit Pao (Arunachl Prodesh) |
| Asstt. Secretary | : Chidananda Pegu |
| Organizing Secretary | : Mani Kanta Patgiri |
| Organizing Secretary | : Maneswar Katum |
| Organizing Secretary | : Deba Ranjan Morang |
| Executive Member | : Lalit ch. Pegu |
| | : Phaniram Tayung |
| | : Debeswar Pegu (Dhakuakhana) |
| | : Ananda Pegu |
| | : Baparam Pegu |
| | : Padma Pegu |
| | : Jugesh Kumbang |
| | : Kamison Mili |
| | : Phul Kanta Pegu |
| Megazine Secretary | : Purna Kumar Chintey |

# MISING AGOM KEBANG
# BA:SANG DO:YING

**Mg. Bhobo Dole:**

Mising tani:é edí longelokké agomsem nppango:lo lubomsula du:namsém pogolo:sín pori:pa:do:pé, aík agomkí asin do:yingém adsar sula:dope ager gerné keba:dé "Mising Agom Kebang. Mising Agom Kebangké me:bomsul gernam agerkí Mising Agomem 1986 dokké pobug -pogolo pori pa:dung. Silopé 230 ko pogolo agomém pokaila dung. Se gomsarso MAK lok ba:sang do:yingem andepé aro document kokki adsar dung.

Guwahati bok poríne, Migom ager gerném gokkumsuge:la agom do:ying kínam léga:pé Agom Migang Tabu Taid kelang Mg.Bhobo kanto Dole:ke goggurki 1968 dítag dok septembor po:lodo 'Guwahati Mising Kebangem' ba:leto. Agom legape gerbug ager kídéngém "Guwahati Mising Kebangé gerge:la 1971 dok 17 oktubor do Jonai amo:lo ba:nam lupolujar keba:do agom abíg tílennam léga:pé anguru:pé Kebang ko lagiyé émna Mg. Tabu Taid Kéla: Nahendro pa:dun Ké abu pela Nebi:pé goggurki 1972 ditag dok 16,17 éla: 18 Epril do Disabgmukhlok bettepagne 'dungklum keba:do "Mising Agom Kebangém ba:iento. Kebangé Agom Migang Tabu Taidmé abupé odokké Nahendro Pa:dunmé nébí:pé tolikto.

Mising Agom Keba:lok gerbug agérém gertí:la 1974 dítag do Dhemaji lo baponam Mirum Kebang, 1978 dítagdo MAK lok annyi né Mirum Kebangém Dhemaji lo, 1979 dítagdo 1970 dif Gogamukh lo aumné MAK mirum kebang odokke appiné MAK mirum kebangem 1980 Detagdo kherkatamukha Mirum Kebangem bangka. Kebang kidí:do abupélang nebi:pe Mg. Tabu Taid be:lang Nahendra Pa:dunbi dunggéka. 5ne Mirum Kebangém (MAK) mo:pisok tadgenam dip Majuli lok Jengraimukhdo 9,10 cla:11oktubor 1981 ditagdo bangka. Abu pelang nebípé dunggeka Agom Keba:sem nebí:pé ila ba:lenboné Mg. Nahendra Pa:dunbi:la Anando pe:gubi. 6ne MAK lok Mirun Kebangém 29, 30, Ela 31 Januari:lo Burio Mukoli do:lu:lobangka. Abupe Di:ram kumbang bi odokke nebi:pe

Indraswor Pe:gu: agerém gerka. 7 ne MAK lok mirum kebangém kulajan patiri do:lu:do 1985 ditagdok 6,7 ela: 8 Mars lo bangka. Abupe Di:ram kumbang odokké Siboram Pe:gubí nebí:pé dungka. 1987 dítagdo MAK lok 8 ne Mirum Kebangém 24, 25 ela: 26 pebuari lo Jorhat Bahpolalo bangka. Abupé Di:ram Kumbang odokké nebi:pé Siboram Pe:gebi ager tarungem gerka. 9ne MAK lok mirum kebangem 1988 dítag dok 25, 26 éla: 27 Eprildo Dhemaji Taon ara:lo banam keba:do abupe Lakhinath Pangging odokke Harendra Nath Dole:bí nebi:pe ager gerka. 10ne Mising Agom Kebang lok Mirum Kebangem 1989 ditagdok 12, 13 ela: 14 mé: do Jonai amo:lo bangka. Édé keba:do L.Panggi:bi:la H. Dole:bi abu-nebí:pé dungka.

Borno a:né kelenlo MAK lok ba:sangko a:mo:lo 1992 dítagdok 19, 20 éla: 21 do 11 ne mirum Kebangem bangka. Abupe Sondro Kanto Lason bí:la nebi:pé Dr. Biddeswor Dole:bí agérem gerka. 12 né MAK lok mirum kenagem tadge nam sodiyalo beje:rung ko a:né abung kongko:la 1994 dítagdok 22, 23, éla: 24 Januari do: bangka. Abupe Sengaram Mo:rangbí:la Nebi:pé Horendronath Dole:bí dungka.

Mising Agom Kebanglok murko:bi:rígela: 13 ne mirum Kebangem Misinglok capital Gogamukhlo 1997 dítaglok 14, 15 ela: 16 pebunarilo bangka. Abupé Di:ram Kumbang odokké nebi:pé Jogonath Pe:gubí agerém ardapé gerboka. MAK lok 14 né mirum Kebangém 1999 dítagdok 26,27,28 éla: 29 longki do Jonai Oiram Bori lottalo bangka. Odokké keba:do abupé Sengaram Mo:rang nebi:pe Joganath Pe:gubi dungka.

15 ne Mising Agom Keba:lok mirum Kebangém Jiadol lok do:nyi po;li lottalo 23,24, ela: 25 Pebuari 2001 do bangka. Abupé agom Migang Nahendro Pa:dun bi:lang Manik Sondro Taid bí nebi:pé dunggeka.

Mising Agom Kebanglok 16 ne mirum Kebangém upoinek Somrat Rojoni Kt. Bordoloike Kaljoyi upoines "Miri jiyari: dok du:teng Ghunasuti "Ponoi -Jongki" lottalo 21, 22 éla: 23 Pebuarilo 2003 ditagdo bangka. Abupé Dr. Ghono Kanto Lagachu odokké nebi:pe Probat Milibi gergeka. Bhorot Sadin lega:pe lo:yipe gene Komola Mirimé mé:pala Jorhat Bormukoli do:lu:lo 17 né MAK mirum 18, 19, 20 ela: 21 longelo Kebangem bangka. Abupé Sondro Kanto Lason odokké nebi:pe Probat Milibí gerka odokké....

# টি. এম. পি. কে. ৰ সংগ্ৰাম আৰু ইতিহাস

পৰমানন্দ চায়েঙীয়া
প্ৰাক্তন সভাপতি, টি. এম. পি. কে

এটা জাতিৰ জাতীয় অধিকাৰৰ বাবে সংগ্ৰামত এটা সংগঠনৰ ইতিহাস ৰচনা কৰটো সহজ নহয়। ইয়াৰ বাবে প্ৰয়োজন প্ৰত্যেকটো ঘটনাৰ প্ৰামানিক তথ্য, দলিল, সংগঠনটোৰ সৈতে জড়িত ব্যক্তিসকলৰ লগত,আলোচনা, নিৰ্মোহ আৰু নিৰপেক্ষ বিশ্লেষণ আদি। পৰিণ কীবাঙৰ তৰফৰ পৰা এটা অনুৰোধ পোৱাৰ পাছত অতি কম সময়ৰ ভিতৰত এই ৰচনাটি লিখি উলিয়াব লগাত বহু বিষয় ৰৈ যোৱাটো স্বাভাৱিক। মই নিজে ১৯৮২ চনৰ পৰা ১৯৯৫ চনলৈ জড়িত থকাৰ বাবে প্ৰত্যক্ষ অভিজ্ঞতা আৰু প্ৰাপ্ত তথ্যপাতিৰ ওপৰত নিৰ্ভৰ কৰি অতি সৰল আৰু সংক্ষেপে ৰচনাটি প্ৰস্তুত কৰা হ'ল ।

যদিও সকলো অঞ্চল সামৰি মিচিং ছাত্ৰ সন্থা ১৯৭২ চনৰ ১৬ আৰু ১৭ অক্টোবৰ তাৰিখে গঠন কৰা হৈছিল, স্বাধীনতা সংগ্ৰামৰ কালতেই ১৯৩৩ চনৰ 'অসম মিচিং ছাত্ৰ সন্মিলন' গঠন কৰা হৈছিল যাক স্বাধীনতাৰ পাছত 'উত্তৰ পৰীয়া মিচিং ছাত্ৰ সন্থা' বুলি নামাকৰণ কৰা হয়। ১৯৫১ চনত মুৰ্কংচেলেক ট্ৰেন্সফাৰদ এৰিয়া মিচিং স্টুডেন্টছ্ ইউনিয়ন" গঠন কৰা হয়। ১৯৫৯ চনত দক্ষিণ পাৰে গঠন কৰা হয় 'দক্ষিণ পৰীয়া মিচিং ছাত্ৰ সন্থা ।

১৯৭১ চনত মিগাং সোনাধৰ পাতিৰ মেদিনী মোহন দলে, কুমচং পাংগিং, মধুৰাম পেগু, দেবেন পেগু আদি শিক্ষিত যুৱকৰ উদ্যোগত ১৬ আৰু ১৭ অক্টোবৰ তাৰিখে জুনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আহ্বান কৰা এক সভাত মিগাং মেদিনী মোহন দলে আৰু সোনাধৰ পাতিৰ দেৱক ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে লৈ 'অসম নেফা মিচিং ছাত্ৰ সন্থা' গঠন কৰা হয়।

১৯৭৪ চনত ২৫, ২৬ আৰু ২৭ মাৰ্চত ধেমাজি মহকুমাৰ চিচি মুখত সন্থাৰ প্ৰথম সাধাৰণ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনতেই নতুন কাৰ্যনিৰ্বাহক কমিটি গঠন কৰা হয় যদিও নেতৃবৃন্দৰ দায়িত্বজ্ঞান হীনতাৰ ফলত সন্থাৰ অৱস্থা মৃত প্ৰায় হ'ল। এই কমিটিয়ে পূৰ্বৰ কমিটিৰ পৰা আনকি কাৰ্য্যভাৰ পৰ্যন্ত গ্ৰহণ নকৰিলে। ফলত অসম অৰুণাচল (১৯৭২ চনত NEFA ক অৰুণাচল বুলি নামাকৰণ কৰা হয়) মিচিং ছাত্ৰ সন্থাৰ ভূমিকা একেবাৰে স্থিত হৈ গৈছিল। শেষত জুনাইৰ কেইজনমান সচেতন ছাত্ৰৰ প্ৰচেষ্টাত ১৯৭৬ চনৰ ১০ অক্টোবৰ তাৰিখে জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মিগাং ৰঞ্জিত দলে আৰু শিৱৰাম পেগগুক ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে লৈ এখন তদৰ্থ কমিটি গঠন কৰে। পাছত ১৯৭৭ চনৰ ১৭ মাৰ্চত নামনি মাজুলীৰ ২ নং বৰগঞা গাঁৱত বহা প্ৰতিনিধিমূলক সভাত এখন পূৰ্ণাঙ্গ কমিটি হিচাবে তদৰ্থ কমিটিকেই স্বীকৃতি দিয়া হয় ।

১৯৭৮ চনৰ ৪ মে'ত দেৰগাঁৱৰ ছ' গুৰি গাঁৱত বহা প্ৰতিনিধিমূলক সভাত সন্থাৰ নাম সলনি কৰি 'সদৌ মিচিং

ছাত্ৰ সন্থা' বুলি নামাকৰণ কৰা হয়।

সন্থাৰ দ্বিতীয় সাধাৰণ অধিবেশন অসম-নাগালেণ্ড সীমান্তৰ দৈয়াং অঞ্চলৰ বাঘেধৰা গাঁৱত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল যদিও বিদেশী বিতাড়ন আন্দোলনৰ বাবে অনুষ্ঠিত কৰিব পৰা নগ'ল। কাৰ্য্যকাল সম্প্ৰসাৰণ কৰাৰ বাবে গোগামুখৰ চাউল ধোৱা হাইস্কুলত ১৯৮০ চনৰ ১৪, ১৫ ডিচেম্বৰ তাৰিখে এখনি প্ৰতিনিধিমূলক সভা আহ্বান কৰা হৈছিল। কিন্তু উক্তদিনা অসম আন্দোলনৰ 'ৰঙশিঙা' কাৰ্য্যসূচীৰ ফলত প্ৰতিনিধি সকলে যোগদান কৰিব নোৱাৰাত পূৰ্বৰ কমিটিখনৰ হাততেই দায়িত্বভাৰ থাকি গ'ল ।

উক্ত কাল ছোৱাত সন্থাৰ উল্লেখযোগ্য অৱদান সমূহ হ'ল – ফাগুন মাহৰ প্ৰথম বুধবাৰে সকলো মিচিং ৰাইজে জাতীয় উৎসৱ (আলি-আয়ে লিগাং) উদ্‌যাপন কৰাৰ সিদ্ধান্ত; 'দবুৰ' পূজাৰ সংস্কাৰ সাধন কৰি সাৰ্বজনীন ভাৱে পালন কৰা, মিচিং আগম কীবাঙৰ স'তে যৌথভাৱে মিচিং ভাষা প্ৰচাৰ আৰু প্ৰচাৰৰ বাবে আত্মনিয়োগ কৰাৰ উপৰিও ৰোমান লিপি সহ মিচিং ভাষাক স্বীকৃতি দিয়াৰ দাবী জনোৱা, আকাশ বাণীৰ যোগেদি মিচিং ভাষাত বাতৰি প্ৰচাৰ কৰা ইত্যাদি। তাৰোপৰি বানপানী সমস্যাৰ সমাধান, ছাত্ৰক জলপানী মাহেকীয়াকৈ দিয়া, স্থায়ী ভূমি পট্টন দিয়াৰ বাবেও চৰকাৰৰ ওপৰত দাবী জনোৱা হৈছিল।

সন্থাৰ দ্বিতীয় সাধাৰণ অধিবেশনখন চমুৱাখনা মিচিং ছাত্ৰ সন্থাৰ সৌজন্যত অভিবৰ্তনৰ ৰূপত ১৯৮২ চনৰ ১৪ আৰু ১৫ ছেপ্তেম্বৰ তাৰিখে তেতিয়াৰ অল্ আসাম মিৰি হাইস্কুলত আহ্বান কৰা হয়। এই অভিবৰ্তনতেই পোন প্ৰথমবাৰৰ বাবে মিচিং সকলক ষষ্ঠ অনুসূচী অনুসৰি স্বায়ত্ত শাসন প্ৰদানৰ দাবীত গণতান্ত্ৰিক সংগ্ৰাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মিগাং হৰিনাৰায়ণ পেগু আৰু মিগাং পবিত্ৰ পেগুক ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে লৈ এখন নতুন কাৰ্য্যনিৰ্বাহক কমিটি গঠন কৰা হয়। ১৯৮৪ চনৰ ৫ মে' তাৰিখে অসমৰ মুখ্যমন্ত্ৰী " হিতেশ্বৰ শইকীয়াক সন্থাৰ ১৪ দফীয়া স্মাৰক পত্ৰ এখনি প্ৰদান কৰা হয়। সেই সময়ত অসম আন্দোলনৰ ফলত সমগ্ৰ অসমত ক'লা আইন প্ৰৱৰ্তন কৰা আছিল। ৩০ জুন ৮৪ তাৰিখে টি. এম. পি. কেই 'মিচিং ভাষাক প্ৰাথমিক পৰ্য্যায়ত শিক্ষাৰ মাধ্যম ৰূপে প্ৰয়োগৰ সমস্যা' শীৰ্ষক আলোচনা চক্ৰ মিচিং আগম কীবাঙৰ স'তে যুটীয়ভাৱে গুৱাহাটী গৌৰী সদনত আয়োজন কৰে ।

সন্থাৰ তৃতীয় সাধাৰণ অধিবেশনখনি ১৯৮৫ চনৰ ২২, ২৩ আৰু ২৪ ফেব্ৰুৱাৰীত মাজুলীৰ জেংৰাই মুখত = অনুষ্ঠিত কৰা হয়। সন্থাৰ নাম 'তাকাম মিচিং পৰিণ কীবাং (টি. এম. পি. কে.)' কৰা হয়। মিগাং হৰিনাৰায়ণ পেগুক - পুনৰ সভাপতি আৰু মিগাং পৰমানন্দ চায়েঙীয়াক সাধাৰণ সম্পাদক হিচাপে লৈ নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়। নৱগঠিন কমিটিয়ে ৫ মে' দিনটোক সন্থাৰ দাবী দিৱস হিচাবে প্ৰত্যেক বছৰে পাতিবলৈ স্থিৰ কৰে আৰু হ ১৯৮৫ চনত ৫ মে'ৰ দিনা মুখত ক'লা কাপোৰ মেৰিয়াই সন্থাৰ দাবীৰ প্ৰতি অসম চৰকাৰৰ উদাসীন মনোভাৱৰ = প্ৰতিবাদত মৌন সমদল কৰে। এয়াই আছিল সন্থাৰ প্ৰথম আন্দোলনৰ কাৰ্য্যসূচী। ১৪৪ ধাৰা ভংগ কৰাৰ বাবে = শিৱসাগৰত ৮ জন আৰু দেৱাল লেখকৰ সময়ত যোৰহাটত ৪ জন সদস্যক গ্ৰেপ্তাৰ কৰে ।

২০ আগষ্ট' ৮৫ তাৰিখে মিচিং আগম কীবাঙৰ স'তে যুটীয়াভাৱে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক সাক্ষাৎ কৰোতে সন্থাৰ ১৪ দফীয়া দাবী চনত পুনৰ প্ৰদান কৰা হৈছিল। উক্তদিনাৰ মুখ্যমন্ত্ৰীৰ স'তে হোৱা এলানি আলোচনাৰ পাছতেই অসম চৰকাৰে মিচিং ভাষাক ৰোমান লিপিসহ প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰাৰ বাবে চৰকাৰে নীতি ঘোষণা কৰে । এই নীতি আগম কীবাং আৰু আৰু টি. এম. পি. কেয়ে নাকচ কৰে। চৰকাৰী নীতিত কোৱা হৈছিল যে কেৱল লক্ষীমপুৰ জিলাত কেৱল দুশখন শিক্ষক নিযুক্তি দিয়া হয়। আগম কীবাং আৰু পৰিণ কীবাঙে সকলো মিচিং অধ্যুষিত এলেকাত প্ৰয়োগৰ সাপেক্ষে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছিল। ১২ ছেপ্তেম্বৰ তাৰিখে পুনৰ পৰিণ কীবাঙে পুনৰ মুখ্যমন্ত্ৰীক লগ কৰি ২১ চেপ্তেম্বৰৰ আগেয়ে সমস্যাটো সমাধানৰ বাবে হেঁচা দিয়ে। ২১ চেপ্তেম্বৰ তাৰিখে মুখ্যমন্ত্ৰীয়ে আগম কীবাং আৰু পৰিণ কীবাঙক আলোচনাৰ বাবে আমন্ত্ৰণ জনায় আৰু উক্ত আলোচনাত এক বুজা-পৰাত উপনিত হয় য'ত চৰকাৰে আগৰ নীতি সংশোধন কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে। ১৮ অক্টোবৰ তাৰিখে জনতা ভৱনত অনুষ্ঠিত

হোৱা এলানি আলোচনাৰ পাছত ৩০ অক্টোবৰ তাৰিখে অসম চৰকাৰে এক অধিসূচনা জাৰি কৰাৰ কথা ঘোষণা কৰে। তাৰ পাছত এক ঐতিহাসিক নিৰ্বাচনৰ জৰিয়তে আঞ্চলিক দল অ. গ. প. ক্ষমতালৈ আহে।

১৯৮০ চনৰ ৩০ এপ্ৰিল তাৰিখে টি. এম পি. কে. সৌজন্যত লক্ষীমপুৰ জিলা পুথি ভড়ালত ‘তানিঃ আগম কীবাঙে পৰিণ কী দীদক্ গেপীনাম আগেৰ' শীৰ্ষক এক আলোচনা চক্ৰৰ আয়োজন কৰা হয়। আলোচনাৰ শেষত তানিঃ বংশৰ এখন অভিবৰ্তন আহ্বান কৰাৰ সিদ্ধান্ত লোৱা হয় । উক্ত তাৰিখৰ নিশা অনুষ্ঠিত হোৱা কীবাঙৰ সাধাৰণ সভাত মিচিং ভাষাৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰে কৰা ঘোষণাৰ ক্ষেত্ৰত নতুন চৰকাৰে গ্ৰহণ কৰা উদাসিন ভূমিকাৰ ওপৰত বিশদ আলোচনা কৰে। সভাই মিচিং ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰৰ সিদ্ধান্তৰ উপৰিও অসম চৰকাৰৰ স্থিতি ৩০ এপ্ৰিলৰ আগেয়ে ঘোষণা কৰিবলৈ দাবী জনাই চৰম পত্ৰ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ২৩ এপ্ৰিল তাৰিখে চৰম পত্ৰ প্ৰদান কৰা হয়। ২৫ এপ্ৰিল তাৰিখে মুখ্যমন্ত্ৰীৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰা হয় ।

চৰম পত্ৰৰ প্ৰতি কোনো সঁহাৰি নজনোৱাৰ পৰিপ্ৰেক্ষিতত ১১ মে' ৮৬ তাৰিখে ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা সভাৰ সিদ্ধান্ত অনুসৰি গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰা হয় – ২৫ মে' ৮৬ তাৰিখে পৰিণ কীবাঙে অসমৰ ১৩ টা মহকুমাত পুৱা ১০ বজাৰ পৰা আবেলি ২ বজালৈ মহকুমাধিপতি কাৰ্য্যায়লত অৱস্থান ধৰ্মঘটৰ পৰিয়তে । -

৯ জুন তাৰিখে গোগামুখ মইনাপাৰা এল. পি. স্কুলত পৰিণ কীবাঙৰ আহ্বান ক্ৰমে মিচিং বানে কৌবাং, মিচিং আগম কীবাং আৰু তাকাম মিচিং পৰিণ কীবাঙৰ এখনি ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হয়। সভাই মিচিং ভাষাৰ ক্ষেত্ৰত অসম চৰকাৰৰ নিৰৱ ভূমিকাক মিচিং বিৰোধী বুলি গণ্য কৰে আৰু এক ব্যাপক গণ আন্দোলন গঢ়ি তোলাৰ বাবে ‘আগম মিমাগ কীবাভ' নামেৰে এক ঐক্য মঞ্চ গঠন কৰে। ১৯ জুন তাৰিখে গোগামুখ উচ্চত মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এক সাধাৰণ সভাত আন্দোলনৰ প্ৰথম পৰ্য্যায়ৰ কাৰ্য্যসূচী হিচাবে ১৪ জুলাইৰ পৰা ২১ জুলাইলৈ জোনাই, তেলম, অকাজান, ধেমাজি ঢকুৱাখনা, গোগামুখ, জেংৰাইমুখ, যোৰহাট, ঘূনাসুঁতি, নাৰায়ণপুৰ, বুৰৈ, লোহিতমুখ, দিচাংমুখ, বাঁহফলা, শদিয়া, ডিব্ৰুগড় আদি ঠাইত গণসমাবেশৰ কাৰ্য্যসূচী ঘোষণা কৰে। মিচিং সকলৰ জাতীয় অধিকাৰৰ দাবীত এয়াই আছিল প্ৰথম গণসমাবেশৰ কাৰ্য্যসূচী। মিচিং জনগণৰ বিপুল অংশগ্ৰহণে সমাবেশসমূহ সফল কৰি তুলিছিল। প্ৰথম পৰ্য্যায়ৰ কাৰ্য্যসূচীৰ সফলতা দেখি অসম চৰকাৰে ২৫ জুলাই তাৰিখে যোৰহাট আৱৰ্ত্ত ভৱনত এক আলোচনা আহ্বান কৰে।

২৮ জুলাইত যোৰহাট মহকুমা পৰিষদ হ'লত আগম মিমাগ কীবাঙৰ এখনি সম্প্ৰসাৰিত সভা অনুষ্ঠিত হয়। সভাই অসম চৰকাৰৰ আমন্ত্ৰণ সম্পৰ্কে আলোচনা কৰি আলোচনাত বহাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ২৫ জুলাইত শিক্ষা মন্ত্ৰী শ্ৰী বৃন্দাবন গোস্বামী আৰু ৰাজহ মন্ত্ৰী শ্ৰী থানেশ্বৰ বড়োৰ স'তে আলোচনাৰ শেষত এখন চুক্তি স্বাক্ষৰিত হয় ।

১৩ এপ্ৰিলৰ আলোচনাৰ সিদ্ধান্ত অনুসৰি পৰিল কীবাঙে Adi Branch Students' Union, All Nishi Students Union, East Adi Students Union, Yomgo Adi Students Union ৰ স'তে পৃথক পৃথক ভাৱে আৰ-তানিঃ অভিবৰ্তন সম্পৰ্কে বিষদ আলোচনা চলায়। তাৰোপৰি আদি কালচাৰেল চছাইটি, আদি আগম কীবাং আৰু দঃগ্ৰি-পঃল য়েলাম চেন্টাৰ'ৰ স'তেও এলানি আলোচনাত বহে। ১৯৮৫-৮৭ কালচোৱাত ৩৫ খন আঞ্চলিক কমিটিৰ পৰা ৭২ খনলৈ বৃদ্ধি কৰা হয়। ১৬ অক্টোবৰৰ দিনটো কৌবাঙৰ প্ৰতিষ্ঠা দিৱস হিচাবে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

পত্ৰ নং FRS. 598/81/ pt 104 Dt. 24th Sept, 86 ৰ জৰিয়তে বনাঞ্চল সমূহত উচ্ছেদ অভিযান চলোৱাৰ বাবে জিলা বন-বিষয়াসকলৰ হাতত সম্পূৰ্ণ ক্ষমতা প্ৰদান কৰাৰ জাননি খন অসম চৰকাৰে জাৰি কৰাৰ প্ৰতিবাদন ৪ জানুৱাৰী তাৰিখে গুৱাহাটীৰ উলুবাৰী প্ৰাথমিক বিদ্যালয়ত সদৌ অসম জনজাতি ছাত্ৰ সন্থা আৰু সদৌ অসম ট্ৰাইবেল সংঘৰ আহ্বান ক্ৰমে অনুষ্ঠিত হোৱা এখন সভাত গঠিত ট্ৰাইবেল একচন কমিটি নামৰ সংগঠনৰ অংশীদাৰ পৰিণ কীবাঙো আছিল। ৫ জানুৱাৰী তাৰিখে অসমৰ মুখ্যমন্ত্ৰীৰ হাতত উক্ত জাননীখন প্ৰত্যাহাৰ কৰাৰ কাৰণে

স্মাৰক পত্ৰ প্ৰদান কৰা হয়। জাননীখনৰ প্ৰতিবাদত ৩০ জানুৱাৰী তাৰিখে গুৱাহাটী জৰ্জ খেল পথাৰত আহ্বান কৰা গণ-সমাবেশত পৰিণ কীবাঙৰ কেইবাশ সদস্যই অংশ গ্ৰহণ কৰিছিল।

কীবাঙৰ চতুৰ্থ অধিবেশন খন ২৭, ২৮ ফেব্ৰুৱাৰ আৰু ১ মাৰ্চ তাৰিখে গোলাঘাট জিলাৰ বংকুৱালত অনুষ্ঠিত হয়। মিগাং প্ৰহ্লাদ চাহৰক সভাপতি আৰু মিগাং পৰমানন্দ চায়েঙীয়াক পুনৰ সাধাৰণ সম্পাদক হিচাপে লৈ নতুন কমিটি গঠন কৰা হয়। সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ বাবে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে।

১৮ জুন তাৰিখে সদৌ অসম জনজাতি ছাত্ৰ সন্থাই আহ্বান দিয়া ২৪ ঘন্টীয়া অসম বন্ধৰ প্ৰতি পৰিণ কীবাঙে সক্ৰীয় সমৰ্থন আগবঢ়ায় ।

মিচিং ভাষাত দৈনিক বাতৰি প্ৰচাৰ আৰু মিচিং কাৰ্য্যসূচীৰ সময় বৃদ্ধি কৰাৰ বাবে ২২ জুন তাৰিখৰ দিনা কীবাঙৰ সকলো শাখাৰ পৰা টেলিগ্ৰাম যোগে আকাশ- বাণী ডিব্ৰুগড় কতৃপক্ষলৈ দাবী প্ৰেৰণ কৰা কাৰ্য্যসূচী হাতত লোৱা হয়। ১৫ জুলাইৰ ভিতৰত কৰ্তৃপক্ষই দাবীৰ প্ৰতি কোনো ধৰণৰ সঁহাৰি নজনালে আন্দোলনৰ কাৰ্য্যসূচী হাতত লোৱাৰ সিদ্ধান্ত লোৱা হয় যদিও আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সঞ্চালক মহোদয়ৰ পৰা পোৱা এক পত্ৰৰ ভিত্তিত, আকাশবাণীৰ সঞ্চালক প্ৰধানৰ উত্তৰৰ বাবে বাট চাবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বিভিন্ন সাংগঠনিক বিষয়ৰ ওপৰত চেপ্তেম্বৰ মাহৰ আগে আগে জিলা ভিত্তিক কৰ্মশালা অনুষ্ঠিত কৰা হয় । ১৬ অক্টোবৰ তাৰিখে চিলাপথাৰৰ অকাজান কেন্দ্ৰীয় ভাৱে প্ৰতিষ্ঠা দিৱস বৃক্ষ ৰোপন, আলোচনা চক্ৰ, মুকলি সভা আদি কাৰ্য্যসূচী পালন কৰা হয়।

৮, ৯ আৰু ১০ ফেব্ৰুৱাৰী তাৰিখে লামোচুক সৰিয়নি গাঁৱত ১৮ তম বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰা হয়। অধিবেশনত উপস্থিত থাকিব নোৱাৰাৰ (পৰীক্ষাৰ বাবে) বাবে অধিবেশনৰ কাৰ্য্যসূচীত ব্যাঘাত জন্মা বুলি উত্থাপিত অভিযোগৰ ভিত্তিত সাধাৰণ সম্পাদকৰ পৰা কৈফিয়ৎ তলব কৰা সিদ্ধান্ত লোৱা হয়। ১৫ মাৰ্চত অনুস্থিত সভাত মিগাং চায়েঙীয়াই সশৰীৰে লিখিত ভাৱে দাখিল কৰা কৈফিয়তৰ ওপৰত আলোচনা কৰি অভিযোগ সমূহ প্ৰত্যাহাৰ কৰা হয়। ১০ আৰু ১১ জুলাইত বগীনদীৰ ওচৰৰ তাৰিয়নি বৰলিত প্ৰথম মিচিং জাতীয় অভিবৰ্তন পৰিণ কীবাঙৰ আহ্বানক্ৰমে অনুষ্ঠিত হয় ।

১৯৮৮ চনত হোৱা প্ৰবল বানপানীৰ ফলত সৃষ্টি হোৱা সমস্যা সমাধান আৰু বানপানী সমস্যা সমাধানৰ দাবীত ১৪ নবেম্বৰ তাৰিখে জনতাভৱনত অৱস্থান ধৰ্ম্মঘট আৰু ২১ নবেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যালয় সমূহত পিকেটিঙৰ আহ্বান কৰা হয় ।

৫ জানুৱাৰী ৮৮ তাৰিখে প্ৰথম বাৰৰ বাবে ৰাজকীয় ভিত্তিত কেন্দ্ৰীয় সমাবেশ উঃ লক্ষীমপুৰত সফলভাৱে আহ্বান কৰা হয়।

২০, ২১ আৰু ২২ ফেব্ৰুৱাৰী ৮৯ তাৰিখে বুৰইৰ মুকলি গাঁৱত পঞ্চম সাধাৰণ অধিবেশন খনি অনুস্থিত কৰা হয়। মিগাং প্ৰহ্লাদ চাৰহ আৰু মিগাং যুক্তানাথ কুম্বাক সভাপতি হিচাবে লৈ নতুন কমিটি গঠন কৰা হয়।

৫ মে' ৮৯ তাৰিখে দাবী দিৱস উপলক্ষে দিল্লীৰ বট ক্লাৱত কেন্দ্ৰীয়ভাৱে ৪০ সদস্যই কীবাঙৰ দাবীৰ ভিত্তিত অৱস্থান ধৰ্ম্মঘট কৰে। ১০ মে' কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ হাতত কীবাঙৰ ১৪ দফীয়া দাবী চনদ প্ৰদান কৰা হয়। ক্ৰমে প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ হাততো দাবী চনদ প্ৰদান কৰা হয় ।

২ আৰু ৩ চেপ্তেম্বৰ ৮৯ তাৰিখে জীয়াঢল হাইস্কুলত দ্বিতীয় মিচিং জাতীয় অভিবৰ্তন তাকাম মিচিং পৰিণ কীবাঙৰ দ্বাৰা আহবান কৰা হয়। অভিবৰ্তনে মিগাং শিৱৰাম পেগুক মূখ্য আহবায়ক হিচাবে লৈ মিচিং মিমাগ কীবাং গঠন কৰে।

উক্ত অভিবৰ্তনৰ অন্যতম উল্লেখযোগ্য সিদ্ধান্ত হ' ল-'তাকাম মিচিং মিমী কীবাং' নামেৰে এক মিচিং নাৰী সংগঠন গঠন কৰে। এই সম্পৰ্কত পৰিণ কীবাঙে ২৫ জুন তাৰিখে চিলাপথাৰত অনুস্থিত সভাত চুড়ান্ত সিদ্ধান্ত লৈ ২৯-৩০ আগষ্টৰ ৮৯ তাৰিখে চিলাসুঁতিত অনুস্থিত হোৱা এক প্ৰতিনিধি মূলক সভাৰ সিদ্ধান্ত অনুসৰি জীয়াঢল অভিবৰ্তনত পৰিণ কীবাঙে উত্থাপন কৰা এই প্ৰস্তাৱ সৰ্ব সন্মতিক্ৰমে গৃহীত হোৱাৰ পাছত মিমী কীবাং গঠন কৰা হয়।

২, ৩ আৰু ৪ অক্টোবৰ ৮৯ তাৰিখে সদৌ অসম মিৰি হাইস্কুলত নেতৃত্ব প্ৰশিক্ষণ শিবিৰ অনুস্থিত কৰা হয় ।

১৯৯০ চনৰ ৯, ১০ আৰু ১১ জানুৱাৰী তাৰিখে গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মিমী কীবাঙৰ আহবান ক্ৰমে মিচিং মহিলা সকলৰ অভিবৰ্তন অনুস্থিত হয়। এই অভিবৰ্তন সফল কৰি মিচিং নাৰী সকলক মিচিং জাতীয় সংগ্ৰামৰ স'তে জড়িত কৰাৰ বাবে পৰিণ কীবাঙে সক্ৰিয় ভূমিকা লৈছিল ।

ফেব্ৰুৱাৰীত ৬ষ্ঠ সাধাৰণ অধিবেশনখনি চিলাপথাৰত অনুস্থিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল । আনকি ডিচেম্বৰ মাহত অভ্যৰ্থনা সমিতি গঠন কৰা হৈছিল । কিন্তু, সকলো সাংবিধানিক নীতি-নিয়ম ভংগ কৰি সভাপতি মিগাং প্ৰহ্লাদ চাৰহে অনিৰ্দিষ্ট কাললৈ অধিবেশনখনি স্থগিত ৰাখে। এই অময়তেই আলফাৰ স'তে ভুল বুজাবুজিৰ ফলত সৃষ্টি হোৱা এক অনাকাংখিত সংঘাটত লিপ্ত হ' ব লগাত পৰে। তাৰ পাছতে অসমত ৰাষ্ট্ৰপতি শাসন প্ৰয়োগ কৰা হয় ।

শেষত, ২৭-৪-৯১ তাৰিখে ধেমাজিত অনুস্থিত কাৰ্য্যনিৰ্বাহক সভাত প্ৰহ্লাদ চৰহে আগন্তুক নিৰ্বাচন সংক্ৰান্তত কোৰাম নোহোৱাৰ কাৰণ দৰ্শাই সিদ্ধান্ত লোৱাত বাধা আৰোপ কৰে। উক্ত বিষয়ৰ ওপৰত আলোচনা কৰাৰ বাবে পুনৰ ৪-৫৯১ তাৰিখে গোগামুখত প্ৰতিনিধিমূলক সভা আহবান কৰা হয়। এইবাৰো কমিটিৰ কাৰো লগত আলোচনা নকৰাকৈ সভাপতি গৰাকীয়ে একপক্ষীয়ভাৱে সভা বাতিল কৰা বুলি ৩ তাৰিখ সন্ধিয়া আকাশ বাণী যোগে প্ৰচাৰ কৰে। ৪ তাৰিখে সকলো জিলাৰ পৰা উপস্থিত হোৱা এশ প্ৰতিনিধিয়ে সভাপতিৰ এনে মইমতালিত জাঙোৰ খাই উঠে আৰু সভা অনুস্থিত কৰাৰ দাবী জনায়। উপ-সভাপতি মিগাং পৰমানন্দ চায়েঙীয়াৰ সভাপতিত্বত অনুস্থিত সভাত সৰ্বসম্মতিক্ৰমে গৃহীত এক প্ৰস্তাৱ যোগে মিগাং প্ৰহ্লাদ চাৰহে সাধাৰণ সম্পাদক মিগাং যুক্তা েকুম্বাঙৰ অনুপস্থিতিত যুটীয়া সম্পাদকক কোনো দায়িত্ব নিদি ৬ জানুৰীৰৰ পৰা ২৭ এপ্ৰিললৈকে লোৱা সিদ্ধান্ত সমূহ শাখা সমিতি সমূহক জনোৱাত অৱহেলা কৰা, বেঙেনাগড়াত অনুস্থিত হোৱা প্ৰতিনিধিমূলক সভাত লোৱা এক সিদ্ধান্ত মৰ্মে নিৰ্বাচনত টি. এম. পি. কেৰ ভূমিকা নিৰ্দ্ধাৰণ কৰিবৰ বাবে সকলো পক্ষৰ স'তে আলোচনা কৰি এক ৰাজনৈতিক প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে গঠন কৰা পাঁচজনীয়া কমিটিৰ এখনো বৈঠক আহবান নকৰা, কাৰ্য্যকাল উকলি যোৱা স্বতেও ৰহস্যজনক ভাৱে অধিবেশন অনুস্থিত কৰাৰ হেমাহি কৰা, বড়োলেণ্ড আন্দোলনৰ প্ৰতি টি. এম. পি. কে পূৰ্ণ সমৰ্থন থকা বুলি আৰু আগন্তুক নিৰ্বাচন বৰ্জন কৰা আদি বিবৃতি অকতৃত্বশীলভাৱে বাতৰি কাকতত প্ৰকাশ কৰা, সাধাৰণ অধিবেশনৰ অনুমোদন নোহোৱাকৈ সংবিধান সংশোধন কৰি বিতৰণ কৰা, এক পক্ষীয়ভাৱে উপদেষ্টা ৰনোজ পেগু আৰু বগীৰাম কুটুমক বহিস্কাৰ কৰা বুলি হাস্যকৰ বিবৃতি দিয়া (উপদেষ্টাক অব্যাহতিহে দিয়া হয়), ৪-৫-৯১ তাৰিখৰ প্ৰতিনিধি সভা এক পক্ষীয়ভাৱে স্থগিত ৰখাৰ কথা ৰেডিঅ' যোগে ঘোষণা কৰা আদি সংগঠন বিৰোধী কাৰ্য্যত লিপ্ত হৈ ব্যাপক সাংগঠনিক বিশৃংখলতাৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰি অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰি মিগাং চাহক কৈফিয়ত তলব কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সম্পৰ্কত চুড়ান্ত সিদ্ধান্ত লোৱাৰ বাবে ১৯-৫-৯১ তাৰিখে গোগামুখত পুনৰ প্ৰতিনিধিমূলক সভা আহবান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ১৯ তাৰিখৰ সভাত সশৰীৰে উপস্থিত থাতি লিখিত কৈফিয়ৎ দিবৰ বাবে মিগাং চাৰহলৈ নিৰ্দেশ জাৰি কৰা হয়।

১৯-৫-৯১ তাৰিখে অনুস্থিত হোৱা সভাত উপস্থিত নোহোৱাত মিগাং চাহক নিলম্বিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি আত্মপক্ষ সমৰ্থন কৰিবৰ বাবে এমাহৰ সময় দি শেষ সুযোগ দিয়া হয়। সভাই মিগাং পৰমানন্দ চায়েঙীয়াক ভাৰপ্ৰাপ্ত সভাপতি দায়িত্ব অৰ্পন কৰে। তাৰোপৰি এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱযোগে প্ৰলোভনৰ (মদ আৰু টকা) ৰাজনীতিৰে সহজ-সৰল ৰাইজক আভুৱা ভৰি ভোট সংগ্ৰহ কৰিব বিচৰা ৰাজনৈতিক দলৰ বিৰুদ্ধে জনসাধাৰণক সচেতন কৰি সংগ্ৰামী ৰাজনীতিৰ পক্ষত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

নিৰ্বাচনত পৰিণ কীবাঙৰ ৯৫ শতাংশৰ কৰ্মীয়ে আৰ্মকাৰ পক্ষত ঠিয় দি মিচিং জাতীয় জীৱনত এক সংগ্ৰামী ৰাজনীতিৰ ধাৰাক প্ৰতিষ্ঠা কৰে ।

২৫-১২-৯১ তাৰিখে ধেমাজি মহাবিদ্যালয়ত অনুস্থিত হোৱা কাৰ্য্যনিৰ্বাহক বৈঠকত ১০, ১১ আৰু ১২ জানুৱাৰী ৯২ তাৰিখে চিলাপথাৰত ৬ষ্ঠ সাধাৰণ অধিবেশনখনি অনুস্থিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মিগাং চাৰহৰ ওপৰত লোৱা ব্যৱস্থা বাহাল ৰাখি অধিবেশনত মুকলি আলোচনা কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়।

সকলো সাংগঠনিক নিয়ম-শৃঙ্খলা ভংগ কৰি মিগাং চাৰহে প্ৰত্যক্ষ ভাৱে বিভাজন প্ৰক্ৰিয়া আৰম্ভ কৰি ২৯-১২-৯১ তাৰিখে উঃ লক্ষীমপুৰত এখন সভা আহ্বান কৰে। সভাত ৪-৫ জনৰ বাহিৰে আন কোনো জিলা বা আঞ্চলিক শাখাই যোগদান নকৰিলে। কিন্তু নিজৰ বাতুলামি প্ৰদৰ্শন কৰি মিগাং চাৰহে বিবৃতি দি শ্ৰী পৰমানন্দ চায়েঙীয়া, উত্তম দলে আৰু শৈলেন্দ্ৰনাথ পেগুক বহিস্কাৰ কৰা বুলি প্ৰচাৰ কৰে। লগতে অধিবেশনখিনিও পিচুৱাই দিয়া বুলি প্ৰচাৰ কৰে। ইমানতে ক্ষন্তনাথাকি কংগ্ৰেছ দলৰ প্ৰত্যক্ষ সহযোগত অধিবেশন বিফল কৰাৰ বাবে উঠি পৰি লাগে। বানে কীবাঙৰ নেতৃবৃন্দই সহযোগ আগবঢ়াইছিল। জোনাই সমষ্টিৰ বিধায়ক আৰু তেতিয়াৰ মিনিস্টাৰ মিগাং গমেশ্বৰ পেগু, চিলাপথাৰ মহাবিদ্যালয়ৰ অধক্ষ আৰু অতি নিৰ্লজ ভাৱে অধিবেশনলৈ মাত্ৰ পাচদিন থাকোতেই ৫ তাৰিখে কংগ্ৰেছ দলৰ সদস্য সকলে অভৰ্থনা সমিতিৰ পৰা পদত্যাগ কৰে।

অৱশেষত চৰকাৰী পক্ষৰ প্ৰত্যক্ষ হস্তক্ষেপৰ ফলত জৰুৰী ভাৱে অধিবেশনৰ স্থান চিলাপথাৰ ৰেচিডেন্সিয়েল ইংলিশ স্কুললৈ স্থানান্তৰ কৰিব লগীয়া হোৱাত অভ্যৰ্থনাত খেলি মেলি সৃষ্টি হ' য়। খং আৰু ক্ষোভত কৰ্ম্মী, প্ৰতিনিধি উত্তেজিত হৈ পৰিছিল যদিও কেন্দ্ৰীয় নেতৃবৃন্দৰ ধৈৰ্য্য আৰু সংযমৰ বাবে সম্ভৱ্য সংঘৰ্ষ এৰাই চলিব পৰা গৈছিল।

৯ আৰু ১০ জানুৱাৰীত অনুস্থিত হোৱা প্ৰতিনিধি সভাত দীঘলীয়া বিতৰ্কত পাচত কেন্দ্ৰীয় কমিটি ভংগ আৰু ২৮-২৯ ফ্ৰেব্ৰুৱাৰী আৰু ১ মাৰ্চ তাৰিখে জোনাইত পূণৰ আহ্বান কৰিবালৈ সিদ্ধান্ত গ্ৰহন কৰা হয়। মিগাং হৰিনাৰায়ণ পেগু আৰু মিগাং ৰমা পাইতক সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে লৈ নতুন কমিটি গঠন কৰা হয়।

এখন নতুন কমিটি গঠন হ'ল যদিও বানে কীবাঙৰ কংগ্ৰেছী নেতা সকলৰ পছন্দ নহ'ল। সেয়েই মিগাং চাৰহকেই সভাপতি বুলি স্বীকৃতি দি থাকিল। বানে কীবাঙৰ এনে ভুমিকাউ এক প্ৰত্যক্ষ সংঘাতৰ সৃষ্টি কৰে ২০, ২২, আৰু ২৩ এপ্ৰিল তাৰিখে বদতিত অনুস্থিত হোৱা বানে কীবাঙৰ ৩১ তম্ মুকলি অধিবেশনৰ সময়ত। বানে কীবাঙৰ নেতৃবৃন্দই পৰিন কীবাঙৰ প্ৰতিনিধিক স্বীকৃতি নিদি প্ৰতিনিধিৰ মৰ্য্যদাৰ পৰা বিৰত কৰাৰ অভিসন্ধিমূলক কাৰ্য্যত লিপ্ত হয়। উক্ত বিষয়ত মীমাংসা নকৰাকৈয়ে কোনো ঘোষণা নকৰাকৈ খৰখেদাকৈ প্ৰতিনিধি সভা আৰম্ভ কৰিব বিচাৰোতেই পৰিণ কীবাঙে সভাৰ আৰম্ভনিতেই এক স্পষ্টিকৰণ বিচাৰি প্ৰস্তাৱ উত্থাপন কৰে। কিন্তু প্ৰস্তাৱটোত গুৰুত্ব নিদি বলপূৰ্বক ভাৱে সভা পৰিচালনা কৰিব বিচৰাত পৰিন কৌবাং, আগম কৌবাং, মিমী কীবাঙ, দিবি কীবাঙৰ প্ৰতিনিধি সকলে সভাকক্ষ ত্যাগ কৰে আৰু সমান্তৰাল ভাৱে প্ৰতিনিধিসভা আহ্বান কৰে। সভাই বাঃনী কীবাঙৰ অধিবেশনখনি অবৈধ বুলি ঘোষনা কৰে। এক প্ৰস্তাৱযোগে মিচিং মিমাগ কীবাঙৰ দ্বাৰা মিচিং জাতীয় অভিবৰ্তন আহ্বান কৰাৰ সিদ্ধান্ত গ্ৰহন কৰা হয়।

স্বায়ত্ব শাসনৰ দাবীসমুহ অধ্যয়ন কৰি প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে ভাৰত চৰকাৰে গঠন কৰি দিয়া তিনিজনীয়া বিশেষজ্ঞ সমিতিয়ে প্ৰস্তুত কৰা প্ৰতিবেদনৰ প্ৰতি লিপি জনজাতি সংগঠন সমূহক দিয়াৰ দাবীত ১৭ জুন তাৰিখে মহকুমাৰ পৰ্য্যায়ত ধৰ্ণা দিয়া হয়।

২০ আৰু ২১ জুন তাৰিখে ধেমাজি মুৰং ঘৰত তৃতীয় প্ৰতিনিধি মূলক মিচিং জাতীয় অভিবৰ্তন অনুস্থিত হ' য়। এই অভিবৰ্ত্তন খনো বাধা দিয়াৰ বাবে বাঃনী কীবাঙৰ প্ৰৰোচনাত গোহাৰিৰ জৰিয়তে অপপ্ৰচাৰ কৰা, পোষ্টাৰ ফলা, অভ্যৰ্থনা কমিটি ভংগ কৰাৰ যড়যন্ত্ৰ আদি নিৰ্লজ কাৰ্য্যকলাপ সংগঠিত হ'ব।

অভিবৰ্তনে মিচিং জাতি সত্বাৰ বৃহত্তৰ জাতীয় স্বাৰ্থ আৰু ঐক্যৰ প্ৰতি লক্ষ্য ৰাখি তৎকালেই চুড়ান্ত সিদ্ধান্ত গ্ৰহন কৰাৰ পৰা বিৰত থাকি বিষয়টো পুংখানুপুংখ ভাৱে অধ্যয়ন কৰি তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ বাবে মিগাং শংখনাথ দলে, বীৰেণ দলে, ললিত পেগু, লম্বোদৰ নৰহ, জয়নাথ মিলি, আৰু ডিৰাম কুম্বাং দেৱক সদস্য হিচাবে লৈ মিগাং পৰমানন্দ চায়েঙীয়াক আহ্বায়ক হিচাবে লৈ মিচিং জাতীয় সংগ্ৰাম সমিতি নামেৰে এখন সমিতি স্বায়ত্ব শাসনৰ প্ৰশ্নত চৰকাৰৰ স'তে যোগা-যোগ কৰি যাৱতীয় পদক্ষেপ গ্ৰহন কৰিবলৈ গঠন কৰি দিয়ে।

অভিবৰ্তনে ২ য় জাতীয় অভিৱৰ্তনত মিগাং শিৰৰাম পেগুক আহ্বায়ক হিচাবে লৈ গঠন কৰা মিচিং মিমাগ কীবাঙলৈ সমৰ্থন প্ৰত্যাহাৰ কৰে আৰু মিচিং মিমাগ

কীবাঙক পুনৰ সংগঠিত কৰিবৰ বাবে মিগাং তৰাচন পেগুক দায়িত্ব দিয়ে।

মিগাং টায়ে দেৱৰ নেতৃত্বত গঠন কৰা সমিতিৰ প্ৰতি বাঃনী কীবাঙৰ স্বয়ম্ভু নেতাসকলে কোনো সহাৰি নজনালে। ১৩ চেপ্তেম্বৰ তাৰিখে ডিব্ৰুগড়ত মিচিং মিমাগ কীবাঙৰ প্ৰতিনিধিমূলক সভাত বাঃনী কীবাঙৰ বদতি অধিবেশনৰ পাঠৰ পৰিস্থিতি, তিনিজনীয়া বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন আদি বিশদভাৱে আলোচনা কৰি মিমাগ কীবাঙক শাক্তশালি কৰাত ঐক্যমত প্ৰকাশ কৰা হয় আৰু সকলোৰে বাবে উপস্থিত হব পৰাকৈ প্ৰতিনিধিমূলক জাতীয় অভিৱৰ্তন অনুস্থিত কৰাৰ বাবে মিগাং ডিৰাম কুম্বাং,চন্দ্ৰকান্ত লোচন, লক্ষনাথ কুলি, মোহন দলে আৰু তানিতাকাৰ পেগুক লৈ এখন আহ্বায়ক সমিতি গঠন কৰা হ'য়।

৪ আৰু ৫ অক্তো বৰ ৯২ তাৰিখ ঢকুৱাখনাৰ বকুলগুড়িত প্ৰতিনিধিমূলক মিচিং জাতীয় অভিবৰ্তন অনুস্থিত হ'য়। অসম চৰকাৰৰ মিচিং বিৰোধী নীতিৰ বিৰোদ্ধে ১১ নবেম্বৰৰ পৰা আৰম্ভ কৰা এক চাইকেল প্ৰচাৰ অভিযানৰ অন্তত ২৫ নবেম্বৰ ৯২ তাৰিখে ধেমাজি কোৰ্ট ফিল্ডত কেন্দ্ৰীয় প্ৰতিবাদ সমাবেশ অনুস্থিত কৰা হয়।

১২ জানুৱাৰী ৯৩ তাৰিখে ২৪ ঘন্টীয়া মিচিং অধ্যুষিত অঞ্চল বন্ধৰ আহ্বান দিয়া হয়।

১,২ আৰু ৩ মাৰ্চত ৯৩ ত যোৰহাটৰ বাহঁফলাত পৰিন কীবাঙৰ বিশেষ অধিবেশন আহ্বান কৰা হয়। অধিবেশনে স্বায়ত্ত শাসনৰ দাবীত ব্যাপক আন্দোলন গঢ়ি তোলাৰ বাবে আনুসংগীক কিছু প্ৰশ্নত চুড়ান্ত সিদ্ধান্ত গ্ৰহন কৰাৰ বাবে ২৭ আৰু ২৮ মাৰ্চ তাৰিখে জোনাইত মিচিং জাতীয় অভিৱৰ্তন আহ্বান কৰা, জিলা ভিত্তিত কৰ্মশালা অনুস্থিত কৰা, দঃলুং কীবাসমুহ এপ্ৰিল মাহৰ ভিতৰত গঠন কৰা, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক স্মাৰক পত্ৰ দিয়া আৰু ১০ এপ্ৰিলৰ নিশা গণ-জাগৰণ শিখা-যাত্ৰা কাৰ্য্যসূচী হাতত লোৱাৰ সিদ্ধান্ত গ্ৰহন কৰে। মিগাং পৰমানন্দ চায়েঙীয়া আৰু যুক্তনাথ কুম্বাঙক লৈ এখন নতুন কমিটি গঠন কৰা হয়।

২৭ আৰু ২৮ মাৰ্চ তাৰিখে জোনাই কৃষ্টি ভৱনত চতুৰ্থ মিচিং জাতীয় অভিৱৰ্তন অনুস্থিত হয়। অভিবৰ্তনত বিশদ আলোচনাৰ পাচত মিচিং মিমাগ কীবাঙক এক স্বতন্ত্ৰ মৰ্য্যদা দি মিগাং চণ্ডিৰাম পেগু আৰু ডাঃ ৰনোজ পেগুক চেয়াৰমেন আৰু সাধাৰণ সম্পাদক হিচাবে লৈ পূৰ্ণাংগ কাৰ্য্যনিৰ্বাহক কমিটি গঠন কৰা হয়।

স্বায়ত্ব শাসনৰ দাৱীৰ তৎকালীন মীমাংসাৰ দাবী জনাই ২৪ জুন তাৰিখে অন্যান্য জনজাতি সংগঠনৰ লগতে টি. এম.পি.কে. আৰু মিমাগ কীবাঙ মিচিং এলেকাত ১২ ঘন্টীয়া বন্ধ সফল কৰি তোলে।

প্ৰস্তাৱিত স্বায়ত্ব শাসিত ৰাজ্যৰ দাবীত ১১ জুলাইত পথ আৰু ঘাট বন্ধ আৰু ২৬ জুলাইত পুৱাৰ পৰা ৮ ঘন্টীয়া ৰেল বন্ধ কাৰ্য্যসূচী হাতত লোৱা হয়।

সংগ্ৰাম ব্যাপক কৰি তোলাৰ বাবে কৌশল আদিৰ বিষয়ে বিশদ আলোচনাৰ বাবে ১১ আৰু ১২ চেপ্তেম্বৰ তাৰিখে কুলাজান কেন্দ্ৰীয় কৰ্ম্মশালা অনুস্থিত কৰা হয়। ২০-৩০ চেপ্তেম্বৰ 'দঃলুং গিলায়' কাৰ্য্যসূচীৰ জৰিয়তে বৰাপক প্ৰচাৰ অভিজান চলোৱা হয়।

১০ চেপ্তেম্বৰ তাৰিখে টি. এম. পি. কে, আৰু মিচিং মিমাগ কীবাঙৰ ৪ জনীয়া প্ৰতিনিধি দলে কেন্দ্ৰীয় চৰকাৰক স্মাৰক পত্ৰ দিয়াৰ বাবে দিল্লীলৈ যাত্ৰা কৰে। ১৫ চেপ্তেম্বৰ তাৰিখে ৰাজ্যিক গৃহমন্ত্ৰী শ্ৰী ৰাজেশ পাইলট দেৱক সাক্ষ্যাৎ কৰে আৰু প্ৰায় ৪৫ মিনিট আলোচনা কৰে।

২৩ চেপ্তেম্বৰ তাৰিখে গোগামুখত টি. এম. পি. কে; এম.এম.কে আৰু টি. এম. এম. কেৰ কেন্দ্ৰীয় গণসমাবেশ আহ্বান কৰা হয়। ২৫ হেজাৰ সংগ্ৰামী জনগণৰ অংশগ্ৰহনেৰে অনুস্থিত হোৱা সমাবেশত এ. এচ.ডি. চিৰ নেতা বিধায়ক হলিৰাম ট্ৰোং চি.পি.আইৰ দ্ৰুপদ বুঢ়াগোঁহাই চি.পি.আই (এম-এল)ৰ অনিল বৰুৱা, প্ৰগতিশীল নাৰী সন্থাৰ লাবানৰ দত্ত গোস্বামী, সংযুক্ত গণ মঞ্চ, অসম্য ৰবীন গোস্বামী, চাহ জন-জাতি স্বেচ্ছাসেৱক বাহিনীৰ বীৰণ নিৰ্দ্ধা = আদি সংগ্ৰামী নেতাই ভাষণ ৰাখে।

১১ নবেম্বৰ তাৰিখে অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ হাতত স্মাৰক পত্ৰ দিয়া হয়। ১৬ অক্তোবৰ ৯৩ তাৰিখে পৰিণ কীবাঙৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ধেমাজী কোৰ্ট ফিল্ডত কেন্দ্ৰীয় সমাবেশৰ আয়োজন কৰা হয়। অসম জাতীয়বাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক কনক হাজৰীকাই মুখ্য বক্তা হিচাবে অংশ গ্ৰহন কৰে।

মিচিং জাতীয় চেতনাসম্পন্ন গীত-মাত ৰচনা কৰা আৰু প্ৰচাৰ কৰা, গণ-সাংস্কৃতিক ধৰাৰ জৰিয়তে মিচিং সাংস্কৃতিক দিশতো আন্দোলন গঢ়ি তোলাৰ লক্ষ্যৰে ১২, ১৩ আৰু ১৪ তাৰিখে চাৰু চন্দ্ৰ দলে স্মৃতি প্ৰেক্ষাগৃহ, বকুলগুৰিত 'সাংস্কৃতিক কৰ্ম্মশালা' অনুস্থিত কৰা হয়। 'সংগীতৰ উৎপতি আৰু ইয়াৰ ক্ৰমবিকাশ', 'জন সংস্কৃতিৰ ধাৰা আৰু ইয়াৰ ক্ৰমবিকাশ' আৰু 'গণ-সংগ্ৰামত জনসংস্কৃতিৰ ধাৰা' শীৰ্ষক আলোচনা চক্ৰত অসম জনসাংস্কৃতিক পৰিষদৰ সভাপতি আৰু উপ-সভাপতি শ্ৰী লোকনাথ গোস্বামী আৰু শ্ৰী হৰেন্দ্ৰনাথ বৰঠাকুৰ আৰু কাৰ্বি কালচাৰেল চছাইচিৰ সম্পাদক শ্ৰী চন্দ্ৰকান্ত টেৰণ আদিয়ে আলোচনা আগবঢ়ায়।

১৮ নবেম্বৰ তাৰিখে টি. এম.পি,কে আৰু এম.এম,কে আলোচনাৰ বাবে আমন্ত্ৰন জনোৱা হব বুলি অসম চৰকাৰৰ তৰফৰ পৰা জনায়। আলোচনাত অৱতাৰণ হ'ব লগীয়া সাম্ভাব্য বিষয় সমুহ খৰচি মাৰি আলোচনা কৰা বাবে ৪,৫ আৰু ৬ ডিচেম্বৰ তাৰিখে জোনাইত কেন্দ্ৰীয় কৰ্মশালা আহ্বান কৰা হয় ।

১০ ডিচেম্বৰ তাৰিখে অসম চৰকাৰে আলোচনাৰ বাবে এক ষড়যন্ত্ৰমূলক প্ৰক্ৰিয়াৰে অনানুস্থানিক ভাৱে কৰা আমন্ত্ৰনৰ লগতে বাঃনী কীবাঙ আৰু সংগঠনৰ স'তে জড়িত নথকা অন্য ব্যক্তিকো (কংগ্ৰেছী) আমন্ত্ৰন জনায়। অসম চৰকাৰৰ এনে চক্ৰান্তৰ প্ৰতিবাদত টি. এম. পি. কে আৰু এম. এম. কেয়ে আলোচনা বৰ্জন কৰি আনুস্থানিকভাৱে আমন্ত্ৰন কৰিবলৈ জনায়। অসম চৰকাৰে ১২ ডিচেম্বৰ ম তাৰিখে আনুস্থানিকভাৱে আমন্ত্ৰন জনায় আৰু স্বায়ত্ব শাসনৰ ওপৰত এক খচৰা প্ৰস্তাৱ আগবঢ়ায়।

খচৰা প্ৰস্তাৱৰ ওপৰত টি.এম.পি.কে এম.এম.কেৰ স্থিতি স্পষ্ট কৰাৰ বাবে ২৭ আৰু ২৮ ডিচেম্বৰ তাৰিখে টাডাং (বগানদী) গাৱঁত এক জৰুৰী চ প্ৰতিনিধি মূলক সভা আহ্বান কৰা হয়। বিশদভাৱে আলোচনা কৰাৰ পাচত গ্ৰহন যোগ্য নহয় যদিও আমাৰ স্থিতি লিখিত ১ ৰূপত দাখিল কৰি আলোচনা চলাই যাবলৈ সিদ্ধান্ত গ্ৰহন কৰা হয় ।

৩০ ডিচেম্বৰ তাৰিখে অনুস্থিত হোৱা দ্বিতীয়লানি আলোচনাত টি.এম.পি.কে-এম.এম.কে.ৰ স্থিতি লিখিত ভাৱে জনোৱা হয়। অসম চৰকাৰে দ্বিমত প্ৰকাশ কৰে। মিচিং জনগণৰ বাবে প্ৰকৃত স্বায়ত্ব শাসনৰ পক্ষত দৃঢ় স্থিতি গ্ৰহন কৰা টি.এম.পি.কে-এম.এম.কেৰ বিৰুদ্ধে আৰম্ভ হ'ল প্ৰলোভনৰ ৰাজনীতিৰে নেতাসকলক বিভাজন কৰাৰ চক্ৰান্ত আৰম্ভ হ'ল ৰাতিৰ খেল; হাত উজান দিলে ব্যক্তি স্বাৰ্থ পূৰণ কৰাৰ বাবে সুযোগ সন্ধানী বাঃনী কীবাঙৰ স্বয়ম্ভু নেতা সকলে । ৰঙা লাইটৰ কল্পনাত বিভোৰ হৈ মিমাগ কীবাঙ আৰু পৰিন কীবাঙৰ কেইজনমান সুবিধাবাদীয়ে মিমাগ পাহৰি মাজ ৰাতি শত্ৰু শিৱিৰত প্ৰৱেশ কৰাৰ বাবে বিভিন্ন শ্ৰেনীৰ মিচিং জনগণৰ পৰা মতামত গ্ৰহন কৰাৰ বাবে বিভিন্ন স্তৰত ৰাজহুৱা সভা আহ্বান হয় ।

৪ মাৰ্চত অসম চৰকাৰে আমাক আলোচনালৈ মাতে আৰু নিজৰ স্থিতিত অটল হৈ থাকে. টি.এম.পি.কে- মিচিং মিমাগ কীবাঙৰ ফালৰ পৰাও স্পষ্ট কৰি দিয়া হয় যে সীমা নিৰ্দ্ধাৰণ অবিহনে স্বায়ত্ব শাসন অৰ্থহীন আৰু জোৰ দি কোৱা হয়যে মিচিং লোকসমুহ একেলেঠাৰিয়ে অৱস্থিত আৰু সহজভাবেই স্বায়ত্ব শাসনৰ ভিতৰত সামৰিব পৰা যায়। মিচিং স্বায়ত্ব শাসনৰ ভিতৰত সামৰিব পৰা ১৮৩৬ খন গাৱঁৰ তালিকা এখন দাখিল কৰা হয় ।

চৰকাৰী বিভাজন নীতিৰ বিৰুদ্ধে ১১ এপ্ৰিল তাৰিখে চিলাপথাৰত এক গণ-সমাবেশ আহ্বান কৰা হয় । সমাবেশ বিফল কৰাৰ বাবে প্ৰশাসনৰ সকলো বাধা নেওছি প্ৰায় পাচঁহেজাৰ লোকে অংশ গ্ৰহন কৰে হাজাৰ হাজাৰ লোকক আৰক্ষীয়ে আধাবাটতে আবদ্ধ কৰি ৰাখে । গাড়ীৰ মালিকক গাড়ী নিদিবলৈ ভাবুকি দিয়ে ।

১২ আগষ্টত পুনৰ আলোচনাৰ বাবে চৰকাৰে আমন্ত্ৰন জনায়। এইবাৰ চৰকাৰে চুড়ান্ত সিদ্ধান্ত ঘোষনা কৰাৰ কথা দিছিল যদিও বৰপেটাৰ হত্যাকাণ্ডৰ অজুহাতত এইক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হোৱা বুলি কোৱাত অসম চৰকাৰৰ এনে পলায়নবাদী ভুমিকাৰ প্ৰতিবাদত সভাকক্ষ ত্যাগ কৰা হয়। ২৫, ২৬ আৰু ২৭ তাৰিখে গোগামুখৰ গড়পাৰাত কৰ্মশালা অনুস্থিত কৰা হয় ।

২১ জুন তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী অসমলৈ আহোঁতে টি.এম.পি.কে আৰু মিচিং মিমাগ কীবাঙে। মিচিং স্বায়ত্ব শাসনৰ প্ৰশ্নত কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰে।

২২, ২৩ আৰু ২৪ জুলাই তাৰিখে চিলাপথাৰ "বান পীড়িত মিচিং প্ৰধান অঞ্চলত বিকল্প কৃষি পদ্ধতিৰ সন্ধান" আৰু "মিচিং সমাজত সমাজ সংস্কাৰ আৰু সাংস্কৃতিক একতাৰ আন্দোলন" বিষয়ৰ ওপৰত কেন্দ্ৰীয় কৰ্ম্মশালা অনুস্থিত কৰা হয়। অনুৰূপ কৰ্ম্মশালা জিলা পৰ্য্যায়ত অনুস্থিত কৰিবলৈ সিদ্ধান্ত গ্ৰহন কৰা হয়।
সাংস্কৃতিক দিশত এক নতুন ধাৰা সৃষ্টি কৰাৰ বাবে মিচিং যুৱ মহোৎসৱ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহন কৰা হয়।
১৩ চেপ্তেম্বৰ তাৰিখে মিচিং জনজাতীয় স্বায়ত্ব শাসনৰ দুমুখীয়া নীতিৰ প্ৰতিবাদ আৰু স্বায়ত্ব শাসন প্ৰশ্নৰ শীঘ্ৰে সমাধানৰ দাবীত জনতা ভৱনত অৱস্থান ধৰ্ম্মঘট কৰা হয়। অসম চৰকাৰক ১৯৯৪ চনৰ ৩১ ডিচেম্বৰ চৰম সীমা বান্ধি দিয়া হয়।
১৫ চেপ্তেম্বৰ তাৰিখে আহ্বান কৰা আলোচনাত অসম চৰকাৰে সংশোধিত প্ৰস্তাৱ উত্থান কৰে যদিও তাত কোনো মৌলিক পাৰ্থক্য দেখা ন' গল।

২৬, ২৭, ২৮ আৰু ২৯ জানুৱাৰী ৯৫ তাৰিখে ধেমাজী মহাবিদ্যালয়ত তাকাম মিচিং পৰিন কীবাং আৰু মিচিং মিমী কীবাঙৰ ক্ৰমে ৭ ম সাধাৰণ অধিবেশন অনুস্থিত কৰা হয়। মিগাং যুক্তনাথ কুম্বাং আৰু মিগাং পুৰুষোতম দলেক সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে লৈ এখন কমিটি গঠন কৰা হয়।

৯, ১০, ১১ আৰু ১২ ফ্ৰেব্ৰুৱাৰীত মাজুলী জেংৰাই মুখত মিচিং মিমাগ কীবাঙৰ প্ৰথম সাধাৰণ অধিবেশন অনুস্থিত হয়।

উক্ত অধিবেশন সমুহত অসম চৰকাৰৰ স'তে অনুস্থিত হোৱা আলোচনাৰ ওপৰত বিশদ আলোচনা কৰি মতপোষন কৰে যে মিচিং সকলৰ ৰাজনৈতিক অধিকাৰৰ প্ৰতি চৰকাৰৰ কোনো আন্তৰিকতা নাই বৰং আলোচনাৰ নামত টি.এম.পি.কে আৰু এম.এম.কেৰ নেতৃত্বত গঢ়ি উঠা গণসংগ্ৰাম ধ্বংসহে কৰিব বিচাৰিছে। সেয়েহে প্ৰকৃত স্বায়ত্ব শাসনৰ দাবীত ব্যাপক গণসংগ্ৰাম গঢ়ি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

টি.এম.পি.কে, এম.এম.কে আৰু টি.এম.পি.কেই দৃঢ় স্থিতি ঘোষনা কৰাৰ পাছত চৰকাৰী চক্ৰান্তক আনুস্থানিক ৰূপে দিয়াৰ প্ৰস্তুতি পূৰ্ণদমে আৰম্ভ হ'ল। ৫ মাৰ্চত হিতেশ্বৰ শইকীয়া প্ৰত্যাক্ষ প্ৰৰোচনাত বিশ্বাসঘাটক শ্ৰী লক্ষ্মীনাথ পাংগীঙৰ নেতৃত্বত জন্ম হ'ল এম.এ.ডি.চি. নামৰ এটি মিচিং পা বিৰোধী চৰকাৰী দালালৰ সংগঠন। উপস্থিত আছিল কেৱল ত পাঁচজন। মিতিৰালি হ'ল বাঃনী কীবাঙৰ লগত। ঘোষনা কৰা হ'ল বাঃনী কীবাঙৰ অধিবেশন অনুস্থিত কৰাৰ ২১, ২২, আৰু ২৩ এপ্ৰিল তাৰিখে। অভ্যৰ্থনাৰ ঠিকা ল'লে এসময়ৰ আগশাৰীৰ (?) বিদেশী বিতাড়ন আন্দোলনৰ নেতা পিচলৈ হিতেশ্বৰ শইকীয়াৰ মানস পুত্ৰ লৈ ৰূপান্তৰিত হোৱা শ্ৰী ভৰত নৰহে। বাঃনী কীবাঙৰ জন্মগত পৰম্পৰাক ৰ জলাঞ্জলি দি মিচিং জাতীয় সংগঠন সমূহ আঁতৰত ৰখা হ'ল।

যোৱা বাৰিষাত ভাগি-ছিগি যোৱা মাঠাউৰি ৰাস্তাঘাট সমূহ পুণৰ নিৰ্মাণ আৰু মেৰামতি কৰি আগন্তুক বান- পানীৰ পৰা সৃষ্টি হ'বলগীয়া ভয়াৱহ পৰিস্থিতিৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ বাবে তৎকালীন পদক্ষেপ গ্ৰহনৰ দাবীত ১৩ মাৰ্চ তাৰিখে পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৫ - বজালৈ ১২ ঘন্টীয়া অসম বন্ধ আহ্বান হয়।

অসম চৰকাৰৰ দুমুখীয়া নীতি আৰু বাঃনী কীবাঙৰ - মিচিং বিৰোধী ভুমিকাৰ বিৰুদ্ধে জনগণক সংগঠিত কৰাৰ বাবে ১৫ মাৰ্চৰ পৰা ৫ এপ্ৰিললৈ কাৰ্য্যসূচী হাতত লোৱা ন হয়। ১৩ এপ্ৰিল তাৰিখে অধিবেশন পতাৰ বিৰোধীতা কৰি বিলমুখৰ প্ৰতিবাদ সমদল হাজাৰ হাজাৰ লোকে অংশ গ্ৰহন কৰে। ১৬ এপ্ৰিল তাৰিখে সন্ধিয়া হাজাৰ হাজাৰ লোকে হাতে হাতে জোৰ বন্তি লৈ শোভাযাত্ৰা কৰে। বিলমুখক বাদ দি অৱনৰি এলেকাৰ সকলো গাৱে অধিবেশনৰ বিৰুদ্ধে = ঠিয় দিলে। কিন্তু, অসম চৰকাৰৰ শুভবুদ্ধি উদয় নহল। ফলত বাঃনী কীবাঙ বৰ্জন কৰাৰ আহ্বান দিয়া হল। চৰকাৰী চক্ৰান্তৰ বিৰুদ্ধে ২১ এপ্ৰিল পুৱাৰ পৰা ৬০ ঘন্টীয়া বন্ধ ঘোষনা কৰা হয়। উক্ত দিনাই প্ৰায় দহ হাজাৰ লোকে এম.এম.কেৰ চেয়াৰমেন চাণ্ডিৰাম পেগু আৰু টি.এম.পি.কে সহ সম্পাদক ডম্বৰু কামানৰ নেতৃত্বত বিলমুখ অভিমুখে শোভাযাত্ৰা আৰম্ভ কৰে। উদ্দেশ্য বিলমুখ প্ৰতিবাদ সভা অনুস্থিত কৰা। দলটোক অধিবেশনস্থলিৰ পৰা প্ৰায় এক ফাৰ্লং আঁতৰত পুলিচে বাধা দিয়ে। নেতাসকলে পুলিচক জনায় যে তেওঁলোকে

বিলমুখত এখন প্ৰতিবাদ সভা পাতি গুচি যাব। সভা পাতিবলৈ অনুমতি নিদিয়াত তেওঁলোকে কয় যে বিলমুখ তিনিআলিয়েদি চুমনি হৈ ঘুৰি যাব। এই কথাতো মান্তি নোহোৱাত শোভাযাত্ৰা কাৰী সকলে গ্ৰেপ্তাৰ বৰণ কৰিব বিচাৰে। ঠিক এই সময়তে বিলমুখ তিনিআলিৰ পৰা হাতে হাতে লাঠি, দা, কুঠাৰ জোং ইত্যাদি লৈ ভৰত নৰহৰ নেতৃত্বত এদল কংগ্ৰেছ (ই) কৰ্ম্মীয়ে শোভাযাত্ৰাকাৰী সকলৰ ফালে চোছাঁ মাৰি আহে। ঘটনাস্থলিত উপস্থিত আছিল অসম চৰকাৰৰ মন্ত্ৰী শ্ৰী গোমেশ্বৰ পেগু। পৰিস্থিতি উত্তেজনাময় হৈ পৰে। পুলিচে লাঠি চালনা আৰম্ভ কৰে। শেষত গুলিচালনাৰ ফলত এম.এম.কেৰ ভাটি মেদক গাওঁ সমিতিৰ উপসভাপতি বগা উৰফে মহানন্দ মেদক আৰু আলিমুৰ বকুলা গাৱঁৰ টি.এম.পি.কেৰ সক্ৰিয় সদস্য নৰেশ টাইদ ঢলি পৰে। গুলিচালনা আৰু লাঠিচালনাত প্ৰায় ২০ জনৰে অধিক আহত হয়। বিভিন্ন মিচিং অঞ্চলত পিকেটিং কাৰীৰ ওপৰত চলিল আৰক্ষীৰ নিৰ্ম্মম অত্যাচাৰ। সমগ্ৰ মিচিং জনসাধাৰণ উত্তেজিত হৈ পৰিল। একমুখে গৰিহনা দিলে অসমৰ সকলোৱে। এসময়ত হেজাৰ হেজাৰ জনতাৰে ভৰি থকা বাঃনী কীবাঙৰ ঠাইত বিয়পি পৰিল শ্মশানৰ নিৰৱতা। তাৰ মাজতে ওৰে ৰাতি চলিল সভাপতি হোৱাৰ কুচকাৱাজ। অসংখ্য পুলিচৰ আৱেষ্টনিত আহি মুখ্যমন্ত্ৰীয়ে ভাষণ দিলে কেৱল পাচঁ মিনিট। পূৰ্বৰ ঘোষনা অনুসৰি মুখ্যমন্ত্ৰীয়ে মিচিং স্বায়ত্ব শাসন আনুস্থানিক ভাৱে ঘোষনা কৰিব নোৱাৰিলে। বিলমুখত বাঃনী কীবাঙৰ অধিবেনৰ নামত টি.এম.পি.কে আৰু এম.এম.কেৰ সংগ্ৰাম এক নতুন যাত্ৰা লাভ কৰিলে।

পৰাজয়ৰ গ্লানিক সহ্য কৰিব নোৱাৰি টি. এম. পি. কে আৰু এম. এম. কেৰ সদস্য সকলৰ ওপৰত নমাই দিলে চৰকাৰী সন্ত্ৰাস। নেতা সকল ঘৰত থাকিব নোৱাৰা হল। গ্ৰেপ্তাৰ কৰা হল বহু কেন্দ্ৰীয় নেতাক, বহু সদস্যক। লক-আপত চলিল আমানুসিক নিৰ্যাতন। নিষিদ্ধকৰা হ'ল সভা সমিতি। গ্ৰেপ্তাৰ অভিযান চলিল বিভিন্ন মনেসজা অভিযোগত। অভিযানত সহযোগ কৰিল এম.এ.ডি.চি সদস্য সকলে। আটাইতকৈ বেচি অত্যাচাৰ চলিল ঢকুৱাখনা মহকুমাতখোদ ভৰত নৰহৰ তদাৰকত। বিভিন্ন অঞ্চলত প্ৰায় তিনিশ লোকক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল।

১৯৯৫ চনৰ এটা কলংকিত দিন ১৪ জুনৰ দিনা অসম চৰকাৰ আৰু মিচিং বিৰোধী ক্ষমতালিপ্সা সকলৰ মাজত স্বাক্ষৰিত হ'ল আৰু এক প্ৰৱঞ্চনাৰ দলিল। বাঃনী কীবাঙে কোনোমতে চুক এটাত বহি চহীটো কৰি সন্তুষ্ট লভিলে। ইয়াৰ পাছৰ খিনি বৰ্ত্তমান সকলোৱে জানে।

# TMMK ৰ চমু ইতিহাস

মৃণালী কাগয়ুং
সাঃ সম্পাদিকা, টি. এম. এম. কে.

এখন সৰ্বাংগসুন্দৰ, সংস্কৃতিবান সমাজ ৰূপে পৰিচিত হ'বলৈ হ'লে পুৰুষৰ লগতে নাৰীৰো সামগ্ৰিমভাৱে উন্নতিৰ প্ৰয়োজন। সেই চিন্তাধাৰাৰেই সমগ্ৰ মিচিং জনগোষ্ঠীৰ শিক্ষা, আৰ্থ-সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক অধিকাৰৰ বাবে মাত মাতি অহা ছাত্ৰ সংগঠন অৰ্থাৎ টাকাম মিচিং পৰিণ কীবাঙে (TMPK) ১৯৮৯ চনৰ ২ আৰু ৩ চেপ্তেম্বৰ তাৰিখে ধেমাজিৰ জীয়াচলত প্ৰথম মিচিং জাতীয় অভিবৰ্তন আহ্বান কৰে। উক্ত অভিবৰ্তনত জাতীয় সংগ্ৰামক আগুৱাই নিয়াৰ স্বাৰ্থত টি. এম. পি. কে.ৰ সংগ্ৰামী সংগঠন হিচাপে মিচিং মিমাগ কীবাং নামেৰে শিৰৰাম পেগুক মুখ্য আহ্বায়ক হিচাপে লৈ এখন আহ্বায়ক সমিতি গঠন কৰা হয়। এই অভিবৰ্তনতেই প্ৰতিনিধিৰ সৰ্ব সন্মতিক্ৰমে মিচিং মহিলা সকলক এটা মঞ্চত একগোট কৰি মিচিং জাতীয় সংগ্ৰামত লিপ্ত কৰোৱাৰ উদ্দেশ্যেৰে। এই মহৎ উদ্দেশ্য আগত ৰাখিয়েই এখনি আঠ জনীয়া আহ্বায়ক সমিতি গঠন কৰা হয়। এওঁলোক আছিল মিমী ঊষাৰাণী কুম্বাং, জনাই, তেলাম, অযোধ্যা পেগু, ধেমাজি, দময়ন্তী কুটুম, গোলাঘাট, দেৱীলতা দলে, জীয়াঢল, তনুজা পেগু, ধেমাজি, ৰুক্মিনী টাইদ, বাউলি ধেমাজি, প্ৰেমলতা পাতিৰ, জনাই, তেলম, ৰীণা পাতিৰ ঢকুৱাখনা। ১৯৮৯ চনৰ ২, ৩ আৰু ৪ আক্টোবৰত সদৌ অসম মিৰি হাইস্কুল (মাতমৰা ঢকুৱাখনা) টি. এম. পি. কে. আহ্বানত মিচিং মহিলা সকলৰ প্ৰথম নেতৃত্বৰ প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হয় । তাৰ তিনি মাহৰ পিছত অৰ্থাৎ ১৯৯০ চনৰ ৯, ১০ আৰু ১১ জানুৱাৰীত গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আঠজনীয়া আহ্বায়ক সমিতিৰ দ্বাৰা মিচিং মহিলাসকলৰ এখনি প্ৰথম অভিবৰ্তন আহ্বান কৰা হয়। টি. এম. পি. কে. ৰ সহযোগত অনুষ্ঠিত এই অভিবৰ্তনতেই টাকাম মিচিং মিমী কীবাং (টি. এম. এম. কে) নাম দি মিমী প্ৰভাৱতী দলে আৰু উষাৰাণী কুম্বাঙক ক্ৰমে সভানেত্ৰী আৰু সাধাৰণ সম্পাদিকা ৰূপে লৈ নতুন কমিটি গঠন কৰা হয়। মিচিং মহিলা সকলক লৈ গঠন কৰা টি. এম. এম. কেৰ জন্ম এনেকৈয়ে হয়। টি. এম. এম. কেৰ প্ৰথম সাধাৰণ অধিবেশন মাজুলীৰ গড়মুৰত ১৯৯২ চনৰ ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। এই প্ৰথম অধিবেশনত সভানেত্ৰী ৰূপে ধেমাজিৰ অযোধ্যা পেগু আৰু সাধাৰণ সম্পাদিকা ৰূপে বোকাখাট নন্দিতা পেগুক লৈ নতুনকৈ কাৰ্য্যনিৰ্বাহক কমিটি গঠন কৰা হয়। দুয়োগৰাকী নিজস্ব সাংসাৰিক থকাৰ উপৰিও ধেমাজি নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী ৰূপে যোৱা বছৰ অৱসৰ গ্ৰহণ কৰে আৰু নন্দিতা পেগু বৰ্তমানে তেজপুৰত ব্যস্ততাপূৰ্ণ চৰকাৰী পদবীত কাৰ্য্যনিৰ্বাহ কৰিও আজিলৈকে মিমী কীবাঙৰ উপদেষ্টা ৰূপে থাকি অভুতপূৰ্ব বৰঙণি দি আহিছে।

টি. এম. এম. কেৰ দ্বিতীয় সাধাৰণ অধিবেশন টি. এম. পি. কে.ৰ ৭ম সাধাৰণ অধিবেশনৰ লগত সংগতি ৰাখি ধেমাজি চহৰত ১৯৯৫ চনৰ ২৬, ২৭, ২৮ আৰু ২৯ জানুৱাৰীত অনুষ্ঠিত হয়। অযোধ্যা পেগুক পুনৰ সভানেত্ৰী

আৰু মাজুলীৰ জ্যোস্না পেগুক সাধাৰণ সম্পাদিকা ৰূপে লৈ নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ১৯৯৫ চনৰ জানুৱাৰী মাহৰ পৰা অক্টোবৰলৈ জ্যোস্না পেগুৱে কাৰ্য্যনিৰ্বাহক চলোৱাৰ পিছত তেওঁৰ অনুপস্থিতিত চিলাপথাৰৰ কমলা দলেয়ে ১৯৯৭ চনৰ এপ্ৰিল মাহলৈকে সাধাৰণ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰি সুচাৰুৰূপে পৰিচালনা কৰে ।

৩য় সাধাৰণ অধিবেশন লখিমপুৰ জিলাৰ জামুগুৰিত ১৯৯৭ চনৰ ১৫, ১৬ আৰু ১৭ এপ্ৰিলত অনুষ্ঠিত হয়। ঢকুৱাখনাৰ ভোমাজাৰণিৰ ভানুমতী পেগু আৰু ধেমাজিৰ জীয়াঢলৰ মূল্যৰীণা পেগুক ক্ৰমে সভানেত্ৰী আৰু সাধাৰণ সম্পাদিকাৰূপে লৈ নতুন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

মিমী কীবাঙৰ চতুৰ্থ সাধাৰণ অধিবেশন শোণিতপুৰ জিলাৰ লোহিতমুখত ২০০০ চনৰ ৮, ৯ আৰু ১০ জানুৱাৰীত অনুষ্ঠিত কৰা হয়। উক্ত অধিবেশনত সৰ্বসন্মতিক্ৰমে বিগত সমিতিৰ সাধাৰণ সম্পাদিকা মূল্যৰীণা পেগুক সভানেত্ৰী আৰু লখিমপুৰৰ বিচিত্ৰা দলেক সাধাৰণ সম্পাদিকা হিচাপে ৰাখি নতুন কাৰ্য্যনিৰ্বাহক কমিটি গঠন কৰা হয়। মূল্যৰীণা পেগু আৰু বিচিত্ৰা দলেৰ সভানেত্ৰী সম্পাদিকাৰ কাৰ্য্যনিৰ্বাহক কৰা সমিতিৰ দুবছৰীয়া কাৰ্য্যকাল শেষ হোৱাত ২০০২ চনৰ ১৮, ১৯ আৰু ২০ মে'ত জনাই চহৰৰ হেমা কমান ক্ষেত্ৰত পঞ্চম সাধাৰণ অধিবেশন অনুষ্ঠিত হয়। উক্ত অধিবেশনত মূল্যৰীণা পেগুক পুনৰ সভানেত্ৰী আৰু শিৱসাগৰৰ দিখৌ মুখৰ মৃণালী কাঙক সাধাৰণ সম্পাদিকাৰূপে লৈ নতুন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

সময়ৰ গতিত মিমী কীবাঙো ক্ৰমান্বয়ে বীজৰ পৰা গছ, গছৰ পৰা পূৰ্ণঙ্গ ফুল-পাতে পৰিপূৰ্ণ হোৱাৰ দৰে এতিয়া সমগ্ৰ মিচিং সমাজৰ সকলো শ্ৰেণীৰ নাৰীৰ সকলো সমস্যা, অন্যায়ৰ বিৰুদ্ধে মাত মাতি অহা এক শক্তিশালী নাৰী সংগঠন ৰূপে পৰিচিত। এই বছৰৰ ৯, ১০ আৰু ১১ জানুৱাৰীত লখিমপুৰৰ বগীনদীৰ দঃক্ৰি পঃল লত্তাত বিপুল জনসাধাৰণৰ উপস্থিতিত আৰু প্ৰায় ৭০০ প্ৰতিনিধিৰ যোগদানত পুনৰ দুয়ো গৰাকী সভানেত্ৰী সম্পাদিকা কেই বাহাল ৰখা হৈছে।

নিজস্ব সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ১৯৯০ চনত জন্ম হোৱা টি. এম. এম. কে.ই সমগ্ৰ মিচিং নাৰীৰ সৰ্বাঙ্গিন উন্নতিৰ চিন্তা অব্যাহত ৰাখিছে। লক্ষ্য আৰু উদ্দেশ্য : টি. এম. পি. কে. আৰু এম. এম. কে.ৰ লগত নিজস্ব লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি যৌথভাৱে জাতীয় সংগ্ৰামক আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে টি. এম. এম. কেই। প্ৰগতিশীল নাৰী সংগঠনৰ লগত আন্তঃ সহযোগিতাৰে নাৰী স্বাধীনতা আৰু নাৰী অধিকাৰৰ সংগ্ৰামক বহুল ভিত্তিত আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰগতিশীল ধ্যান-ধাৰণাৰে পুষ্ট জনগোষ্ঠীৰ নাৰী সংগঠন হিচাপে টি. এম. এম. কেৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আছে। এইবোৰ হ'ল-

: সৰ্বস্তৰৰ মিচিং মহিলাসকলক সাংগঠনিকভাৱে সংবদ্ধ কৰা ।
ঃ সকলো ধৰণৰ জাতি, ধৰ্ম, বৰ্ণগত বঞ্চনা শোষণ নিপিড়নৰ বিৰুদ্ধে সংগ্ৰাম কৰা ।
ঃ সকলো ধৰণৰ অন্ধবিশ্বাস, অযুক্তি সংগত নীতি-নিয়মৰ বিৰোধিতা কৰি নাৰী সমাজক শিক্ষিত কৰা ।
ঃ সকলো ধৰণৰ সামাজিক, ঘৰুৱা অন্যায় অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
: নাৰী আৰু পুৰুষৰ সমান অধিকাৰৰ বাবে সংগ্ৰাম কৰা ।
: নাৰী সম্বন্ধীয় বিষয় অন্যান্য সমভাৱাপন্ন নাৰী সংগঠনৰ লগত ঐক্যবদ্ধ ভাৱে কাম কৰা ।
ঃ মিচিং সমাজৰ ভাষিক সাংস্কৃতিক ও সামাজিক উন্নয়নৰ বাবে কাম কৰা ।
: মিচিং জাতিৰ আত্মানিয়ন্ত্ৰণৰ সংগ্ৰামত আত্মনিয়োগ কৰা আৰু তেনে সংগ্ৰামক আগুৱাই নিয়া ।
ঃ সকলোধৰনৰ অপসংস্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰা ।
: মিচিং জাতীয় কৃষ্টিৰ সংৰক্ষন আৰু বিকাশৰ বাবে কাম কৰা ।
: বিশ্বজুৰি হ'ব ধৰা নাৰী মুক্তি আন্দোলনৰ সঠিক পথ নিৰ্ধাৰণ কৰি সমৰ্থন জনোৱা ।
: সকলোধৰণৰ নাৰী নিৰ্যাতনৰ বিৰুদ্ধে ঐক্যবদ্ধ আন্দোলন গঢ়ি তোলা।
:সকলোধৰণৰ প্ৰতি বিপ্লৱী উপাদানৰ বিৰুদ্ধে নাৰীসকলৰ সংগতিত কৰা আৰু মিচিং নাৰী সকলৰ ৰাজনৈতিক ভাৱে সচেতন কৰি গঢ়ি তোলা ।

**মিমী কীবাঙৰ দাবীসমূহ :** TMPK আৰু MMK লগত যৌথভাৱে মিচিং স্বায়ত্বশাসনৰ মূল দা মুল দাবীৰ লগতে TMMK ই নাৰী সংগঠন হিচাপে নিজস্ব কিছুমান দাবীও

আছে। বয়ন শিল্পত বিশেষকৈ অন্য জনগোষ্ঠীৰ নাৰীকলতকৈ মিচিং নাৰীসকলে বোৱা কটা কামত পৰম্পৰাগত ভাৱে এখন উচ্চ স্থান অধিকাৰ কৰি আহিছে । সমগ্ৰ নাৰী সমাজৰ আৰু মিচিং জাতিৰ অৰ্থনৈতিক দিশত স্বাৱলম্বীতাৰ কাৰণত আগুৱাই নিবলৈ মিচিং অধুষিত অঞ্চল সমুহত বয়নশিল্প স্থাপন কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে, লগতে প্ৰতিখন মিচিং গাঁৱত বয়ন শিল্প সম্প্ৰসাৰিত কৰিব লাগে

১) Takam Mising Porin Kebang ৰ ১৪ দফীয়া দাবী চনদ চৰকাৰে অনতিপলমে পূৰণ কৰিব লাগে ।

২) সমগ্ৰ অসমৰ মিচিং অধুষিত অঞ্চলৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সুচল কৰিব লাগে যিহেতু মিচিং অধুষিত অঞ্চলৰ শিক্ষাৰ মানদণ্ড একেবাৰে উন্নত হোৱা নাই, সেয়ে অসমৰ অধুষিত অঞ্চলত ইতিমধ্যে প্ৰতিষ্ঠা হোৱা বেচৰকাৰী বিদ্যালয় সমুহ চলিত বৰ্ষৰ ভিতৰত চৰকাৰী কৰণ কৰি মিচিং জাতিৰ শিক্ষাৰ মান উন্নত কৰিব লাগে।

৩) মিচিং নাৰীক সংবিধানিক ভাৱে মান মৰ্যদা, শিক্ষা চৰকাৰী চাকৰি, ৰাজনৈতিক আৰু বিভাগীয় অৰ্থ সামৰ্থ্যৰ ক্ষেত্ৰত আছুতীয়া আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে ।

৪) মিচিং অধুষিত অঞ্চলত প্ৰয়োজন সাপেক্ষে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰিব লাগে ।

৫) মিচিং অধুষিত অঞ্চলত ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিব লাগে। মিচিং নাৰীক বিভিন্ন ক্ষুদ্ৰ উদ্যোগৰ প্ৰশিক্ষন দি সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে ।

৬) অসমৰ জনজাতি নাৰীৰ ওপৰত সাম্প্ৰতিক কালত চলি থকা পাশবিক অত্যাচাৰ বন্ধ কৰক, কোনো পুৰুষে নাৰীক বেয়া ব্যৱহাৰ কৰিলে ন্যায় সংগত বিধি ব্যৱস্থাৰে শাস্তি বিহিব লাগে ।

৭) মিচিং মহিলাক ভাৰতৰ বিভিন্ন প্ৰগতিশীল ৰাজ্যসমুহত বিনামূলীয়াকৈ শিক্ষামুলক ভ্ৰমনৰ ব্যৱস্থা কৰক।

৮) বৰ্তমান অসমত সংগঠিত হৈ থকা সকলোধৰণৰ নাৰীৰ ওপৰত চলা হত্যা, লুণ্ঠন, অচ্যাচাৰ, ধৰ্ষণ, অপহৰণ আদিক অইন সংগতভাৱে বন্ধ কৰিব লাগে আৰু উপৰোক্ত কৰ্মত লিপ্ত থাকালোকক কঠোৰ শাস্তি বিহিৱ লাগে ।

৯) মিচিং সকলৰ ঐতিহ্য বহনকাৰী বস্তুসমুহ সংৰক্ষণৰ বাবে যাদুঘৰ, পাপ্য সামগ্ৰী বেচা কিনা কেন্দ্ৰ প্ৰতিখন জিলাতে প্ৰতিষ্ঠা কৰক ।

১০) মিচিং আগম কীবাঙৰ লগত হোৱা চুক্তি অনুসৰি মিচিং ভাষা প্ৰয়োগৰ কাম অনতি পলমে কাৰ্যকৰী ব্যৱস্থা হাতত লওক।

১১) মিচিং ছাত্ৰীৰ শৈক্ষিক সমস্যা সমাধান কৰিবৰ বাবে নিয়েক্ত দিৰ ওপৰত চৰকাৰে কাৰ্যকৰী বৰৱস্থা হাতত ল'ব লাগে।

১২) প্ৰতিখন অনুষ্ঠান প্ৰতিষ্ঠানত জনজাতীয় ছাত্ৰীৰ বাবে ছাত্ৰী নিবাসে নিৰ্মান কৰিব লাগে আৰু সকলো (ধৰণৰ) শ্ৰেনীৰ বিনামূলীয়া পাঠ্যপুথি তথা শিক্ষাৰ সঁজুলি যোগান ধৰিব লাগে।

১৩) মিচিং ভাষা সাহিত্য সংস্কৃতি বিশেষকৈমিচিং মহিলাৰ উন্নতিৰ কথালৈ লক্ষ ৰাখি আকাশবাণী কেন্দ্ৰৰ যোগেদি সঠিক আলোচনাচক্ৰ, গীত, নাটক আদি প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে আৰু তৎকালীনভাবে ডিব্ৰুগড় অনাঁতাৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত “কাৰপুনপুলি” অনুস্থানটিৰ মান উন্নত কৰি সপ্তাহত কমেও তিনিদিন প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**এলাহৰ পৰাই মুঢ়তা আহে আৰু মুঢ়তাই অজ্ঞানতা - শ্ৰী শ্ৰী ঠাকুৰ অনুকুল**

**সাংস্কৃতি জীৱনৰ প্ৰতিকল্প নহয় কিন্তু ই মূল চাবিতে - ডব্লিউ মুলক**

**আমি যি জানো, সি অতি সামান্য আমি যি নাজানো, তাৰ সীমা নাই – বুদ্ধদেৱ**

# মিছিং দূৰবৃ কীবাঙৰ চমু ইতিহাস

একলব্য গাম
প্ৰাক্তন সম্পাদক দূৰবৃ কীবাঙ

আজিৰ পৰা প্ৰায় ২৪ বছৰ আগতেই ১৯৮০ চনত ঢকুৱাখনা কেকুৰী ইউনাইটেড হাইস্কুল প্ৰাঙ্গনত অনুষ্ঠিত মিছিং শিল্পি সমাৰোহৰ সৰ্ব্ব সিদ্ধান্ত মৰ্মে সমলোবোৰ সংস্কৃতি প্ৰেমী মিছিং ব্যক্তি সকলক লৈ মিছিং দূৰবৃ কীবাং নামৰ এক সুস্থ সবল সাংস্কৃতিক সংস্থা গঠন কৰা হয় । উক্ত সংস্থাৰ প্ৰথম সভাপতি হিচাপে জেংৰাই মুখৰ বৰ্ত্তমান অৱসৰ প্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰেশ্বৰ পেগু আৰু সম্পাদক হিচাপে বকুলগুৰিৰ ধুনাগুৰি কুটুমৰ শিক্ষক প্ৰদীপ গামক মনোনীত কৰে। তেওঁ লোকৰ উদ্যোগত মিছিং সংস্কৃতিৰ উত্তৰনৰ উদ্দেশ্যত গাৱে-ভূঞে সঙ্গীত সন্ধিয়া অনুস্থিত কৰি সাংস্কৃতিক জাগৰণৰ সৃস্থি কৰিছিল। উক্ত দূৰ কীবাঙৰ উপ-সভাপতি হিচাপে বিপ্লবী শিল্পি সুৰ্য কুমাৰ চিন্তে আৰু উপদেষ্টা হিচাপে দূৰ আপুন গনেশ পেগুয়ে দূৰ কীবাক আগুৱাই নিয়াৰ ক্ষেত্ৰত গাৱেঁ-ভুঞে, চহৰে-নগৰে গীত গাই মিছিং, যুৰ চামৰ মাজত সাংস্কৃতিক জন-জাগৰন সৃষ্টি কৰিছিল। তেওঁলোকৰ পিচতে সোনাৰী-চাপৰিত অনুষ্টিত দূৰবৃ কীৰাঙৰ অধিবেশনত প্ৰদীপ গামক সভাপতি আৰু ভদ্ৰ কুমাৰ দলেক সম্পাদক হিচাপে লৈ পৰবৰ্ত্তী কাৰ্যনিবাহক সমিতি গঠন কৰা হয়। ইয়াৰ পিচতে জীয়া ভৰলীৰ অধিৱেশনত ডঃ বিদ্যেশ্বৰ দলেক সভাপতি আৰু একলব্য গামক সম্পাদক হিচাপে দূৰ কীৰাঙৰ দায়িত্ব ভাৰ অৰ্পন কৰে। তেওঁ লোকৰ কাৰ্যকালতেই মিছিং লোকবাদ্য অজুক তাপুঙৰ সংৰক্ষণৰ বাবে জুনাইত কৰ্মশালা অনুষ্ঠিত কৰিছিল। কুলাজানত অনুষ্ঠিত ঐতিহাসিক যুৰ মহোৎসৱত দূৰ কীবাঙৰ তৰফৰ পৰা সকলোবোৰ সাংস্কৃতিক দিশতে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। তাৰোপৰি শঙ্কৰদেৱ কলাক্ষেত্ৰত যুৰ মহোৎসৱৰ উদ্যোগত মিছিং দূৰ প্ৰদৰ্শনত প্ৰধান ভূমিকা লৈছিল। অপসংস্কৃতিৰ বিৰুদ্ধে গুৱাহাটী দূৰদৰ্শনত ধনা কাৰ্যসুচী পালন কৰাৰ উপৰিও কেন্দ্ৰীয় তথ্য আৰু অনাতাৰ মন্ত্ৰী সুসমা স্বৰাজৰ গহপুৰ ভ্ৰমণৰ সময়তে মিছিং দূৰবৃ কীবাঙৰ ফালৰ পৰা অনাতাৰ কেন্দ্ৰৰ যোগেদি মিছিং সংস্কৃতি আৰু মিছিং বাতৰি সম্প্ৰচাৰৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰিছিল। ইয়াৰ পিচতে দিচাং মুখৰ অধিবেশনত পুনৰ ডঃ বিদ্যেশ্বৰ দলেক সভাপতি আৰু সুৰুয কুমাৰ পাতিৰিক সম্পাদক হিচাপে লৈ বৰ্ত্তমানৰ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয় । দিচাং মুখৰ অধিবেশনতে অডিঅ আৰু ভিডিঅ মিছিং কেচেটৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই ক্ষেত্ৰত দূৰবৃ কীৰাঙৰ গুৰুত্ব পূৰ্ণ ভূমিকাৰ কথা অনস্বীকাৰ্য । পূৰণি চাম শিল্পি সকলৰ ভিতৰত ইন্দ্ৰেশ্বৰ পেগু, ইন্দ্ৰ পেগু, অমিয় পেগু, চন্দ্ৰীৰাম পেগু, অৱন্তী কুমাৰী পামেগাম, গঙ্গা প্ৰসাদ পেগু, গজেন নৰহ, পদ্ম পেগু, যুৱৰাম দলে, তাৱতী বড়ি, জগদীশ প্ৰসাদ দলে, ৰীতা দেবী মেদক, তৰুলতা পেগু, পুলিন পাতিৰ, মুহিৰাম পেগু, পবিত্ৰ পেগু, পুৰ্ণ কুমাৰ চিন্তে আদিয়ে দূৰ কীবাঙক আগুৱাই নিছিল । নতুন চামৰ ভিতৰত সুৰুয মেদক, তৃষ্ণা পেগু, তনুজা পেগু, তৰুলতা কুটুম, কুঞ্জলতা কামান, ৰীতিবালা পামেগাম, ৰুবী পামেগাম, মীনাক্ষী চিন্তে, মীনা গাম, মৃনাল দলে, মনুজ দলে, পবিত্ৰ মিলি, অৰুণ মৰাং, তাজান খামতি, বিপুল কামান, চৰিত্ৰ পাৱ, ৰঞ্জু মিলি, ৰুপা মিলি, নৰনচি পেগু, নুৰুলমণি পাঞাং, আৰু টেবলেত পাৰ্টিৰ আদি শিল্পি সকল দূৰ কীবাঙৰ অনুপ্ৰেৰনাত গীত গাবলৈ ওলাই আহিছে। পশ্চিমীয়া সংস্কৃতিকে ধৰি বিভিন্ন সংস্কৃতিৰ কবলত পৰি মিছিং সংস্কৃতিক অবাটে নিব বিচাৰিলে ভবিষ্যতে মিছিং দূৰবৃ কীবাঙ নামৰ সংগঠনটো নিঃশেষ হোৱাৰ পথত অগ্ৰসৰ হব। গতিকে সকলো শ্ৰেণীৰ সংস্কৃতি প্ৰেমী ব্যক্তি আৰু সচেতন ৰাইজৰ সক্ৰিয় ভূমিকা বৰ্তমানে অতি প্ৰয়োজনীয় হৈ পৰিছে।

# মিচিং মিমাগ কীবাঙৰ চমু ইতিহাস

**সংগ্ৰাহক-সম্পাদক**

১৯৯৩ চনত ২৮, ২৯ মাৰ্চ কাৰিখে জোনাই মুৰ্কংচেলেক মিচিং কৃষ্টি ভৱন প্ৰাঙ্গনত অনুষ্ঠিত হোৱা মিচিং জাতীয় অভিৱৰ্ত্তনত মিচিং মিমাগ কীবাং গঠন কৰা হয়। উক্ত অভিবৰ্ত্তনত মিগাং চাণ্ডীৰাম পেগু আৰু যুৱ নেতা ডাঃ ৰনোজ পেগু ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে লৈ প্ৰথম মিচিং মিমাগ কীবাং গঠন কৰা হয়। উক্ত অভিবৰ্ত্তনত প্ৰায় সকলো অঞ্চলত সকলো শ্ৰেনীৰ মিচিং সকল একত্ৰিত হৈছিল আৰু সৰ্বসন্মতিক্ৰমে মিচিং মিমাগ কীবাং গঠন কৰা হৈছে। ইয়াৰ পিচত মিমাগ কীবাঙে মিচিং জাতীয় সমস্যা সমুহক চৰকাৰৰ ওচৰত উপযুক্ত ভাবে উত্থাপন কৰে আৰু সমাধানৰ বাবে অন্যান্য মিচিং জাতীয় সংগঠন টাকাম মিচিং পৰিণ কৌবাং, মিচিং মিমী কৌবাং আদিৰ লগত যুক্ত হৈ আন্দোলনৰ পদক্ষেপ গ্ৰহণ কৰে। বিশেষজ্ঞঃ মিচিং ছাত্ৰ সংগঠন টি.এম.পি.কে, এম.এম.কেৰ সহযোগত মিচিং সকলক ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ব শাসন দিবৰ বাবে জোৰদাৰ আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহন কৰে । ইয়াৰ ফলশ্ৰুতিত যদিও অসম চৰকাৰে মিচিং সকলক চাৰিসীমা বিহীন স্বায়ত্ব শাসন দিয়াৰ সপক্ষে ১৯৯৫ চনত ঘোষনা কৰিছিল ; কিন্তু সংগ্ৰামী সংগঠন এম.এম.কে, টি. এম. পি. কে আৰু টি.এম. এম. কেই উক্ত স্বায়ত্ব শাসন গ্ৰহণ কৰাৰ পৰিবৰ্তে বিৰুধিতাৰে কৰিছিল। বৰ্ত্তমানলৈকে ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ব শাসন দিবৰ বাবে অবিৰত ভাবে মিচিং মিমাগ কীবাঙে পদক্ষেপ গ্ৰহন কৰি আহিছে। ইয়াৰো পৰি মিচিং সকলৰ বিভিন্ন সমস্যা যেনে বান পানী, কৃষি, সামাজিক আৰু অৰ্থনৈতিক সমস্যাসমুহ উপযুক্ত ভাবে সমাধানৰ পথ নিৰ্ণয় কৰিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

মিচিং মিমাগ কীবাঙৰ সংগ্ৰামী কাৰ্য্যসূচী সমুহ জনমুখী আৰু তৰান্বিত কৰিবৰ বাবে প্ৰথম অধিবেশন অনুষ্ঠিত কৰে ১৯৯৫ চনৰ ৯,১০, ১১ আৰু ১২ ফ্ৰেব্ৰুৱাৰী তাৰিখে জেংৰাই মুখ তিনি আলিত। সভাপতি আছিল মিগাং চণ্ডিৰাম পেগু আৰু সাধাৰণ সম্পাদক আছিল ডাঃ ৰনোজ পেগু । ১৯৯৭ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত ধেমাজিৰ ডিমৌত দ্বিতীয় অধিবেশন অনুষ্ঠিত হয়। উক্ত অধিবেশনৰ চণ্ডীৰাম পেগুক পুনৰ সভাপতি আৰু পৰমানন্দ চায়েঙীয়াক সাধাৰন সম্পাদক হিচাপে লৈ মিমাগ কীবাঙৰ নতুন কমিতি গঠন কৰা হয়। তেওঁলোকৰ দিনতে লক্ষিমপুৰৰ বগীনদীত ১৯৯৯ চনৰ ২৮, ২৯ আৰু ৩০ মাৰ্চত এক বিশেষ অভিবৰ্ত্তন অনুষ্ঠিত ইয়াৰ পিচতে তৃতীয় সাধাৰণ অধিবেশন ২০০০ চনৰ ২৩,২৪, ২৫ জুন তাৰিখে মিংমাং ট্ৰাইবেল হাইস্কুলত অনুস্থিত হয়। উক্ত অধিবেশনত ৰুক্ম মেদকক সভাপতি আৰু ডাঃ ৰনোজ পেগুক পুনৰ সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰে। উক্ত সমিতিৰ কাৰ্যকালৰ মাজতে ডাঃ পেগু বিশেষ অসুবিধা হোৱা হেতু গোগামুখৰ ৰমাকান্ত পাইটক সাধাৰন সম্পাদক হিচাপে দায়িত্ব ভাৰ চমজাই দিব লগা হয়। চতুৰ্থ অধিবেশনখনি ডেৰগাওঁ বাহঁগুৰিত ২০০২ চনৰ ২৭, ২৮, ২৯ ডিচেম্বৰৰ দিনা অনুস্থিত কৰা হয়। উক্ত অধিবেশনত ৰুক্ম মেদকক পুনৰ সভাপতি আৰু পুৰুষোত্তম দলেক সাধাৰণ সম্পাদক হিচাপে লৈ বৰ্ত্তমানৰ মিমাগ কীবাং গঠন কৰা হয় । মিচিং সমাজৰ জলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত মিমাগ কীবাঙৰ ভুমিকা অনস্বীকাৰ্য । সংগ্ৰাম আন্দোলনৰ দিশত মিমাগ কীবাঙে অগ্ৰনী ভুমিকা লৈ বাঃনী কৌবাং, টি. এম. পি. কে; টি. এম, এম. কে আদি মুৰব্বী সংগঠনৰ লগত একেলগে কাৰ্য্যপন্থা হাতত লোৱাৰ বাবে পুনৰ মিমাক কীবাঙৰ কাৰ্যাৱলীৰ বিষয়ে ইয়াত বিস্তৃত উল্লেখ নকৰিলো।

# মিচিং যুৱ মহোৎসৱৰ চমু ইতিহাস

পৰমানন্দ চায়েঙীয়া,সাধাৰণ সম্পাদক,
কেন্দ্ৰীয় সাংগঠনিক সমিতি, মিচিং যুৱ মহোৎসৱ

মানৱ সভ্যতাৰ বিকাশৰ ইতিহাসত আমি দেখিছো যে প্ৰত্যেক জাতিৰ জাতীয় বিকাশৰ বাবে এক জাতীয় জাগৰণৰ সৃষ্টি হয়। মিচিং সকলৰ জাতীয় বিকাশৰ এক অৱধাৰিত আকাংখ্যাৰ প্ৰতিফলন হিচাপেই আজি মিচিংসকলে স্বায়ত্ব শাসনৰ দাবীত আন্দোলনৰ পথত ভৰি দিছে। এই আন্দোলন নেতৃত্ব দিছে টি. এম. পি. কে.য়ে।। কিন্তু এই আন্দোলন কোনটো ধাৰাৰে আগুৱাব ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি বহু আলোচনাৰ পাছত ১৯৯৫ চনত টি. এম. পি. কে. য়ে সিদ্ধান্ত লয় এই আন্দোলনৰ ধাৰা প্ৰগতিশীল ধাৰাৰেই আগুৱাব। এই সিদ্ধান্তৰ স'তে সংগতি ৰাখি মিচিং সকলৰ নতুন যুৱ-প্ৰজন্মৰ এক প্ৰগতিশীল সাংস্কৃতিক ধাৰা উদ্বোধন কৰাৰ দিক নিৰ্দ্দেশনাৰে মিচিং যুৱ মহোৎসৱ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ঐতিহাসিক কুলাজানৰ পাতিৰি গাঁৱৰ বিশাল পথাৰত ১৯৯৬ চনৰ ১৫, ১৬, ১৭ আৰু ১৮ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত কৰা হয় প্ৰথম মিচিং যুৱ মহোৎসৱ। মিগাং চেঙাৰাম মৰাং আৰু মিগাং পৰমানন্দ চায়েঙীয়াক সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে লৈ কেন্দ্ৰীয় সাংগঠনিক সমিতি গঠন কৰা হয়। যুৱ মহোৎসৱ সম্পৰ্কে প্ৰকাশ কৰা গোহাৰিত উল্লেখ কৰা হয় যে-

“মানৱ ইতিহাসত বিভিন্ন জাতি গোষ্ঠীৰ দৰেই মিচিং সকলেও আদিম অৱস্থাৰ পৰাই বৰ্তমানলৈকে নিজস্ব বৈশিষ্টৰে এক স্বকীয় স্থিতি পৃথিৱীৰ বুকুত গঢ়ি তুলিছে।প্ৰকৃতিৰ প্ৰতিকূল পৰিবেশক হেলাৰঙে নেওঁচা দি এই জাতিটোৱে অসম, ভাৰতবৰ্ষ তথা পৃথিৱীৰ দৰবাৰত সগৌৰৱে জীয়াই ৰাখিছে নিজৰ ভাষা, সংস্কৃতি, ঐতিহ্য, জাতীয় পৰম্পৰা আদিক। আজি আমি চাৰিওফালে যদি দৃষ্টি নিক্ষেপ কৰো তেতিয়া হ'লে দেখো যে, আমাৰ আশে- পাশে গঢ়ি উঠিছে এক কদৰ্য্য পৰিবেশ। লেতেৰা ৰাজনীতিৰ বিষ বাস্প, অধঃপতিত যুৱ মানসিকতাত হিংসা, বিদ্বেষ, বিভাজনৰ চক্ৰান্ত আদিয়ে সামাজিক জীৱন বিঘ্নিত কৰিছে। নিজৰ অসৎ উদ্দেশ্য চাৰিতাৰ্থ কৰাৰ বাবে এক চিন্তাশূণ্য জীৱনধাৰাৰ প্ৰতি নতুন প্ৰজন্মক এটা শক্তিয়ে আকৃষ্ট কৰি থলুৱা সংস্কৃতিক বিকৃত কৰিব বিচাৰিছে। স্বকীয়তাৰ প্ৰতি উদাসীন কৰি তুলিছে। ৰ'ক ডেন্স, ব্ৰেক্ ডেন্স চিনি পোৱা আজিৰ মিচিং যুৱক-যুৱতীয়ে জাতীয় নৃত্য চৌল্লেয়া, লেৰেলি, লত্তা চঃমানবোৰ চিনি নাপায়। গীটাৰ বজায় গৌৰৱ কৰা আজিৰ যুৱকৰ আঙুলিৰ পৰশত এসময়ৰ মন বলিয়া কৰা এজুক তাপুং, তুঃ তাপুঙে সাৰ নাপায় ।

LOSS OF CULTURE IS LOSS OF IDENTITY সংস্কৃতি বাদ দি জাতীয় বিকাশৰ কথা চিন্তা কৰিব নোৱাৰি। সেয়ে এক জনসংস্কৃতিৰ প্ৰসংগই আহি পৰে। আমাৰ জীৱনধাৰাৰ স'তে খাপখোৱা এক সংস্কৃতি । কিন্তু অসৎ ৰাজনীতিবিদ আৰু ব্যৱসায়ী শক্তিটোৰ যুটীয়া উদ্যোগত সঠিকভাৱে নিজৰ প্ৰভূত্ব বিস্তাৰ কৰাৰ বাবে যি হাৰত সস্তীয়া গীত, নৃত্য, যৌনগন্ধী চিনেমা, সাহিত্য, মদ, জুৱা, ড্ৰাগছ আদিৰ পয়োভৰ ঘটিছে তাক মুকাবিলা নকৰাকৈ

সুস্থ সাংস্কৃতিক বিকাশ সম্ভৱনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰি আমি এটা সিদ্ধান্তত উপনীত হৈছো যে, উক্ত সকলো প্ৰত্যাহবান গ্ৰহণ কৰি, বিশ্বৰ দৰবাৰত আমাৰ এই ভাষা সংস্কৃতিক আমি বলিষ্ঠ ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। আমাৰ জাতীয় ঐক্য বিঘ্নিত নোহোৱাকৈ অটুট ৰখাৰ এক সু-মাধ্যম আমি গঢ়ি তুলিবই লাগিব। আৰু এইবোৰ দিশতঃ প্ৰধানকৈ উঠি অহা যুৱ চামেই আগভাগ লব লাগিব। যুগৰ গতিত খোজ মিলাব পৰাকৈ উন্নত মানদণ্ডৰ চিন্তা চৰ্চাৰ এক সুস্থ পৰিবেশ যুৱ সমাজেই গঢ় দিব লাগিব। তাৰবাবে প্ৰথমে মিচিং যুৱ সমাজ ঐক্যবদ্ধ হ'ব লাগিব আৰু তেওঁলোক ঐক্যবদ্ধ হ'বলৈ আমি সকলোৱে এনে এখন বহল মঞ্চ তৈয়াৰ কৰি দিব পাৰিব লাগিব যিখন মঞ্চত সমবেত হৈ ভাষা, কৃষ্টি-সংস্কৃতি, চিন্তা-চৰ্চাৰে মিচিং জাতিৰ এক আমূল পৰিৱৰ্ত্তনৰ দিশ আমি ৰচনা কৰিব পাৰো। কেৱল মিচিং নহয়, এনে এটা লক্ষ্যত উপনীত হ'বলৈ সকলো জনগোষ্ঠীৰ প্ৰগতিশীল সাংস্কৃতিক ধাৰাবোৰৰ স'তেও এক গণতান্ত্ৰিক সমন্বয় গঢ়ি তুলিব লাগিব। এনে উদ্দেশ্যকে আগত ৰাখি টাকাম মিচিং পৰিণ কেবাং, মিচিং মিমাগ কেবাং আৰু মিমে কেবাঙে মিচিং যুৱ সমাজক ঐক্যবদ্ধ কৰি জাতীয় জীৱনলৈ এক নতুন জোৱাৰ অনাৰ প্ৰয়াসেৰে সেই বছৰৰ পৰা মিচিং যুৱ মহোৎসৱ উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু প্ৰথম তথা ঐতিহাসিক যুৱ মহোৎসৱ কুলাজান অঞ্চলত ১৫, ১৬, ১৭ আৰু ১৮ ফেব্ৰুৱাৰী' ৯৬ ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে" ।

ৰাইজৰ বিপুল সহাঁৰিত কঁপি উঠিল চৰকাৰ। জিলা প্ৰশাসনৰ জৰিয়তে অনুমতি বাতিল কৰি নিষেধাজ্ঞা জাৰি কৰা হয়। মিচিং যুৱ মহোৎসৱৰ কেন্দ্ৰীয় সাংগঠনিক সমিতি দ্বাৰস্থ হ'ল উচ্চ ন্যায়ালয়ৰ। উচ্চ ন্যায়ালয়ৰ "The Mising Youth Festival Commencing from 15-02-96 shall be conducted by the authority without any hindrance or Disturbance" বুলি দিয়া ৰায় অনুসৰি ধেমাজি জিলা প্ৰশাসনে বাতিলৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল। এই ঘটনা মিচিং জাতিৰ ইতিহাসত ক' লা চিয়াঁহিৰে চিহ্নিত হৈ ৰ'ল ।

১৬, ১৭, ১৮ আৰু ১৯ ফেব্ৰুৱাৰী তাৰিখে জনাইত অনুষ্ঠিত হয় দ্বিতীয় যুৱ মহোৎসৱ। মিগাং চেঙাৰাম মৰাং, মিগাং একলব্য গাম আৰু মিগাং পৰমানন্দ চায়েঙীয়াক ক্ৰমে সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে লৈ কেন্দ্ৰীয় সাংগঠনিক সমিতি গঠন কৰা হয় । প্ৰকাশিত গোহাৰিত উল্লেখ কৰা হয় যে-

'যোৱাবাৰ বানপানীয়ে আমাক এক প্ৰকাৰ বিধস্ত কৰি থৈ গ'ল। বৰ্তমান ভূমিহীনতা আৰু খাদ্যৰ অভাৱে আমাক আৱৰি ধৰিছে। তাৰ মাজতে আমি যুৱ মহোৎসৱ পাতিব ওলাইছো । আমাৰ চৌদিশে আজি শোষণ, বঞ্চনা, নিপীড়নৰ প্ৰতিচ্ছবি। তাৰ লগতে চাৰিওফালে আমাক আৱৰি ধৰিছে ৰং-বিৰঙৰ সাম্ৰাজ্যবাদী অপ-সংস্কৃতিয়ে । নতুন সৃষ্টিৰ গতিশীলতাৰে উদ্‌বুদ্ধ হ'বলগীয়া অন্যায়, অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদত গৰজি উঠিবলগীয়া যুৱ শক্তি আৰু লক্ষহীন সন্ত্ৰাসবাদ, অপৰাধ প্ৰৱণতা, পাশ্চাত্য অপসংস্কৃতিৰ পংকিলতাত ডুব গৈছে। কৰ্ম-সংস্কৃতিৰ বিপৰীতে কেলেংকাৰী হ'লেও, কাৰোবাৰ জীৱন ধ্বংস কৰি অথবা দেশ আৰু জাতিক বিক্ৰী কৰি হ'লেও ৰাতিটোৰ ভিতৰতে

ধনী হোৱাৰ ভয়াবহ মানসিকতা গঢ় লৈ উঠিছে। এনে প্ৰৱনতাই আমাক বিদেশী সাম্ৰাজ্যবাদী শক্তি, দেশীয় শাসক- শোষকৰ ভৃত্যত পৰিণত কৰিব। আমি হেৰুৱাই পেলাম হাজাৰ হাজৰ বছৰ জোৰা আমাৰ গৌৰৱোজ্জল ইতিহাস, আমাৰ ঐতিহ্য, আপুৰুগীয়া আমাৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি।"

দ্বিতীয় মিচিং যুৱ মহোৎসৱত কাৰ্বি আংলঙৰ এটি সাংস্কৃতিক দলে অংশ গ্ৰহণ কৰে। পৰৱৰ্তি মহোৎসৱ সমূহ দুবছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

তৃতীয় যুৱ মহোৎসৱ অনুষ্ঠিত হয় ১৮, ১৯, ২০ আৰু ২১ এপ্ৰিল' ২০০০ তাৰিখে ঢকুৱাখনা মহকুমাৰ পাতিৰিচুকত। এই মহোৎসৱৰ শ্লোগান হিচাবে "সুষ্ঠ সমাজৰ বাবে জনসংস্কৃতি গঢ়ি তোলক। জনসংস্কৃতিৰ মাধ্যমেৰে ঐক্য, সমন্বয় আৰু সংগ্ৰাম গঢ়ি তোলক" গ্ৰহণ কৰা হয় ।

**১) মিচিং যুৱ মহোৎসৱৰ কেন্দ্ৰীয়**

**সাংগঠনিক সমিতিৰ বিশেষ কাৰ্য্যসূচী ঃ**

**সাংস্কৃতিক কৰ্মশালা ঃ** ২৫ আৰু ২৬ ডিচেম্বৰ, ১৯৯৯ তাৰিখে চিলাপথাৰ এভাৰগ্ৰীণ ক্লাবত অনুষ্ঠিত কৰা হয় এখন সাংস্কৃতিক কৰ্মশালা। কৰ্মশালত আনু নিঃতমৰ ওপৰত মিগাং সুৰুষ কুমাৰ পাতিৰি, মিচিং লোক নৃত্যৰ ওপৰত অই-আব্বুন গণেশ পেগু আৰু মিচিং বাদ্যযন্ত্ৰৰ ওপৰত প্ৰবীন দলেয়ে উপস্থিত থাকি আলোচনাৰ আঁত ধৰে। এই কৰ্মশালাৰ শেষত মিচিং অই নিঃতম, আনু নিঃতম আৰু মিচিং লোকনৃত্যৰ শিতানসমূহৰ প্ৰতিযোগিতাৰ বিচাৰৰ বাবে মানদণ্ড নিৰূপন কৰা হয়।

**২) আলোচনা সভা আৰু সাংস্কৃতিক কাৰ্য্যসূচীঃ**

১১ মাৰ্চ' ২০০১ তাৰিখে টাকাম মিচিং পৰিণ কেবাং, মিচিং যুৱ মহোৎসৱৰ কেন্দ্ৰীয় সাংগঠনিক সমিতি আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটীত “মিচিং নৃত্য আৰু বাদ্যযন্ত্ৰ” শীৰ্ষক আলোচনা সভা অনুষ্ঠিত হয়। প্ৰয়াত ভৱেন্দ্ৰনাথ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা আলোচনা সভাত মুখ্য বক্তা হিচাবে শ্ৰী টাবু টাইদ আৰু নিৰ্দ্দিষ্ট বক্তা হিচাবে মিগাং অতুল পেগু আৰু মিগাং প্ৰবীন দলেয়ে অংশ গ্ৰহণ কৰে।

সন্ধিয়া ৫-৩০ বজাত অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্য্যসূচীত শ্ৰীযুত মহেন্দ্ৰ বৰঠাকুৰ, শ্ৰীযুত লোকনাথ গোস্বামী, শ্ৰীযুত প্ৰাঞ্জল শইকীয়া আদিকে ধৰি অন্যান্য বহু বিশিষ্ট শিল্পীয়ে উপস্থিত থাকে আৰু বিশেষভাৱে গালি মেচাকীৰ কৃষ্টি দলৰ নৃত্য প্ৰদৰ্শনে সকলোকে মুগ্ধ কৰে। কাৰ্য্যসূচীত গুৱাহাটীত বাস কৰা প্ৰায় সকলো মিচিং লোকে সহযোগ কৰাৰ লগতে উপস্থিত থাকে।

**৪ৰ্থ মিচিং যুৱ মহোৎসৱৰ বিশেষত্ব ঃ** ৪ৰ্থ মিচিং যুৱ মহোৎসৱত আনবাৰৰ দৰে মিচিং আধুনিক গীত, লোকগীত, লোকনৃত্যৰ প্ৰতিযোগিতাৰ উপৰিও গ্ৰাম্যক্ৰীড়া, আত্ম সহায়ক গোটৰ মেলা, পৰম্পৰাগত খাদ্য মেলা, গ্ৰন্থমেলা, কবি সন্মিলন আদি শিতান সংযোজন কৰা হৈছে।।

# মিচিং বাঃনী কীবাঙৰ ২০০২ - ২০০৫ বৰ্ষৰ
## উল্লেখযোগ্য কাৰ্য্যসূচীসমুহ

**পৰমানন্দ চায়েঙীয়া**
**সাধাৰণ সম্পাদক**

১৯৯৫ চনত ২১ এপ্ৰিল তাৰিখে বিলমুখ অধিবেশনত প্ৰতিবাদী ৰাইজৰ ওপৰত সংঘটিত গুলিচালনাৰদৰে দূভাগ্যজনক ঘটনাৰ পাচত সুদীৰ্ঘ ৭ বছৰ ধৰি মিচিং বাঃনী কৗবাং, মিচিং ৰাইজৰ দ্বাৰা বৰ্জিত হৈ আছিল। অৱশেষত মিচিং জাতীয় সংঠগন সমুহৰ আন্তৰিক সহোযোগত মিগাং পদ্মনাথ টাইদৰ নেতৃত্বত গঠিত প্ৰস্তুতি সমিতিয়ে গোগামুখত আহ্বান কৰা বিশেষ অভিবৰ্ত্তনত মিগাং দেবে শ্বৰ পেগু আৰু মিগাং বন্ধুৰাম পাৰেগাম দেৱক ক্ৰমে সভাপতি আৰু উপ-সভাপতি হিচাবে নিৰ্বাচিত কৰা হ'য়। ইয়াৰ পিচত গোগামুখ মহাবিদ্যালয়ত আহ্বান কৰা ৰাজহুৱা সভাত মিগাং পৰমানন্দ চায়েঙীয়াক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয়। বাঃনী কীবাঙৰ মুখ্য কাৰ্য্যালয়ত অনুস্থিত কাৰ্য্যনিৰ্বাহক সভাত মিচিং বাঃনী কীবাঙৰ বাংকে আৰু দঃলুং শাখা সমুহ গঠন কৰা উপৰত অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত গ্ৰহন কৰা হয় । ইতি মধ্যে প্ৰাপ্ত তথ্য মতে শদিয়া, জোনাই, ধেমাজি, ঢকুৱাখনা, মাজুলি, লক্ষীমপুৰ, গহপুৰ, যোৰহাত, তিতাবৰ মহকুমাত বাংকে কীবাং আৰু দঃলুং কীবাং সমুহ গঠন কৰা হৈছে। এই প্ৰক্ৰিয়া সমুহ যোৱা কাৰ্য্যকালৰ প্ৰধান সাফল্য বুলি ক'ব পাৰে। টি. এম. পি. কে. আৰু এম. এম. কেৰ নেতৃত্বত চলিঅহা স্বায়ত্ব শাসনৰ দাবী সম্পৰ্কত দল মত নিৰ্বিশেষে এক ঐকমতত উপনিত হ'বৰ বাবে ১৪.১২.০৩ তাৰিখে লখিমপুৰ জিলা পুথিভড়াল পেক্ষগৃহত মিচিং ৰাজনৈতিক নেতাসকলৰ এখন আলোচনা সভা আহ্বান কৰা হয়। সভা দল মত নিৰ্বেশেষে সকলোৰে মিচিং স্বায়ত্ব শাসন ষষ্ঠ অনুসুচীত অন্তৰ্ভূক্ত কৰাৰ ক্ষেত্ৰত ঐকবদ্ধ হবলৈ ঐক্যমত প্ৰকাশ কৰে। প্ৰয়োজন সাপেক্ষে দলত্যাগ কৰাৰ সপক্ষেও মত প্ৰকাশ কৰা হয়।

৮.৮.২০০১ তাৰিখে গুৱাহাটীৰ অম্বৰীশ হোটেলত মিচিং স্বায়ত্ব শাসনক ষষ্ঠ অনুসুচীত অন্তৰ্ভূক্ত কৰাৰ প্ৰশ্নত এক সৰ্ব্বদলীয় সভা আহ্বান কৰা হয়। কংগ্ৰেছ (ই) আৰু অগপ বাদে বিজেপি, এন, চি, পি, চি. পি. আই. চি. পি. আই. (এম) পি, এল.পি., চি. পি, আই. (এম.এল) আৰু আৰ. জে. ডি. আদি দলে সভাত অংশগ্ৰহণ কৰে আৰু উক্ত দাবীক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত স্বীকৃতি দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ক্ষিপ্ৰ সমাধানৰ ব্যৱস্থা হাতত লবৰ বাবে আহ্বান জনাবলৈ প্ৰস্থাব গ্ৰহন কৰে।

**KAY-NOTE ADDRESS**

## ALL PARTY MEETING

**ON DEMAND OF INCLUSION OF**

# MISSING AUTONOMOUS COUNCIL

**INTO THE 6TH SCHEDULE OF THE**

**INDIAN CONSTITUTION**

**4 th January, 2004, Ambarish Hotel, Goneshguri, Ghy.**

Respected Representatives,

At the very outset of the Mising Bane Kebang extends new year greetings to all you and warmly welcomes to this meeting. Before the beginning of the discussion we would like to take this opportunity to give a keynote address on the agenda of this meeting.

### ABOUTH THE MISING BANE KEBANG

Mising Bane Kebang, meaning Mising Moha Sabha or Grand Assembly of the Misings is the oldest. Largest and parent organisation of Assam's second largest plains tribal group the Mising. Formed in 1924, it took active part in India's freedom struggle. After independence, MBK played the most important role of bringing social change and spread of education among a backward and primitive tribal like Misings.

Being non-political in character, all other Mising organisation are its constituent and it represents all sections of Mising people. Its character and nature can be compared to "Nage Hoho" of the Nagas.

During a special session of the MBK in last April, more than 2000 delegates from all sections including most of the political leaders of the Mising society assembled at Gogamukh in Dhemaji District and passed an unanimous resolution demanding creation of Mising Autonomous Council under the 6th schedule of the Indian constitution.

Since then, the MBK has been pursuing the demand of 6" schedule.

**THE MISING AND THEIR LAND**

The Mising are enlisted in the Constitutional order of schedule tribe, 1950 as Miri. But they themselves prefer to be called as Mising and today, they are widely known as Mising for all purposes. The Mising belong to the north Assam branch of the rman family Tibeto-Burman family of the great mongoloid race. As such ethnologically and linguistically, they are akin to the Adi, Galong, Nishi etc. tribe of Arunachal Pradesh.

The Misings have been living in the foothills bordering Arunachal Pradesh and adjoining plains of Assam of thousands of years. Their present population is about 10 lacs which is concentrated in the civil subdivisions of Jonai, Dhemaji, Dhakuakhana, Lakhimpur, Gohpur, Biswanath in Tezpur and Dhansiri Subdivision too.

The Misings are riparian people and they inhabit mostly the riverine tracts along the course of river Brahmaputra from Sadiya to Bhoroli on the north bank and up to Kaziranga National park on the south bank.

The Misings were a free people with their own traditional form of government till the advent of the British. Although, Assam went under british rule in 1826 the vast area of the Misings remained free till 1911. The Murkongselek area (present Jonai subdivision) was brought under British Assam in 1912 after the British expedition against the Abors (Adis) in 1911. The administration of the area was totally based on tribal customary rule. Though the Governor of Assam was empowered with authority over this frontier Tract. It was taken to be exercised not by virtue of the provision applicable to "Excluded Are" of the Government of India Act of 1935, but as the agent of the Govern - General under section 123 of the same act (Vide notification No 1-X dated 1 st April, 1937 of the Government of India in the External Affairs deptt. (Apendex B) on the cost born by the Central Govt. and the central Govt. was thus inclined to treat this tract as tribal Area within the meaning of section 311 of the Govt. of India Act. The administration of these tracts-Balipara Frontier tract in undivided Darrang district and Sadiya Frontier Administration of justice-Regulation Act, 1945 with effect from 15th November, 1945. The significant feature of this Act was that the political officers posted in these areas were empowered with full power for administration of justice and the local tribal people were asked to deal with their own disputes according to their tribal customary laws omonolu except the cases' of heinous crimes. The traditional customary constitution of the tribal people of this land was the rule of local Kebang (Council of Jurists) for decisions on disputes in tribal way of justice. The Rule of Kebang is still prevailing in the Mising villages; but Assam Government is reluctant to recognize this distinct social system.

While the present Constitution of India come into force with provision of the Fifth and Sixth schedule for the Tribals of India, some portions of the North East Frontier were left out. The Mising populated areas of Balipara and Sadiya including Murkongselek were curved out from North East Frontier Agency; and were amalgamated with the Provincial Administration of Assam instituting no proper investigation and examination of the conditions of this tribe and their areas. These areas were later on declared as "Transferred Areas" (Vide Notification No. TAD. 35/50/109 Dated 13th February, 1951) with Asstt. Political Officers at Chariduar, Balipara, Murkongselek and Sadiya for administration of Tribal areas (Vide Notification No. TAD 35/50/154 Dated 8th Nay, 1951) to effect administration under Assam Frontier Administration of Justice-Regulation Act, 1945, The policy for amalgamation and assimilation of tribal people of these lands with other advanced communities of Assam have been later on done on the basis of the Report of the meeting of North East Frontier (Assam) Tribal and Excluded area Sub-Committee held at Sadiya during 1947 headed by Late Gopinath Bordoloi as Chairman of the said committee. The important portion of the report of the Sub-Committee are cited below; MO

"The population of the plains tribal, which is being gradualy assimilated to the population of the plains, should for all political purposes be treated as Minority. Measures for protection of their lands are also in our view of necessary action. We have kept in mind the possibility of there being certain areas inhabited by tribals in the plains or the foot of the hills whom it may be necessary to provide in the same manner" With more reports,- the Sub-committee stated that **-"WE HAVE ALSO, PROVIDED THAT ADMINISTRATION OF THE AREAS TO BE BROUGHT UNDER THE PROVINCIAL ADMINISTRATION IN FUTURE SHOULD ALSO BE SIMILAR TO THAT OF THE EXISTING HILL DISTRICTS.** We also conclude from the evidences collected at Sadiya that the Saikhowaghat portion of the excluded area south of the Lohit river and possibly the whole of the Sadiya plains portions upto the inner line could be included in regular administration; but feel that the question nee Government of Assam separated these portions from North East Frontier Agency. This portion then became an important part of the contiguous Mising populated region of Assam on the North bank of the river Brahmaputra from Sadiya to Bhoroli river on the west. Thus the Mising inhabited tribal areas of upper Assam was deprived from inclusion into both the 5th and the 6th Schedule of the Indian Constitution. The Three Members Expert Committee on the Plains Tribes of Assam (ECOPTA) headed by Dr. Bhupinder Singh constituted during the Bodoland movement described this fact of exclusion of

the plains. Tribal areas from 5th and 6th Schedule as "Quirk of History".

This quirk of history deprived the plains tribal areas from much needed constitutional protection and exposed the land and the people to random exploitation, deprivation and alienation. Instead of ruling the tribal people on the basic. Foundation of their traditions, customs and laws, the Govt. of Assam sternly exercised the rule of administration of costly codified court system. As a result, the innocent tribal people became the victims of law in the hands of administration, where they are unscrupulously crushed by anti-tribal elements with the help of administration directly or indirectly. The tribal people could not maintain their balance of existence in their tribal way in the hands of the Assam Government.

As a result, the plains tribals found r-ao other way out but to raise demands for separate state, separate autonomous councils etc. The Mising people too organized themselves to fight for their right of self-determination within India. bhis

## THE MISING AUTONOMY MOVEMENT

Although the Mising people raised their demand for autonomy first in 1947, the popular mass movement was, launched only in the eighties. Considering the growing popularity of the Autonomy movement, the Govt. of Assam led by late Hiteswar Saikia announced grant of Autonomy to the Misings and invited Takam' Mising Perin Kebang (TMPK)" and Mising Mimag Kcbang (MMK) for negotiation in 1994. The Govt. gave a written proposal to create an Autonomous Council named as Mising Autonomous Council (MAC) under an Act of the State Govt. The proposal said that:

1. There shall not be any definite boundary and compact area for the MAC.M
2. Revenue villages having 50% or more Mising population would be identified and included unto the MAC.
3. The MAC will not have any legislative power; it will have only executive powers on 34 areas of Assam.

Recently on 18th December 2003 the govt. of Assam has constituted a ministerial sub-committee to look into and submit its report within a period of six months, under chairmanship of Dr. Bhumidhar Barman, Minister, Health, Assam.

The Mising Bane Kebang, MMIB and the TMPK has argued upon the Central Govt. to intervene the issue by holding a tripartite discussion involving the State Govt., the Central Govt. and the Mising Organisation.

The declaration of TMPK and MMK to resist any political activities of the political parties in Mising areas until the political parties declare their clear stand in favour of inclusion of Mising antomy in 6th schedule, is raising a serious concern for all casious sections.

In the view of the said situation the MBK has convend a meeting of all Mising political leaders on 14th December 2003 in district library at North Lakhimpur to mobilize a cocensous opinion on the issue. Irrespective of all political differences all the participants expressed their supports to the demand of 6th schedule and declared to resign from their respective parties, if the parties does not declare clear stand in support of early solution. Unanimously the meeting has adviced the MBK to call an all-party meeting in Guwahati.

Therefore, the MBK has called this all party meeting inviting all the political parties today here on 4th Jan'04 to draw a consensous on democratic and amicable solution on the demand of MBK, TMPK and MMK for inclusion of Mising autonomy in 6th schedule of the constitution of India.

We hereby appeal to all the political parties to come forward for a democratic and amicable solution of the demand of the Mising at ealiest possibilit

Debeswar Pegu
President

Paramananda Chayengia
General Secretary
Mising Bane Kebang

Bandhuram Paogam
Vice President

২৭ মাৰ্চ ২০০৩ তাৰিখে মিচিং স্বায়ত্ব শাসিত্ব পৰিষদৰ ওপৰত এক গণ অবিভৰ্তন জিলা পুথি ভৰাল গুৱাটীত আহবান কৰা হয়। গণ অভিবৰ্ত্তনত মিচিং বাঃনী কীবাঙৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা উপস্থাপন কৰা খচৰা দলিল-

# মিচিং স্বায়ত্ত শাসনৰ ওপৰত গণ-অভিবৰ্তন

## ২৭ মাৰ্চ ২০০৩

## জিলা পুথি-ভড়াল, গুৱাহাটী

শ্ৰদ্ধেয় জ্ঞাতিবৰ্গ,

জয় জয়তে আজিৰ অভিবৰ্তনত অংশ গ্ৰহণ কৰা মিচিং বানে কীবাঙৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা আন্তৰিক আদৰণি জনালো। অভিবৰ্তনৰ বিষয় হিচাবে আলোচনাৰ বাবে এই দলিলখন আপোনালোকৰ আগত ৰাখিব বিচাৰিছো।

**মিচিং স্বায়ত্ত শাসনৰ আন্দোলনৰ ইতিহাস ঃ**

১৯৮২ চনৰ ১৪ আৰু ১৫ চেপ্তেম্বৰ তাৰিখে মাতমৰাৰ অল আছাম মিৰি হাইস্কুলত আহ্বান কৰা মিচিং ছাত্ৰ সন্থাৰ এখন ঐতিহাসিক অভিবৰ্তনত মিচিং সকলক ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ত শাসন প্ৰদান কৰাৰ দাবীত পুণঃ প্ৰথমবাৰৰ বাবে, গণতান্ত্ৰিক সংগ্ৰাম আৰম্ভ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত দাবীৰ স্মাৰক পত্ৰ ১৯৮৪ চনৰ ৫ মে'ত তদানিন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ হাতত প্ৰদান কৰা হয়।

স্বায়ত্ত শাসনৰ দাবীত ১৯৮৯ দিল্লীৰ বট্ ক্লাৱত টি. এম. পি. কেয়ে কেন্দ্ৰীয়ভাৱে অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী পালন কৰে আৰু ১০ মে'ত কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ হাতত, পৰবৰ্ত্তিভাৱে প্ৰধান মন্ত্ৰী, ৰাষ্ট্ৰপতিৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰা হ'ল। তাৰ পাছত টি. এম. পি. কেয়ে স্বায়ত্ত শাসনৰ দাবীত সমাবেশ, চাইকেল প্ৰচাৰ অভিযান, বন্ধ, ধৰ্ণা, আদি কাৰ্য্যসূচীৰ জৰিয়তে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত লয় ।

১৯৯৩ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে এম. এম. কে. আৰু টি. এম. পি. কেৰ এটা প্ৰতিনিধি দলে পুনৰ কেন্দ্ৰীয় চৰকাৰক সাক্ষাৎ কৰাৰ বাবে দিল্লীলৈ যাত্ৰা কৰে আৰু ১৫ চেপ্তেম্বৰ তাৰিখে ৰাজ্যিক গৃহমন্ত্ৰী ৰাজেশ পাইলটদেৱৰ স'তে মিচিং স্বায়ত্ত শাসন সম্পৰ্কে ৪৫ মিনিট সময় আলোচনাত মিলিত হয়। তেখেতৰ অসমৰ মুখ্যমন্ত্ৰীক আলোচনা অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

১৯৯৩ চনৰ ১১ নবেম্বৰ তাৰিখে পুনৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

অৱশেষত, ১৯৯৩ চনৰ ১২ ডিচেম্বৰ তাৰিখে আলোচনাৰ বাবে এম. এম. কে. আৰু টি. এম. পি. কেক আনুস্থানিকভাৱে অসম চৰকাৰে আমন্ত্ৰণ জনায় আৰু মিচিং স্বায়ত্ত শাসন সম্পৰ্কে এখন খচৰা প্ৰস্তাৱ আগবঢ়ায়। অসম চৰকাৰে আগবঢ়োৱা কোনো চাৰিসীমা নথকা স্বায়ত্ত শাসনৰ প্ৰস্তাৱত উল্লেখ কৰা মূল দিশ সমূহ আছিল :

১। কেৱল ৫০% মিচিং জনবসতি গাঁও সমূহলৈহে চাৰিসীমা বিহীন স্বায়ত্ত শাসন পৰিষদ গঠন হ'ব।

২। পৰিষদখন গাঁও পঞ্চায়ত দৰে তিনিখলপীয়া (ক) গাঁও পৰিষদ (খ) আঞ্চলিক পৰিষদ আৰু (গ) শীৰ্ষ পৰিষদৰ আধাৰত গঠন হ'ব।

৩। পঞ্চায়ত ব্যৱস্থাত উল্লেখ থকা ক্ষমতাসমূহ মিচিং স্বায়ত্ত শাসিত পৰিষদক প্ৰদান কৰা হ'ব ।

উক্ত প্ৰস্তাৱৰ ওপৰত বিভিন্ন স্তৰত নাগৰিক সভা অনুষ্ঠিত কৰাৰ পাছত এম. এম. কে. আৰু টি. এম. পি. কেয়ে সংশোধনী প্ৰস্তাৱ আগবঢ়ায় যদিও এই ক্ষেত্ৰত অসম চৰকাৰৰ আন্তৰিকতাৰ অভাৱ পৰিলক্ষিত হয়। ন (৯) বাৰ আলোচনা অনুষ্ঠিত হোৱাৰ পাছতো অসমৰ চৰকাৰ স্থিতিৰ কোনো পৰিবৰ্তন নোহোৱাত ১২ আগষ্ট' ৯৪ ত অনুষ্ঠিত

হোৱা আলোচনাত সভাকক্ষ ত্যাগ কৰে ।

১৯৯৪ চনৰ ২১ জুন তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী “এছ. বি. চবন অসমলৈ আহোঁতে তেওঁক সাক্ষাৎ কৰি এম এম. কে. আৰু টি. এম. পি. কেয়ে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰে ।

১৯৯৪ চনৰ ১৫ ছেপ্তেম্বৰ তাৰিখে অসম চৰকাৰে পুনৰ আলোচনা আহ্বান কৰি সংশোধিত প্ৰস্তাৱ আগবঢ়ায় যদিও তাত কোনো মৌলিক পাৰ্থক্য দেখা নগ'ল ।

টি. এম. পি. কে আৰু এম. এম. কেয়ে সংগ্ৰামৰ পথ বাচি লোৱাত চৰকাৰৰ সৈতে সংঘাট আৰম্ভ হয়। এই সংঘাট নাইকীয়া কৰাৰ বাবে আন্তৰিক প্ৰচেষ্টা হাতত লোৱাৰ বিপৰীতে আন্দোলনকাৰী সকলক বিভাজিত কৰাৰ বাবে এম. এ. ডি. চি. নামৰ সংগঠন এটাক প্ৰশ্ৰয় দিয়া ভূমিকা গ্ৰহণ কৰাত সংঘাটে সংঘৰ্ষলৈ ৰূপান্তৰিত হয়।

স মগ্ৰ মিচিং জন-গণৰ মতৰ বিৰুদ্ধে গৈ অসম চৰকাৰে ১৯৯৫ চনৰ ১৪ জুন তাৰিখে সম্পাদিত কৰিলে এক ভুৱা স্বায়ত্ত শাসনৰ চুক্তি । তাৰ পাছৰ ঘটনাৰ আপোনালোক সকলোৱে প্ৰতক্ষদৰ্শী।

১৯৯৮ চনৰ ২৮ এপ্ৰিল তাৰিখে অসম চৰকাৰে টি. এম. পি. কে আৰু এম. এম. কেক আলোচনালৈ আমন্ত্ৰণ জনাই আৰু এক বুজাবুজিৰ (MOU) স্মাৰক পত্ৰত স্বাক্ষৰিত কৰে। এই স্মাৰক পত্ৰ অনুসৰি তদানিন্তন মন্ত্ৰী শ্ৰী থানেশ্বৰ বড়োৰ নেতৃত্বত এখন ৰিভিউ সমিতি গঠন কৰা হয় এক নিৰ্দিষ্ট সীমাযুক্ত স্বায়ত্ত শাসনৰ দাবী চৰকাৰে মানিলৈ, প্ৰাৰম্ভিক পদক্ষেপ হিচাবে মিচিং এলেকাসমূহ চিনাক্ত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

জৰিপৰ শেষত ৰিভিও সমিতি, টি. এম. পি. কে আৰু এম. এম. কেয়ে ১৭২৬ খন গাঁৱৰ এখন তালিকা আৰু মানচিত্ৰ প্ৰস্তুত কৰি অনুমোদনৰ বাবে অসম চৰকাৰৰ হাতত দাখিল কৰে ।

২০০১ চনৰ ২৩ ফেব্ৰুৱাৰীত অসম বিধান সভাই এম. এ. চিৰ সংশোধনী বিধেয়ক এখন গৃহীত কৰে আৰু ২১ মাৰ্চত ৰাজ্যপালে স্বাক্ষৰ কৰে। এই সংশোধনৰ পাছত এম. এ. চিৰ সীমা নিৰ্দ্ধাৰণ কাৰ্য্যকৰী কৰাত কোনো বাধা নাছিল যদিও এক ৰহস্যজনক কাৰণত অসম চৰকাৰে কোনো ইতিবাচক পদক্ষেপ নোলোৱাত বিষয়টো অমীমাংসিত হৈ থাকিল ।

বৰ্তমান চৰকাৰে ২০০২ চনত ২১ জুনত, মিচিং বানে কেবাং টি. এম. এম. কে. টি. এম. পি. কে. এম. এম. কে. মিচিং আগম কেবাঙক আলোচনালৈ আমন্ত্ৰণ জনাই সীমা নিৰ্দ্ধাৰণ বিষয়টোৰ ওপৰত আলোচনা অব্যাহত ৰাখিছে। আমি ইয়াক আদৰণি জনাইছো ।

**স্বায়ত্ত শাসন আৰু মিচিং বানে কেবাংঃ**

মিচিং বানে কেবাং মিচিং সকলৰ আটাইতকৈ জ্যেষ্ঠ সংগঠন যদিও কেবাঙৰ ভূমিকা দুৰ্ভাগ্যজনক আছিল। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱাৰ বিপৰীতে আপোচকামী আৰু সুবিধাবাদী ভূমিকাহে লোৱা দেখা গ'ল। ১৯৯৫ চনত সম্পাদিত চুক্তিৰ সময়ত মিচিং ৰাইজৰ মতক সন্মান জনোৱাটো বাদেই আনকি কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকত আলোচনা নকৰাকৈয়ে চুক্তিখনত স্বাক্ষৰ কৰে। অতি পৰিতাপৰ কথা যে উক্ত চুক্তিখনত এম. এ. ডি. চি. নামৰ গণ বিচ্ছিন্ন সংগঠনটোৰ তথাকথিত নেতাসকলৰ নামহে ছপা কৰা আছিল আৰু মিচিং বানে কেবাঙক আমন্ত্ৰণ জনোৱা নাছিল কোনোমতে চুক এটাত স্বাক্ষৰ কৰি মিচিং বানে কেবাঙৰ ঐতিহ্যক ভূলুণ্ঠিত কৰি পেলালে । তাৰ পাছত অধ্যায় ৰাইজে প্ৰত্যক্ষ কৰিছে।

কেইজনমান নেতাৰ ভুলৰ বাবে এটা জাতীয় সংগঠনৰ গতি স্থবিৰ হৈ পৰিলেও ঐতিহাসিক তাগিদাক জনগণে পুনৰ গতিশীল কৰি তোলে। পৰিবৰ্তনৰ নিজস্ব গতি আছে। তাক বাধা দি ৰাখিব পৰা নাযায়। সেয়েহে ৯৫ চনৰ পৰা

সুদীৰ্ঘ আঠ বছৰ জঠৰ হৈ পৰা মিচিং বানে কেবাঙক জনগণে যোৱা বছৰ গোগামুখ অভিবৰ্ত্তনৰ জৰিয়তে পুনৰ সক্ৰিয় কৰি তোলে । মিচিং বানে কেবাং জেষ্ঠ্য সংগঠন, অভিভাৱক (parent) সংগঠন, শীৰ্ষ (appex) সংগঠন বুলি সন্তুষ্টি লভি থাকিলে নহ'ব। ই কাৰ্য্যক্ষেত্ৰতো অভিভাৱকৰ দায়িত্ব পালন কৰিব লাগিব। উদ্যোগ ল'ব লাগিব । পথ প্ৰদৰ্শক ৰূপে থিয় দিব পাৰিব লাগিব । জাতিটোক গঢ় দিয়াৰ বাবে বাস্তৱধৰ্মী এক সুপৰিকল্পিত কাৰ্য্যসূচীক প্ৰণালীবদ্ধভাৱে কাৰ্য্যকৰী কৰাৰ বাবে নিজকে আত্মনিয়োগ কৰিব লাগিব। আমি ভাবো, আত্মসমালোচনা আৰু আত্মানুসন্ধানৰ জৰিয়তে আমি সকলোকে মিচিং বানে কেবাঙৰ ঐতিহ্যক পুনৰ প্ৰতিস্থা পৰিব লাগিব। আমাৰ মাজত বিভিন্ন মতাদৰ্শগত পাৰ্থক্য থাকিলেও নিশ্চিতভাৱে আমাৰ মাজত এটা ঐক্যত আছে- সেইটো হ'ল মিচিং জাতিৰ সৰ্বাংগীন বিকাশ, আমাৰ মাজত যিমানেই মত-পাৰ্থক্য নেথাকক কিয় জাতীয় বিকাশৰ বাবে মিচিং বানে কেবাঙক আমাৰ সকলোৰে এক উমৈহতীয়া মঞ্চ হিচাবে জীয়াই ৰাখিবই লাগিব ।

এনে এক আন্তৰিক উদ্দেশ্য আগত ৰাখি আজি মিচিং জাতিৰ সন্মুখত দেখা দিয়া এক ঐতিহাসিক সন্ধিক্ষণত সকলো মিচিং জনগণক ঐক্যবদ্ধ কৰাৰ এক সৰল প্ৰয়াসেৰে মিচিং স্বায়ত্ত শাসনৰ ওপৰত আজিৰ এই অভিবৰ্ত্তন আহ্বান কৰা হৈছে। এই অভিবৰ্ত্তনলৈ সকলো মিচিং জাতীয় সংগঠনৰ নেতৃবৃন্দ, বিভিন্ন ৰাজনৈতিক দলৰ মিচিং নেতাসকল, বিশিষ্ট মিচিং বুদ্ধিজীৱি আৰু সমাজকৰ্মী সকলক আমন্ত্ৰণ জনোৱা হৈছে। এই গণ অভিবৰ্ত্তনত আলোচনাৰ বাবে নিৰ্দিষ্ট ভাৱে আমি নিম্নোক্ত প্ৰস্তাৱসমূহ উত্থাপন কৰিলো ।

১ । **এম. এ. চি.ৰ সীমা নিৰ্দ্ধাৰণ** ঃ এম. এ. চি. ৰ সীমা নিৰ্দ্ধাৰণ সম্পৰ্কে সংশোধিত আইনৰ আধাৰতেই আলোচনা চলি আছে যদিও মূল এলেকা (core area) ত অন্তৰ্ভুক্ত কৰিবলগীয়া এলেকা সম্পৰ্কত চৰকাৰ আৰু আমি ঐক্যমতত উপনিত হ'ব পৰা নাই । বিশেষকৈ, মূল এলেকাত কেতবোৰ মিচিং এলেকাক অন্তৰ্ভুক্ত কৰাৰ বাবে নৈ সমূহক বাধা হিচাবে চিনাক্ত কৰিছে। এনে কৰিলে মাজুলী, শদিয়াৰ অমৰপুৰ, জনাইৰ কবু চাপৰি, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মিচিং অধ্যুষিত অঞ্চলসমূহ মূল এলেকাৰ বহীভূত হ'ব।
আজিৰ অভিবৰ্ত্তনে নৈ সমূহক বাধা হিচাবে গণ্য কৰা কাৰ্য্যক প্ৰতিবাদ জনাই আৰু উপৰোক্ত সকলো এলেকাৰ মূল এলেকাত অন্তৰ্ভুক্ত কৰি অতিশীঘ্ৰে সীমা চূড়ান্ত কৰাৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক ।

২। **এম. এ. চি.ৰ নিৰ্বাচন** : সুদীৰ্ঘ ৯ বছৰ কাল এম. এ. চি. তদৰ্থ ভিত্তিত ৰাখি নিৰ্বাচিত পৰিষদ এখন গঠন কৰাৰ গণতান্ত্ৰিক অধিকাৰৰ পৰা মিচিং জনগণক বঞ্চিত কৰি ৰাখিছে। জনগণৰ দ্বাৰা নিৰ্বাচিত নোহোৱাৰ ফলত পৰিষদৰ সদস্য/সদস্যা সকলৰ জনগণৰ প্ৰতি থাকিবলগীয়া নিম্নতম দায়বদ্ধতাৰ ক্ষেত্ৰত গুৰুত্বৰ নাটনি দেখা গৈছে। আজি সৰ্বস্তৰত অলিয়ে-গলিয়ে পৰিষদখনৰ দুৰ্নীতিৰ কথাই আলোচিত হৈ থাকে। সহজলভ্য ধনৰ পিচে পিচে দৌৰি এচাম নতুন প্ৰজন্মৰ ভয়ানক নৈতিক স্খলন ঘটিছে। আনকি সমগ্ৰ জাতিটোৰ নৈতিক অস্তিত্বৰ ওপৰতেই আজি বহুতে সন্দিহান হৈ পৰিছে। এম. এ. চি. ভিতৰচ'ৰাত চৰম অৰাজকতা, অনীতি আৰু বিশৃংখলতাক আন নেলাগে খুদ এম. এ. চি. ৰ কেতবোৰ সিদ্ধান্তই প্ৰমাণিত কৰিছে। পৰিষদৰ এনে নেতিবাচক ভূমিকাৰ ফলত আমাৰ আগত প্ৰকাশ কৰা মতে বহু জেষ্ঠ্য মিচিং নাগৰিকে জাতিৰ ভৱিষ্যতক লৈ হতাশ হৈ পৰিছে।

সেয়েহে, এম. এ. চি. এক গণমুখী কৃতৃত্বশীল অনুষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে নিৰ্বাচনেই একমাত্ৰ প্ৰথম চৰ্ত্ত বুলি আজিৰ অভিবৰ্ত্তনে প্ৰকাশ কৰি সীমা নিৰ্দ্ধাৰণ প্ৰক্ৰিয়া শীঘ্ৰে চূড়ান্ত কৰি এম. এ. চি. ৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক ।

৩। এম. এ. চি. ক ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰক : ইতিমধ্যে বি. টি. চি.ক ষষ্ঠ ভাৰতীয় সংবিধান সংশোধন ঘটোৱাৰ বাবে ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু বি. টি. চি.ৰ মাজত এখন চুক্তি সম্পাদিত হৈছে। ভাৰতীয় সংবিধানৰ দৃষ্টিত বড়ো, মিচিং, ৰাভা আৰু তিৱা সকলৰ মৰ্য্যদা সমান। এনে ক্ষেত্ৰত কেৱল বি. টি. চি. ৰ ক্ষেত্ৰত সম্পাদিত চুক্তি মিচিং সকলৰ প্ৰতি এক চূড়ান্ত বৈষম্যমূলক আচৰণ বুলি আজিৰ অভিবৰ্ত্তনে অভিমত প্ৰকাশ কৰিছে।

যিহেতু বড়ো, মিচিং, ৰাভা তিৱাসকলৰ সাংবিধানিক মৰ্য্যদা সমপৰ্য্যায়ৰ। সেয়েহে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱিত সংশোধনৰ জৰিয়তে এম. এ. চি. আৰু আৰ. এ. চি. আৰু টি. এ. চি. সমূহকো ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰাৰ আহ্বান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাই আজিৰ অভিবৰ্ত্তনত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক ।

শ্ৰদ্ধেয় জ্ঞাতিবৰ্গ, উপৰোক্ত প্ৰস্তাৱসমূহ আলোচনাৰ বাবে আপোনালোকৰ আগত ৰাখিলো। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মতামত আগবঢ়াবৰ বাবে সকলো পক্ষক আহ্বান জনালো। ধন্যবাদ।

ইতি

২৭ মাৰ্চ ০৩ জিলা — কেন্দ্ৰীয় সমিতি

পুথি ভড়াল, গুৱাহাটী — মিচিং বানে কেবাং

২৮ মাৰ্চ ০৩ তাৰিখে এম.এ.চি ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্তি, এম. এ. চিৰ সীমা নিৰ্দ্ধাৰণ আৰু নিৰ্বাচন কৰাৰ দাবীত দিশপুৰত পুৱা ৯ বজাৰ পৰা ৩ বজালৈ সংগ্ৰামী মিচিং সংগঠনৰ সতে যৌথ ভাবে আহ্বান কৰা ধৰ্মঘটৰ কাৰ্য্যসূচী হাতত লোৱা হয়। গণ আভিবৰ্ত্তনত টি. এম. পি. কে. তৰফৰ পৰা পাঠ কৰা দলিল-

## গণ অভিবৰ্ত্তন
## বিষয় : মিচিং স্বায়ত্ত শাসিত পৰিষদ
### জিলা পুথিভড়াল, গুৱাহাটী
### ২৭ মাৰ্চ, ২০০৩

মাননীয় আজিৰ গণ অভিবৰ্ত্তনৰ সভাপতি মহোদয়, অভিবৰ্ত্তনৰ আহ্বায়ক মিচিং বাঃনে কীবাঙৰ সন্মানীয় বিষয়ববীয়া সকল, মিচিং মিমাগ কৌবাং, টাকাম মিচিং পৰিণ কৌবাং, টাকাম মিচিং মিমে কীবাঙৰ মাননীয় নেতৃবৃন্দ, মিচিং আগম কৌবাং আৰু মিচিং দূৰত্ব কীবাঙৰ মাননীয় বিষয়ববীয়া সকল তথা আমন্ত্ৰিত বিশিষ্ট মিচিং ব্যক্তিসকল আৰু সন্মানীয় অন্যান্য প্ৰতিনিধিবৃন্দ। আজিৰ অভিবৰ্ত্তনত আপোনালোক সকলোকে আমি মিচিং মিমাগ কীবাং আৰু টাকাম মিচিং পৰিণ কীবাঙৰ তৰফৰ পৰা আদৰণি জনাই স্বায়ত্ত শাসনৰ দাবীত আন্দোলন চলাই অহা সংগঠন হিচাবে আমাৰ ব্যক্তব্য দাঙি ধৰিবলৈ আগবাঢ়িছো।

**মিচিং স্বায়ত্ত শাসিত পৰিষদ দাবী কৰাৰ পটভূমি :**

জাত-পাত, ধৰ্ম, বৰ্ণৰ বৈষম্যই পঙ্গু কৰি ৰখা ভাৰতীয় সমাজখনৰ আন এক প্ৰধান বৈষম্য আৰু অৱহেলাৰ নিদৰ্শন হ'ল- আমাৰ জনজাতীয় সমাজ । কেৱল শিক্ষা আৰু অৰ্থনৈতিক দিশতেই নহয়; সভ্যতা আৰু সাংস্কৃতিক দিশতো জনজাতি সকল পিছপৰা আৰু সমাজৰ মূল সুঁতিৰ পৰা আঁতৰত। সেয়েহে স্বাধীনোত্তৰ ভাৰতবৰ্ষত জনজাতি সকলৰ বাবে পৃথক আঁচনি আৰু পৃথক প্ৰশাসনৰ প্ৰয়োজনীয়তা সকলো গুণী জ্ঞানী তথা গণতান্ত্ৰিকলোকে উপলব্ধি কৰিছিল যাৰ বাবে শিক্ষা, চাকৰি আৰু ৰাজনৈতিক ক্ষেত্ৰত নিৰ্বাচনৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থাৰ ওপৰি জনজাতি সকলৰ সামগ্ৰীক উন্নয়ন আৰু বিভিন্ন দিশত অধিকাৰ সাব্যস্তকৰণৰ বাবে কিছুমান ব্যৱস্থা সংবিধানত সন্নিবিষ্ট কৰা হ'ল। এই ব্যৱস্থাৱলীৰ ভিতৰত সংবিধানত পঞ্চম আৰু ষষ্ঠ অনুসূচী অন্তৰ্ভূক্ত কৰাই প্ৰধান আছিল। ষষ্ঠ অনুসূচীৰ অধীনত অসমৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা, বৰ্তমানৰ মেঘালয়, মিজোৰাম আদিক সামৰি লোৱা হ'ল আৰু তাত স্বায়ত্ব শাসিত জিলা পৰিষদ গঠনৰ জৰিয়তে উন্নয়ন আৰু প্ৰশাসনৰ দায়িত্ব স্থানীয় জনসাধাৰণৰ হাতত অৰ্পণ কৰা হ'ল। ভাৰতৰ অন্যান্য জনজাতীয় অঞ্চল সমূহক পঞ্চম অনুসূচীত সামৰি লৈ জনজাতীয় অঞ্চল হিচাবে সাংবিধানিক স্বীকৃতি প্ৰদান কৰা হ'ল। পঞ্চম অনুসূচী প্ৰবৰ্ত্তন কৰা ৰাজ্য সমূহত জনজাতীয় বিষয়ত ৰাজ্য চৰকাৰক পৰামৰ্শ দিয়াৰ বাবে জনজাতীয় বিধায়ক সকলক লৈ ৰাজ্যিক পৰ্যায়ত একোখন "জনজাতি উপদেষ্টা পৰিষদ" বা Tribes Advisory Council গঠন কৰাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু অতি ৰহস্যজনকভাৱে অসমৰ ভৈয়াম জনজাতীয় অঞ্চলসমূহক সংবিধানৰ ষষ্ঠ অনুসূচীতটো অন্তৰ্ভূক্ত কৰা নহ'লেই পঞ্চম অনুসূচীতো অন্তৰ্ভূক্ত কৰা নহ'ল। এনেদৰেই স্বাধীন ভাৰতবৰ্ষত অসমৰ ভৈয়াম জনজাতি সকলক প্ৰাপ্য সাংবিধানিক অধিকাৰৰ পৰা বৈষম্যমূলক ভাবে বঞ্চিত কৰা হ'ল ।

আন্তঃৰাষ্ট্ৰীয় তথা আভ্যন্তৰীণ জন প্ৰব্ৰজনৰ ফলত অসমৰ ভৈয়াম জনজাতি সকল ক্ৰমান্বয়ে নিজা গৃহভূমিতে সংখ্যালঘু হৈ যাব ধৰিলে। তেতিয়াৰ প্ৰবৰ্ত্তিত "লাইন প্ৰথা" ই জনজাতি সকলৰ মাটি-বাৰীক কোনো ধৰণে ৰক্ষণা বেক্ষন দিব নোৱাৰাত সৃষ্টি কৰা হ'ল- ট্ৰাইবেল বেল্ট আৰু ব্লক। কিন্তু চুড়ান্ত দুৰ্নীতিয়ে গ্ৰাস কৰা অসম ভূমিত ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাকো কেৱল চৰকাৰী ফাইলতে সীমাবদ্ধ হৈ থাকিল ।

অন্যহাতেদি, জনজাতি উন্নয়নৰ নামত জনজাতীয় উপ-আঁচনি প্ৰস্তুত কৰি উন্নয়নৰ ধন খৰচ কৰাৰ দায়িত্ব বিভিন্ন বিভাগক ভগাই দিয়াত আৰু কোনো তদাৰকী ব্যৱস্থা নথকাত ধন আত্মসাৎ কৰাৰ নতুন পথহে প্ৰশস্ত হ'ল। মহকুমাই মহকুমাই আই. টি. দি. পি. বৰ্ড গঠন কৰা হ'ল; কিন্তু সিবিলাক শাসক দলৰ ভোট সংগ্ৰহকাৰী এজেন্সিৰ বাহিৰে একোৱেই নহ'ল।

এনে পৰিস্থিতিতেই পৰিবৰ্ত্তনকামী জনজাতি জনগণে স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দাবী উত্থাপন কৰে। মিচিং জনগণৰ সংগ্ৰামী সংগঠন টাকাম মিচিং পৰিণ কৌবাং, মিচিং মিমাগ কীবাং আৰু টাকাম মিচিং মিমে কীবাঙেও স্বায়ত্ত শাসনৰ দাবীত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলে ।

**স্বায়ত্ত শাসন আৰু চৰকাৰৰ লগত আলোচনা :**

আন্দোলনৰ মাজতে " হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ-ই চৰকাৰখনে ১৯৯৩ চনত টি. এম. পি. কে. - এম. এম. কেক আলোচনালৈ আমন্ত্ৰণ জনায় আৰু ৰাজ্য চৰকাৰৰ এখন আইনৰ অধীনত কোনো নিৰ্দিষ্ট অঞ্চল আৰু চাৰিসীমা নথকাকৈ এক স্বায়ত্ত শাসন ব্যৱস্থাৰ প্ৰস্তাৱ আগবঢ়ায়। চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱটোৰ মূল দিশকেইটা আছিল

১। যিবিলাক গাঁৱত শতকৰা ৫০% বা অধিক মিচিং জন বসতি আছে কেৱল সেই গাওঁ বিলাকক লৈ মিচিং স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হ'ব।

২। মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্দিষ্ট কোনো অঞ্চল আৰু চাৰিসীমা নাথাকিব ।

৩। গাওঁ পঞ্চায়তৰ দৰে পৰিষদখনো তিনিখলপীয়া হ'ব- (ক) গাওঁ পৰিষদ, (খ) আঞ্চলিক পৰিষদ আৰু (গ) শীৰ্ষ পৰিষদ

৪। সংবিধানৰ ৭৩ তম সংশোধনীয়ে পঞ্চায়ত ব্যৱস্থালৈ প্ৰদান কৰা ক্ষমতা আৰু কাম-কাজ সমূহ মিচিং স্বায়ত্ত শাসিত পৰিষদক প্ৰদান কৰা হ'ব।

নিম্নোক্ত কাৰণ সমূহৰ ভিত্তিত টি. এম. পি. কে. আৰু এম. এম. কেই চৰকাৰী প্ৰস্তাৱটো নাকচ কৰে আৰু বিকল্প প্ৰস্তাৱ আগবঢ়ায়।

১। কেৱল ৫০% মিচিং জনবসতি থকা গাওঁ সমূহৰ অন্তৰ্ভূক্তিৰে স্বায়ত্ত শাসিত পৰিষদ গঠনক সমৰ্থন কৰিব পৰা নাযায়। কাৰণ এনে সূত্ৰই অধিকাংশ মিচিং বসতি গাওঁ আৰু অঞ্চলক পৰিষদৰ বাহিৰত ৰাখিব । ইয়াৰ পৰিৱৰ্ত্তে মিচিং জনবসতি প্ৰধান ট্ৰাইবেল বেল্ট আৰু ব্লক তথা জনজাতীয় উপ- আঁচনিৰ গাওঁ সমূহক সামৰি মিচিং স্বায়ত্ত শাসিত পৰিষদৰ Core Area বা মূল অঞ্চল আৰু তাৰ বাহিৰৰ মিচিং বসতি প্ৰধান গাওঁ সমূহক লৈ Satellite Area বা উপগ্ৰহীয় অঞ্চল গঠন কৰিব লাগে।

২। চাৰিসীমা বিহীন স্বায়ত্ত শাসনৰ ধাৰণাটো অবাস্তৱ। নিৰ্দিষ্ট অঞ্চল এটা নথকাকৈ স্বায়ত্ত শাসিত পৰিষদ এখন বৰ্ত্তি থাকিব নোৱাৰে। এতেকে ওপৰত উল্লেখ কৰি অহা অঞ্চলসমূহ সামৰি লৈ মিচিং স্বায়ত্ত শাসিত পৰিষদৰ চাৰিসীমা নিৰ্দ্ধাৰণ কৰিব লাগে।

৩। যিহেতু জনজাতীয় স্বায়ও শাসিত পৰিষদ গঠনৰ ব্যৱস্থা একমাত্ৰ সংবিধানৰ ষষ্ঠ অনুসূচীত আছে; এতেকে মিচিং স্বায়ত্ত শাসিত পৰিষদকো ষষ্ঠ অনুসূচীৰ অধীনত গঠণ কৰিব লাগে

৪। যিহেতু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰস্তাৱিত ক্ষমতা আৰু কাম-কাজ পঞ্চায়ত ব্যৱস্থাৰ সৈতে একে এতেকে ভৱিষ্যতে পঞ্চায়ত আৰু এম এচ.চি.ৰ মাজত ক্ষমতা আৰু কাম-কাজক লৈ দ্বন্দ হোৱাটো স্বাভাৱিক। এনে দ্বন্দ এৰাই চলিবলৈ পঞ্চায়ত ব্যৱস্থাৰ আওতাৰ পৰা এম. এ. চি. ৰ প্ৰস্তাবিত অঞ্চলক ৰেহাই দিব লাগে ।

কিন্তু অসম চৰকাৰে টি. এম. পি. কে. এম. এম. কে. ৰ সৎ পৰামৰ্শৰলীক গুৰুত্ব দিয়াৰ সলনি টি. এম. পি. কে. আৰু এম. এম. কে.ৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰতহে লিপ্ত হ'ল। কংগ্ৰেছ (ই) দলৰ কিছুমান দালালক লৈ ৰাতিটোৰ ভিতৰত জন্ম দিলে এম. এ. দি. চি. নামৰ এক দালাল সংগঠনৰ যি চৰকাৰী নিৰ্দেশত চাৰিসীমাবিহিন ভুৱা স্বায়ত্ত শাসন গ্ৰহণ কৰিবলৈ প্ৰস্তুত হ'ল। দুৰ্ভাগ্যজনকভাৱে এম. এ. দি. চি.ৰ লগ লাগিল সেই সময়ৰ মিচিং বাঃনে কীবাওঁৰ নেতৃবৃন্দ । ১৯৯৪ চনৰ ২১ এপ্ৰিলাত চকুৱাখনা মহকুমাৰ বিলমুখত মিচিং বাঃনে কীবাওঁৰ অধিবেশন অনুষ্ঠিত কৰি তাতে মুখ্যমন্ত্ৰী "হিতেশ্বৰ শইকীয়াৰ দ্বাৰা চাৰিসীমাবিহিন ছাৱাও শাসন ঘোষণা কৰোৱাৰ পূৰ্ণ চৰকাৰী প্ৰস্তুতি চলিল। টি. এম. পি. কে. আৰু এম. এম. কে.ৰ নেতৃত্বত মিচিং জনসাধাৰণে অভূতপূৰ্ব সাহস আৰু একতাৰে এই চৰকাৰী ষড়যন্ত্ৰৰ প্ৰতিবাদ কৰিলে। ২১ এপ্ৰিলৰ দিনা বিশাল প্ৰতিবাদী সমদল বিলমুখ কঁপাই তুলিলে। সেই নিৰস্ত্ৰ গণতান্ত্ৰিক প্ৰতিবাদী জনতাৰ ওপৰত চৰকাৰে নিৰ্মম গুলীচালন কৰি হত্যা কৰিলে বগা (মহানন্দ) মেদক আৰু নৰেশ্বৰ টাইদক। আহত হ' ল অসংখ্য। চাৰিওফালে চলিল পুলিচ আৰু এম. এ. দি. চি.ৰ গুণ্ডাৰ নিৰ্মম অত্যাচাৰ। গোগামুখৰ প্ৰতিবাদী সমদলত পুলিচৰ বেয়োনেটৰ খোচত আঘাত হৈ পিছত মৃত্যু বৰণ কৰিলে অঞ্জনা পেগুৱে । এনে হত্যা সন্ত্ৰাসৰ মাজতে হেলিকপ্তাৰত

উঠি মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বিলমুখলৈ আহিল কিন্তু ভুৱা স্বায়ত্ত শাসন ঘোষণাৰ পৰা বিৰত থাকিবলৈ বাধ্য হ'ল।

বিলমুখ ঘটনাৰ পৰৱৰ্ত্তি কালৰ ইতিহাস টি. এম. পি. কে. এম. এম. কে.ৰ কৰ্মী আৰু প্ৰতিবাদী মিচিং জনসাধাৰণৰ ওপৰত পুলিচ আৰু এম. এ. দি. চি. বাহিনীৰ অমানুষিক অত্যাচাৰ উৎপীড়নৰ ইতিহাস। শ শ কৰ্মীক মনেসজা গোচৰত বন্দী কৰি কাৰাগাৰত নিক্ষেপ কৰা হ'ল। কেন্দ্ৰীয় নেতৃত্বৰো কোনো বাদ নপৰিল। ইয়াৰ মাজতে ১৪ জুন তাৰিখে এম. এ. দি. চি. আৰু মিচিং বাঃনে কীবাঙৰ লগত এখন তথাকথিত চুক্তি চহী কৰি কংগ্ৰেছ (ই) চৰকাৰখনে জাপি দিলে একপক্ষীয় ভুৱা স্বায়ত্ত শাসন। গঠন হ' ল অন্তবৰ্তীকালীন মিচিং স্বায়ত্ত শাসিত পৰিষদ আৰম্ভ হ'ল জনজাতি ৰাইজৰ উন্নয়নৰ নামত আবণ্টিত চৰকাৰী ধন আত্মসাৎ আৰু লুণ্ঠনৰ এক নতুন ইতিহাস ।

**অগপ নেতৃত্বাধীন চৰকাৰৰ লগত আলোচনা আৰু নতুন চুক্তিত স্বাক্ষৰ ঃ**

১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ (ই) চৰকাৰখনৰ শোচনীয় পৰাজয় ঘটিল আৰু ক্ষমতালৈ আহিল অগপ নেতৃত্বাধীন চৰকাৰ। কিন্তু অগপ চৰকাৰখনেও মিচিং স্বায়ত্ত শাসিত পৰিষদ বিষয়টোলৈ কোনো গুৰুত্ব নিদিয়াত পূৰ্বৰ কংগ্ৰেছ (ই) চৰকাৰখনে গঠন কৰি দিয়া অন্তবৰ্তীকালীন পৰিষদখনেই বাহাল থাকিল। ১৯৯৮ চনত অগপ নেতৃত্বাধীন চৰকাৰখনে টি. এম. পি. কে. এম. এম. কে. ক আলোচনালৈ আমন্ত্ৰণ জনায় আৰু এলানি আলোচনাৰ অন্তত টি. এম. পি. কে. এম. এম. কেই ষষ্ঠ অনুসূচীৰ দাবী অব্যাহত ৰাখিও অন্তত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ এম. এ. চি.ক গঠন কৰাৰ স্বাৰ্থত ২৮ এপ্ৰিল তাৰিখে মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু বিধান সভাৰ অধ্যক্ষ শ্ৰী গনেশ কুটুমৰ উপস্থিতিত অসম চৰকাৰৰ লগত এখন নতুন চুক্তিত স্বাক্ষৰ কৰে। চুক্তিৰ মূল কথাটো আছিল টি. এম. পি. কে. আৰু এম. এম. কেই দিয়া পৰামৰ্শৱলীৰ ভিত্তিত মিচিং স্বায়ত্ত শাসিত পৰিষদ আইনখনৰ সংশোধনীৰ জৰিয়তে আমূল পৰিৱৰ্তন ঘটোৱা আৰু নতুন এখন আইনৰ ভিত্তিত চাৰিসীমা নিৰ্দ্ধাৰণ কৰি এম. এ. চি. ৰ গণতান্ত্ৰিক নিৰ্বাচন অনুষ্ঠিত কৰা। আইন সংশোধনীৰ বাবে শিক্ষামন্ত্ৰী শ্ৰী থানেশ্বৰ বড়োৰ অধ্যক্ষতাত এখন পুনৰীক্ষণ সমিতি বা Review Committee গঠণ কৰা হয়।

ইয়াৰ পাছত অগপ নেতৃত্বাধীন চৰকাৰখন এহাতে পূৰ্বৰ কংগ্ৰেছ (ই) সদস্যৰ দ্বাৰা গঠিত অন্তবৰ্তীকালীন পৰিষদখন ভংগ কৰি তাৰ ঠাইত অগপ সদস্যৰ দ্বাৰা গঠিত এখন নতুন অন্তবৰ্তীকালীন পৰিষদ গঠণ কৰে আৰু আনহাতে পুনৰীক্ষণ কিমিটিত টি. এম. পি. কে. - এম. এম. কে.ৰ লগত আলোচনা চলাই যায়। পূৰ্বৰ দৰে অগপ অধীনতো এম. এ. চি.ত জনজাতীয় উন্নয়নৰ বাবে অহা ধন আত্মসাৎ আৰু লুণ্ঠন কৰাৰ প্ৰতিযোগিতা চলে ।

অগপ নেতৃত্বাধীন চৰকাৰখনৰ লগত আলোচনাত কালত টি. এম. পি. কে. - এম. এম. কে.ই মিচিং বসতি প্ৰধান ট্ৰাইবেল বেল্ট ব্লক আৰু জনজাতীয় উপ আঁচনি অঞ্চলসমূহক এম. এ. চি.ত অন্তৰ্ভূক্ত কৰা এম. এ. চি.ক সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰা এম. এ. চি. হিতাধিকাৰীৰ পৰা বে-আইনী ভাৱে পইছা সংগ্ৰহ কৰে। হিতাধিকাৰীৰ যি তালিকা প্ৰস্তুত কৰে তাৰ অধিকাংশ নামেই ভুৱা। তাৰোপৰি যি নামমাত্ৰ নিম্ন মানদণ্ডৰ সামগ্ৰী বিতৰণ কৰা হয় তাতো চূড়ান্ত আঞ্চলিক বৈষম্য বিৰাজমান, দূৰণিৰ অঞ্চল ব্ৰহ্মাপুত্ৰ দক্ষিণপাৰ, শদিয়া, সোণিতপুৰ আদি অঞ্চলৰ বাবে আবন্টিত সামগ্ৰীসমূহ কোনো দিনেই সেই অঞ্চল নাপায়গৈ। গোগামুখত সিবিলাকৰ হৰলুকি ঘটে।

এম. এ. চি. ত চলি অহা অবাধ দুৰ্নীতি বন্ধ কৰি এম. এ. চি. ক এক জনমুখী কল্যাণকামী গণতান্ত্ৰিক সংগঠন হিচাবে গঢ় দিয়াৰ বাবে সকলো শুভবুদ্ধি সম্পন্ন লোক এক্যবদ্ধ হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এম. এ. চি.ক জনসাধাৰণৰ প্ৰতি দায়বদ্ধশীল কৰিবৰ বাবে এম. এ. চি. গণতান্ত্ৰিক নিৰ্বাচন অনুষ্ঠিত কৰাটো বৰ্তমান সময়ৰ অতি

গুৰুত্বপূৰ্ণ কাম ।

আমাৰ সপোন আছিল আমাৰ অঞ্চলৰ উন্নয়নৰ এক গণতান্ত্ৰিক আদৰ্শ অনুষ্ঠান হিচাপে মিচিং স্বায়ত্ত শাসিত পৰিষদক গঢ় দিয়া। কিন্তু সুবিধাবাদী ৰাজনীতিয়ে এম. এ. চি. ক কৰি তুলিলে শোষণ, লুণ্ঠন, বঞ্চনাৰ এক অবৈধ অনুষ্ঠান। মাজ নিশাৰ শিয়ালৰ আওৰাত আমাৰ স্বপ্ন ভংগ এতিয়াও হোৱা নাই । আমাৰ সপোনক আমি এদিন বাস্তৱত পৰিণত কৰিমেই । এম. এ. চি. ৰ লুণ্ঠন ৰাজৰ অন্ত পেলাবলৈ জনগণৰ প্ৰতি দায়বদ্ধ এখন পৰিষদ গঠন কৰিব লাগিব

অতি সম্প্ৰতি দীৰ্ঘদিনীয়া বড়ো সমস্যা সমাধান কৰিবৰ বাবে কেন্দ্ৰ, ৰাজ্য, চৰকাৰ আৰু বি. এল. টি.ৰ মাজত স্বাক্ষৰিত চুক্তি অনুযায়ী ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ‘বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল' গঠন কৰাৰ সিদ্ধান্তই অসমৰ জনজাতীয় ৰাইজৰ স্বায়ত্ত শাসনৰ দাবীক এক নতুন মাত্ৰা প্ৰদান কৰিলে । ই সামগ্ৰীক ভাৱে অসমৰ সমগ্ৰ ভৈয়াম জনজাতি ৰাইজৰ বাবে এক বিৰাট ঐতিহাসিক বিজয়। সংবিধান ৰচনা কৰাৰ সময়ত ষড়যন্ত্ৰমূলক ভাৱে ভৈয়াম জনজাতি সকলক ষষ্ঠ অনুসূচীৰ পৰা বঞ্চিত কৰাৰ পঞ্চাশ বছৰ পাছত বঞ্চনা দূৰ কৰাৰ নতুন দিগন্তৰ সূচনা হৈছে। এই চুক্তিয়ে মিচিং সকলে দীৰ্ঘদিন ধৰি কৰি অহা ষষ্ঠ অনুসূচীৰ দাবীৰ যথাৰ্থতাক সাব্যস্ত কৰিলে। এতিয়া এম. এ. চি.ক ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত নকৰাৰ কোনো যুক্তি বা কাৰণ থাকিব নোৱাৰে। সেয়েহে, আমাৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সৰ্বান্তঃকৰণে সমৰ্থন দিবৰ বাবে আজিৰ অভিবৰ্ত্তনৰ সমূহ সন্মানীয় প্ৰতিনিধিবৰ্গক বিনম্ৰ আবেদন জনালো ।

ধন্যবাদ

কেন্দ্ৰীয় সমিতি
টাকাম মিচিং পৰিণ কৌবাং
মিচিং মিমাগ কৌবাং

জনজাতি পৰিক্ৰমাৰ তদানিন্তন কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীযুত জুৱেল অৰাম ডাঙৰীয়াৰ হাতত প্ৰদান কৰা মিচিং বাঃনী কৌবাং আৰু মিচিং মিমাগ কীবাঙৰ যুতীয়া স্মাৰক পত্ৰ-

**Office of the**

# MISING BA:NÉ KEBANG &
# MISING MIMAG KEBANG

**Office: Gogamukh, Dist. Dhemaji, Assam Camp: New Delhi**

**To,**

**Shri J. Oram**
**The Hon'ble Minister of Tribal Affairs Govt. of India**
**Shastri Bhawan**
**New Delhi**

**Sub: Memorandum demanding inclusion of the Mising Autonomous Council into the 6th Schedule of the Indian constitution.**

Respected Sir,

We, the under signatories, for and on behalf of Mising Ba:ne Kebang (Mising Moha Sobha) and Mising Mimag Kebang (Mising Action Committee) extend our heartiest thanks for giving us this opportunity to meet and submit you this memorandum.

We also thank you to your bold historic decision to create Bodoland Territorial Council under the 6th schedule of the Indian Constitution._

You are aware that there are other plains tribal groups and plains tribal areas other than Bodos and BTC. Three more tribal autonomous councils under state acts are presently functioning in Assam (of course without boundary demarcation and without elections being hold). These are Mising Autonomous Council, Rabha Hasong Autonomous Council and Tiwa Autonomous Council. The BTC accord mentions about these three councils with provisions to protect the rights and interests of the Bodos living in these Council areas.

With smooth transformation of BAC to BTC under the 6th Schedule, it is high

time to include the Mising, Rabha and Tiwa Councils into the 6th schedule too.

Therefore, we are submitting this memorandum to your honour for immediate decision to create Mising Autonomous Council under the 6th schedule.

(BONDHURAM PAWGAM)
Vice-President,
Mising Bane Kebang

Thanks
Yours Sincerely

(DEBESWARE PEGU)
President, Mising Bane Kebang

(DR. RANOJ PEGU)
Spokesman,
Mising Mimag Kebang

(RUKMA MEDOK)
President, Mising Mimag Kebang

**A MEMORANDUM**
**DEMANDING CREATION OF**
# MISING AUTONOMOUS COUNCIL
## UNDER THE 6TH SCHEDULE OF THE
**INDIAN CONSTITUTION.**

**<u>Submitted by</u>**

## MISING BA:NE KEBANG & MISING MIMAG KEBANG

# ABOUT THE MISING BA:NÉ KEBANG

Mising Bane Kebang, meaning Mising Moha Sabha or Grand Assembly of the Misings is the oldest, largest and parent organization of Assam's second

